# ক ট নি য়া ন

কটন কলেজ ছাত্ৰসন্থাৰ
বছৰেকীয়া প্ৰকাশ

৪৮ তম্ সংখ্যা
১৯৭১-৭২ চন

সম্পাদক ঃ দীনবন্ধু ঠাকুৰীয়া

**সম্পাদনা সমিতিৰ সদস্য ঃ**

অধ্যাপক কমলেশ্বৰ শৰ্মা ( সভাপতি )
,, ভূপেশ দত্ত ( তত্বাবধায়ক )
,, হেমন্ত কুমাৰ শৰ্মা
,, শ্যামা প্ৰসাদ শৰ্মা

**আমাৰ কৃতজ্ঞতা এই সকললৈ—**

* বেটুপাতৰ শিল্পী—অমূল্য বৰুৱা
* ব্যাখ্যা চিত্ৰনৰ শিল্পী—শৰৎ বৰুৱা
* অঙ্গ সজ্জাত সহায় কৰোঁতা—ব্ৰজাঙ্গ ৰাজখোৱা,

**বিভিন্ন দিশত উপদেশ আগবঢ়োৱা বাবে—**

অধ্যাপক আনন্দেশ্বৰ শৰ্মা
,, মহেশ চন্দ্ৰ ভূঞা
,, ৰামচৰণ ঠাকুৰীয়া
,, টাবুৰাম টাইড
,, প্ৰবীন গগৈ
অধ্যাপিকা তৃষ্ণা মহন্ত
,, ৰুমী গোস্বামী
অধ্যাপক ৰবীন গোস্বামী

**আলোচনীৰ বিভিন্ন দিশত সহায় আগবঢ়োৱা বাবে—**

দেৱৰাট শৰ্মা, হেমেন বৰ্মণ, গৌতম বৰুৱা, প্ৰদীপ সাহা, ভৱেশ গোস্বামী, প্ৰণৱ পাঠক, বসন্ত কুমাৰ দাস, কনক চন্দ্ৰ দাস, অনিল ডেকা, কানন ভূঞা, পুৰবী ভট্টাচাৰ্য্য, প্ৰমোদ অধিকাৰী, সত্যেন শৰ্মা, কিৰিপ চলিহা, চিদা বৰা, তৃতীয় ছাত্ৰাবাসৰ ছাত্ৰবৃন্দ

আৰু

শ্ৰীগুৰু প্ৰেছৰ কৰ্ম্মীবৃন্দ।

## ॥ এই সংখ্যাত ॥

## ॥ অসমীয়া বিভাগ ॥

॥ সম্পাদকীয় ॥


॥ প্ৰবন্ধ ॥

ৰায়বাহাদুৰ কনকলালবৰুৱা ॥ ১ ॥ সূৰ্য্য কুমাৰ দাস
নাট্যকাৰ ৰাজখোঁৱা ॥ ৪ ॥ অধ্যাপক ৰামচৰণ ঠাকুৰীয়া
চিন্তাৰ দৈন্য--আমাৰ জাতীয় ব্যাধি ॥ ১১ ॥ হেমন্ত বৰ্মণ
কাব্যত অলঙ্কাৰ ॥ ১৯ ॥ অধ্যাপক ৰাজেন মহন্ত
কামৰূপীয় জনগীতৰ পৰম্পৰা ॥ ৩৬ ॥ অনিল ডেকা
মৌলিকতা আৰু সমাজ স্বাৰ্থ ॥ ৫৯ ॥ মোহন বৰদলৈ
জ্যোতিৰ জ্যোতি ॥ ৬৪ ॥ খগেন শৰ্মা
পেট্ৰ'কেমিকেল ॥ ৭১ ॥ ভবেশ গোস্বামী
অসম আৰু চেৰদুকপেন জনজাতিৰ সম্বন্ধ ॥ ৮১ ॥ য়েচে দৰজে ঠংছি

॥ কবিতা ॥

নীলিমা মোৰ বাবে তুমি নুৰুৱা মালতী ফুল ॥ ১৫ ॥ ভূপেন শৰ্মা
এটা বক্ৰ হাঁহি আৰু তাৰ প্ৰত্যুত্তৰ ॥ ১৬ ॥ অধ্যাপক উদয়াদিত্য ভড়ালী
বন্ধ্যাত্বৰ বেদনা ॥ ১৭ ॥ কৈলাস দাস
মৃত্যুঞ্জয় ॥ ১৮ ॥ অৰুপা বেজবৰুৱা
সোণালী পাহাৰ উষ্ম নদী ॥ ১৮ ॥ ৰিপুণ বৰা
প্ৰবোধ ॥ ৫৬ । সুৰেশ শৰ্মা
অশৰীৰি ॥ ৫৬ ॥ মাকণিপ্ৰভা শৰ্মা
পাৰ হৈ গ'ল ॥ ৫৭ ॥ মদন শৰ্মা
ৰাজনীতি ॥ ৫৭ ॥ অনুপমা দত্ত
তিনিটা কবিতা ॥ ৫৮ ॥ প্ৰশান্ত গোস্বামী
মোৰ সোণালী সপোন । ৫৮ ॥ লক্ষেশ্বৰ তালুকদাৰ
প্ৰসাৰিত এখন হাত ॥ ৫৮ ॥ ধৰণী বৈশ্য

॥ গল্প ॥

তুমি ? ॥ ৭ ॥ গৌতম বৰা
সন্ধানত ॥ ২৪ ॥ আৰাধনা পটঙ্গীয়া
এন্ধাৰে ঢকা আকাশ ॥ ৬৮ ॥ ধীৰেণ গোস্বামী
এজন দোকানীৰ অভিজ্ঞতা ॥ ৭৭ ॥ মৃদুল দাস
তিনিটা সৰু গল্প ॥ ৮৮ ॥ পবিত্ৰ পূজাৰী

॥ অনুবাদ কবিতা ॥

ছটা চৈনিক কবিতা ॥ ৩৪ ॥ হিৰণ্য চৌধুৰী
প্ৰজাতন্ত্ৰৰ শ্বহীদ বীৰৰ মাতৃলৈ ॥ ৩৫ ॥ হেমেন বৰ্মণ

॥ এখন সম্পূৰ্ণ উপন্যাস ॥

অৰণ্যৰ সূৰ্য্যস্নান ॥ ৩৯ ॥ কনক চন্দ্ৰ দাস।

॥ এখন ৰস ৰচনা ॥

সংখ্যা বোৰৰ সভাত শ্ৰীযুত শূন্যতৰ্ক শাস্ত্ৰী
দেৱৰ ভাষণৰ সাৰাংশ ॥ ৭৯ ॥ বিনোদ খাঁদৰীয়া।

॥ পুথি আলোচনা ॥

এটা সূৰ্য্য, দুখন নদী আৰু এখন মৰুভূমি ॥ ৯০ ॥ অধ্যাপক ৰমেশ পাঠক
আদৰণি সভাত দিয়া অধ্যক্ষৰ অভিভাষণ ॥ ৮৭ ॥

অশ্রু অঞ্জলি যাচিছোঁ—

'৭২ৰ ভাষা আন্দোলনৰ শ্বহীদসকললৈ,
আন্দোলনত ক্ষতিগ্ৰস্ত হোৱা সংখ্যাগুৰু আৰু সংখ্যালঘু সম্প্ৰদায়ৰ লোকসকললৈ,
অকালতে মৃত্যু বৰণ কৰা আমাৰ কলেজৰ ছাত্ৰী মনু প্ৰধানলৈ,
আৰু
যি সকল মহান ব্যক্তিয়ে আমাক এৰি থৈ গ'ল—
তেখেত সকললৈ।

## সম্পাদকীয়—

### সমস্যা আৰু সমাধানৰ বিতৰ্ক

ভাৰতৰ সকলো শ্ৰেণীৰে বুদ্ধিজীৱি, ৰাজনীতিবিদ আৰু সচেতন নাগৰিকৰ মন জাতীয় সংহতিৰ সমস্যাই চিন্তিত কৰি তুলিছে। বিভিন্নতাৰে ভৰা দেশ ভাৰতবৰ্ষত এনে ধৰণৰ সমস্যাৱলী যদিও স্বাভাৱিক, তথাপিও ই সদায় সৰ্বজন নিন্দনীয়। প্ৰতিজন ভাৰতীয়ই আজি স্বীকাৰ কৰিবলৈ বাধ্য হৈছে যে—ভাৰতৰ জাতীয় সংহতি আজি বিপন্ন।

বুৰঞ্জীলৈ উভতি চালেই আমি দেখা পাওঁ যে সংহতিৰ সমস্যা আজি নতুনকৈ গজাঁলি মেলা নাই। বৃটিচৰ আমোলৰ কথা বেলেগেই—ভাৰত স্বাধীন হোৱাৰ দিনৰেপৰা এই সমস্যা বৰ্তমান। তুঁহ জুইৰ দৰে উমি উমি জ্বলি থকা সমস্যাবোৰ বৰ্তমান সময়ত বিভিন্ন পৰিস্থিতিৰ গইনা লৈ বিস্ফোৰিত হৈছে। ভাষাগত সমস্যা, বিভিন্ন ৰাজ্যৰ মাজত সীমা-বিবাদ, নতুন ৰাজ্যৰ দাবী, স্বাধীন ৰাজ্যৰ দাবী ইত্যাদিৰে দেশৰ বিতৰ্ক-বিপ্লৱ-বিশৃংখলা প্ৰকট হৈ উঠিছে। বিভিন্ন জাতি-উপজাতি, ধৰ্ম-গোষ্ঠি আদিৰ মাজত সন্দেহে দেখা দিছে। এনে ধৰণৰ পৰিবেশৰ মাজত জাতীয় সংহতি জীয়াই ৰখাটো কঠিন হৈ পৰিছে।

এই সন্দেহ, এই বিভেদ আদিৰ বাবে আমি কাক জগৰীয়া কৰিম? সদায় জন-সাধাৰণৰ পক্ষে ওকালতি কৰা এচাম ধুৰন্ধৰ ৰাজনৈতিক নেতা প্ৰধানকৈ ইয়াৰ বাবে দায়ী বুলি আমি ভাবোঁ। তাৰোপৰি ২৫ বছৰ ৰাজত্ব চলোৱা কংগ্ৰেছ দলে দেশৰ সমস্যা সমাধানত কোনো গুৰুত্বপূৰ্ণ ভূমিকা অৱলম্বন কৰিব পৰা নাই। বৰং প্ৰতিক্ষেত্ৰতে সমস্যাবোৰ অধিক জটিল আৰু অবোধগম্য কৰি তুলিছে। কংগ্ৰেছদলৰ দেউলীয়া অৰ্থ-নীতি, শিক্ষানীতি, ঔদ্যোগিক বিকাশৰ অক্ষমতা, নেতৃবৃন্দৰ দূৰদৰ্শিতাৰ অভাৱ, প্ৰাদেশি-কতাবাদ আদিয়েই দেশৰ জাতীয় সংহতি বিপন্ন কৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে।

ভাৰতীয় অৰ্থনীতি দেউলীয়া অৰ্থনীতি। বিদেশৰ পৰা কোটি কোটি টকা ধাৰ কৰি দেশৰ উন্নয়ণ-প্ৰকাশত তাৰ এক বৃজন পৰিমাণ অৰ্থ বিনিময় কৰাৰ সলনি চৰকাৰে আঁভুৱা ভাবিছেঃ দেশ আৰু দহক ঠগাইছে। গৰিৱী হটাও ধ্বনিৰে কংগ্ৰেছ শাসক বৃন্দই আকাশ বতাহহে মুখৰিত কৰাত সফল হৈছে। বস্তুৰ মূল্য উৰ্ধগতিত বাঢ়িছে। মানুহৰ জীৱন-ধাৰণৰ মান নিম্নগামী হৈছে। এনেক্ষেত্ৰত সুস্থ সবল নীতি গ্ৰহণ কৰিব নোৱাৰিলে ভাৰতীয় গণতন্ত্ৰৰ বিপদ অৱশ্যম্ভাৱী।

তাৰোপৰি কেন্দ্ৰীয় নীতিবোৰ পক্ষপাতিত্বৰ দোষত দুষ্ট। বক্তৃতাৰে হলেও আজি চৰকাৰে উদ্যোগীকৰণৰ নামত উঠি পৰি লাগিছে। কিন্তু এই উদ্যোগীকৰণত নিহিত থকা সামূহিক প্ৰগতিকামী মনোভাৱৰ প্ৰতি চৰকাৰে যেন লক্ষ্য ৰখাটো উচিত বুলি ভবা নাই। ফলত দেশৰ এটা ই অঞ্চল পিচপৰি ৰৈছে আনটো অঞ্চল বহু আগবাঢ়ি গৈছে। এনে ধৰণৰ বৈষম্যমূলক আচৰণ স্বাধীন দেশৰ কোনো নাগৰিকে সহ্য কৰিব নোৱাৰে। সেয়ে বিক্ষোভ আৰু বিপ্লৱে দেশৰ ইমূৰ-সিমূৰ চানি পেলাইছে।

শিক্ষা সংহতিৰ উৎকৃষ্ট বাহন। কিন্তু দেশত চলি থকা আমাৰ কেৰোণযুক্ত শিক্ষানীতিয়ে সংহতি ৰক্ষা কৰাত ব্যৰ্থ হৈছে। শাৰীৰিক শ্ৰম আৰু শিক্ষাৰ মাজত আকাশ-পাতাল প্ৰভেদ। সেয়ে লাখে লাখে কলেজ বিশ্ববিদ্যালয়ৰ ডিগ্ৰীধাৰী যুৱক-যুৱতীৰ মাজত নিবনুৱা সমস্যা ব্যাপক হৈ উঠিছে। এই নিবনুৱাবোৰৰ আশু সংস্থান যে কৰিব লাগে তাৰ বাবে চৰকাৰে কোনো গঠনমূলক আঁচনি হাতত লোৱা নাই।

শিক্ষাৰ লগত ভাষাৰ ওতঃপ্ৰোতঃ সম্পৰ্ক। দেশত এতিয়ালৈকে এটা সুস্থ ভাষা নীতি গ্ৰহণ কৰা নহ'ল। শিক্ষাদানৰ মাধ্যমৰ ক্ষেত্ৰত বিভিন্ন প্ৰদেশত অনিশ্চয়তাই দেখা দিছে। উত্তৰ ভাৰতৰ গোড়া হিন্দী সমৰ্থকসকলৰ ইংৰাজী বিদ্বেষটো এটা ৰোগত পৰিণত হৈছে। আঞ্চলিক ভাষাকে যদিও শিক্ষাৰ মাধ্যম হিচাবে স্থিৰ কৰা হৈছে তথাপিও ইংৰাজীক বিদেশী ভাষা বুলি বহিষ্কাৰ কৰাটো কিমানদূৰ সমীচিন হ'ব সি বৌদ্ধিক চিন্তা-চৰ্চাৰ বিষয়। ভাষালৈয়ে উত্তৰ আৰু আৰু দক্ষিণ ভাৰতৰ মাজত বিৰোধৰ উৎপত্তি সময় থাকোঁতে ইয়াৰ বীজাণু ধ্বংস কৰিব নোৱাৰিলে শিক্ষা সংহতি আৰু জাতীয়াবাদৰ আচল স্বৰূপ বিপন্ন হোৱাৰ আশঙ্কা আছে।

প্ৰাদেশিকতাৰ দুৰ্নীতি মোহে বৰ্তমান ভাৰতবৰ্ষৰ প্ৰত্যেকজন নাগৰিককে হাড়লৈকে চুইছে। তামিল-নাডু তামিলসকলৰ, পশ্চিমবঙ্গ বঙালী সকলৰ, অসম অসমীয়াৰ ইত্যাদি ধৰণৰ আবেগিক শ্লোগানেৰে সাধাৰণ ৰাইজক সহজেই উত্তেজিত কৰিব পাৰিলেও তাৰ দ্বাৰা জাতি তথা জনসাধাৰণৰ কোনো লাভ নহয়। আজিৰ ভাৰতৰ প্ৰত্যেকখন ৰাজ্যতে এনে ধৰণৰ মনোভাৱ গঢ়ি উঠিছে: যাৰ ফলত সংহতিৰ ৰাজহাড় কোঙা হৈ গৈছে।

বৰ্তমান সময়ৰ পৰিপ্ৰেক্ষিতত দেখা দিয়া অনুন্নত সম্প্ৰদায়ৰ বিভিন্ন সমস্যাৰ প্ৰতি চৰকাৰে বাস্তৱ দৃষ্টি-ভঙ্গীৰে চকু দিয়া উচিত; কিয়নো সামূহিক প্ৰগতিবাদৰ ধাৰা অব্যাহত তথা সৰ্বাঙ্গসুন্দৰ আৰু গঠনমূলক কৰিবলৈ হলে' সাম্যবাদৰ' প্ৰচলিত ফলিতাৰ্থ এই অনুন্নত শ্ৰেণীটোৰ যোগেদিয়েই, তেওঁলোকৰ সৈতে সহজ বুজাপৰাৰ মাজেদিয়েই নিৰাকৰণ কৰিব পৰাটোহে গৌৰৱৰ কথা হ'ব। অৱশ্যে এইটো সঁচা কথা যে এই সমস্যাবোৰৰ আশু-সমাধান কৰাটো খুউব কঠিন, কিন্তু দায়িত্বশীল চৰকাৰে এই শীৰ্ষক আঁচনিত দৃঢ়ভাৱে মনোনিবেশ কৰিলে সুফল আশা কৰিব পাৰি।

——ধন্যবাদ

দীনবন্ধু ঠাকুৰীয়া
সম্পাদক, কটনিয়ান।
৪৮শ সংখ্যা

জন্ম শতবাৰ্ষিকীৰ শ্ৰদ্ধা নিবেদিছোঁ ঃ—



কনক লাল বৰুৱা ।

জন্ম — খৃঃ ১৮৭২ ইং　　　　মৃত্যু — খৃঃ ১৯৪০ ইং

জন্ম শতবাৰ্ষিকীৰ শ্ৰদ্ধা অৰ্ঘ্য ঃ



৺ বেণুধৰ ৰাজখোৱা
(১৮৭২ - ১৯৫৬)

# ৰায়বাহাদুৰ কনকলাল বৰুৱা ঃ
# শতবাৰ্ষিকীৰ পুণ্যস্মৃতিত

**শ্ৰীসূৰ্য্য কুমাৰ দাস**
২য় বাৰ্ষিক, কলা

"একোজন পুৰুষৰ একো আঁজোৰত
বহুযুগ আগবাঢ়ি যায়,
একোজন পুৰুষৰ একোটি ঠেলাই
বহুকাল সংসাৰ তৰায়।"

ৰায়বাহাদুৰ কনকলাল বৰুৱাও তেনে এজন পুৰুষ, যাৰ অদম্য উৎসাহ, অনুসন্ধিৎসা আৰু চেষ্টাৰ ফলত অসম বুৰঞ্জীৰ অন্ধকাৰ ফাল এটা পোহৰলৈ আহিল। কনকলাল বৰুৱাদেৱৰ জীৱনৰ কীৰ্ত্তিস্তম্ভ An Early Histery of Kumrupa নামৰ ইংৰাজী ভাষাত লিখা মহান গ্ৰন্থখনি অসমৰ প্ৰাচীন ইতিহাসৰ অন্ধকাৰে আৱৰি থকা ফালটোত আলোকপাত কৰি লিখা; ই বৰুৱাদেৱৰ একক আৰু অনন্য সাধাৰণ কীৰ্ত্তি। সেই সময়লৈকে Sir Edward Gait চাহাবৰ A History of Assam খনকে একমাত্ৰ প্ৰামাণ্য গ্ৰন্থ হিচাবে স্বীকৃতি দিয়া হৈছিল। কিন্তু An Early History of Kumrupaত বৰুৱাদেৱৰ এনে বহু ঘটনা আৰু অচিহ্নিত দিশ পোহৰাই তুলিলে, যাৰ ফলত অসমৰ প্ৰাচীন ইতিহাসৰ বহুতো নজনা কথাৰ সম্ভেদ পোৱা গ'ল। গেইট চাহাবে তেওঁৰ বুৰঞ্জীখনত প্ৰাচীন কামৰূপৰ বুৰঞ্জীৰ এই অংশটোৰ ওপৰত মাত্ৰ চৈধ্য (১৪) পৃষ্ঠাহে লিখিছিল, কিন্তু বৰুৱাদেৱৰ তাৰ ওপৰতেই এই বৃহৎ গ্ৰন্থখনি যুগুত কৰে। Early History of Kamrupaৰ পাতনিত তেখেতে এনেদৰে লিখিছিল, "বহু ঘটনা-উপঘটনাৰে ভৰপূৰ অসমৰ ইতিহাসৰ চতুৰ্থৰপৰা বাৰশ শতিকালৈ গেইট চাহাবে মাথোন চৈধ্য পৃষ্ঠাহে লিখিছিল অথচ অসমত খুব কম দিন ৰাজত্ব কৰা কোঁচ ৰাজত্বৰ বিষয়ে একুৰি তিনি পৃষ্ঠা লিখিছে। অৱশ্যে আহোম ৰাজত্বৰ বিশদ-বিৱৰণ গেইটৰ বুৰঞ্জীয়ে দাঙি ধৰিছিল।" গতিকেই কনকলাল বৰুৱাদেৱে কামৰূপ বা অসমৰ প্ৰাচীন সেই এন্ধাৰ দিশটোৰ ওপৰত আলোকপাত কৰিবলৈকে উক্ত গ্ৰন্থ প্ৰণয়ন কৰে।

এইজনেই সেই কনকলাল বৰুৱা, যিজনক আমি কেৱল এজন বুৰঞ্জীবিদ হিচাবেই জানো। কিন্তু তেওঁ জানো কেৱল এজন ঐতিহাসিকেই আছিল? সাহিত্য ক্ষেত্ৰতো তেওঁৰ অৱদান কম নাছিল। এইজনা কনকলাল বৰুৱাই লিখিছিল 'ব্ৰহ্মপুত্ৰ' কবিতা—

"একধ্যান একজ্ঞান এক মন্ত্ৰ স্মৰি
সদায় গইছা তুমি কুল্ কুল্ কৰি,
দিন গই হ'ল ৰাতি,
সপ্তাহ মাহক কাটি,
বছৰৰ পাচে গ'ল বছৰ ৰাগৰি।
সদায় গইছা তুমি কুল্ কুল্ কৰি॥"

এই কবিতাটি পঢ়ি হেনো 'হেমকোষ' প্ৰণেতা হেমচন্দ্ৰ বৰুৱাই কৈছিল, "এই কবি পোৱালীটি

আগলৈ উজ্বল ৰত্ন হ'ব।" তেখেতৰ এই ভৱিষ্যতবাণী অথলে যোৱা নাছিল। এই কবি পোৱালী কনকলাল বৰুৱাই পাচলৈ হৈ পৰিল এগৰাকী প্ৰখ্যাত বুৰঞ্জীবিদ, প্ৰত্নতত্ত্ববিদ, কবি, নাট্যকাৰ, সমালোচক। 'অসম বন্ধু', 'মৌ', 'জোনাকী', আদি আলোচনীসমূহৰ পাতত প্ৰকাশ পোৱা নানা তৰহৰ প্ৰবন্ধ আৰু কবিতাৰ মাজত তেখেতৰ বহুমুখী প্ৰতিভাৰ চিন ফৰিংফুটা হৈ জিলিকি আছে। জোনাকীৰ উপৰিও তেখেতে সম্পাদনা কৰা "Journal of the Assam Research Society নামৰ আলোচনীত লিখা নানা তৰহৰ বহুমূলীয় প্ৰবন্ধই তেখেতৰ অনুসন্ধিৎসু মনৰ আৰু মৌলিক চিন্তা-চৰ্চাৰ প্ৰমাণ সুন্দৰভাৱে দাঙি ধৰে। এই জাৰ্ণেলখনৰ বাবে তেখেতে কিমান পৰিশ্ৰম কৰিছিল তাৰ আভাস পোৱা যায়, অসম সাহিত্য সভাৰ সপ্তম অধিবেশনৰ বুৰঞ্জী শাখাৰ সভাপতি আসনৰ পৰা দিয়া তেখেতৰ অভিভাষণ-খনিত। তেখেতে লিখিছিল "আজি পাঁচ বছৰে এই জাৰ্ণেলৰ কাৰণে বঙালী, মহাৰাষ্ট্ৰীয় আৰু ইংৰাজ লিখকৰ পৰা প্ৰবন্ধ পোৱা হৈছে, কিন্তু অসমীয়া লিখকৰ পৰা প্ৰবন্ধ সংগ্ৰহ কৰা বৰ কঠিন কাৰ্য্য। মই নিজে প্ৰবন্ধ লিখিহে অনেক সময়ত এই জাৰ্ণেলৰ কলেৱৰ পূৰ্ণ কৰিব লগাত পৰে।"...তেখেতৰ এই উক্তিত দুখ, আক্ষেপ ফুটি উঠাৰ লগে লগে, তেখেতৰ প্ৰৱল আত্মবিশ্বাসী মনটোৰো পৰিচয় পোৱা যায়।

এইজনা কনকলাল বৰুৱাই অসমৰ বিবিধ ৰাজহুৱা অনুষ্ঠানৰ পিতৃ স্বৰূপ আছিল। তদুপৰি তেখেতে চৰকাৰৰ বিভিন্ন বিভাগত উচ্চপদ অলঙ্কৃত কৰিছিল। কেইবাটাও চৰকাৰী বিভাগত সুখ্যাতিৰে আৰু দক্ষতাৰে তেওঁ কাম কৰিছিল আৰু তাৰ ফলত ১৯১৬ চনৰ নৱবৰ্ষ উপলক্ষে সেই সময়ৰ বৃটিচ সম্ৰাটৰ উপাধি বিতৰণ অনুষ্ঠানত তেখেতক ৰায়বাহাদুৰ উপাধিৰে বিভূষিত কৰে। সেই বছৰতে তেওঁ চাৰ টমাচ হলেণ্ডৰ সভাপতিত্বত বহা ভাৰত শিল্প কমিচনৰ (Royal Industrial Commission )ৰ সভ্য নিৰ্বাচিত হয়। ১৯২১-২২ চনত সেই সময়ৰ ভাৰতৰ গৱৰ্ণৰ জেনেৰেল লৰ্ড লিন লিথ্‌গোৰ সভাপতিত্বত গঠিত হোৱা ভাৰত কৃষি কমিচন ( Agricultural Commission )ত যোগ দি অসমৰ কৃষি বাণিজ্য আৰু বিভিন্ন সম্পদ সম্পৰ্কীয় সকলো কথা বুজাই দিয়ে। তেখেতে অসমৰ শিল্প বিভাগৰ ডিৰেক্টৰ হৈ থকা কালছোৱাতে অসমৰ পাট-পলুৰ পুনৰুদ্ধাৰ, দেশৰ কমাৰ-কুমাৰৰ শিল্পৰ উন্নতিৰ বিশেষ যত্ন লৈছিল।

১৯২৭ চনত তেখেতে চৰকাৰী কামৰ পৰা অৱসৰ লয়। এই কালছোৱাতেই তেখেত অসম ব্যৱস্থা-পক সভাৰ সভ্য নিৰ্ব্বাচিত হৈ প্ৰায় দহ বছৰ কাল মণ্টেগু চেমচফোৰ্ড শাসন সংস্কাৰ অনুযায়ী ১৯৩৭ চনলৈ মন্ত্ৰী হৈ থাকে। ৰাজনীতিত তেখেত উদাৰ-পন্থী আছিল। কংগ্ৰেছত যোগদান দিয়া নাছিল যদিও, তেখেতে নিজৰ বুদ্ধি আৰু বিবেচনা অনুসৰি দেশৰ দহৰ সেৱা কৰিছিল। ১৯৩৭ চনত বৰুৱাদেৱে C.I.E.—Companions of the order of the Indian Empire উপাধি পায়।

এজন প্ৰত্নতত্ত্ববিদ তথা বুৰঞ্জীবিদ হিচাবে কামৰূপ অনুসন্ধান সমিতিৰ সৈতে জড়িত কালছোৱাই বৰুৱা-দেৱৰ জীৱনৰ পূৰ্ণ পয়োভৰৰ কাল। সমিতিৰ জন্মলগ্নৰেপৰা তেখেতে তাৰ এজন বিশিষ্ট সভ্য আৰু ১৯২৮ চনৰে পৰা মৃত্যুলৈকে তেখেতে এই সমিতিৰ সভাপতি আছিল। এই কালছোৱাতেই প্ৰকাশিত তেখেতে সমিতিৰ মুখপত্ৰ Journal of the Research Soeietyৰ মূলতেও বৰুৱাদেৱৰ প্ৰচেষ্টাহে। ১৯৩৩ চনৰ এপ্ৰিল মাহত ইয়াৰ প্ৰথম সংখ্যা ওলাইছিল। বৰুৱাদেৱে নিজেই ইয়াৰ সম্পাদনাৰো দায়িত্ব লৈছিল আৰু সেই কামত তেওঁ বহুলাংশে কৃতকাৰ্য্যতা লাভ কৰিছিল। এই জাৰ্ণেলখন প্ৰথমতে চাৰিমহীয়া আছিল। এইখিনিতে প্ৰথম সংখ্যাৰ প্ৰবন্ধ আৰু লিখকসকলৰ নাম উল্লেখ কৰাটো নিশ্চয় অপ্ৰাসঙ্গিক নহ'ব:

1. Assam as a Field of Research By J.P. Mills. M.A.I.C.S.
2. The Jaintiapur Copper Plate inscription of Mahadevi Kasasati By, Dr. K.M. Gupta, M.A.Ph D.
3. The Sign in ancient Copper Plate inscription of Kamarupa by Pandit P. Bhatttacharya.
4. Pragjyoisha, Kammarupa and Daraka. By, prof. P.C Sen.
5. Early History of Tea By, D.C. Dutta M.A.
6. Growth of Assamese Literature in the Sixtcenth Century By Boli Naryan Deka M.A.
7. Reviews.

সেই সময়লৈকে সমিতিয়ে বহুতো প্ৰাচীন আৰু দুষ্প্ৰাপ্য বস্তু সংগ্ৰহ কৰিছিল। সমিতিয়ে সংগ্ৰহ কৰা মূৰ্ত্তি নানা ধৰণৰ পুৰণি আপুৰুগীয়া সম্পদ, সাঁচিপাতৰ পুথি, শিলালিপি আদি বিবিধ বস্তুবোৰ সংগ্ৰহ আৰু সংৰক্ষণ কৰি ৰাইজৰ দৰ্শনৰ সুবিধাৰ বাবে বৰুৱা-দেৱে ১৯৩৪ চনত অসমত এটা সংগ্ৰহালয় স্থাপন কৰিবলৈ যত্ন কৰে আৰু তাৰ বাবে যাৱতীয় কামত বৰুৱাদেৱেই আগভাগ লয়। অৱশেষত বৰুৱাদেৱকেই

ধৰি আৰু কেইজনমান লোকৰ নেৰা-নেপেৰা চেষ্টাৰ ফলত ১৯৪০ চনত সংগ্ৰহালয়ৰ বাবে এটা পকীঘৰ সজা হয়। ঘৰটোৰ মুঠ খৰচ প্ৰায় কুৰি হাজাৰ (২০,০০০) টকা পৰে। তাৰে দহ হাজাৰ (১০,০০০) টকা অসম চৰকাৰৰ পৰা, ন' হাজাৰ সাতশ' (৯,৭০০) টকা ৰাইজৰ পৰা পোৱা আৰু আঠ হাজাৰ টকা (৮০০০) ডিব্ৰুগড়ৰ নৌপৎৰায় কেডিয়াৰ পৰা পোৱা। বৰুৱাদেৱেই সংগ্ৰহালয়ৰ প্ৰথম সভাপতি আছিল। কিন্তু তেখেতে ইয়াৰ উদ্বোধনী উৎসৱ দেখা নাপালে। ১৯৩৯ চনত Indian History Congress ত যোগদান কৰিবলৈ গৈ আৰু তেওঁ ঘূৰি নাহিল—তাতেই তেওঁ স্বৰ্গী হ'ল।

কামৰূপ অনুসন্ধান সমিতিৰ জৰিয়তেই তেখেতে দি গ'ল আমাক "অসম ৰাজ্যিক সংগ্ৰহালয়", Journal of the Assam Research society আৰু তেওঁৰ জীৱনৰ সৰ্বশ্ৰেষ্ঠ কীৰ্তি, An Early History of Kamrupa এই সকলোবোৰৰ সুফল আমাৰ জাতীয় জীৱনত সুদূৰ প্ৰসাৰী। তেখেতৰ মহান কীৰ্তি An Early History of Kamrupa প্ৰণয়নত কামৰূপ অনুসন্ধান সমিতিয়ে তেখেতক কম সহায় কৰা নাছিল।

ইয়াৰ উপৰি বিভিন্ন অসমীয়া আৰু ইংৰাজী আলোচনীত সিচৰিত হৈ থকা বৰুৱাৰ গৱেষণামূলক প্ৰবন্ধৰাজিয়েও প্ৰাচীন কামৰূপৰ ভালেমান কীৰ্তি কাহিনী পোহৰলৈ অহাত সহায় কৰিছে। সুখৰ কথা যে অলপতে অসম সাহিত্য সভাৰ সৌজন্যত ইংৰাজী প্ৰবন্ধবোৰ ডঃ মহেশ্বৰ নেওগদেৱৰ সম্পাদনাত 'Studies in the Early History of Assam' আৰু অসমীয়া প্ৰবন্ধসমূহ অধ্যাপক নন্দ তালুকদাৰদেৱৰ যত্নত সংগৃহীত আৰু সম্পাদিত হৈ 'কনকলাল বৰুৱা ৰচনাৱলী' নামেৰে প্ৰকাশ পাইছে।

সেইজনা পুৰুষৰে জন্ম শতবাৰ্ষিকীত আমি আজি তেখেতক পূজিবলৈ ওলাইছো। তেখেতক পূজা কৰি আমি আজি তেখেতক মহান বুলি কবলৈ ওলোৱা নাই আৰু তাৰ প্ৰয়োজনো নাই; কাৰণ, তেখেত নিজেই মহান। আজি তেখেতক এই পবিত্ৰ দিনত ৰবী ঠাকুৰৰ ভাষাৰেই কবৰ মন গৈছে, "তোমাৰ কীৰ্তিৰ চেয়ে তুমি যে মহৎ।" কনকলাল বৰুৱাৰ দৰে ব্যক্তিজনাৰ পূজা তথা সোঁৱৰণ আজি অসমীয়া জাতিৰ স্বকীয়ত্ব বজাই ৰখাৰ বাবে অতীব প্ৰয়োজন। তেখেতৰ নিষ্ঠা, ঐকান্তিকতা আৰু অনুসন্ধিৎসু আমাৰ আদৰ্শস্বৰূপ। কাৰণ, কনকলাল বৰুৱা এনেজন ব্যক্তি যাৰ নজনা কথা একোৱেই নাছিল। তেখেত যেন জ্ঞানৰ বিশাল সমুদ্ৰ। সেয়েহে কলিকতাৰ ৬৭ নং মিৰ্জাপুৰ ষ্ট্ৰীটৰ ছাত্ৰাবাসৰ ছাত্ৰসকলৰ দৈনিক কাৰ্য্যকলাপ বৰ্ণনা কৰি যজ্ঞেশ্বৰ শৰ্মা নেওগে লিখা ধেমেলীয়া কৰিতাটিত, পঞ্চম কোঠাত বাস কৰা কৃষ্ণ বৰুৱা আৰু কনকলাল বৰুৱাদেৱক তেখেতে Encyclopedia Britanica আখ্যা দিছিল—

এনেদৰে :

পঞ্চম কোঠাত দুইটি বৰুৱা
এনচাইক্লোপেদিয়া ব্ৰিটেনিকা ;
যিহকে বিচৰা সকলোকে পাবা
দুইটি সকলো বিষয়ে পকা।

সেইজনা মহান পুৰুষৰ শতবাৰ্ষিকীৰ সোঁৱৰণত তেখেতৰ বহুমুখী প্ৰতিভা আৰু অৱদানৰ কথা সুঁৱৰি বিশেষত বয়োবৃদ্ধ প্ৰবীণ সাহিত্যিক শ্ৰীযুত বেণুধৰ শৰ্মা ডাঙৰীয়াই কোৱাৰ দৰেই কবলৈ মন গৈছে, "আপোন পাহৰা অসমীয়া জাতিটোক আধুনিক যুগৰ কুন্ত্ৰাক্ষিৰ মাজেদি সৰকাই নি সভ্যতা সংস্কৃতিৰ বিৰাট সাগৰত মনোৰম কামৰূপৰ বিচিত্ৰ চিত্ৰপটখন মেলি দি অসমৰ আচুতীয়া স্থান নিৰ্দেশ কৰিলে ৰায়বাহাদুৰ কনকলাল বৰুৱাই।"

---

(আলোচনাটি যুগুত কৰোতে আৱশ্যকীয় গ্ৰন্থৰ পাত লুটিওৱা হৈছে)



# নাট্যকাৰ ৰাজখোৱা

অধ্যাপক শ্ৰীৰামচৰণ ঠাকুৰীয়া

অৰুণোদয়ৰ ধলফাটত পুৱাৰ মঙ্গলাচৰণ জনাই 'হেম-ৰুদ্ৰ-গুণাভি'য়ে প্ৰতিষ্ঠা কৰা 'তিনি গছি বন্তি'ৰ[1] পোহৰত আধুনিক অসমীয়া নাট্য সাহিত্যৰ বেদী, যিসকল কৃতি পুৰুষৰ অক্লান্ত প্ৰচেষ্টা আৰু অহো- পুৰুস্বাই নানান পুষ্প-সম্ভাৰেৰে উপচাই তুলিছিল, সেইসকলৰ ভিতৰত ডাঙৰীয়া বেণুধৰ ৰাজখোৱা আছিল অন্যতম। 'ৰাম-নৱমী', বঙাল-বঙালনী' আৰু 'কানীয়াৰ কীৰ্তন'ৰ পিচত ভাৰত চন্দ্ৰ দাস, ৰমাকান্ত চৌধুৰী, হৰেশ্বৰ শৰ্মা, লম্বোদৰ বৰা আদি শিল্পীসাধকসকলে নাট্য বেদীলৈ মাজে-সময়ে দুই এপাহি সুগন্ধি পুষ্প আগবঢ়ালেও তৎকালীন ৰঙ্গমঞ্চ আৰু নাটঘৰৰ দাবী পূৰণ কৰিবলৈ তেওঁলোকৰ উপহাৰ যথেষ্ট নাছিল। ডাঙৰি-কোঁৱৰসকলৰ 'ভ্ৰমৰঙ্গ' নাটকে ইতিমধ্যে অসমৰ ৰঙ্গ-মঞ্চত এটা ভীষণ আলোড়নৰ সৃষ্টি কৰিছিল হয়, কিন্তু তাৰ পৰা এটা 'একো নথকাৰ' কাৰুণ্যহে চাৰিও-ফালে বিয়পি পৰিছিল। অসমীয়া নাট্য সাহিত্যৰ এনে অভাৱ আৰু দুখলগা অৱস্থায়ে প্ৰকৃতপক্ষে জোনাকীৰ আন আন পুৰন্দৰসকলৰ সৈতে কাপ-মৈলাম হাতত লবলৈ বাধ্য কৰাই স্বৰ্গীয় ৰাজখোৱা দেৱক; আৰু আমাৰ সাহিত্য কৃষ্টিৰ এটা চৰম দুৰ্যোগৰ সময়ত অকলেই দহখনকৈ নাটক ৰচনা কৰি এইজনা কৃতি সন্তানে অসমীয়া নাট্য সাহিত্যৰ বেদীলৈ যি বৰঙনি আগবঢ়াই থৈ যায়; সি অকল অসামান্যই নহয়, অবিস্মৰণীয়ও।

ৰাজখোৱা দেৱৰ ৰচিত নাট কেইখন হ'ল: সেউতীকিৰণ', 'দৰবাৰ', 'কুৰি শতিকাৰ সভ্যতা', 'যমপুৰী', তিনি-ঘৈণী', 'চোৰৰ সৃষ্টি', 'টোপনিৰ পৰিণাম', 'কলিযুগ' (দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱাৰ সহযোগত লিখা), 'দক্ষ-যজ্ঞ' আৰু 'দুৰ্যোধনৰ উৰুভঙ্গ।' ইয়াৰে প্ৰথম আঠখন অসমীয়া সামাজিক জীৱনৰ লঘু সমস্যা কিছুমানক ভিত্তি কৰি লিখা আৰু শেষৰ দুখন পৌৰাণিক কাহিনীৰ অৱলম্বনত ৰচিত। একমাত্ৰ 'কলিযুগ' আৰু 'যমপুৰীক' বাদ দি বাকী আটাইকেইখন সামাজিক নাটকৰেই মূল উদ্দেশ্য হৈছে আমাৰ সামাজিক আৰু পাৰিবাৰিক জীৱনৰ একো একোটি বিশেষ দিশৰ ওপৰত ৰেখাপাত কৰা। ৰচনাৰ সময়ৰ ফালৰ পৰা 'সেউতী কিৰণে'ই তেখেতৰ প্ৰথম সৃষ্টি আৰু 'টোপনিৰ পৰিণাম' শেষ কীৰ্তি। অৱশ্যে 'সেউতী-কিৰণ'ৰ আগতেও ৰাজখোৱাই তেখেতৰ সতীৰ্থসাধক গোহাঞিঃ বৰুৱাৰ সৈতে লগলাগি' ডেকা-গাভৰু' নামেৰে নাট এখনি ৰচনা কৰিছিল বুলি ডিম্বেশ্বৰ নেওগদেৱে[2] উল্লেখ কৰিছে। কিন্তু সেইখনি যিহেতু বৰ্তমান প্ৰকাশৰ ৰূপত পাবলৈ নাই, তেখেতৰ যি দহখনি নাটক এতিয়ালৈ আমাৰ হাতত পৰিছে, তাকেই আজিৰ এই আলোচনাত মেলি লৈছোঁ।

আমি একাধিকবাৰ বিভিন্ন প্ৰবন্ধত কৈ আহিছোঁ, আৰু প্ৰকাৰান্তৰে ইয়াতো ইতিমধ্যে উল্লেখ কৰিছোঁ যে জোনাকী যুগৰ লেখকসকল মূলতেই আছিল প্ৰয়োজনৰ লেখক। সাহিত্যৰ যিটো দিশৰেই তেওঁলোকে অভাৱ দেখিছিল, তাতেই হাত বুলাবলৈ লৈছিল, স্বাভাৱিক প্ৰতিভা থাকোকেই বা নাথাকোকেই। বেণুধৰ ৰাজখোৱাও তাৰ ব্যতিক্ৰম নহয়। কিন্তু সাৰ্থক নাটক সৃষ্টি নিতান্তই জটিল কলা। ইয়াৰ বাবে মৌলিক প্ৰতিভাতো লাগিবই, তাক লগতে অভিনয়, ৰঙ্গমঞ্চ আৰু দৰ্শক সম্পৰ্কেও থাকিব লাগিব সূক্ষ্ম অভিজ্ঞতা। ৰাজখোৱা দেৱৰ এই বিষয়ত স্বাভাৱিক প্ৰতিভা যে আছিল তেনেই সীমাবদ্ধ আৰু মঞ্চকলা সম্পৰ্কেও আছিল প্ৰায় অনভিজ্ঞ, তেখেতৰ বিভিন্ন নাটসমূহ আলোচনা কৰি চালেই তাক বুজিব পৰা যায়। অৱশ্যে এইক্ষেত্ৰত আমি ভুলি গ'লে নচলিব যে ৰাজখোৱাৰ নাটকৰ গুৰুত্বৰ জোখ মাখ গুণঃ সাপেক্ষত নহয়; অসমীয়া ভাষা-সংস্কৃতিৰ পটভূমিত যুগ-সাপেক্ষতহে।

ৰাজখোৱাদেৱৰ পৌৰাণিক নাট 'দুৰ্যোধনৰ উৰুভঙ্গ' স্বৰচিত নাট্য-সৃষ্টিৰ ফালৰ পৰা তেখেতৰ দ্বিতীয় প্ৰচেষ্টা আৰু 'দক্ষ-যজ্ঞ' কিছু পৰবৰ্তী কালৰ ৰচনা। কালীদাসী মহাভাৰতৰ কাহিনীৰ আধাৰত

---

১. ডঃ হৰিচন্দ্ৰ ভট্টাচাৰ্য্যৰ 'অসমীয়া নাট্য সাহিত্যৰ জিলিঙনি।'

২. 'ডাঙৰীয়া বেণুধৰ ৰাজখোৱা।'

লিখা প্ৰথমখনি নাটত কুৰুপুঙ্গৱ দুৰ্যোধনৰ দ্বৈপায়ন হ্ৰদত আশ্ৰয় লোৱাৰে পৰা মধ্যম পাণ্ডৱৰ হাতত উৰুভঙ্গলৈকে কুৰুক্ষেত্ৰ যুদ্ধৰ শেষ খণ্ড আৰু দ্বিতীয়-খনত দেৱতাৰ কল্যাণকাঙ্খী মহাযজ্ঞত শিৱৰ ওচৰত অপমান বোধ কৰি ইয়াৰ প্ৰতিশোধ লবলৈ প্ৰজাপতি দক্ষই অনুষ্ঠান কৰা শিৱবিহীন যজ্ঞত সতীৰ দেহ ত্যাগৰে পৰা দক্ষৰ ছিন্নস্কন্ধত ছাগলীৰ মূৰ সংযোগ-লৈকে আটাইখিনি কথা নিচেই কম পৰিসৰৰ মাজত বৰ্ণনা কৰা হৈছে। গতিকে দুয়োখন নাটকৰে নাটকীয় কাহিনীৰ ক্ষেত্ৰত নাট্যকাৰৰ কোনো মৌলিকতা নাই; আৰু সৰ্বজন পৰিচিত পৌৰাণিক কাহিনী একেটিক নাটকীয় ৰূপ দিবলৈ যাওতে নাট্যকাৰৰ ৰূপক্ষম নিৰ্মাণ কৌশল আৰু বিষয়-বস্তু গ্ৰহণত দক্ষতা নাথাকিলে, সি নিতান্তই বৈচিত্ৰ্য বৰ্জিত আৰু গতানু-গতিক হোৱাৰ যি সম্ভাৱনা থাকে, 'দক্ষযজ্ঞ' আৰু দুৰ্যোধনৰ উৰুভঙ্গ'ত সেয়েই হৈছে। তদুপৰি মঞ্চ-কলা সম্পৰ্কে নাট্যকাৰৰ সম্যক অভিজ্ঞতা নথকা হেতুকেই প্ৰজাপতি দক্ষৰ ছিন্ন-স্কন্ধত ছাগলীৰ মূৰ সংযোগ আৰু তাৰ পিচত দক্ষৰ বচন, সতীৰ মুহূৰ্তে ৰূপ পৰিবৰ্তন, উৰুভঙ্গ হৈ যুদ্ধক্ষেত্ৰত পৰি থকা দুৰ্যোধনৰ হাতত দ্ৰৌপদীৰ পঞ্চ পুত্ৰৰ কটা মূৰ সমৰ্পন আদি দৃশ্যৰ সমাৱেশে নাট দুখনিক মঞ্চসফল নাটকৰূপে থিয় কৰোৱাতো অন্তৰায়ৰ সৃষ্টি কৰিছে।

সামাজিক নাটসমূহৰ ক্ষেত্ৰত অৱশ্যে ৰাজখোৱাৰ একমাত্ৰ "চোৰৰ সৃষ্টি"ক বাদ দি বাকী আটাই কেইখনেই মৌলিক। "চোৰৰ সৃষ্টি" বিখ্যাত "আলিবাবা আৰু দুকুৰি ডকাইত"ৰ ছাঁ লৈ লিখা অনুকৃত নাট। ৰতন পুৰৰ বিখ্যাত চোৰ ধুৰন্ধৰ আৰু তাৰ সখিয়েক পুৰন্দৰে কেনেকৈ দুহাল পৰস্পৰ বিপৰীত প্ৰবৃত্তিৰ পতি পত্নীৰ অশান্তিপূৰ্ণ জীৱনলৈ নিদ্ৰাবাণৰ সহায়ত অস্বাভাৱিকৰূপে পত্নীৰ সাল-সলনি ঘটাই প্ৰকৃত শান্তি ঘূৰাই আনিলে তাকেই নাটখনিত কৌতুকপূৰ্ণ দৃশ্যাৱলীৰ মাজেৰে দাঙি ধৰা হৈছে। পৰিস্থিতিগত বিসঙ্গতি আৰু কাহিনীত অস্বাভাৱিকতা থাকিলেও নাটকীয় বিষয়-বস্তুৰ বিকাশ ইয়াত একেবাৰে নোহোৱা নহয়, আৰু হাস্যপ্ৰধান পৰিস্থিতিৰ অভাৱো নাটত ঘটা নাই। গতিকে চোৰৰ সৃষ্টিক নিভাঁজ ধেমেলীয়া নাট বুলি কব নোৱাৰিলেও, লঘু কমেডি হিচাবে অন্ততঃ ইয়াক ভালেখিনি সাৰ্থক সৃষ্টি বুলিয়েই কব লাগিব।

ৰাজখোৱাৰ নাট্য-কৃতিৰ প্ৰথম অৰ্ঘ্য—'সেউতী-কিৰণ' কলেজীয়া জীৱনৰ ৰচনা; আৰু সেই কাৰণেই হয়তো এটা ৰোমাণ্টিক ত্ৰিভূজ প্ৰেমৰ কাহিনী ইয়াৰ মূল উপজীব্য। পাশ্চাত্য শিক্ষাত শিক্ষিত ডেকা কিৰণে "যৌৱন পুষ্ট মানসিক চাঞ্চল্য আৰু উদ্দাম কাম প্ৰবৃত্তিৰ তাৰণা"ত[৩] তেওঁৰ প্ৰণয়নী সেউতীৰ নিৰ্মল চৰিত্ৰৰ ওপৰত মিছা সন্দেহ কৰি নিজে নিজৰ জীৱনলৈ কিদৰে চৰম শোকাবহ পৰিণতি মাতি আনিলে, তাকেই নাট্যকাৰে ইয়াত দেখুৱাবলৈ যত্ন কৰিছে। আনহাতে তেখেতৰ পাৰিবাৰিক নাট 'তিনি ঘৈণী'ত আকৌ সেই সময়ৰ অসমীয়া ভদ্ৰলোকৰ এটা স্বাভাৱিক আভিজাত্য একাধিক পত্নী গ্ৰহণৰ বিষময় অৱস্থাৰ চিত্ৰ সুন্দৰকৈ অঙ্কণ কৰিছে, আৰু 'ডেকালী তেজৰ প্ৰেম"ত বুৰ গৈ একাধিক পত্নী গ্ৰহণ কৰা সকলো সংসাৰী লোকৰে যে "প্ৰেম মন্দাকিনী ক্ৰমশঃ শুকাই" গ'লে অলিৰামৰ দৰেই সকৰুণ অৱস্থা হয়, তাকেই ইয়াত দেখুৱাবলৈ বিচৰা হৈছে। অলিৰামৰ সেই সতৰ্কবাণী সকলো সংসাৰী লোকৰ কাৰণেই সাৱধানবাণী; "স্বৰ্গলৈ যোৱা আৰু মিছা হ'ল। তিনি ঘৈণীৰ প্ৰেমত পৰি সদ্য প্ৰাণ নাশৰ আশঙ্কা হ'ল। উৰ্ধবাহু হৈ চিঞৰি কওঁ, কোনেও তিনি সংসাৰ নকৰিব। তিনি ঘৈণীৰ স্বামীৰ সংসাৰ ভোগতো নহয়েই, স্বৰ্গভোগো নহয়। তিনি ঘৈণীৰ প্ৰেমত পৰিলে কুমাৰৰ চাকৰ দৰে ঘূৰিব লাগে। সংসাৰবাসী, সাৱধান! সাৱধান! (৭ম অঙ্ক: ৪ৰ্থ দৰ্শন।)'

'দৰবাৰ', 'কুৰি শতিকাৰ সভ্যতা' আৰু 'টোপনিৰ পৰিণাম' নাট্যকাৰৰ উচ্চ-খাপৰ সৃষ্টি নহয়। কাহিনীৰ সুসংহত ৰূপায়ণ, ঘটনাৰ চমৎকাৰিত্ব অথবা চৰিত্ৰৰ স্বাভাৱিক বিকাশ কোনোখনি নাটতেই ভালদৰে লক্ষ কৰা নাযায়। সপ্তম এড্‌ৱাৰ্ডৰ ৰাজ্যাভিষেক উপলক্ষে ৰচিত 'দৰবাৰ' নাট্যকাৰৰ ৰাজ ভক্তিৰ নিদৰ্শন মাত্ৰ। কুৰি শতিকাৰ সভ্যতাই সমাজত সৃষ্টি কৰা এটা ত্ৰিশঙ্কু-ময় অৱস্থাৰ চিত্ৰ দ্বিতীয়খন নাটৰ মূল কথা। 'টোপনিৰ পৰিণাম'ততো কাহিনী বুলিবলৈ একোৱেই নাই। টোপনি নামধাৰী ডেকা এজনে কেনেকৈ এই নামৰ বলতে নিজৰ মনোমত পত্নী লাভ কৰিবলৈ সমৰ্থ হ'ল, তাকেই ইয়াত শ্লেষপূৰ্ণভাৱে দেখুৱাবলৈ যত্ন কৰা হৈছে। অৱশ্যে এই তিনিখন নাটৰ তুলনাত ৰাজখোৱাৰ কাল্পনিক নাট 'যমপুৰী' আৰু দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱাৰ সহযোগত ৰচিত 'কলিযুগ' ভালেখিনি উন্নত ধৰণৰ সৃষ্টি। ঘটনাত অস্বাভাৱিকতা আৰু অলৌ-কিকতা থাকিলেও নাট্য কাহিনীৰ সঙ্গতি আৰু বিকাশ দুয়োখনি নাটতে লক্ষ্য কৰা যায়। 'যম পুৰী'ৰ মূল জোকাটো হ'ল: যমে বিচাৰকৰ আসনত আৰু চিত্ৰ-গুপ্তই পেচকৰৰ চকিত বহি অপৰাধ অনুসৰি বিভিন্ন জনক দণ্ড বিধান কৰিছে। এনেতে নৃত্য গীত পটু সুন্দৰী এজনীক বিচাৰকৰ আদালতত হাজিৰ কৰা হ'ল! যমে সুন্দৰীক দেখিয়েই তাইৰ ৰূপ লাৱণ্যত এনেভাৱে মোহিত হ'ল যে নিজে তাইৰ সকলো পাপৰ ভাৰ মূৰপাতি ললে আৰু চিত্ৰগুপ্তক অস্থায়ীকৈ বিচাৰকৰ

৩। ডঃ হৰিচন্দ্ৰ ভট্টাচাৰ্য্যৰ "অসমীয়া নাট্য সাহিত্যৰ জিলিঙনি"।

আসনত বহুৱাই তাইৰ লগতে পৃথিৱীলৈ আহিবলৈ মনস্থ কৰিলে। 'কলিযুগ'ত আকৌ 'মনুষ্য জাতিৰ মুক্তিৰ উপায়" উত্তৰণৰ বাবে 'বিষ্ণু চন্দ্ৰৰ' পৌৰহিত্যত অনুষ্ঠিত সাধাৰণ সভাত সমগ্ৰ মানৱ জাতিৰ কুশলৰ অৰ্থে দেৱতাসকলে পৃথিৱীৰ ভিন ভিন সম্প্ৰদায়ত জন্মগ্ৰহণ কৰিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰে। নাটখনিৰ শেষৰ ফালে মূৰ্তিমান কলিকাল আৰু নিয়তিৰ আবিৰ্ভাৱে নাট্য কাহিনীক কিছু গহীন কৰি তুলিলেও, ঘটনাৰ সংহতি ক'তো বিনষ্ট হোৱা নাই। দেৱতা-সকলক মানুহৰ শাৰীলৈ নমাই আনি এইদৰে হাস্য মধুৰ নাটক সৃষ্টিৰ প্ৰয়াস ৰাজখোৱাদেৱৰ এইক্ষেত্ৰত নিশ্চয় এটি সাহসী পদক্ষেপ।

এইদৰে আলোচনা কৰি দেখা যায় যে পৌৰাণিক নাট দুখনিক বাদ দি ৰাজখোৱাদেৱৰ সামাজিক নাট সমূহৰ বেছিখিনিয়েই ধেমেলীয়া পৰ্য্যায়ৰ নাট; আৰু তেখেতৰ নাটৰ হাস্যৰস প্ৰধানভাৱে পৰিস্থিতিৰ ওপৰত নিৰ্ভৰশীল। বিভিন্ন পৰিস্থিতিসমূহক উপভোগ্য কৰি তুলিবৰ কাৰণে ভাৱ গত আৰু ভাষা-গত উপাদানৰ সংমিশ্ৰণ ঘটাবলৈকও তেখেতৰ চেষ্টাৰ কোনো ক্ৰুটি ঘটা নাই। উদাহৰণস্বৰূপে নাটকত স্বৰ্গৰ হিতকাৰী সম্পাদক শ্ৰীনাৰদ চন্দ্ৰ ভট্টাচাৰ্য্যই প্ৰচাৰ কৰা "ইয়াৰ দ্বাৰা স্বৰ্গ মিউনিচিপালিটিৰ ভিতৰত আমোলাপাটি, বঙালপটি, চক বজাৰ আদি ঠাইৰ 'ৰেট পেয়াৰ'সকলক আৰু সূৰ্য্যলোক চন্দ্ৰলোক আদি ৰায়তসকলক আৰু কমাৰ, কুমাৰ, ধোবা, নাপিত আদি প্ৰজাক জনোৱা যায় যে অহা দেওবাৰৰ দিনা বেলি পৰোতেই 'নাচনী' ঘৰত এখনি ৰাজহুৱা মেল বহিব। বিষয় 'মনুষ্য জাতিৰ মুক্তিৰ উপায়' ( salvation to mankind ) সকলোৱে যেন ঠিক সময়মতে মেলত উপস্থিত হয়"— এনে শ্লেষাত্মক জাননীয়ে সততে হাঁহিৰ লহৰ নোতোলাকৈ নেথাকে। বিভিন্ন চৰিত্ৰৰ মুখত গ্ৰাম্য ভাষাৰ সঘন প্ৰয়োগ, চৰিত্ৰৰ নামাকৰণ, শাস্ত্ৰৰ অদ্ভুত ব্যাখ্যা, দেৱতাৰ মুখত হিন্দী গানৰ আৰোপ আদি লঘু কথাৰ সহায়তো ঠায়ে ঠায়ে হাস্যৰসৰ অৱতাৰণা কৰা দেখা যায়। অৱশ্যে এই কথা আমি স্বীকাৰ কৰিবই লাগিব যে "বেজবৰুৱাৰ ভাষাৰ ৰসিকতা ৰাজখোৱাৰ নাই, আৰু ৺গোহাঞি বৰুৱাৰ দৰে গাঁৱলীয়া ধৰণ কৰণ, কথা বাৰ্তাৰ নিখুঁট চিত্ৰ তেখেতে দিব পৰা নাই। ৺হেম বৰুৱাৰ নিচিনা শ্লেষপূৰ্ণ ব্যঙ্গাত্মক ভাষাও ৰাজখোৱাৰ নাই" (ডঃ সত্যেন্দ্ৰ নাথ শৰ্মা।)৪ তদুপৰি নাটকীয় কাহিনীৰ সৌষ্ঠৱ সৃষ্টি আৰু চৰিত্ৰৰ বিকাশৰ কাৰণে চৰিত্ৰানুগ ভাষাৰ প্ৰয়োগ নাট্যকলাৰ অপৰিহাৰ্য্য কথা। সমালোচক হাড়চনৰ মতে— Dialogue should be natural, appropiate and drmatic which means that it should be in keeping with the personality of the speak:rs suitable to the situations in which it accu.৫" কিন্তু ৰাজখোৱাদেৱে এই নিয়ম সততে লঙ্ঘন কৰিছে। সন্দেহ নাই তেখেতৰ নাটত ভাষা আছে; কিন্তু সেই ভাষা সকলোতে চৰিত্ৰানুগ আৰু নাটকীয় হোৱা নাই। নাটকীয় অন্যান্য কলা কৌশলৰ ক্ষেত্ৰতো তেখেতৰ নাটত ক্ৰুটি নথকা নহয়। তেখেতৰ নাট সমূহৰ বেছিখিনিতে অৰ্থ আৰু দৃশ্য বিভাজনত কোনো সুস্থিৰ নীতি মনা হোৱা নাই; আৰু অপ্ৰয়োজনীয় দৃশ্যৰ সমাৱেশ বেছিভাগ নাটতে লক্ষ্য কৰা যায়। ঠায়ে ঠায়ে গীতৰ মাত্ৰাধিক্যয়ো কাহিনীৰ সংহতিত অন্তৰায়ৰ সৃষ্টি কৰিছে। অৱশ্যে ইয়াৰ বাবে ৰাজখোৱাক দোষাৰোপ কৰিবৰো উপায় নাই; কাৰণ তেখেতৰ নাটক সৃষ্টিৰ মূল উদ্দেশ্যই হৈছে—"অসমীয়া নাটক নাই, অসমীয়াত গান নাই। যেতিয়া আমাৰ প্ৰত্যেক থিয়েটাৰত অসমীয়া নাটকৰ অভাৱ নথাকিব। যেতিয়া আমাৰ মানুহৰ মুখে মুখে অসমীয়া গান শুনিবলৈ পোৱা যাব, তেতিয়া জানিম আমাৰ ভাষাই প্ৰকৃততে উন্নতিৰ বাটত আগবাঢ়িছে। আমাৰ নিশকতীয়া কাপেৰে যি পাৰোঁ সেই মহৎ উদ্দেশ্য আগত লৈ নাটকৰ আৰ্য্যাৰে দুপাতিমান লিখি ৰাইজৰ আগত দাঙি ধৰিলোঁ।"৬ গতিকে আধুনিক নাট্য কলাৰ দৃষ্টিৰে তেখেতৰ নাটসমূহৰ দোষ ক্ৰুটি বিচাৰ নকৰি অসমীয়া জাতিৰ ভাষা সাহিত্যৰ চৰম বিপৰ্য্যয়ৰ সময়ত তেখেতে আমাৰ নাট্য সাহিত্যৰ যি অভাৱ পূৰণ কৰি থৈ গ'ল, সেই কথা বিবেচনা কৰাটোহে আমাৰ সমীচীন হব; আৰু আজি পূত শতবাৰ্ষিকীৰ এই মধুৰ ক্ষণত তেখেতৰ সেই অমৰদানসমূহৰ কথাকে সুঁৱৰি স্বৰ্গীয় আত্মাৰ প্ৰতি আমাৰ সশ্ৰদ্ধ প্ৰণিপাত জনাইছোঁ।০

---

৪। "অসমীয়া নাট্য সাহিত্য"
৫। "An Introduction to the study of literature.
৬। "দুৰ্য্যোধনৰ উৰুভঙ্গৰ" পাতনি।




হাজাৰ হাজাৰ বছৰৰ সময়ৰ শৰত জৰ্জৰিত আৰু শৰবিদ্ধ এই ইতিহাস। বহুতো গৃহীত আৰু বৰ্জিত ঘটনাৰে গঠিত এই ইতিহাসে কথা কয়—শাহেনশাহ্ জালাদুদ্দিন মহম্মদ আকবৰ আজি হিমালয়ৰ বক্ষত আশ্ৰয় লোৱা প্ৰকৃতিৰ সৌন্দৰ্য্যেৰে পৰিপূৰ্ণ ধৰিত্ৰীৰ স্বৰ্গ কাশ্মীৰত পদাৰ্পন কৰিব। কেউফালে উন্নহ-মালহ। বগা বগা হিম মুকুটধাৰী পৰ্বত বেষ্টিত এই ভূ-স্বৰ্গখন ইমান দিনে আছিল মুক্ত। সভ্যতা আৰু অসভ্যতাৰ মাজত স্থাপিত এখনি স্বৰ্গ। আজি মোগল সাম্ৰাজ্যৰ সকলোতকৈ মহান সম্ৰাটজনৰ কৰায়ত্ত হ'ল। স্বাধীন স্বৰ্গৰাজ্যৰ স্বাধীনতা লোপ পালে। সঁচাকৈয়ে বুৰঞ্জীৰ পাতত এই দিনটো হৈ পৰিব এটি উজ্জলময় দিন। সকলোৱে জানক এই কথা যে ১৫৮৬ খৃষ্টাব্দত এই স্বাধীন ভূ-স্বৰ্গখন মোগল সম্ৰাটৰ পৰাধীনতাৰ শিকলিত বান্ধ খালে। যদিও ইতিহাসে কব ই এটা মুখৰ আৰু উজ্জল ভৱিষ্যতৰ দিন। সুদূৰ মধ্য এচিয়াৰ পৰা দক্ষিণে কন্যা-কুমাৰিকা আৰু দক্ষিণ-পশ্চিম এচিয়াৰ পৰা পূবে ব্ৰহ্মদেশলৈকে সৰু-বৰ সকলো ৰজা, মহাৰজা, চুলতান, নবাব আদি সকলোৱে একস্বৰে স্বীকাৰ কৰিলে ভাৰতবৰ্ষৰ একছত্ৰী শাসক শাহেন্শাহ জালালুদ্দিন মহম্মদ আকবৰ এজন ৰজা নহয়, তেওঁ এজন সম্ৰাট।

এই বিজয়ী সম্ৰাট আজি কাশ্মীৰত পদাৰ্পন কৰিব। সেই বাবেই প্ৰধান মন্ত্ৰী ভকিলৰ আদেশত

তৈয়াৰ হ'ল বিশ্ববিখ্যাত 'মোগল বাগিছা।' সম্রাট আকবৰৰ আদেশত দেৱান আৰু উজিৰে অৰ্থ-ভাণ্ডাৰৰ পৰা ঢালি দিলে বহুতো ধন। এই বিখ্যাত মোগল বাগিছা কেইখনৰ নামাকৰণ কৰা হ'ল—'শালিমাৰ বাগ' আৰু 'নিশাত বাগ।' সৌন্দৰ্য্যৰ ভূ-স্বৰ্গবনত মোগল বাগিছা কেইখনে আৰু কিছু সৌন্দৰ্য্যৰ যোগান ধৰিলে।

প্ৰত্যেক মানুহৰ দৰে সম্রাট আকবৰো হ'ল সুন্দৰৰ পূজাৰী, ভোগ বিলাসী। ধৰ্ম-পৰায়ণ সম্রাটৰ বাবে সজা হ'ল প্ৰমোদ-উদ্যান, সম্রাটৰ বিষয়াসকলে সম্রাটৰ ভোগ-বিলাসৰ বাবে যোগাৰ কৰিলে অফুৰন্ত খাদ্য-বস্তু, বিলাস সামগ্ৰী আৰু লগতে ভাৰতবৰ্ষৰ সকলো ঠাইৰে বছা-বছা সুন্দৰী নাৰী। শাহেন্ শাহৰ আমোদ-প্ৰমোদৰ বাবে শ্ৰেষ্ঠসৌন্দৰ্য্যৰ প্ৰতীক নাৰীৰ আগমন হৈছিল সুদূৰ আফ্‌গানিস্থান আৰু আৰব আদি দেশৰ পৰাও।

ওখ ওখ পৰ্বতৰ টিঙৰ নামনিত প্ৰকৃতি দেৱীয়ে নিজেই সজাই থোৱা পাইন গছৰ শাৰীয়ে যেন সম্রাট আকবৰক স্বাগতম্ জনাবলৈ বৈ আছে। বতাহৰ পৰশত এই পাইন আৰু দেৱদাৰু গছ কেইজোপাই যেন মধুৰ সঙ্গীত ৰচনা কৰিছে। এই পাইন গছ-বোৰৰ মাজেদি অকাই-পকাই যোৱা সৰু বাটটোত মাজে-মাজে হোৱা ঘোড়াৰ খুড়াৰ শব্দত ওচৰতে বৈ থকা শান্তিপ্ৰিয় আৰু স্বাধীন চিতীয়া চৰাই কেইটাই চক্‌খাই উঠে। কেৱল গছ কেইজোপাই অৱপ দোখাই স্বাগতম্ জনায় সম্রাটৰ বিষয়াসকলক। আকৌ শুনা গৈছে সেই একে ঘোড়াৰ খুড়াৰ শব্দ। বোধ-কৰোঁ সম্রাটৰ আগমন হৈছে। ইতিহাস হঠাতে বৈ গ'ল। বিংশ শতাব্দীৰ বতাহৰ চোৰঁৰে সেই একে গছ কেইজোপাক আৰু লগতে মোকো পৰাং দি থৈ গ'ল। সঁচাকৈয়ে ইতিহাসৰ মাজত সোমাই সেই বিগত দিনৰ সোণালী আখৰৰ ঘটনাবোৰ জানিবলৈ বৰ ভাল লাগে।

ইয়াত এটা আমেজ আছে। সঁচাকৈয়ে, ভাবিও আচৰিত লাগে যে সম্রাট আকবৰে সজোৱা শালিমাৰত মই আৰু মোৰ বন্ধু-বান্ধৱীসকল বৈ সৌন্দৰ্য্য উপভোগ কৰিছোঁ। আৰু....আৰু.....!

—কোন ? কোন তুমি ? তুমি হাঁহিছা কেলৈ ?

—ওঁ হাঁহিছোঁ। এইবাবে হাঁহিছোঁ যে তুমি মাত্ৰ ইতিহাসত গৃহীত ঘটনা জানিবা আৰু তাতেই সন্তুষ্ট হৈ আছা।

—ওঁ। সেইখিনিয়েইতো যথেষ্ট জনাৰ বাবে।

—নহয়। ইতিহাসৰ নিৰ্বাক, ভাষাহীন, বেদনা-সিক্ত অশ্ৰুধাৰাৰ বক্তব্যখিনি তো জানিবৰ চেষ্টা নকৰিলা। ই বাৰে বাৰে ব্যক্ত কৰিবৰ চেষ্টা কৰিও বিফল হৈছে।

—সকলোঁ বুজিছোঁ। কিন্তু তুমি কোন ? প্ৰেতাত্মা নে ডাইনী ?

—নহওঁ। একোৱেই নহওঁ। মই সময়ৰ আৰ্ত্তনাদ্। সময়ৰ সকলো সুখ-দুখৰ ঘটনা চিঞৰি চিঞৰি সকলোকে জনাব খুজিছোঁ।

—তুমি তেনেহলে ইতিহাস ?

—ওঁ। কিন্তু বৰ্জিত ইতিহাস। তোমালোকৰ ইতিহাসে কয় মোগল সাম্রাজ্যৰ অভিনৱ কীৰ্তিৰ কথা। কিন্তু এইখিনি জানো কয় যে, এই শালিমাৰ-বাগ। এই নিশাত বাগ, সেই ফতেপুৰ সিক্ৰি, সেই তাজমহল, সেই আগ্ৰাৰ দুৰ্গ সজাইছে কাৰ ধনেৰে ? নকয়। এইখিনিও নকয় যে এইবোৰ সজোৱা কাৰিকৰ সকলে কিমান কষ্ট কৰিছিল। দিনে-ৰাতিয়ে সম্রাটৰ সৈন্যৰ সমুখত খাটি-খাটি তেজক ঘাম কৰি নিজ হাতেৰে এইবোৰ নিৰ্মাণ কৰিছিল। কিমানৰ মৃত্যু হৈছিল তাৰ লেখ নাই। কিন্তু তোমালোকৰ ইতিহাসে এই কাৰিকৰ বিলাকৰ কোনো স্থান নিদিয়ে। কেৱল সেই সময়ৰ সম্রাটজনৰ নাম সোণালী আখৰেৰে লিখি থৈছে। আৰু সেই ধন, সেইয়া আছিল সাধাৰণ ৰাইজৰ, যাৰ খাবলৈ আৰু পিন্ধিবলৈকে নাছিল। জানা! এই প্ৰত্যেক শিল্প কীৰ্তিৰ তলত পোত খাই আছে হাজাৰ-হাজাৰ মানুহৰ হাহাকাৰ আৰ্তনাদ আৰু হুঙ্কাৰ।

—তুমি..তুমি হাহাকাৰ..ক্ষোভ গৰ্জন নেকি ?

—যি বুলি ভাবা। কিন্তু মই তোমালোকৰ ইতিহাসৰ দাস নহওঁ।

—তেনেহলে তুমি—মুক্তি..স্বাধীনতা ?

—সেইয়াও হ'ব পাৰোঁ। কাৰণ মই সদায় মুক্ত হৈ থাকিব ভাল পাওঁ। কাৰো ইচ্ছা-শক্তিৰ কৰায়ত্ত নহওঁ। এইবিলাক মোৰ বিষয়ে কৈ কি.. লাভ! তোমাকতো বৰ্জিত ইতিহাসৰ বিলাপহে শুনাব খুজিছোঁ।

—নহয়। মই তোমাকো জানিব বিচাৰোঁ।

—জানিবা। নিজেই জানিবা। সময়ৰ মান-দণ্ডৰ আঘাতত খণ্ড-বিখণ্ডিত কাহিনী আৰু আছে। শুনা—তোমালোকৰ বুৰঞ্জীয়ে কয় যে এজন সম্রাটৰ বহু পত্নী ৰাখিব পৰাটো আইনসঙ্গত। কিন্তু নহয়। ই সম্পূৰ্ণ এটি ছলনা। নাৰী সমাজৰ প্ৰতি কৰা অবিচাৰ মাত্ৰ। কেৱল জানো একাধিক পত্নী ৰাখিয়েই সম্রাটৰ মনটো ক্ষান্ত আছিল। নিজৰ কামভাৱ তৃপ্ত কৰিবৰ বাবে ৰাখিছিল ৰক্ষিতা। দেশ-বিদেশৰ বিভিন্ন ঠাইৰপৰা নানা ছলে-বলে-কৌশলেৰে অনাইছিল সুন্দৰী নাৰীসকলক। এই নাৰীবিলাক ৰঙীন অন্তৰৰ কল্পনাৰ নাগপাশত বন্দী আছিল। নানা আশা-ভৰষা লৈ সম্রাটক সকলো বিলাই দি ঠাই পাইছিল মাত্ৰ হাৰেমত।..হুম! কিমান শুনিবা এই

কলঙ্কময় ঘটনাবোৰ। যিমানেই শুনিবা সিমানেই শিহৰি উঠিবা। এই বিলাকতো ইতিহাসৰ পুৰণি কথা। এনেকুৱা ঘটনা আজিও বিংশ শতাব্দিত ঘটি আছে। কোনেও স্তব্ধ কৰিব পৰা নাই।

—কিন্তু—তুমি কোন ? তোমাক যে মই ধৰিবপৰা নাই। তুমি ৰঙীন সপোন নে তাৰ বহুত বেছি। তুমি সমাজৰ সুখ নে দুখ। তোমাক চিনি পাইও চিনি পোৱা নাই কেলৈ ?

—সেইটো অকল তোমাৰ দোষ নহয়। সেইটো তোমালোকৰ মানুহ জাতিটোৰ দোষ। কাৰণ সত্যতাক চিনি পালেই, তাক স্বীকাৰ কৰিলেই অসত্যতাৰপৰা আঁতৰি আহিব লাখিব। কিন্তু সেইয়া জানো সম্ভৱ ? তুমিতো নিবিচাৰা সেইটো।

—মই ? মই কোন ?

—'তুমি' বুলি সম্বোধন কৰোতে গোটেই মানুহ জাতিটোৰ কথাই ধৰিছোঁ।

—আৰু কোৱা। মই আৰু জানিব বিচাৰোঁ। মই লাহে লাহে সকলো বুজি পাইছোঁ। ইমান দিনে কেৱল ৰঙীন পোহৰত জিলমিলাই থকা বস্তুকেই আকোৱালী লৈছিলোঁ। এন্ধাৰৰ ক'লা গহ্বৰত হেঁচা খাই থকা পৰিচয় বিহীন খিনি ল'বপৰা নাই।

—জানা, সময়ৰ লগে লগে বহুতো বস্তু আহে আৰু বহুতো শেষ হৈ যায়। নতুন আৰু পুৰণিৰ মাজত জোকাৰ খাই উঠে ইতিহাস। কিমান জানিবা। আগ্নেয়গিৰিৰ দৰে ইহঁত এতিয়া ভুমুকি আছে। কোনোবা দিনা হয়তো সকলো একেলগে জাগি উঠিব। মই.. মই বোধকৰোঁ বেচি আবেগিক হৈ গৈছোঁ।

—তুমি কি তেনেহলে বিক্ষোভ, আবেগ ?

—কব নোৱাৰোঁ কি, কিন্তু মই কেতিয়াও ক্ষান্ত থাকিব নোৱাৰোঁ।

—তুমি তেনেহলে বিবেক ?

—ওঁ, মই বিবেক। মই মোৰ সত্বাক জগাই তুলিব খোজো। মই সকলোৰে পৰিবৰ্তন বিচাৰোঁ।

—তুমি তেনেহলে—বিপ্লৱ, পৰিবৰ্তন ?

—কব পাৰা।

—কোৱা মায়াবিনী আৰু কোৱা। মই ধৈৰ্য্য ধৰিব পৰা নাই।

—অকল জানিয়েই ক্ষান্ত থাকিসলই তো নহ'ব। কোৱা, মোৰ শপত খাই কোৱা যে, মোক সম্পূৰ্ণ নগ্ন কৰি সকলোৰে আগত দাঙি ধৰিবা। মোক ৰস্ত্ৰৰে ঢাকিব নালাগে। বস্ত্ৰ, পৰিধান আদিক মই মুখা বুলি ভাবো। মই ইহঁতক ঘৃণা কৰোঁ। কোৱা ৰাখিবা মোৰ কথা ?

—কিন্তু মোক তুমি কেনেকৈ বিশ্বাস কৰিলা ? মইতো সমাজৰে চিকাৰ। এই সমাজতে মোৰ জন্ম। আকবৰৰ দৰে ময়োতো সৌন্দৰ্য্য পিয়াসী। ছাহজাহানৰ দৰে ময়োতো কলা, শিল্প আৰু নাৰী সৌন্দৰ্য্যৰ পিপাসু। আৰু সেই বাবেই হয়তো বহু বহু দুৰৰ পৰা আমি ইয়ালৈ আহিছোঁ বহু টকা খৰচ কৰি কেৱল সৌন্দৰ্য্য ভোগ কৰিবলৈ। আমি ইজনে সিজনৰ লগত ফেৰ মাৰি টকা উৰুৱাইছোঁ। ইজনে সিজনক কেনেকৈ শোষন কৰিব পাৰোঁ তাৰেই চেষ্টা কৰিছোঁ। ইয়াত 'মই' আৰু 'আমি' শব্দ মানে মানুহ জাতিটোক বুজাইছোঁ। ময়ো মানুহ সেই বাবেই কৈছোঁ। মই...মইওতো বিৰূপ মনোভাৱী হ'ব পাৰোঁ। তুমি মোক কিমান খিনি জানিলা ? সম্ৰাটৰ দৰে মোৰো এটা কামনা সিক্ত মন আছে। যদি—যদি ময়ো তোমাৰ ওপৰত পাশবিক অত্যাচাৰ চলাবলৈ ··· ··· ···

—ছিঃ তুমি ইমান নীচ ? ইমান সৰু তোমাৰ মন !

—ওঁ মই নীচ। আন সকলোৰে দৰে মই স্বাৰ্থপৰ। কিন্তু এইয়া জানো মোৰ দোষ ?

—ওঁ তোমাৰ, তোমাৰ দোষ। তুমি কাপুৰুষ তুমি ভীৰু।

—ওঁ ওঁ মই কাপুৰুষ, মই ভীৰু সঁচাকৈ মই আজি নিজকে চিনি পালোঁ। ইমান দিনে মই নিজকে সাহসী আৰু জ্ঞানী বুলি ভাবিছিলোঁ। আৰু আৰু কোৱা মই কোন ?

—তুমি কুৎচিত। তুমি জঘন্য। তুমি ইমান পৰেও মোক চিনি নাপালা।

—সঁচাকৈয়ে নাই পোৱা। তোমাক চিনি পোৱা বৰ টান হে মায়াবিনী। মই যদিও কুৎচিত, ভীৰু কিন্তু কিন্তু তথাপিও তোমাকেই ভাল পাওঁ।

—নিল্লৰ্জ।

—কোৱা-কোৱা আৰু কোৱা। তোমাৰ মুখত মোৰ পৰিচয় শুনি খুব ভাল লাগিছে। জানো তুমি ধুনীয়া তুমি, অপৰূপা। কিন্তু তথাপিও তোমাকতো এতিয়াও চিনিব পৰা নাই। তুমি-তুমি মোৰ প্ৰেয়সী নহয়তো ? ক'লৈ গ'ল। নামাতা কিয় ? তুমিও কিবা এটা কোৱা। হাঁহিছা ! ঠাট্টা কৰিছা ? কৰা কিন্তু তুমি মোক এৰি গুচি নাযাবা। মই তোমাৰ কথা যদিও ৰাখিব নোৱাৰোঁ, যদিও তোমাক চিনি নাপালোঁ, কিন্তু তথাপিও তোমাক ভাল পাওঁ।...তুমি স্তব্ধ হৈ গ'লা। অন্যায়ক স্তব্ধ কৰিবলৈ চিঞৰি চিঞৰি নিজেই স্তব্ধ হৈ ৰ'লা, ম্লান হৈ গ'লা। কিন্তু স্তব্ধ হৈ গলেতো নচলিব। তুমিয়েই তো সকলোকে জগাই তুলিব লাগিব। শুনিছা মোৰ কথা ? উত্তৰ দিয়া। তুমি গুচি গ'লা। তুমি মোৰ পৰা আঁতৰি গ'লা। জানো তুমি মোৰ প্ৰয়োজন বোধ নকৰা। কিন্তু মই—মই তোমাক একান্তভাৱে পাবৰ বাবে আৰাধনা কৰি যাম—তুমি—তুমি কিন্তু মোৰ বাবে প্ৰশ্ন

হৈয়েই ৰ'বা । তুমি কোন ? তুমি সময়, ইতিহাস, অশ্ৰুধাৰা ! বিবেক ! ক্ষোভ ! চেতনা ! বিপ্লৱ ! নে .....প্ৰেয়সী ?

স্তব্ধ হ'ল আৰ্তনাদ । কেৱল মোগল শাসকে সজাই যোৱা শালিমাৰ বাগৰ মাজেদি কুলু-কুলু শব্দেৰে বৈ যোৱা জুৰিটি বৈ আছে অবিৰামভাৱে । আমাৰ উভতিবৰো সময় হ'ল । সঁচাকৈয়ে সকলো খিনি সপোন সপোন যেন লাগিছে । মই নিজকে প্ৰশ্ন কৰি কৰিও একোকে গম নাপালোঁ যে 'মই' কোন ? 'তুমি' কোন ? ইতিহাস কি ? জীৱন কি ?....সূৰ্য্যটো কিন্তু হাজাৰ হাজাৰ বছৰ ধৰি সত্য আৰু অসত্যতাৰ সাক্ষী হৈ আছে । কিন্তু—কিন্তু মেঘৰ আৰত লুকাই পৰাৰ আগতে আমালৈ চাই যেন ঠাট্টাৰ সুৰত হাঁহিছে ।

..সঁচাকৈয়ে আমি ভীৰু, কাপুৰুষ । সুন্দৰৰ পিয়াসী মনটোৱে আমাক লৈ আহিছে সুদূৰ কাশ্মীৰলৈ । অফুৰন্ত টকা খৰচ কৰিছোঁ নিজকে জহাবলৈ ।

...দূৰত সোৱা এটা দুখীয়া অন্ধ মানুহে দুহাত পাতি পৰি আছে এই সৌন্দৰ্য্যৰ বক্ষত । কিন্তু সি সৌন্দৰ্য্য উপভোগ কৰাত অক্ষম । তাৰ বাবে ৰাতি কি দিন কি ! সকলো একেই । দিনৰ পিচত দিন ধৰি ইয়াতে পৰি আছে বোধ হয় পেটৰ ভোক পলুৱাবৰ বাবে । ইয়ো কি তোমাৰেই ছলনা নেকি মায়াবিনী ?

মনটো সেমেকি উঠিল । ঠেৰেঙা লগা জাৰতো মই ঘামিব ধৰিলোঁ । লগৰ বন্ধু-বান্ধবিলৈ চাই দেখো সিহঁত আত্ম বিভোৰ । আনন্দত মতলীয়া । সময় জ্ঞান সিহঁতৰ বাবে লোপ পাইছে । মই কিন্তু সিহঁতৰ লগত যোগদান কৰিব নোৱাৰিলোঁ ।

....সূৰ্য্যটো বোধকৰোঁ আকৌ ডাৱৰৰ মাজৰ পৰা আঁতৰি অতি উজ্বল হৈ উঠিব । মই যেন সেই সময়কণৰ বাবে উদ্বিগ্ন হৈ আছোঁ । আৰু কিমান সময় ৰব লাগিব ? কিন্তু...তুমি থাকিবই লাগিব । তুমিয়েই সুৰুয হৈ—এন্ধাৰৰ কোপত পৰি থকা মানৱ জাতিটোক জগাই তুলিব লাগিব তুমি... তুমিয়েই ।



# চিন্তাৰ দৈন্য ঃ আমাৰ জাতীয় ব্যাধি

**শ্ৰীহেমন্ত বৰ্মন**
প্ৰাক্-বিশ্ববিদ্যালয় শ্ৰেণী (কলা)।

ভাৰতবৰ্ষ যে পৃথিৱীৰ ভিতৰতে এখন দুখীয়া দেশ ইয়াক তথাকথিত বহুতো দেশ-প্ৰেমিকে স্বীকাৰ কৰিবলৈ টান পালেও ই নিৰ্লজভাৱে সত্য। ইয়াক অস্বীকাৰ কৰি কাৰো লাভ নাই। ইয়াত দাৰিদ্ৰ বিৰাজ-মান। অৰ্ধাহাৰী, অনাহাৰী লোকৰ সংখ্যা চৰকাৰী হিচাপ যন্ত্ৰই ঢুকি পোৱাৰ বাহিৰত। দুৰ্নীতি, ভুৱা ঠগ-প্ৰৱঞ্চনা আদিৰে দেশ ভৰা আৰু ইয়াৰ বিষ-বাষ্পত সৰ্বসাধাৰণ জৰ্জৰিত। কিন্তু প্ৰশ্ন হয় বৰ্তমান আমাৰ জানো ধন-জনেৰেই দাৰিদ্ৰ? এক কথাত কবলৈ গ'লে চিন্তাৰ দাৰিদ্ৰ্যৰ কাৰণেই আমাৰ দেশৰ আমাৰ জাতিৰ অৱস্থা এনে শোচনীয়, এনে শোকলগা। চিন্তা আৰু কামৰ মাজত এটা নিগুঢ় সম্বন্ধ আছে। সৎচিন্তা অবিহনে সৎকাম হ'ব নোৱাৰে। সুস্থ চিন্তা আৰু সমালোচনাই দেশ এখন অনুপম কৰি গঢ়ি তুলিব পাৰে। অৱশ্যে তাত কৰ্মশক্তিকো যোগ দিব লাগিব। এটা জাতিৰ জীৱনত যদি চিন্তাৰ দাৰিদ্ৰ্যই দেখা দিয়ে তেনেহলে সেই জাতি ধ্বংসৰ গৰাহত জাহ যাবলৈ বেছিদিন নালাগে ই ধুৰূপ। এই প্ৰসঙ্গতে "মণি-দীপৰ" কোনো এটা সম্পাদকীয় প্ৰবন্ধত শ্ৰীমহেন্দ্ৰ বৰাদেৱে লিখা কেইষাৰীমান কথা তুলি দিয়াৰ লোভ সামৰিব নোৱাৰিলোঁ।——

"দাৰিদ্ৰ্যৰ চিন্তাৰে যেনেকৈ দেশ আচ্ছন্ন হৈ গৈছে চিন্তাৰ দাৰিদ্ৰ্যও তেনেকৈ দেশৰ সমুখত প্ৰশ্ন হৈ উঠিছে। কাৰণ চিন্তাৰ দাৰিদ্ৰ্যৰে দেশৰ দাৰিদ্ৰ্য সম্পৰ্কে সম্যক ৰূপে চিন্তা কৰিব নোৱাৰি। দুৰ্ভাগ্য-ক্ৰমে এনে কিছুমান মানুহৰ হাতত সমাজ দৰ্শন নিয়ন্ত্ৰণ কৰাৰ গধুৰ দায়িত্ব পৰিছেহি—চিন্তা যাৰ ক্লীৱ, মন যাৰ ৰুচিৰ কাৰণে অপৰিসৰ। সেইবাবে দেশৰ সমুখত আজি আমাৰ চিন্তাৰ পুনৰ্গঠনৰ সমস্যা এটা উপস্থিত। কেৱল জীৱিকাৰ চিন্তা নহয়, জীৱনৰো চিন্তাৰ বাবে এই পুনৰ্গঠনৰ আৱশ্যক। কাৰণ যিসকলে জীৱন সম্পৰ্কে এটা সামগ্ৰিক মূল্যবোধত উপস্থিত হ'ব পাৰে জীৱিকাৰ খুটি-নাতি সম্পৰ্কে সুস্থ আৰু সুস্পষ্ট চিন্তাৰ খোৰাক কেৱল তেওঁলোকেই যোগাব পাৰে।" এই কথাখিনিৰ পৰা ধাৰণা কৰিব পাৰি যে চিন্তাৰ দাৰিদ্ৰ্য কি আৰু এটা প্ৰগতিকামী জাতিৰ কাৰণে কেনে মাৰাত্মক ব্যাধি। অকল আমাৰ তথাকথিত নেতা কৰ্ণধাৰ সকলৰ চিন্তাই যে কেৱল দূষিত তেনে নহয়। দেশত চিন্তাত দাৰিদ্ৰ্যৰ এখন ডাঠ চামনি পৰিছে আৰু তাৰ তলত জনসাধাৰণ বুৰ গৈ আছে। এই ডাঠ চামনি গুচোৱা একান্ত প্ৰয়োজন। অথচ এই ক্ষেত্ৰত জনসাধাৰণক যুক্তিবাদী কৰি গঢ়ি তোলাৰ ক্ষেত্ৰত প্ৰায় সংখ্যক জনা বুজা লোকেই উদাসীন। সেয়ে বহুতে ক'ব খোজে এই যুগ ব্যক্তি কেন্দ্ৰিক যুগ। ইয়াক অৱাস্তৱ বুলিব নোৱাৰি। গতিকে ব্যক্তি কেন্দ্ৰিকতা আঁতৰিলেহে দেশত সুস্থ চিন্তা চৰ্চাৰ লগতে প্ৰগতিও সম্ভৱপৰ। অকল চিন্তাৰ প্ৰগতিয়ে নহয় আৰ্থিক প্ৰগতিও।

সমাজৰ ডাঙৰ ডাঙৰ সমস্যা সম্বন্ধে আলোচনা কৰাৰ বুদ্ধি-বৃত্তি আমাৰ নাই, কিন্তু সমাজৰ কিছুমান সৰু সৰু সমস্যা ফঁহিয়াই চাবলৈ যত্ন কৰোঁহক যত সমাজৰ চিন্তাই প্ৰতিফলিত হৈছে। ভাতৰ লগত ধান, শিলগুটী আদি চোৱাই সেই বিষয়ে আমি যিদৰে কোনো চিন্তা নকৰোঁ ঠিক সেইদৰে দেশত প্ৰৱলভাৱে বাঢ়ি অহা ভিক্ষা-বৃত্তিৰ বিষয়েও আমি চিন্তা নকৰো—যদিও ই এটা সামাজিক সমস্যা। চহৰে নগৰে ফুট-পাথত, অভাৱ-ব্ৰীজৰ তলত ক'ত লোকে যে দুৰাৰোগ্য ৰোগত ভুগিছে, ক'ত মাতৃয়ে যে বন্য পশুৰ দৰে সন্তান জন্ম দিছে তাক ভবাৰ কোনেও দৰকাৰ অনুভৱ নকৰে। এই মানুহখিনিক সমাজৰ পৰা বাদ দিহে যেন আমাৰ চৰকাৰে সমাজবাদ কৰিব (?)

আমাৰ সমাজত নীতি কথা সভাই সমিতিয়ে বৰকৈ কোৱা হয়; কিন্তু নীতি কথা পালন কৰাৰ, কাৰণে এটা পৰিবেশৰ দৰকাৰ তাক ভুলতেও কোনেও বিচাৰ নকৰে। প্ৰাথমিক বিদ্যালয়ৰ পাঠ্যপুথিত "সদায় সঁচা কথা কবা" ধৰণৰ নীতি-কথা ঠাহ খাই আছে (এই বাক্যটোত উপদেশহে দিয়া হৈছে তোমা-

লোকে সচা কথা কৰা আমি মিছা কলেও কথা নাই)। পুষ্টিহীনতাত ভোগা ছাত্ৰক নীতি কথাৰে ভৰা কিতাপ আগত দিয়াতকৈ তাৰ শৰীৰৰ চিকিৎসা কৰাহে যুক্তি আৰু বিবেচনাৰ কাম।

আমি ভাৰতীয় ,সকলৰ এটা বৰ বেয়া দোষ আছে সেয়া হ'ল—আমি আমাৰ অতীত ঐতিহ্যৰ গুণগান কৰিয়ে ব্যস্ত—যদিও ঐতিহ্যক নতুনৰ ভেঁটিত গঢ় দিবলৈ সুস্থ পৰিবেশৰ বৰ অভাব। কিন্তু ৰাছিয়া, জাৰ্মানী আদি দেশ আমাৰ বিপৰীত। বৰ্তমান আমাৰ কোনো উল্লেখনীয় বৰগুনি নাই কাৰণেই কিজানি আমি অতীতৰ কথা কৈ বাহিৰত বৰঢুৰিয়াৰ ফেৰ মাৰিব খোজো। আমাৰ অন্তঃসাৰশূন্যতা সম্প্ৰতি সুন্দৰভাৱেই ওলাই পৰিছে। মুখত যদিও পাশ্চাত্যৰ গুণ গান, তথাপিতো পাশ্চাত্যৰ ভাল ফলখিনি আমি আহৰণ কৰিব পাৰিছোঁ জানো? আনহাতে বাহ্যিকতাখিনি কিন্তু অন্ধৰ দৰেই অনুকৰণ কৰিছোঁ। বিলাতত ৰসায়ণ বিজ্ঞানত ডক্টৰেট লৈ অহা লোকেই কালীপূজা পাতি ধৰ্ম-চৰ্চা কৰি বিজ্ঞানৰ শিক্ষাদানত ব্যস্ত আছে। মটৰ ফেক্টৰীত আমি বিশ্ব-কৰ্মা পূজা পাতোতেই ব্যস্ত যদিও মটৰ ইঞ্জিনৰ আৱিস্কাৰক বিশ্ব-কৰ্মাতো নহয়েই কোনো ভাৰতীয় লোকো নহয়।

অন্ন-বস্ত্ৰৰ চিন্তাই দেশৰ প্ৰায়ভাগ লোককেই জুৰুলা কৰিছে আৰু তাত অৰিহণা যোগাইছে মুখত সমাজবাদী কামত সামন্তবাদী এচাম লোকে। আৰু ইয়াৰ ফলত মানুহৰ নৈতিক দিশ বুলি যদি কিবা এটা দিশ আছিল সি হৈ পৰিছে ধুৱলী-কুঁৱলী। 'বিবেক' বোলা শব্দটোৰতো প্ৰশ্নই নুঠে। ধৰ্মতো নিচা আৰু ঢাকনিত বাহিৰে একো নহয়। ধৰ্মৰ সাৰ্বজনীনতাক হত্যা কৰিছে তথাকথিত ধৰ্মধ্বজসকলে। দোকমোকালিৰ পৰা নিশা শুৱৰ সময়লৈকে "ভগৱানজীৰ" নাম লোৱা ৰামলাল মাৰোৱাৰীয়ে চাউলত শিলগুটি, মিঠাতেলত মবিল মিহলায়। মাটিক হাকিম ইছমাইল হে'ছেনে বাহিৰা টকাৰে 'কোৰবানি' দি সমাজৰ সুখে-সন্তোষে দিন কটায় (বাহিৰা টকা লোৱা অভ্যাসকহে যে কোৰ-বানি দিব লাগে তাক নাভাবে)।

তথাকথিত বহুতো পণ্ডিত আৰু দেশনেতাই শিক্ষিত নিবনুৱা যুৱকক আহ্বান জনায়। তেখেতে-সকলে শ্ৰম আৰু শিক্ষা পদ্ধতিৰ সমন্বয়ৰ কথা কয় কিন্তু তেৰাসৰে ভাবি নাচায় ছাত্ৰই ছাত্ৰাৱাসত থাকি কলেজ কৰি শ্ৰমৰ লগত কিমান সম্বন্ধ ৰাখে? শিক্ষা পদ্ধতিৰ পিনে চকু নিদি এনে গভীৰ (?) মন্তব্য কৰাতো সমাজৰ সেই চাম লোকৰ কামেই। বৰ্তমান শিক্ষা পদ্ধতিৰ লগত শ্ৰমৰ কোনো সম্পৰ্ক নাই। আজিৰ যুগত এই শিক্ষাৰে যে "বেকাৰত" বাহিৰে অইন একো হ'ব নোৱাৰি তাক ভাবি চোৱাৰ সময় উকলি গৈছে। এই শিক্ষা পদ্ধতিত পঢ়ি শিক্ষালাভ কৰা ছাত্ৰ বহুতো যে বেপৰোৱা হৈছে তাক অস্বীকাৰ কৰি লাভ নাই, সিও আমাৰ সমাজ ব্যৱস্থাৰে দান। "Assam Express"ৰ কোনো এটা সম্পাদকীয় প্ৰৱন্ধত হেম বৰুৱাই লিখিছে——Our education might be infuesed with ideal of dignity of labour. Education does not entitle one to smoke cigarattes in the presence of children or elder.

এইখন দেশত কিমানজন ছাত্ৰ-ছাত্ৰীয়ে লঘোনে শ্ৰেণীত উপস্থিত থাকে তাৰ বিচাৰ বাইজৰ প্ৰতিনিধি সকলে নকৰে। (বিদেশী এয়া কণ্ডিচন গাড়ী আমদানি কৰাহে চিন্তাৰ বিষয়)। কিন্তু মহাত্মাৰ এইষাৰ কথা মনত ৰখা দৰকাৰ যে "বুভুক্ষু চবাইয়ে গান গাব নোৱাৰে।"

কম বেচি পৰিমাণে আমাৰ সকলোৰে দুৰ্নীতি বোলা শব্দটোৰ লগত পৰিচয় আছে। এই শব্দটোক লৈ বহুতে বহুত আলোচনা আগবঢ়ায় যদিও ইয়াৰ উৎপত্তি, প্ৰভাৱ আদিৰ বিষয়ে বহুতৰে ধাৰণা নাই। দুৰ্নীতিৰ সংজ্ঞা দিয়াতো টান তথাপিতো কবলৈ গলে দুৰ্নীতি যদিও আমাৰ সমাজ ব্যৱস্থাৰে দান তথাপিতো মোৰ মতেৰে ইয়াক বিমূৰ্ত বস্তু বুলিবও পাৰি। দুৰ্নীতি দূৰ কৰিবলৈ সুস্থ বৈজ্ঞানিক চিন্তা চৰ্চা আৰু আত্ম-সমালোচনাৰ অতি প্ৰয়োজন যদিও ইয়াক আমাৰ দেশত আশা কৰা সহজ নহয়। কিন্তু নিৰাশ হলে লোকচানত বাহিৰে লাভ নহয়। সমাজত এনে কিছুমান লোক আছে যিসকল দুৰ্নীতি মুক্ত। কিন্তু মুষ্টিমেয় সেই সকল লোকক সমাজে দুৰ্নীতি মুক্ত বুলি মানিব নোখোজে। কাৰণ আমাৰ সমাজখন চিন্তাৰ দাৰিদ্ৰ্যত ভোগা সমাজ। কটন কলেজৰে নবাগত আদৰণি সভাত (১৯৭২ চনৰ) ডঃ ভবেন্দ্ৰ নাথ শইকীয়াই আমাৰ সমাজৰ চিন্তাৰ দৈন্যৰ তিনিটা উদাহৰণ দাঙি ধৰিছিল—

(১) কোনো এজন অধ্যাপক বা শিক্ষকে তেওঁৰ ছাত্ৰক পঢ়াবৰ কাৰণে নিজেই মাজ নিশালৈ লাইট জ্বলাই অধ্যয়নত ব্যস্ত আছে। মানুহে তেতিয়া তেওঁক এজন উপযুক্ত শিক্ষক বুলি স্বীকৃতি নিদিয়ে। কিন্তু মানুহে ক'ব যে মাজ নিশালৈ তেওঁ পৰীক্ষাৰ প্ৰশ্ন-কাকতহে পৰীক্ষা কৰিছে। তাৰ বিনিময়ত তেওঁ পইচা পাব।

(২) কোনো অভিযন্তাই যদি নিশালৈ দলঙৰ কামত ব্যস্ত থাকে (উদ্দেশ্য ভালেই হওক) তেনেহলে মানুহে ক'ব তেওঁ ভেঁটি খাবলৈ ফাং ফুং কৰিহে ৰাতিলৈ কামত ব্যস্ত দেখুৱাইছে।

(৩) কলেজীয়া কোনো ডেকাই যদি (ধৰা হওক লৰাজন অতি দুখীয়া), অকলে অকলে তেওঁৰ নিজৰ ঘৰৰ কথা ভাবি, নিজৰ ভৱিষ্যতৰ কথা ভাবি আমন-জিমন কৈ বহি থাকেতেতিয়া তেওঁক লোকে

ঠাট্টা কৰিব-বেচেঁৰাক কোনোবা "Sweet heart" এ লন্তিছে।

ওপৰৰ উদাহৰণ তিনিটাই প্ৰমাণ কৰিব যে কিদৰে চিন্তাৰ দাৰিদ্ৰ্যই সামাজিক ব্যাধিৰূপে আমাৰ সমাজত শিপাই পৰিছে। চিন্তা চৰ্চাৰ ক্ষেত্ৰত আমি কিমান পিচপৰা তাক ইয়াতকৈ আন উদাহৰণ দাঙি ধৰাৰ প্ৰয়োজন নাই। ইয়াৰ কাৰণ, দুৰ্নীতিৰ লগত মানুহ কম বেচি পৰিমাণে জড়িত, গতিকে দুৰ্নীতি মুক্ত কোনোবা থাকিলেও তেওঁক স্বীকৃতি দিবলৈ টান পায়। যিটো জাতিৰ জাতীয় চিন্তাৰ গতি এনেকুৱা হয় সেইটো জাতীয়ে কিদৰে উন্নতি কৰিব? আমাৰ জাতীয় অৱনতিৰ মূল কাৰণো চিন্তাৰ এই অন্তহীন দাৰিদ্ৰ্য। নতুন পুৰুষে ইয়াক দূৰ কৰাৰ কাৰণে আগবাঢ়ি আহিব লাগিব আৰু এনে এটা পৰিবেশ গঢ়ি তুলিব লাগিব যি পৰিবেশত সুস্থ চিন্তা-আৰু সমালোচনাই সমাজক নকৈ গঢ়াত বৰঙণি যোগাব যদিও সমাজ অঙ্গ স্বৰূপে নতুন পুৰুষো চিন্তাৰ দাৰিদ্ৰ্যত ভুগিবলৈ বাধ্য। ৰাছিয়াত যেতিয়া এজন যুৱক এমুখ হাঁহিৰে কামত ব্যস্ত, তেতিয়া আমাৰ দেশত তেনে এজন যুৱক কাম বিচাৰি অফিচে অফিচে তিতা-কেঁহা লৈ ফুৰিব লাগিছে, হয়তো কোনো জনে চিনেমাৰ টিকট 'ব্লেকত" বেচিছে। এইবোৰ হবলৈ পালে কিয়? অসমত আজি নিবনুৱাৰ সংখ্যা প্ৰায় তেৰ লাখ। নেতৃত্ব দিয়া নেতাসকলে নাভাবে নেকি যে ইমানবোৰ মানুহৰ কাৰ্য্যক্ষমতা অথলে যোৱাটো এটা ডাঙৰ জাতীয় অপচয়। শাসকদলে যে পঁচিশ বছৰ সময় পায়ো ইয়াক দূৰীকৰণৰ কোনো চেষ্টা নকৰিলে মাথো কথাৰ থাদুহে মাৰিলে। এইবোৰ জনসাধাৰণৰ সমুখত উদঙাই দেখুৱাবলৈ জানো আমাৰ সমাজত চিন্তাশীল ব্যক্তি নাই? যাৰ সমালোচনাই মুখা খুলি এখন নতুন সমাজ গঢ়াত অৰিহণা যোগাব পাৰে। তেনেকুৱা এদল সমাজ সমালোচকৰ অভাৱ আজি জাতিয়ে পদে পদে অনুভৱ কৰিছে। বুদ্ধিজীৱী বুলি যদিও আমাৰ সমাজত এদল লোকৰ বা এটা শ্ৰেণীৰ উদ্ভৱ হৈছে তেওঁলোকৰ সমালোচনাই কিন্তু সমাজক সমৃদ্ধ কৰিব পৰা, নাই। বৰং ক্ষমতা বা খ্যাতিৰ খকত স্বজাতিৰ ভিতৰতে খোৱা কামোৰা কৰি ব্যক্তিগত অপপ্ৰচাৰৰ ফুলজাৰিহে মাৰিছে। তাক আমি নিজৰ ভাষাৰে নকৈ অসমৰ আগশাৰীৰ সমালোচক ডঃ হীৰেন গোহাঁইৰ ভাষাৰে কৈছোঁ—"সমসাময়িক কোনো প্ৰৱলগোষ্ঠি, ভাবাবেগ আৰু হুজুগৰ সমৰ্থনত যুক্তিহীনভাষাৰ ফুলজাৰি উৰালেই যেন বুদ্ধিজীৱীৰ ভূমিকা পালন কৰা হয়। জন স্বাৰ্থত--তেনে ধৰণৰ "মনিষী"সকলে জনপ্ৰিয়-কোনো বস্তুকে আক্ৰমণ নকৰে সি যিমানেই ঘৃণনীয় নহওক। আত্ম-সমালোচনাতো দুষ্প্ৰাপ্য বস্তুই। Appearence ৰ মাজৰ পৰা আচল সত্য উদ্ধাৰ কৰাৰ আগ্ৰহ আৰু অধ্যৱসায় তেওঁলোকৰ যেন নাই।"

বৰ্তমান অসম সমস্যা জৰ্জৰিত। অসমৰ নেতৃবৃন্দই এই সমস্যা সমাধান কৰিবলৈ অসমৰ বুদ্ধিজীৱী যদি সমালোচনাৰ তীক্ষ্ণ আৰু যুক্তিপূৰ্ণ বানেৰে শাসকৰ গোড়ামি জনতাৰ সমুখত দাঙি ধৰিলেহেঁতেন তেতিয়া হলে অসমে কিজানি ইমান ভুগিব নালাগিলহেঁতেন। ভাষাৰ মাধ্যম সম্পৰ্কীয় আন্দোলনৰ ক্ষেত্ৰত অসমৰ ছাত্ৰ তথা শিক্ষকে প্ৰাণ দিব নালাগিলহেঁতেন, যদি চৰকাৰী নীতিত চিন্তাৰ আৰু দূৰদৰ্শিতাৰ অভাৱ নহল হেঁতেন। পাহাৰী ভাই সকলৰ দাবীক বুজিবলৈ চেষ্টা নকৰি 'সিহঁত আঁতৰি গ'ল' বুলি চিঞৰাত আমাৰ চিন্তাৰ দৈন্য প্ৰকটভাৱেই ফুটি উঠিছে। ভৱিষ্যতৰ কাৰণে সেয়েহে এতিয়াৰ পৰাই সাজু হোৱা দৰকাৰ।

জনমত গঠন আৰু সুস্থ চিন্তা-চৰ্চাৰ পৰিবেশ গঠন কৰাত বাতৰি কাকতৰ ভূমিকা আছে। কিন্তু আমাৰ দেশত সুস্থ সাংবাদিকতা বিচৰাতো মুৰ্খামিত বাহিৰে একো নহয়। কিয়নো আমাৰ দেশৰ বাতৰি কাকতৰ মালিক শ্ৰেণী হ'ল বুৰ্জোৱা শ্ৰেণী আৰু সিহঁতৰ স্বাৰ্থৰ কাৰণে বাতৰি কাকতবোৰ সদায় সস্তম। আমাৰ দেশৰ বাতৰি কাকতবোৰত দুবিধ ছবি দেখা যায়, এবিধ ডাঙৰ ডাঙৰ পেটেৰে মন্ত্ৰী, এম, পি, এম, এল, এ সকলৰ আৰু আনবিধ লাস্যময়ী অৰ্ধনগ্ন চিত্ৰ-তাৰকা সকলৰ। এনেকুৱা কাকতে কিমান চিন্তাশীল পাঠকৰ জন্ম দিব?

বৰ্তমান কালৰ কাৰণে আমাৰ দেশত প্ৰয়োজন হৈছে—সমালোচনাৰ সমালোচনা। যি সমালোচনাই দোষ-গুণ আঙুলিয়াই দি গঠন মূলক ইঙ্গিত দিব নোৱাৰে তাক সমালোচনা বুলিব নোৱাৰি। কেইটামান উদ্ধৃতি দাঙি ধৰিলেই সমালোচনা হ'ব নোৱাৰে। এখন দেশৰ সংস্কৃতি আৰু সমাজৰ স্বকীয়ৰূপ আছে আৰু সি নিজ ঐতিহ্যৰ ভেটিত ৰচিত আৰু গঠিত। গতিকে তাক উৰাই কৰি পণ্ডিতালি দেখুৱাব যোৱা মানে পেট-কামোৰণিত মূৰৰ বিষৰ দৰৱ দিয়া। সমালোচনাক স্পন্দনশীল আৰু, প্ৰকৃতভাৱে গঢ়িবলৈ হলে আমাৰ নিজা ঐতিহ্য আৰু সংস্কৃতিৰ ভেটিত যুক্তিৰ সোণপানী চটিয়াই তাক সোণালী কৰিব লাগিব আৰু তেতিয়াহে আমি লাভৱান হ'মহঁক।—"চিন্তাৰ এটা সুস্থ গতি দিবলৈ হলে আমি এটা স্বতন্ত্ৰ ব্যক্তিত্বৰ ৰূপ দিয়া প্ৰয়োজন। এই ব্যক্তিত্বে আমাৰ ঐতিহাসিক ঐতিহ্যৰ প্ৰতিষ্ঠিত হ'ব লাগিব। সেয়ে নহলে আমাৰ চিন্তাৰ দৌৰ কেৱল খ্যাত-অখ্যাত, পাশ্চাত্য দেশীয় ইংৰাজী উদ্ধৃতিৰ, মাজতে সীমিত থাকিবলৈ বাধ্য।" —শ্ৰীমহেন্দ্ৰ বৰা। ধাৰ কৰা চিন্তাৰে যে এটা জাতিৰ মানসিক জগতখন পৰিস্কাৰ হ'ব নোৱাৰে আৰু উদ্ধৃতি দিয়ে সমালোচনা কৰিব নোৱাৰি সি অনস্বীকাৰ্য্য।

সমাজত বাসকৰা প্ৰতিজন লোকৰে যে সমাজৰ

প্ৰতি দায়িত্ব আছে তাক, বহলাই কোৱাৰ প্ৰয়োজন নাই। কিন্তু দায়িত্ব জানো পালন কৰা হয়? যদি সমাজত থকা প্ৰতিজন লোকেই নিজৰ নিজৰ দায়িত্ব ভালভাৱে পালন কৰে তেতিয়া হলে দেশত, সমাজত দুৰ্নীতি দেখা দিবই নোৱাৰে। অৱশ্যে আমাৰ সমাজ-ব্যৱস্থাত দুৰ্নীতিক নুই কৰা সহজ নহয়। এটা উদাহৰণঃ সততে অভিযোগ উঠে যে, বান-নিয়ন্ত্ৰণ বিভাগটো দুৰ্নীতিৰ ভড়াল আৰু তাৰ অভিযন্তা সকলে ভোঁট খাই এনেকুৱা দুৰ্নীতিত লিপ্ত হয় যাৰ কাৰণে জন-জীৱনত দুৰ্যোগে দেখা দিয়ে। ভাবি চাওক, অভিযন্তা সকল তীক্ষ্ণ-বুদ্ধিৰ ছাত্ৰ। চৰকাৰে তেওঁলোকক নানা বৃত্তি দি সহায় কৰে। কিন্তু চৰকাৰৰ টকা ক'ৰপৰা আহে? যিজন অভিযন্তাৰ দুৰ্নীতিৰ কাৰণে মথাউৰী ভাগি সৰ্বসাধাৰণৰ বিলাই বিপত্তিৰ সীমা নোহোৱা হয় তেওঁলোকৰ কৰৰ টকাই জানো চৰকাৰৰ টকা নহয়। গতিকে ইয়াৰ দ্বাৰা প্ৰমাণ হ'ল যে জনসাধা-ৰণে কৰা উপকাৰৰ প্ৰত্যুত্তৰত জনসাধাৰণক বিশ্বাস ঘাটকতা কৰি নিজৰ সুখৰ চিন্তা কৰিছে। ইয়াৰ, কাৰণ হ'ল সমাজৰ বহুতো লোকৰ ৰাজসিক আৰু আৰু বিলাসী জীৱনৰ প্ৰতি থকা মোহ। সুস্থ সমাজ সমালোচনা আৰু আত্ম-সমালোচনা অবিহনে এইবোৰ আঁতৰ কৰা টান।, যদিও এই ক্ষেত্ৰত চৰকাৰৰ নিয়ম-কানুনেও কিছু সহায় কৰিব পাৰে। তথাপিতো এইটো স্বীকাৰ্য্য যে কোনো আইনে মানসিক পৰিবৰ্তন আনিব নোৱাৰে।

শিক্ষক ছাত্ৰৰ সম্বন্ধৰ কথা আজি কালি ববকৈ আলোচনা কৰা হয়। বহুতে আক্ষেপ কৰে শিক্ষক আৰু ছাত্ৰৰ মাজত মধুৰ সম্পৰ্ক নাই। কথাটো নুই কৰিব নোৱাৰি। সমাজখনে এনে এটা পৰিবেশৰ সৃষ্টি কৰিবপৰা নাই যাৰ কাৰণে নেকি শিক্ষক ছাত্ৰৰ সুন্দৰ সম্পৰ্ক থাকিব পাৰে। অকল শিক্ষক আৰু ছাত্ৰক দোষাৰোপ কৰিলেই সমস্যাৰ সমাধান নহয়। বহুতবে বক্তৃতা দিওঁতে একলব্যৰ উদাহৰণ দিয়ে কিন্তু মনত ৰখা দৰকাৰ যে সেইযুগ আৰু এই যুগৰ পাৰ্থক্যৰ কথা আৰু এইটোও মনত ৰখা দৰকাৰ যে আজিৰ ছাত্ৰৰ মাজত একলব্যক বিচৰা হয় তেন্হলে দ্ৰোণা-চাৰ্য্যৰ দৰে শিক্ষক আমাৰ মাজত আছে নে নাই? বহুতে কয় আজিৰ ছাত্ৰ উদণ্ড। ইয়াৰ উত্তৰত ইয়াকে ক'ব পাৰি যে ক'ৰবাত কোনোবা উদণ্ড ছাত্ৰই ঘটোৱা অপ্ৰীতিকৰ ঘটনাতো ছাত্ৰ-সমাজৰ ব্যৱহাৰৰ প্ৰতি-ফলন নহয়। এইখিনিতে বিখ্যাত দাৰ্শনিক পণ্ডিত আৰু শিক্ষক ৰাধাকৃষ্ণনৰ এষাৰ কথা প্ৰযোজ্য—

"There is nothing wrong with our students What is wrong is the system. Respect for teachers cannot be ordered. It must be earned. (ছাত্ৰৰ হৈ ওকালতি কৰিবলৈ এই কথা মই কোৱা নাই মাথো প্ৰকৃত সত্যটো কবলৈ হে যত্ন কৰিছোঁ তাক যেন ভুল নাভাবে)। এইটো অঁতি সঁচা কথা যে ছাত্ৰৰ সংখ্যা বৃদ্ধিৰ লগে লগে ছাত্ৰ আৰু শিক্ষকৰ সম্বন্ধ কমি যোৱাতো স্বাভাৱিক। ব্যক্তিগতভাৱে যদি কোনো শিক্ষক আৰু ছাত্ৰৰ সম্বন্ধ থাকেও তেতিয়া হলেও সমাজৰ এচাম লোকে তাক পৱিত্ৰ চকুৰে চাবলৈ টান পায়। আৰু এইটো মনত ৰখা উচিত যে ব্যক্তিত্বহীন দুৰ্বল চৰিত্ৰৰ লোকক কোনেও শ্ৰদ্ধা কৰিব নোৱাৰে। কিন্তু উপযুক্ত চৰিত্ৰৰ লোকে শ্ৰদ্ধা এনেয়ে পায়।

অৱশেষত ইয়াকে ক'ব লাগিব যে আত্ম-সমা-লোচনাইহে মানুহক উন্নত, চৰিত্ৰৰ আৰু উদাৰ মনো-ভাব দান কৰিব পাৰে। প্ৰথমে আত্ম-সমালোচনা কৰি পাচতহে অইনৰ সমালোচনা কৰা দৰকাৰ। আমাৰ জাতীয় জীৱনত আত্ম-সমালোচনাৰ বৰ—অভাৱ দুস্পাপ্ৰই। সস্তীয়া জনপ্ৰিয়তাৰ লোভত আমাৰ সমাজৰ চিন্তা-শীল লোক সকলে প্ৰকৃত সমাজ সমালোচনা কৰিবলৈ আগ নাবাঢ়ে। কাৰণ সমাজৰ সমালোচনা কৰিবলৈ যাওঁতে তেওঁলোক নিজেও সমা-লোচনাৰ বিষয়-বস্তু হোৱাৰ ভয় আছে। আমাৰ সমাজত ব্যক্তিগত আত্ম-সমালোচনা বিচৰাতো পৰ্বতত কাছ-কণী বিচৰাৰ বাহিৰে অইন একো নহয়। বৰ্তমান আমাৰ সমাজ ব্যৱস্থাৰ পৰিপ্ৰেক্ষিতত ব্যক্তিগত আৰু ৰাজহুৱা আত্ম-সমালোচনাৰ অতীৱ প্ৰয়োজন আৰু অধিক। কিয়নো—"ব্যক্তিগত আত্ম-সমালোচনাই যেনেকৈ এজন মানুহক স্খলনৰ পৰা ৰক্ষা কৰে সামূ-হিক আত্ম-সমালোচনাই প্ৰতিক্ৰিয়াশীলতাৰ পৰা সমষ্টিক ৰক্ষা কৰে।"—শ্ৰীকুলদা কুমাৰ ভট্টাচাৰ্য্য। গতিকে সুন্দৰভাৱে গঢ় দিয়াৰ কাৰণে সমাজিক আত্ম-সমালোচনাৰ দৰকাৰ।

আমাৰ চিন্তাৰ দাৰিদ্ৰ্য দূৰ কৰা আৰু আত্ম-সমালোচনাৰ পৰিবেশ এটা গঢ়ি তোলাটো প্ৰতিজন আত্ম-সচেতন আৰু চিন্তাশীল নতুন পুৰুষৰ কাৰণে ডাঙৰ প্ৰত্যাহ্বান আৰু মোৰ বোধেৰে ইয়াক গ্ৰহণ কৰাই শ্ৰেয়, অন্যথাই "নতুন পুৰুষ" নামৰ সাৰ্থকতা নাথাকিব আৰু উত্তৰ পুৰুষে আমাৰ কাকো ক্ষমা নকৰিব।

## কবিতা

# নীলিমা ! মোৰ বাবে তুমি নুৰুৰা মালতী ফুল

: এটা অলৌকিক প্ৰেমৰ আলেখ্য :

ভূপেন শৰ্মা

(০ মোৰ কবিতা ভাল পায় বুলি জনা শ্ৰদ্ধেয় শিক্ষাগুৰু শ্ৰীযুত কমলেশ্বৰ শৰ্মাৰ হাতত এই কবিতাটো দিলোঁ— 'ভূপেন')।

অচিনাকি বাটৰ শেষত চিনাকি চিনাকি যেন কাৰোবাক লগ পাই গ'লে,
বিগত সময়ৰ জীৰ্ণ হেদালিৰ শুষ্ক-শীৰ্ণ দৃষ্টি-বন-বীথিকাৰ ·কৰুণ ছবিটি
তোমাৰ মনত পৰিবনে বাৰু এটিবাৰো ?

স্মৃতিৰ সুগোল সূৰ্য্য অকলে অকলে
নিঃস্ব সোঁৱৰণী-শিখা হৈ মনে মনে জ্বলে ;
যোৱা বাটে মই কিন্তু নেচাওঁ উভটি,
ৰিক্ততাৰ দুখ মই সহিব নোৱাৰোঁ।

হীৰক—দ্যুতিৰে অনিৰ্বাণ বিচ্চুৰিত হ'ব লগা দীপ্ত-প্ৰভ আকাঙখাৰ সোণালী নক্ষত্ৰ
দুটি হৃদয়ৰ স্বপ্নৰ আকাশ জুৰি সেই তাহানিতে ঘূৰিছিল ;
এতিয়া নুঘূৰে।
প্ৰতিদান নিবিচৰা শাশ্বত শুভ-কামনাৰ মৰমী তুলিৰে লিখি যোৱা কাব্য-শতপত্ৰ
আজীৱন নিৰুপম অভগ্ন ছন্দৰ হ'ব বুলি দুটি মন থৌকি-ৰাখৌ কৰিছিল ;
এতিয়া নকৰে।

....মই গৈছিলোঁ, মোৰ যাবলগীয়া আছিল। বুকুত আছিল
উজাগৰী আশাৰ তৰঙ্গ;
তোমাক মই লগ পাবলগীয়া নাছিল, নেদেখিলোঁ। ফুলপাহ মৰহি বাঁচিল।
নাম দিলে দিব পাৰা : স্বপ্নভঙ্গ।

ভালপাওঁ বুলি ভাবি ললে হৃদয় গান্ধাৰ, ছায়ানট তাৰেই সুৰভি, মাথো ঐক্যতান
বাজে তোমাৰ সীমন্ত চুমি--যি মোৰ আকাশৰ কোমল নীলিমা !
প্ৰতিটো দিনত যাৰ জঠৰত জন্ম দিওঁ শুভবুদ্ধি সৌন্দৰ্য্যৰে মহীয়ান অমৃত-সন্তান ;
মোক যদি ভালপোৱা, নুৰুৰা মালতী ফুল, নেলাগে অনিমা।

ভয় নাই, ক্ষোভ নকৰিবা, কাৰণ : দেৱতাৰ হাতত তোমাক মই তুলি দিছোঁ ;
এই বিচ্ছেদত দুখো নাই, তুমি স্বৰ্ণময় হ'বা বুলি আগ্ৰহেৰে বাট চাই আছোঁ ;
বিচাৰিছো মোৰ ক্ষমা ; থ'ক, নালাগে।
বিস্মৃত দিনৰ দৰে ধৰি লোৱা ইও এটা আফুলন মধু-অপ্ৰকাশ।
কিহৰ বাবে তেনেহ'লে অনুপমা উষাতেই অন্ধকাৰ হ'ব প্ৰণয়ৰ নীলিমা আকাশ ?

বি : দ্ৰ : 'নীলিমা' সম্বোধনটো প্ৰতীকাৰ্থক।

# এটা বক্রহাঁহি আৰু তাৰ প্ৰত্যুত্তৰ

অধ্যাপক—**উদয়াদিত্য ভৰালী**

উৎপীড়ন বিজড়িত জীৰ্ণ-কীৰ্ণ শৰীৰে চিঞৰিলে
"ধ্বংসহে লাগে মোক এক সম্পূৰ্ণ ধ্বংস",
শ্বাসৰূদ্ধ সমাজে কেঁকাই-গোঠাই মাতিলে,
"মুক্তিহে লাগে মোক, এক সম্পূৰ্ণ মুক্তি";
লক্ষ্যহীন, উদ্দেশ্যবিহীন ৰাজনীতিয়ে সকিয়ালে,
"উদ্দেশ্যপূৰ্ণ কৰা মোক, দিয়া মোক এক বিৰাট লক্ষ্য";
সমাজৰ ৰঘুমলা খাইপাতফলা দলে,
এটা বক্ৰহাঁহিৰে সিঁয়াৰিলে,
"তহঁতৰ স্বকীয় জীৱন ক'ত ?
আমি জীৱৰ বাবেই তহঁতৰ জন্ম,
তহঁত সাৰপালে আমি নেবাচিম,
তহঁতৰ টোপনীয়েই আমাৰ কাম্য" ॥

আহা আমি বাওঁ এক পোহৰ বিচাৰি,
যি পোহৰত ধ্বংস হ'ব সমাজৰ সকলো দুস্কৃতি।
ই নহয় অনুৰ্ব্বৰ, বালিময়, সমাজৰ শুদ্ধ বগা বিধৱা পোহৰ,
ই সেউজবুলীয়া দৃষ্টিকামী ন-সমাজৰ উদীয়মান ৰঙীন পোহৰ
ই শোষণ নিধনৰ তেজেৰে ৰাঙলী এক নতুন পোহৰ।
ই নহয় ক্ষান্ত মাথো ভাত-কাপোৰৰ দানৰ দাবীত,
ই দিব শোষিতক দেশ শাসনৰ লাগাম হাতত।

আমাক নালাগে বাক্‌হীন, গতিহীন উদ্ভিদৰ স্থিতিক,
আহ্বান কৰোঁ আহা প্ৰচণ্ড গতিশীল এক প্ৰগতিময় উল্কাৰ গতিক,
আমি নকৰোঁ বাস আৰু এই শ্বাসৰূদ্ধ সমাজৰ এন্ধাৰত,
আমি বিচাৰি ওলাওঁ সমাজধুউৰা এক তেজৰঙা পোহৰক।
পূবৰ পোহৰজাকে আজি হাতছানি দিছে,
পশ্চিমৰ অস্তাচলৰ এন্ধাৰে ৰৰ আমনি কৰিছে।
আমি আজি উদয়াচলৰ পথ সন্ধানত ওলাওঁ
আহা আমি পোহৰ বিচাৰি যাওঁ।

## বন্ধ্যাত্বৰ বেদনা

**শ্ৰীকৈলাস চন্দ্ৰ দাস**
তৃতীয় বাৰ্ষিক, বিজ্ঞান ।

চহৰৰ এটি পুৰণি পুখুৰী,
হৃদয়ৰ স্তৰে স্তৰে
খলপে খলপে
শত শতাব্দীৰ অব্দ-লেখা
এটি আদিম পুখুৰী ;
তাৰে কাষতেই মোৰ নাও যেন এটি জুপুৰী পঁজা ।

পুখুৰীত পোহৰ
উত্তালহীন
নিথৰ—
অগ্ৰগামী সভ্যতাৰ হুঙ্কাৰিত পোহৰ ।

আজি বহুদিন হ'ল—
পুখুৰীত পদুম ফুলা নাই
ফুলা নাই ভেটফুল এপাহ
জুয়ে পোৰা জীৱনত এমুঠি শান্ত্বনা
—তাৰো পথত দেখোঁ অলংঘ্য প্ৰাচীৰ ?

.......অথচ
ইয়াতেই এদিন
পদুম পাতত বহি কাঁচিয়লি ব'দত
ক'লীয়া ভোমোৰা এজাকে
পাতিছিল আকাশৰ 'নীলা'ৰ কথা
সুৰ আৰু সুৰভিৰে মিঠা....

ইয়াতেই এদিন
অবিৰাম জ্বলি থকা ধূপৰ ধোঁৱাৰে
মলয়াই আঁকিছিল
অলকা অমিয়া ....

আজি আদিম পুখুৰী কান্দে
বন্ধ্যাত্বৰ বেদনাত
......আৰু তাৰেই প্ৰতিধ্বনি
লো আৰু ধোঁৱাৰ ক'লা-ঘুমটিত
মোৰ ভঙা জুপুৰীৰ জলঙাইদি
কঁপি কঁপি ভিতৰ সোমায় ।



## 'মৃত্যুঞ্জয়'

—অৰূপা বেজবৰুৱা
১ম বাৰ্ষিক, কলা।

মই আকৌ আহিম
যেতিয়া সময় হ'ব
আৰু হ'ব প্ৰয়োজন
মোৰ অস্তিত্বৰ--
তেতিয়া আহিম মই
বিপ্লৱৰ বহ্নিশিখা ল'ই
যি শিখাৰ প্ৰচণ্ড জ্যোতিত
ছাৰখাৰ হৈ যাব
শোষণৰ সমস্ত আঁচনি।
কিছুদিন মাথো বাট চোৱা
হ'ব মোৰ পুনৰাগমন।
মই কৰি গলোঁ
মোৰ ৰক্তৰ অঞ্জলী দান
তাৰেই সফল হ'ব
আমাৰ এই জীৱন সংগ্ৰাম।
মই ৰক্তবীজ সিঁচি যাম এই ধৰণীত
তাৰ গজালিয়ে মোৰে ৰূপ লব,
মোৰ হাতৰ এই অগ্নিশিখা
তাৰেই হাতত শোভা পাব।
তোমালোকে চিনি লবা তাক
আদৰি আনিবা আৰু
বহুৱাবা মোৰ সেই শূণ্য আসনত।
জগতত বৈ যাব
মোৰ মাথো এটা পৰিচয়
শোষিতৰ মুক্তিদাতা
মই মৃত্যুঞ্জয়।

## সোণালী পাহাৰ উগ্ৰ নদী

—ৰিপুন বৰা
প্ৰাক্‌বিশ্ববিদ্যালয় শ্ৰেণী

হীৰা মৰকতে ভিৰা,
বগা, সেউজীয়া, নীলা ফুলৰ
এখনি মনোৰম কাননৰে
এটা সোণালী পাহাৰ গঢ়ি উঠিছিল,
আমাৰ মনত স্নিগ্ধ পোহৰে
পোহাৰ পাতিছিল।
হঠাৎ সোণালী পাহাৰটো
সশব্দে বাগৰি পৰিল
ধূলিৰ লগত মিহলি হৈ গ'ল;
আৰু——
বিশ্বাস আৰু মানৱতা,
সততা আৰু নৈতিকতা
লাইট প'ষ্টত ওলমি ৰ'ল।
দেখা পালোঁ তাৰ ঠাইত বৈ গৈছে
এখন উগ্ৰ নদী অহৰহ।
তীব্ৰৰ পৰা তীব্ৰতৰ হৈ পৰা
উগ্ৰ নদীৰ গতিয়ে
অৱবাহিকাত সৃষ্টি হোৱা
আৱৰ্জ্জনা নিবলৈ সাজু হৈছে।
আগ্নেয়গিৰিৰ বিস্ফোৰণৰ দৰে সশব্দে
পাৰ খহাই সমান কৰি পেলাব,
সবল গতিৰ বাবে।
এইয়া——
মই বাট চাইছো।

এটি সমীক্ষণ ঃ

# কাব্যত অলংকাৰ

॥ অধ্যাপক ৰাজেন মহন্ত ॥

শব্দ আৰু অৰ্থেৰে গঠিত কাব্য-দেহত পৰিপুষ্টি সাধন তথা প্ৰাণসঞ্চাৰ কৰাত ৰস, ধ্বনি, গুণ, ৰীতি প্ৰভৃতি যিবোৰ উপাদানৰ প্ৰয়োজন, সেইবোৰৰ ভিতৰত অলঙ্কাৰ অন্যতম। সাহিত্য-কৰ্মৰ প্ৰথম সৃষ্টিৰ পৰাই কাব্য-সাহিত্যত অলঙ্কাৰে এক বিশিষ্ট স্থান অধিকাৰ কৰি আহিছে। ঋগ্‌বেদ ইয়াৰ প্ৰমাণ। অকল ভাৰতীয় সাহিত্যই নহয়, সমগ্ৰ পৃথিৱীৰ সাহিত্যৰ ভিতৰতেই ঋগ্‌বেদ প্ৰাচীনতম গ্ৰন্থ বুলি পৰিগণিত। সাহিত্যৰ অন্যান্য উপাদানৰ লগতে অলঙ্কাৰেও ঋগ্‌বেদত স্থান পাইছে। উপমা, অনন্বয়, ৰূপক, সমাসোক্তি প্ৰভৃতি অলঙ্কাৰৰ প্ৰভূত প্ৰয়োগ ঋগ্বেদত দেখা যায়। আনকি উপনিষদতো অলঙ্কাৰৰ প্ৰয়োগ দেখিবলৈ পোৱা যায় পিচৰ যুগত অলঙ্কাৰৰ ব্যাপকতা বাঢ়িল। পুৰাণত, ৰামায়ণ-মহাভাৰতত অলঙ্কাৰে আগতকৈ অধিক ঠাই দখল কৰিলে; ভাস, কালিদাস, ভৱভূতি, মাঘ, ভাৰবি, বাণভট্ট প্ৰমুখ্যে কবি-নাট্যকাৰসকলৰ কাব্য-নাট্যত অলঙ্কাৰৰ উজান উঠিল।

সাহিত্যিকে তেওঁৰ সাহিত্য-সৃষ্টিত ৰস-অলংকাৰ প্ৰয়োগ কৰে আৰু সাহিত্য-আলোচকসকলে অলঙ্কাৰ শাস্ত্ৰত সেইবোৰক চালি-জাৰি চায়। সংস্কৃত সাহিত্যত আচাৰ্য্য ভৰতকে প্ৰাচীনতম আলংকাৰিক বুলি ধৰা হয়, যদিও ভৰতে তেওঁৰ নাট্যশাস্ত্ৰত মহাত্মা দ্ৰুহিণ, ব্ৰহ্মাভৰত আদি নামৰ দুই-এগৰাকী আলংকাৰিকৰ কথা সুঁৱৰিছে। ভৰতে নাট্যশাস্ত্ৰত চাৰিটা অলঙ্কাৰ উল্লেখ কৰিছে---এটা শব্দালঙ্কাৰ যমক আৰু বাকী তিনিটা অৰ্থলঙ্কাৰ উপমা, যমক আৰু দৃষ্টান্ত। ভৰতৰ পিচৰ আলঙ্কাৰিক ভামহ। ভৰত-ভামহৰ মধ্যবৰ্তী কালছোৱাত অলঙ্কাৰৰ কিবা আলোচনা-বিলোচনা কৰা হৈছিল নে নাই সেই বিষয়ে একো জনা নাযায়। সি যি কি নহওক ভামহে তেওঁৰ 'কাব্যলঙ্কাৰ'ত তিনিটা শব্দালঙ্কাৰ আৰু বত্ৰিশটা অৰ্থালঙ্কাৰ আলচ কৰিছে। ভামহৰ পিচৰ কালৰ আলঙ্কাৰিকসকলৰ হাতত অলঙ্কাৰৰ সংখ্যা ক্ৰমশঃ বৃদ্ধি পাই যাবলৈ ধৰিলে। চতুৰ্দশ শতিকাৰ প্ৰবীন আলঙ্কাকাৰিক বিশ্বনাথে 'সাহিত্য-দৰ্পন'ত সৰ্বমুঠ সাতসত্তৰটা বিভিন্ন অলঙ্কাৰ আলোচনা কৰিছে। তেওঁৰ পিচত সপ্তদশ শতিকাৰ আলঙ্কাৰিক 'ৰস গঙ্গাধৰ' প্ৰণেতা জগন্নাথৰ দিনলৈ অলঙ্কাৰে ফেনা মেলিয়েই থাকিলে। অলঙ্কাৰৰ ক্ৰমবৰ্ধমান সংখ্যা সম্পৰ্কে অন্যতম অলাঙ্কাৰিক ৰুদ্ৰতে এষাৰ বঢ়িয়া কথা কৈছে: "ততো যাৱন্তো হৃদয়বৰ্জকা

অর্থপ্ৰকাৰান্তাৰন্তোহলংকাৰাঃ······।" বিশাল জগতত যতবোৰ হৃদয়ৰঞ্জক বস্তু আছে অলঙ্কাৰো সিমানেই। এয়ে তেওঁৰ উক্তিটিৰ অৰ্থ। কবি-প্ৰতিভাক এটা সীমিত আৱেষ্টনীৰ মাজত আৱদ্ধ কৰি ৰাখিব নোৱাৰি। কবিৰ প্ৰতিভা "নৱনৱোন্মেষশালিনী।" নিতৌ নৱ নৱ বস্তুৰ উন্মেষৰ পোৱা কবি-প্ৰতিভা ক্ৰমশঃ বিকাশমান। সেই বাবে, আনন্দবৰ্ধনে "অলঙ্কাৰানামনন্তত্বাৎ" বুলি অলঙ্কাৰৰ অন্তহীনতাক সূচনা কৰাৰ দৰে কব পাৰি যে ক্ৰম বিকাশমান কবি-প্ৰতিভাৰে সৃষ্টি হোৱা অলঙ্কাৰৰ সংখ্যা নিৰ্ধাৰিত নহয়, হ'ব নোৱাৰে। "তে চাদ্যাপি বিকল্প্যন্তে কস্তান্ কাৰ্ৎস্নেন বক্ষতি" বুলি দণ্ডীয়ে কোৱাৰ দৰে সদায় নতুন নতুনকৈ সৃষ্টি হৈ থকা অলঙ্কাৰৰ বিষয়ে কোনোৱে কৈ অঁতাব নোৱাৰে।

বৰ্তমান প্ৰবন্ধটিত সংস্কৃত কাব্যত অলঙ্কাৰৰ বিষয়ে আলোচনা কৰিবলৈ লোৱা হৈছে। সেয়ে হ'লেও অসমীয়া, বাঙালী, হিন্দী আদি ভাৰতীয় ভাষাসমূহৰ ক্ষেত্ৰতো একেটা কথাই, কাৰণ সংস্কৃতমূল এই ভাষা-সমূহৰ আঙ্গিক-আভ্যন্তৰীণ তথ্য সংস্কৃতৰ পৰা বেচি তফাৎ নহয়। সংস্কৃত সাহিত্যৰ অলঙ্কাৰ গ্ৰন্থ কেইখনক বাদ দিলে, তজ্জাতীয় কোনো গ্ৰন্থ অসমীয়া বাঙালীত ৰচনা কৰা সম্ভৱ নহয়। অসমীয়া সাহিত্যৰ ফালে চালেই দেখা যায় যে অসমীয়াত অলঙ্কাৰ বিষয়ক গ্ৰন্থ মাত্ৰ কেইখনমান। সোণাপতি দেৱশৰ্মাৰ 'সাহিত্যৰ সাজ', আচাৰ্য মনোৰঞ্জন শাস্ত্ৰীৰ 'কাব্য-দৰ্শন' আৰু শ্ৰীতীৰ্থনাথ শৰ্মাৰ 'সাহিত্য-বিদ্যা পৰিক্ৰমা' এই কেইখনহে। এই এটাইকেইখন সংস্কৃত-আধাৰিত। তদুপৰি, কি দেশীয়, কি বিদেশী—সকলো সাহিত্যৰ মূল সত্তা এটা। 'সত্যং শিবং সুন্দৰম্'ৰ আৰাধনাত ব্ৰতী হৈ সাহিত্যিকসকলে সত্যৰ ওপৰত প্ৰতিস্থিত কৰা সাহিত্যও এক আৰু ইয়াৰ সত্তাও এক। দেশ-কালৰ ব্যৱধানত আঙ্গিকৰ তাৰ-তম্য ঘটিলেও, কলাত্মক সত্তা যিটো, তাৰ লৰচৰ নহয়।

অলঙ্কাৰনো কি? ইয়াৰ ধৰ্মই বা কি? প্ৰসঙ্গ পৰিস্ফুৰণৰ অৰ্থে অলঙ্কাৰৰ এনে মামিক তথ্যবোৰৰ প্ৰতি অৱবোধন কৰাটো নিতান্তই প্ৰয়োজন। লোক-ব্যৱহাৰত অলঙ্কাৰ মানে অঙ্গৰ ভূষণ আৰু ইয়াৰ ধৰ্ম হৈছে চাৰুত্ব বা সৌন্দৰ্য্য বৰ্ধন। স্বভাৱতে সৌন্দৰ্য্য প্ৰিয় মানুহে শৰীৰৰ সৌন্দৰ্য্য বঢ়াবলৈ বিবিধ অলঙ্কা পৰিধান কৰে। অলঙ্কাৰৰ, প্ৰতি অধিক চখ ৰমণীকুলৰ। সৌন্দৰ্য্যৰ প্ৰতি অধিক আকৃষ্ট ৰমণীসকলে অকল সোণ-ৰূপৰ অলঙ্কাৰেৰে নহয়, প্ৰকৃতিৰ কোলাৰ কুসুম কাননৰ পুষ্পৰাজিৰে দৈহিক সৌন্দৰ্য্যৰ জেউতি চৰাইহে তেওঁলোকে তৃপ্তি পায়। কথাতে কয় বোলে পিন্ধনে-উৰণে নাৰী, বেৰণে-ঘোৰণে বাৰী। অলঙ্কাৰ অবিহনে ষোড়শী যুৱতীজনীৰো মুখকান্তি পৰিস্ফুট হৈ নুঠে: "ন কান্তমপি নিৰ্ভূষং বিভাতি বাণিতামুখম্।" সেইবাবে নেকি, আমাৰ কথাতে কয় বোলে পিন্ধি-উৰি ওলালে বান্দৰীও সুন্দৰী হয়।

কাব্যবিদসকলে মানৱ দেহৰ তুলনাৰে কাব্যৰো এটা শৰীৰ কল্পনা কৰিছে। মানুহৰ শৰীৰত যেনেদৰে হাত, ভৰি, চকু, কাণ আদি অঙ্গ আছে, আৰু আছে আত্মা, সেইদৰে কাব্যদেহতো অঙ্গ-প্ৰত্যঙ্গাদি আছে, অন্তৰ্নিহিত এটি আত্মা আছে। 'কাব্যমীমাংসা'ৰ 'কাব্যপুৰুষোৎপত্তি' খণ্ডত ৰাজশেখৰে কৈছে:

······"শব্দাৰ্থৌ তে শৰীৰং, সংস্কৃতং মুখং,
প্ৰাকৃতং বাহু, জঘনমপভ্ৰংশঃ, পৈশাচং পাদৌ,
উৰো মিশ্ৰম্। সমঃ প্ৰসন্নো মধুৰ উদাৰ ওজস্বী।
উক্তিস্তে বাচো, ৰস আত্মা, ৰোমাণি ছন্দাংসি,
প্ৰশ্নোত্তৰ প্ৰবহিলকাদিকং চ বাক্‌কেলিঃ, অনুপ্ৰাসোপ-
মাদয়শ্চ ত্বামলং কুৰ্বন্তি।······"

ওপৰৰ কথাষাৰৰ পৰা পোৱা গ'ল যে কাব্যৰ শৰীৰ গঠন হয় মূলতঃ শব্দ আৰু অৰ্থেৰে—"শব্দাৰ্থৌ শৰীৰং কাব্যস্য"। ইয়াৰ আত্মা হ'ল ৰস। এতিয়া, লোক ব্যৱহাৰত অলঙ্কাৰৰ যি ধৰ্ম, অৰ্থাৎ সৌন্দৰ্য্য, ৰমণীয়ত্ব বা চাৰুত্ব বৰ্ধন, কাব্যৰ বেলিকাও সেয়ে। অলঙ্কাৰে কাব্যশৰীৰৰ সৌন্দৰ্য্য বঢ়ায়। ইয়াৰ পৰি-প্ৰেক্ষিতত 'অলঙ্কাৰ' শব্দটোৰ ব্যুৎপত্তিগত অৰ্থৰ ফালেও লক্ষ্য কৰা উচিত। 'অলঙ্কাৰ' শব্দটিৰ দুটা ভাগ—অলং আৰু কাৰ। 'অলং' শব্দ বিভিন্ন অৰ্থত ব্যৱহাৰ হয়। 'অমৰকোষে' কৈছে "অলং ভূষণ পৰ্যাপ্তিশক্তিবাৰণবাচকম্"। অনেক ঠাইত আকৌ প্ৰাসঙ্গিকভাধে অৰ্থহীন হৈও 'অলং' ব্যৱহাৰ হয়। বৰ্তমান প্ৰসঙ্গত ইয়াৰ দুটা অৰ্থ গ্ৰহণযোগ্য—'ভূষণ' আৰু 'পৰ্য্যাপ্তি'। দ্বিতীয়তে 'কৃ' ধাতুত 'ঘঞ' প্ৰত্যয় যোগ হৈ সিদ্ধ হোৱা 'কাৰ'ই বুজায় 'যিয়ে' কৰে।' এতেকে, 'অলংকৃ+ঘঞ্'—এই বুৎপত্তিগত 'অলংকাৰ' শব্দই 'অলং'ৰ প্ৰথমটি অৰ্থেৰে বুজায় 'যাৰদ্বাৰা সাহিত্যক ভূষিত কৰা হয়।' এই অৰ্থই অনুপ্ৰাস, যমক প্ৰভৃতি শব্দালংকাৰ আৰু উপমা, ৰূপক প্ৰভৃতি অৰ্থা-লংকাৰ বুজায়। আলংকাৰিক সকলৰ মতে অলঙ্কাৰৰ এইটি অৰ্থ বিশিষ্ট বা সঙ্কীৰ্ণ। দ্বিতীয় অৰ্থটিৰ (পৰ্য্যাপ্তি'ৰ) তাৎপৰ্য্য হৈছে 'যিয়ে সাহিত্যিক পৰ্য্যাপ্ত কৰে অৰ্থাৎ 'এয়ে যথেষ্ট হৈছে, আৰু নালাগে" এই অৰ্থত যাৰ দ্বাৰা ,"সাহিত্য নামৰ উপযোগী হিচাবে

সম্ভোগ ভূয়িষ্ঠ কৰা হয়" সেয়ে অলঙ্কাৰ।' অলঙ্কাৰৰ এইটি অৰ্থ বহল; ই কেৱল অনুপ্ৰাস, উপমা আদিক নুবুজাই, সৌন্দৰ্যবৰ্ধক অন্যান্য উপাদানবোৰকো সাঙুৰি ল'ব পাৰে।

অলঙ্কাৰে কাব্য সাহিত্যৰ সৌন্দৰ্য্য বঢ়োৱাৰ লৈ লক্ষ্য ৰাখিয়েই আলঙ্কাৰিকসকলে ইয়াৰ সংজ্ঞা নিৰূপণ কৰিছে। কেতবোৰে কৈছে: "সৌন্দৰ্যম্ অলঙ্কাৰঃ"—কাব্যত যি সুন্দৰ সেয়ে অলঙ্কাৰ। অন্যত্ৰ পোৱা যায়: "অলঙ্কৃতিঃ অলঙ্কাৰঃ"—ইয়াৰো অৰ্থ একেটাই: কাব্যত যি সুন্দৰ সেয়ে অলঙ্কাৰ। আচাৰ্য্য দণ্ডীয়ে অলপ বহলভাবে কৈছে: "কাব্যশোভাকৰান্ ধৰ্মান্ অলঙ্কাৰান্ প্ৰচক্ষতে"। পিচে এনেবোৰ সংজ্ঞাৰ দ্বাৰা অলঙ্কাৰৰ প্ৰকৃত স্বৰূপ নোলায়। কাৰণ কাতৰ সৌন্দৰ্য্য বা শোভাবৰ্ধক ধৰ্ম অকল অনুপ্ৰাস, উপমা আদি অলংকাৰেই নহয়; গুণ, ৰীতিকো কাব্যৰ ভূষণ বা উৎকৰ্ষ সাধনৰ হেতু বোলা হয়। উল্লেখ আছে—"উৎকৰ্ষহেতৱো প্ৰোক্তা গুণালঙ্কাৰৰীতয়ঃ।" সেই গুণে অলংকাৰৰ স্বৰূপঘটক সংজ্ঞালৈ আনফালে দৃষ্টি ঘূৰাব লাগিব। 'সাহিত্য-দৰ্পন' প্ৰণেতা কবিৰাজ বিশ্বনাথৰ অলঙ্কাৰ সংজ্ঞা এই ক্ষেত্ৰত প্ৰণিধান যোগ্য। তেওঁৰ মতে—

"শব্দাৰ্থয়োৰহস্থিৰা যে ধৰ্মাঃ শোভাতিশয়িনঃ।
ৰসাদীনুপকৰ্বন্তোহলং কাৰাস্তেহঙ্গদাদিৱৎ॥"

সংজ্ঞা বাক্যটোৰ অৰ্থ এয়ে যে শব্দ আৰু অৰ্থৰ চাৰুত্ব বৃদ্ধিকাৰক যিবোৰ অস্থায়ী ধৰ্ম ৰসৰ উৎকৰ্ষ সাধনত সহায়ক হয়, (শৰীৰৰ ভূষণ) অঙ্গদ (কেয়ূৰ)ৰ দৰে সেইবোৰকে অলঙ্কাৰ বোলা হয়। সম্যকভাৱে অৱবোধন কৰিলে বিশ্বনাথৰ সংজ্ঞাটিৰপৰা তলৰ কথাকেইটা ওলায়:

(১) অলঙ্কাৰ শব্দ আৰু অৰ্থৰ ধৰ্ম, এই ধৰ্ম অস্থিৰ, অৰ্থাৎ স্থায়ী নহয়, অস্থায়ী;

(২) অলঙ্কাৰে শব্দ আৰু অৰ্থৰ, অৰ্থাৎ কাব্য-শৰীৰৰ সৌন্দৰ্য্যৰ অতিশায়িত্ব সাধন কৰে;

(৩) অলঙ্কাৰে ৰসৰ উৎকৰ্ষ সাধনত সহায় কৰে;

(৪) শব্দ আৰু অৰ্থৰ ধৰ্ম হিচাবে অলঙ্কাৰ দুবিধ—শব্দালঙ্কাৰ আৰু অৰ্থালঙ্কাৰ।

বিশ্বনাথৰ অলঙ্কাৰ লক্ষণত এটা কথা পোৱা গ'ল যে অলঙ্কাৰে কাব্য-শৰীৰৰ সৌন্দৰ্য্যাতিশয়তা বৃদ্ধি কৰে। কাব্যৰ এটা নিজস্ব সৌন্দৰ্য্য আছেই, সেই সৌন্দৰ্য্যৰ শোভা বঢ়ায় গুণ, ৰীতি আৰু অলঙ্কাৰে। গুণ আৰু ৰীতিৰ অপেক্ষাত অলঙ্কাৰে সেই সৌন্দৰ্য্য বহুগুণে বৃদ্ধি কৰে। এইটো কথাৰ বাবে বিশ্বনাথে 'শোভাতিশায়িনঃ' পদটি ব্যৱহাৰ কৰিছে। ৰীতিমাৰ্গী বামনেও গুণক কাব্যৰ শোভাকাৰক বুলিছে, অলঙ্কাৰক সেই গুণৰ অতিশায়িত্ব সাধক বুলি অভিহিত কৰিছে "কাব্যশোভায়াঃ কৰ্তাৰো ধৰ্মা গুণাস্তদতিশয়হেতৱস্ত অলঙ্কাৰাঃ।" এটা লৌকিক উদাহৰণ ললে কথাটো পৰিস্কাৰ হৈ উঠিব। সুধাস্থ্যৰ নিপোটল দেহেৰে গাভৰু এগৰাকীৰ দেহকান্তি স্বভাৱতে সুন্দৰ, নিজস্ব সৌন্দৰ্য্যৰে তেওঁ সুন্দৰ। গাভৰু গৰাকীয়ে ৰজিতা খোৱাকৈ যেতিয়া অলঙ্কাৰ পৰিধান কৰে, সেই অলঙ্কাৰে তেওঁৰ দেহ-লাৱন্যক আৰু সুন্দৰ কৰি তোলে। সেইদৰে, বিষয়-বস্তুৰ সম্যক প্ৰতিপাদন, বৰ্ণনীয় পৰিবেশৰ উপ-স্থাপন তথা কাব্যোপযোগী শব্দচয়ন আৰু মাধুৰ্য্য, ঔদাৰ্য্য, লালিত্য আদি গুণৰ সন্নিবেশেৰে সুন্দৰ হৈ উঠা কাব্যশৰীৰত যেতিয়া যথাযোগ্যভাৱে অলঙ্কাৰ সংযোজনা কৰা হয়, তাৰ সৌন্দৰ্য্য তেতিয়া অধিকতৰ বৃদ্ধি পায়।

দ্বিতীয়তে, বিশ্বনাথৰ লক্ষণ-বাক্যত ব্যৱহৃত 'অস্থিৰাঃ' শব্দটি বিশেষ মন কৰিবলগীয়া। এই শব্দটিয়ে কাব্যত অলঙ্কাৰৰ স্থিতি সম্পৰ্কে ইঙ্গিত দি থৈছে। ওপৰত কৈ অহা হৈছে যে 'অস্থিৰাঃ' শব্দটিৰ প্ৰাথমিক অৰ্থ অস্থায়ী। তাৰ অৰ্থ এয়ে যে কাব্যত অলঙ্কাৰৰ অনিয়ত স্থিতি। অৰ্থাৎ অলঙ্কাৰ থাকিবও পাৰে, নাথাকিবও পাৰে। অলঙ্কাৰ বিহীন হৈও কাব্য হ'ব পাৰে। মম্মট ভট্টই 'কাব্য-প্ৰকাশ'ত কাব্যৰ স্বৰূপ কোৱা প্ৰসঙ্গত লক্ষণ-বাক্যত "অনলকৃতী পুনঃ ক্বাপি" কথাষাৰ উল্লেখ কৰিছে।

অলঙ্কাৰৰ যদি অনিয়ত স্থিতি, তেন্তে নিয়ত বা স্থিৰ অৰ্থাৎ অপৰিহাৰ্য্য স্থিতিনো কাৰ? গুণৰ। প্ৰসাদ, মাধুৰ্য্য আদি গুণবোৰ কাব্যত অচলা স্থিতি। গুণ ব্যতিৰেকে কাব্য হ'ব নোৱাৰে। শৌৰ্য্য-বীৰ্য্য, দয়া-প্ৰেম গুণসমূহ মানৱ জীৱনৰ অপৰিহাৰ্য্য বস্তু। জীৱনৰ আৰম্ভণিৰপৰা শেষপৰ্য্যন্ত থাকিবই। আনহাতে, কেয়ূৰ, কঙ্কন আদি অলঙ্কাৰৰ জীৱনৰ লগত তেনে সম্বন্ধ নাই। ই ক্ষন্তেকীয়া। ইয়াতেই গুণ আৰু অলঙ্কাৰৰ প্ৰভেদ। কাব্যৰ বেলিকাও একে কথা। অলঙ্কাৰে শব্দ-অৰ্থৰূপ অঙ্গক আশ্ৰয় কৰি থাকে, গুণৰ অন্বয় হয় কাব্যাত্মাভূত ৰসৰ লগত। সাহিত্য দৰ্পণকাৰে সেইবাবে অলঙ্কাৰ নিৰূপণৰ আগতে গুণৰ বিষয়ে কৈ আহিছে—"ৰসস্য অঙ্গিত্বমাপ্তস্য ধৰ্মাঃ শৌৰ্য্যাদয়ো যথা গুণাঃ....।" এতেকে দেখা যায় যে কাব্যত গুণাপেক্ষা অলঙ্কাৰৰ স্থান গৌণ।

তেনেহলে কাব্যাত্মাভূত ৰসৰ লগত অলঙ্কাৰৰ সম্বন্ধ কি? অলঙ্কাৰ 'ৰসাদীনুপকুৰ্বন্তঃ' ৰসোপলব্ধিত সহায় কাৰক। ৰস উপকাৰ্য্য, অলংকাৰ উপকাৰক।

ওপৰৰ আলোচনাটিৰ পৰা কাব্যত অলঙ্কাৰৰ স্থান সম্পৰ্কে বিবেচনা কৰি চাব পাৰি। তেনে আলোচনালৈ অগ্ৰসৰ হোৱাৰ পূৰ্বে কাব্যৰ আত্মা অঙ্গ-প্ৰত্যঙ্গ তথা চৰম উদ্দেশ্য সম্পৰ্কে কিঞ্চিৎ অৱবোধন কৰাটো প্ৰয়োজন।

মানৱ দেহৰ লগত আত্মাৰ সম্পৰ্কলৈ দাৰ্শনিক সকলৰ মাজত যেনেদৰে বাদানুবাদ আছে, সেইদৰে কাব্য-দেহৰ লগত কাব্যৰ সাৰভূত বস্তু বা আত্মাৰ সম্বন্ধ লৈও কাব্য বিশ্লেষক সকলৰ মাজত মতানৈক্য আছে। কোনো কোনোৰ মতে শব্দ আৰু অৰ্থত বাদে কাব্যৰ এটি স্বকীয়া আত্মা নাই। আনবোৰে কাব্যৰ আত্মা স্বীকাৰ কৰিছে ঠিক; কিন্তু সেই আত্মা সম্পৰ্কে তেওঁলোকৰ মাজত ঐক্যমতৰ অভাৱ। কাব্যৰ মৌলিক পদাৰ্থ ৰস, গুণ, অলঙ্কাৰ আদিৰ মুখ্যত্ব গৌণত্বক নিজ বিবেচনাৰে বিচাৰ কৰি ভিন ভিন সমালোচক আলঙ্কাৰিকে কাব্যৰ সংজ্ঞা নিৰূপণ কৰিছে: "বাক্যং ৰসাত্মকং কাব্যম", ৰীতিঃ আত্মা কাব্যস্য", "বক্ৰোক্তি কাব্য-জীৱিতম", "কাব্যস্য আত্মা ধ্বনিঃ", "নিত্য-ধৰ্মা গুণাঃ কাব্যে প্ৰধানম" ইত্যাদি। অলঙ্কাৰপন্থী সকলেও, কলে "কাব্যং গ্ৰাহ্যম অলঙ্কাৰাৎ"। এনে বিচাৰ ধাৰা মতে কাব্যাত্মা নিৰূপণ কৰাৰ মতভেদ অনুসৰি অলঙ্কাৰ শাস্ত্ৰত পাচটা সম্প্ৰদায়ৰ সৃষ্টি হৈছে ৰস সম্প্ৰদায়, অলঙ্কাৰ সম্প্ৰদায়, গুণ সম্প্ৰদায়, বক্ৰোক্তি-সম্প্ৰদায় আৰু ধ্বনি সম্প্ৰদায়। সম্প্ৰদায় বা প্ৰস্থান কেইটিৰ, দিগ্‌দৰ্শকসকল ক্ৰমে আচাৰ্য্য ভৰত, ভামহ, দাণ্ডী আৰু বামণ, কুন্তক আৰু আনন্দবৰ্ধন।

এনেদৰে উদ্ভৱ হোৱা সম্প্ৰদায় কেইটাই কাব্যৰ আত্মা-সম্পৰ্কে কোনটোৱে কি অভিমত দিয়ে, সেইটোও বিবেচ্য কথা। এক কলাত্মক আনন্দৰ প্ৰতিপাদন কৰাটোৱেই কাব্যৰ ধৰ্ম। যিকোনো কাহিনী ভাগক উপ-জীব্য কৰিয়ে কাব্য ৰচনা হ'ব পাৰে, তাৰ অন্তিম ফলশ্ৰুতি কিন্তু একেটাই--আনন্দপ্ৰদান। ভাৰতীয় অন্তৰ্মুখী চিন্তাধাৰা অনুসৰি ইয়াৰ তত্ত্ব আৰু গভীৰ। ভাৰতীয় পৰম্পৰাই কয়, এই যে কলাত্মক আনন্দ, তাক আস্বাদন কৰি, হৃদয়েৰে উপলব্ধি কৰি সহৃদয় ৰসগ্ৰাহীসকলে ভূমানন্দ লাভ কৰে। কাব্যলব্ধ এই ভূমানন্দক মোক্ষপ্ৰাপ্তিৰ উপায় পৰ্য্যন্ত বুলি অভিহিত কৰা হয়:, "চতুৰ্বৰ্গফলপ্ৰাপ্তিঃ সুখাদল্পধিয়ামপি। কাব্যাদেৱ ... ॥" মুঠতে কবলৈ হলে, কাব্য অধ্যয়ণৰ পৰা লাভ, কৰা কলাত্মক আনন্দৰ অনুধাৱনৰ জৰিয়তে মনক উধাও কৰি নিলে শেষত গৈ ই পৰমানন্দ লাভ কৰিব--এয়ে ইয়াৰ তাৎপৰ্য্য।

আধুনিক দৃষ্টিভঙ্গীৰ ফালৰপৰা লক্ষ্য কৰিলেও কাব্যৰ মুখ্য উদ্দেশ্য আনন্দ-প্ৰদান বুলি ক'ব পাৰিনে? উত্তৰটো হয়তো নেতিবাচক হ'ব। আধুনিক যুগত মনন-চিন্তনে গতি সলাইছে। আজিৰ যুগত মানুহ ব্যক্তি-জীৱন তথা সমাজ জীৱনৰ ঘাট-প্ৰতিঘাত লৈ ব্যস্ত। সেয়ে অকল আনন্দ-প্ৰদানেই সাহিত্যৰ উদ্দেশ্য হ'ব নোৱাৰে, তাৰ লগত ব্যক্তি তথা সমাজৰ সংঘাট-সমস্যাকো দাঙি ধৰিব লাগিব। কিন্তু এটা কথা কোনো পধ্যেই অস্বীকাৰ কৰা নাযায় যে কলা কলাই। কলাৰ জগতখন সম্পূৰ্ণ স্বকীয়া। সেইবাবে কলাক কলা হিচাপে অৱবোধন কৰাই দৰকাৰ। এই কলাত্মক অৱবোধনৰ ফলশ্ৰুতি জাগতিক জীৱনৰ আৱৰ্জনা বিমুক্ত এক অনাবিল আনন্দ।

কাব্যৰ এনে তাৎপৰ্য্যমূলক দৃষ্টিকোণৰপৰা লক্ষ্য কৰিলে দেখা যায় যে বিভিন্ন উপাদান ভিতৰত ৰসৰহে এনে আনন্দ প্ৰদান কৰিব পৰা গুণ আছে। ৰস মানেই আনন্দ। সেয়ে হলে কাব্যৰ সাৰভূত বস্তু অৰ্থাৎ ৰস, অলঙ্কাৰ আদি অন্যান্য উপাদানবোৰ ইয়াৰ অঙ্গস্বৰূপ। মানৱ দেহৰ আত্মাৰ দৰে কাব্য দেহৰ আত্মা ৰস অদৃশ্যভাৱে নিহিত থকা বস্তু, চাকুৰ দৃষ্টিত ই ধৰা নপৰে। মননশীলতা তথা সংবেদনশীলতাৰহে ইয়াক উপলব্ধি কৰা যায়। সংবেদনশীলতা আৰু মনন-শীলতাৰ অভাৱ হলে কাব্য ৰস-পান কৰাৰ পৰা বঞ্চিত হ'ব লাগে। সি যি কি নহওক, অলঙ্কাৰৰ সুসঙ্গত ব্যৱহাৰে কাব্যৰ চাৰুত্ব, ৰমণীয়তা বঢ়োৱাৰ উপৰিও কাব্যতত্ত্ব উপলব্ধি কৰোৱাতো ইয়াৰ যথেষ্ট উপাদেয়তা আছে। এটা উদাহৰণ ললেই ই স্পষ্ট হৈ উঠিব। "এওঁ ভীমৰ দৰে বলী" এ বাক্যটিত উপমা অলঙ্কাৰ আছে। ইয়াত যি গৰাকী মানুহৰ বিষয়ে কোৱা হৈছে, তেওঁৰ বল এলা পেছা নহয়, ভীমৰ বল যিমান তেওঁৰো সিমান। ভীমৰ বলৰ কথা সকলোৱে জানে। সেই হেতু ভীমৰ লগত তুলনা কৰাৰ পৰা এওঁৰ বলৰ আধিক্য সম্পৰ্কে সন্দেহ নাথাকিল। অৱশ্যে এনেকুৱা বাক্য কাব্যৰ নিদৰ্শন হ'ব নোৱাৰে; এইবোৰ লৌকিক ব্যৱহাৰৰ কথা। কাব্য হ'ল কৱিৰ প্ৰতিভাৰে সৃষ্টি হোৱা বস্তু। সেইফালৰপৰা চাই "কাৰিকৰসম উৰু-বৰ্তুল বলিত" (কীৰ্ত্তন)--এই বাক্যটিলৈ লক্ষ্য কৰিলে পোৱা যায় যে উৰু-যুগলক হাতীৰ শুড়ৰ লগত তুলনা কৰি ইয়াকে প্ৰতীয়মান কৰা হৈছে যে উৰু-যুগলৰ বিশালতা হাতীৰ শুড়ৰ নিচিনা অৰ্থাৎ যথেষ্ট শকত। ইয়াতো উপমা অলঙ্কাৰৰ প্ৰয়োগ আছে। উপমা অলঙ্কাৰটোৱে অৰ্থ উপলব্ধিক সহজ কৰি তুলিছে।

নিঃসন্দেহে ক'ব পাৰি যে অলঙ্কাৰৰ উৎপত্তি হয় তুলনাৰ পৰা। কৱিৰ যিটো প্ৰাকৰণিক বা বৰ্ণনাৰ বস্তু তাৰ আকৃতি-প্ৰকৃতি, গুণাগুণ আদিক পৰিস্ফুট কৰি তুলিবলৈ কৰিয়ে আন কোনো এটা বস্তুৰ আশ্ৰয়

লয়। আশ্ৰয়ভূত বস্তুটোৱেই শাস্ত্ৰীয় ভাষাত উপমান, বৰ্ণনীয় বস্তুটো উপমেয়। মন কৰিবলগীয়া কথা কথা এয়ে যে সাধাৰণতে উপ-মানভূত বস্তু গ্ৰহণ কৰা হয় প্ৰাকৃতিক জগতখনৰ পৰা। জোন, বেলি, পদুম, গোলাপ, নৈৰ স্ৰোতধাৰা, সমুদ্ৰৰ উৰ্মিমালা-এইবোৰেই উপমানৰ বস্তু। নৈসাগক জগতখনৰ লগত মানুহৰ চিৰপৰিচিতি, নিবিড় সম্বন্ধ আৰু প্ৰকৃতিপ্ৰেমী কৱিৰ কল্পনা বিলাসিতাই ইয়াৰ কাৰণ হ'ব পাৰে।

কাব্যত অলঙ্কাৰ সংযোজনা সম্পৰ্কে এটা কথা উনুকিয়াই থোৱা ভাল। অলঙ্কাৰৰ যিমানে শোভা-কাৰিত্ব নাথাকক বা অৰ্থৰ উপলব্ধিত ই যিমানে উপা-দেয় নহওক, যাৰ অলঙ্কৰণ হয়, তাৰ সুচাৰুৰূপে পৰিবেশন হ'ব লাগিব। মানুহে অলঙ্কাৰ পৰিধান কৰে সৌন্দৰ্য্য বঢ়োৱাৰ বাবে, ঠিক ; কিন্তু পৰিধান কৰা মানুহজনৰ যদি অকণো দেহ-সৌষ্ঠৱ নাই, তেনেহলে অলঙ্কাৰে তেওঁৰ কি সৌন্দৰ্য্য বঢ়াব। অশীতিপৰ বৃদ্ধা এগৰাকীৰ সোতোৰা সোতোৰা মুখমণ্ডল কেইপদমান অলঙ্কাৰ আঁৰি ললে কিটো হ'ব ? বয়সে গৰকি যোৱা বৃদ্ধাৰ দেহ-কান্তি হেৰাই গৈছে। সেইবাবে তেওঁৰ বাবে অলঙ্কাৰৰ কাম নাই। আনহাতে যোড়শী যুৱতী এগৰাকীৰ শৰীৰকান্তি বৰ্তমান, যৌৱনে তেওঁলৈ দেহৰ সৌষ্ঠৱ কঢ়িয়াই আনিছে। সেই দেখি, অলঙ্কাৰ পৰিধান কৰিলে তেওঁৰ নিপোটল দেহকান্তি আৰু বৃদ্ধি হয়। কাব্যৰো কথা একেটাই। বিষয়-বস্তুৰ বাছনি, পৰি-বেশন, ভাৱানুভূতি আদিৰ দ্বাৰা সামগ্ৰিকভাবে এটা সুস্থ সত্তাৰ সৃষ্টি কৰিব নোৱাৰিলে অকল অলঙ্কাৰ সংযোজনাৰে একো নহ'ব ; সেই কাব্যৰ দশা হ'ব "জৰদ্‌যোষিতালংকাৰৱ্যৎ"।

আলোচনীৰ সামৰণিত এটা বিষয়লৈ লক্ষ্য কৰা উচিত হ'ব যে ওপৰত যিকেইটা প্ৰস্থান বা সম্প্ৰদায়ৰ কথা উনুকিওৱা হৈছে, সেইবোৰক আচ-লতে কৱি-প্ৰস্থান বা কাব্য-প্ৰস্থান নুবুলি সমালোচকৰ প্ৰস্থান বোলাটোহে যুগুত। কাব্যসমীক্ষকসকলে কৱিকৰ্মৰ সুক্ষ্ম বিশ্লেষণ কৰি শব্দ, অৰ্থ, গুণ, অল-ঙ্কাৰ আদি পৃথক কৰিছে সঁচা ; আৰু তদনুযায়ী পাচটা সম্প্ৰদায়ৰ সৃষ্টি হৈছে, সিও সঁচা। কিন্তু কাব্য-তত্ত্বৰ গভীৰ চিন্তনত এটা কথা পৰিস্কাৰ হৈ ওলায় যে অনুভূতিৰ তাড়নাত পৰি, আবেগৰ দ্বাৰা উদ্বুদ্ধ হৈ কৱিয়ে যেতিয়া কাব্য সৃষ্টিত গভীৰভাৱে মনো-নিবেশ কৰে তেতিয়া তেওঁৰ মনত নিশ্চয় গুণ, অলঙ্কাৰ, ৰীতি ইত্যাদিৰ একোটা স্বকীয়া প্ৰতীতি নাথাকে ; থাকে এই সমস্তৰে এটা অখণ্ড, নিৰ্বিভাগ প্ৰতীতিহে। তাকেই তেওঁ ইন্দ্ৰিয় গ্ৰাহ্যভাবে এটা স্থূল শব্দময়ী ৰূপদান দি সাধাৰণৰ আগত প্ৰকাশ কৰে। সেয়ে কাব্য। তাৰ পিচত ওলায় সমালোচক। সমালোচকৰ হাত পৰি সেই সুন্দৰ সৃষ্টি কাব্যৰ পুংখানু-পুংখ আলোচনা হবলৈ ধৰে। কিন্তু কাব্য-স্ৰষ্টাৰ যি অখণ্ড কাব্যসত্তা এটাৰ প্ৰতীতি, প্ৰকৃত ৰস-গ্ৰাহীসকলৰ প্ৰতিও সেই একে "অখণ্ড বুদ্ধি সমাস্বাদ্য" বস্তু। এই দৃষ্টি-ভঙ্গীৰে বিচাৰ কৰি চালে দেখা যায় যে কাব্যত অলঙ্কাৰ যোগ দিয়া বুলি কোনো কথাই থাকিব নোধাৰে অঙ্গাশ্ৰিতই হওক, বা আন কিহবাই হওক, অলঙ্কাৰ কাব্য-ৰচনাৰ এটা অপৰিহাৰ্য্য অঙ্গ। 'বক্ৰোক্তি-জীৱিত'কাৰ কুন্তকে কৈছে যে অলঙ্কাৰযুক্ত এটা সামজিক সত্তাহে কাব্য, কাব্যৰ অলঙ্কাৰ যোগ দিয়া বুলি কোনো কথা থাকিব নোৱাৰে। তেওঁৰ নিজা কথাত—--

"অলঙ্কৃতিৰলংকাৰ্য্যপোদ্ধৃত্য বিবিচ্যতে।
তদুপায়তয়া, তত্ত্বং সালঙ্কাৰস্য কাব্যতা ॥" (ব, ১।৬)

এই কাৰিকাটিৰ বৃত্তিত তেওঁ আকৌ কৈছে :
......"তেনালংকৃতস্য কাব্যত্বমিতি স্থিতি :। ন পুনঃ কাব্যস্যালংকাৰযোগ :।"






কিমান নিঃসঙ্গ
বগা চৰাইটো
আকাশ আৰু সাগৰ দুয়ো নীলা :
তথাপিও নীলা নোহোৱাকৈ
মাজত সি উৰি আছে। (বকুচুই)

দুৰন্ত গতিৰে ৰেলখন তেতিয়া আগবাঢ়িছে বিস্তীৰ্ণ নূকলি পথাৰবোৰৰ মাজেৰে, ৰিজাৰ্ভ শ্লিপিংবাৰ্থৰ কুপেৰ এচুকত হেলান দি মই আনমনা হৈ বাহিৰলৈ চাই ৰ'লোঁ। কুপেটোত মই অকলে, কলিকতাতে মোৰ সহযাত্ৰী নামিল। বাহিৰৰ বহল বহল পথাৰবোৰ ইতিমধ্যে এন্ধাৰৰ মাজত লুকাবলৈ আৰম্ভ কৰিছে। হাতৰ কিতাপখন মেলি লৈ দুষাৰিমান পঢ়ি ভাল নলগাত জপাই থলোঁ। শাৰীৰ আচলেৰে গাটো মেৰাই লৈ আকৌ বাহিৰলৈ চালোঁ শূন্য পথাৰবোৰ। ভয়াবহ নিঃসঙ্গতাৰ ভাব এটাই মোৰ মনটো কঁপাই তুলিলে। পাৰ হৈ যোৱা মোৰ জীৱনৰ বহু কথাই মনত পৰিল। মোৰ বেড-ৰুমত সজাই থোৱা ফটোখনত মাৰ দুচকুৰ অনিশ্চয়তাখিনি, পল্লৱী মাহী গুছি যোৱাৰ পাচত দেউতাৰ অভাৱনীয় মৰমখিনি, মাতৃহীনা অলক দাদাৰ

শিশুৰ দৰে আবদাৰ কৰা কথাবোৰ, পূৰ্ণ প্ৰাচুৰ্য্যৰ মাজত থাকিয়ো নিজক নিঃস্ব কৰিবলৈ ওলোৱা উৎসাহী ডেকা ত্ৰিদীপ ফুকনৰ বিপ্লৱী কথাবোৰ আৰু ক্ষন্তেকতে সকলোকে আপোন কৰি লব পৰা অথচ নিজকে 'লউনলি' 'ফিল' কৰা অধ্যাপক এডকিনৰ স্মৃতিয়ে মোক আমনি কৰে, মোৰ অন্তৰ হাঁহাকাৰ কৰি তোলে।

বিদায় দিবলৈ আহি লণ্ডন এয়াৰ প'ৰ্টত মোৰ দুহাতত এথোপা ফুল গুজি দি মিঃ এডকিনে কৈছিল "উইচ ইউ এ হেপী ফিউচাৰ, মিছ বৰুৱা আপোনাৰ সুখী ভৱিষ্যত কামনা কৰোঁ। মাজে সময়ে খা-খবৰ জনাই থাকিব। তাৰ বাবে আগ্ৰহেৰে বাট চাই ৰ'ম।" ফুলজোপাৰ পৰা দৃষ্টি আতৰাই মই মিঃ এডকিনৰ ফালে চাইছিলোঁ। মূৰৰ চুলিখিনি ইতিমধ্যে ছাই বৰণীয়া হৈ পৰা মানুহজনৰ মুখখনত যেন আজি শূন্য-উদাস অভিব্যক্তি। এষাৰ নিতান্তই সাধাৰণ বিদায়-বাণী হয়তো গতানুগতিকো—চাৰৰ বাবে। মোৰ দৰে বহুতকে এইদৰে শুভেচ্ছা জনাই চাৰে বিদায় দিছে। সকলো আতৰি গৈছে, হেৰাই গৈছে। ময়ো যাম। আজি বাৰু চাৰে ভাবিছে নেকি যে সকলোৰে সুখী ভৱিষ্যত কামনা কৰোঁতে নিজৰ ভৱিষ্যতৰ সুখৰ কথা ভাবিবলৈ তেওঁ আহৰিকে নাপালে?

বহু কিবা ক'ব খুজিও মই একো ক'ব পৰা নাছিলোঁ। ফুলখিনিৰ কোমল স্পৰ্শ অনুভৱ কৰি মই কৈছিলোঁ, 'ধন্যবাদ'। অনুভৱ কৰিছিলোঁ কিমান নিকৰুণভাৱে আমি নিঃস্ব। জীৱনত আমি বহুতৰে পৰা বহু কিবাকিবি লওঁ, কিন্তু তাৰ প্ৰতিদানত একোকে দিব নোৱাৰো। যাৰ জীৱন-পুষ্ট অভিজ্ঞতাই মোক নতুন জীৱনৰ সন্ধান দিলে, যাৰ জ্ঞানে মোক অমৃত দান কৰিলে, সেইজন অধ্যাপক এডকিনৰ প্ৰতি মই, মোৰ কৃতজ্ঞতা জনাইছোঁ এটি মাত্ৰ শব্দেৰে 'ধন্যবাদ।' মনটো বেয়া লাগিছিল—বছৰৰ শেষত অতি মৰমৰ কেলেণ্ডাৰখন আতৰাই পেলাওঁতে মনটো কোঁচখাই যোৱাৰ দৰে। খিৰিকীৰে তললৈ চাই মই দেখিছিলোঁ হাত জোকাৰি থকা শ' শ' মানুহৰ মাজত মিঃ এডকিন থিয় হৈ আছে। চেষ্টা কৰিও তেওঁৰ মুখখন মই চাব নোৱাৰিলোঁ। চকুৰ পানীয়ে মোৰ দৃষ্টি ধুঁৱলি কুঁৱলি কৰি পেলাইছিল।

জীৱনত মিঃ এডকিনৰ দৰে আৰু বহুতকে লগ পালোঁ। কিন্তু প্ৰত্যেককে এৰি আহিছোঁ অতীতৰ বুকুত। আমি যেন নিজ কক্ষত ঘূৰি থাকোঁতে হঠাতে কাৰোবাক লগ পাই যাওঁ আৰু যেতিয়া বিচৰা ৰূপটো তেওঁৰ মাজত নাপাওঁ; হতাশ হৈ ক'ব নোৱাৰাকৈ আমি আঁতৰি আহোঁ। এই দুদিনত আহি হাঁহো, কান্দো; কিন্তু অকলশৰীয়া হৈ পৰিলে বুজি উঠোঁ আমি হাঁহো, কান্দো আনৰ বাবে নহয়, মাথো নিজৰ বাবে। আজি মায়ে মোৰ বাবে কান্দেনে নাকান্দে নাজানো। দেউতা, মোৰ আৰু আমাৰ সমাজখনৰ মাজত মায়ে কি বিচাৰিছিল—কি নাপালে সেইয়াও মই নাজানো। কিন্তু এষাৰ কথা ভাবিলে মোৰ নিজৰে অস্বস্তি লাগে। যিজন দেউতাই সাহসেৰে চিৰ দিনলৈ উকা হবলৈ ধৰা মাৰ কঁপালখনত দগমগীয়া সেন্দুৰৰ ফোঁট আকি দিব পাৰিছিল সেইজন দেউতাই, কিয় মাৰ চকুৰ পৰা অনিশ্চয়তাৰ আশঙ্কাখিনি মুচি দিব নোৱাৰিলে?

বাহিৰত আন্ধাৰ গাঢ় হৈ পৰিছে। ৰেলখন আগৰ গতিৰে আগবাঢ়ি গৈছে। উজ্বল বাল্বৰ তলত কুপেটোত মই অকলে। বাহিৰৰ বতাহে মোক কোবাই গৈছে। কিয় জানো, এনেদৰে অলসভাৱে অকলে বহি মোৰ ভাল লাগিছে। অন্ততঃ অপ্ৰয়োজনীয় কথা আৰু কৌতুহল চাৱনিৰে আমনি দিবলৈ এতিয়া কোনো নাই। মানুহৰ সঙ্গ মই সদায় বেয়া নাপালেও, কেতিয়াবা অসহ্য লাগে। মাজে মাজে ভাবোঁ মানুহৰ সঙ্গ ভাল পাব নোৱাৰাকৈ মই হয়তো আত্মকেন্দ্ৰিক হৈ পৰিছোঁ। আমাৰ ঘৰত ময়ে একমাত্ৰ সন্তান আছিলোঁ মা আৰু দেউতাৰ। মাকো ওচৰত পাইছিলোঁ মাত্ৰ পাঁচ বছৰ বয়সলৈকে। অৱশ্যে দেউতা আৰু আমাৰ ঘৰতে থকা জেঠাইদেউৰ মৰমৰ মাজত থাকি মই মাৰ অভাব বৰকৈ অনুভৱ কৰা নাছিলোঁ। কিন্তু ডাঙৰ হৈ অহাৰ লগে লগে বুজি উঠিছিলোঁ মাকৰ ওচৰত পোৱা এডোখৰি নিভৃত আৰু নিৰাপদ ঠাইৰ মোৰ যেন খুব অভাৱ। মাৰ মৰম, আগ্ৰহ আৰু উৎসাহখিনি বিচাৰিবলৈ জেঠাইদেউ যেন বৰ বেচি উদাসীন, বেচি দায়িত্বশীল। সৰুতে বিধৱা হোৱা জেঠাইদেউৰ ল'ৰা মনুদাদা বিলাতলৈ গৈ আৰু উভতি নাহিল। নিজৰ সম্বন্ধীয় মানুহ বা ওচৰ-চুবুৰীয়াৰ লগত আমাৰ খুব বেচি অহা-যোৱা নাছিল। আগতে বুজি নাপালেও মা আতৰি যোৱাৰ পাছ আগৰেপৰা মই বুজিবলৈ ধৰিছোঁ যে এবাৰ মচ খোৱা কাৰোবাৰ উকাশিৰত, আকৌ সেন্দুৰ সানি দিবলৈ কোনোবাই সাহস কৰিলেও, সেইয়া আদৰি লবলৈ আমাৰ সমাজখন প্ৰস্তুত নহয়।

আমাৰ পাৰাৰে হাজৰিকানী জেঠাইদেউ, আৰু মোক দেখিলেই অবাক হৈ চোৱা শৰ্মানী আইতাৰ সৰু সৰু নাতিয়েক মণ্টু-ৰিণ্টুৰ অদ্ভুত চাৱনিয়ে মোক সৰুৰেপৰা বুজাই দিছিল—মই তেওঁলোকৰ বাবে এটা কৌতূহল। অৱশ্যে এই কৌতূহলৰ চাৱনিত ব্যঙ্গ লুকাই আছিল নে সন্মান লুকাই আছিল, ভালদৰে বুজিবলৈ নাপাওঁতেই এদিন মই দেখিবলৈ পাইছিলোঁ

স্কুলৰ চাৰ বাইদেউসকলে মোক মৰম কৰে, গুৰুত্ব দিয়ে ; কাৰণ পঢ়া-শুনাত মই ভাল আছিলোঁ। আনকি লগৰ ছোৱালীবোৰেও মোক সমীহ কৰি— হয়তো মোৰ প্ৰতিভা আৰু ব্যক্তিত্বৰ বাবে। মোক মৰম আৰু সন্মান কৰিলেও সিহঁতে যেন মোৰপৰা আতৰি থাকিবলৈ বিচাৰে হয়তো মোক মানসিক ভাবে উচ্চ বুলি ভাবিয়েই। কেতিয়াবা সিহঁতৰ লগ পাবলৈ মযো সিহঁতৰ দৰে ভাও দিব লগাত পৰোঁ। কিন্তু অলপ পাচতে মোৰ আমনি লাগি যায়। মই আতৰি আহোঁ। নিজকে এনেদৰে ভুৱা দিয়াৰ বাবে মোৰ বিৰক্তি লাগে। যিটো বয়সত লগৰীয়াৰ লগত ছোৱালীবোৰে পখিলাৰ দৰে উৰি ফুৰিবলৈ বিচাৰে, সেইটো বয়সৰ বহু আগতে মই বুজি উঠিছিলোঁ নিঃসঙ্গতা কেনে দুঃসহ। আত্ম-প্ৰৱঞ্চনাক মই ঘৃণা কৰি আহিছোঁ সৰুৰে পৰা। সেয়ে আমাক এৰি থৈ কলিকতালৈ গুচি যোৱাৰ বাবে মই মাক অকণো দোষ দিব পৰা নাই। অন্তৰত এবোজা অশান্তিৰে কঁপালত সেন্দুৰৰ ফোঁট লৈ, এজনী ছোৱালীৰ মাতৃৰূপে বাহিৰত মায়ে এগৰাকী সুখী গৃহিণীৰ ভাও বেচি দিন দিব নোৱাৰিলে। আনে হয়তো ক'ব— দেউতা আৰু মোৰ বাবে মায়ে অলপ ত্যাগ কৰিব পাৰিলেহেঁতেন। এই ত্যাগ নামৰ শব্দটোক মই সৰুৰেপৰা আটাইতকৈ বেচি ঘিণ কৰি আহিছোঁ। ত্যাগ মানে প্ৰৱঞ্চনা। মানুহে ত্যাগ কৰে আমাৰ বাবে নহয়, নিজৰ অহমিকাপূৰ্ণ তৃপ্তি চৰিতাৰ্থ কৰিবৰ বাবেহে।

সমাজক মই কোনোদিনেই গুৰুত্ব দিয়া নাই। কিন্তু কিয় জানো এইখন সমাজত প্ৰভুত্ব চলাবলৈ মোৰ মনত এটা কামনা জাগি উঠিছিল। প্ৰতিষ্ঠা, যশ-সন্মানেৰ কামনাই মোৰ মনটো উচ্চাকাংক্ষী কৰি তুলিছিল। দেউতাই কোৱা এষাৰ কথা মোৰ এতিয়াও মনত পৰে। "মাজনী ভালদৰে পঢ়ি-শুনি ডাঙৰ মানুহ হৈ উঠচোন, দেখিবি দহে তোৰ ওচৰত হাত পাতি আছেহি" বুজি উঠিছিলোঁ যোগ্যজনৰহে এই সমাজত স্থান। যাৰ তেনে যোগ্যতা নাই, তেওঁ নিঃচিহ্ন হৈ গৈছে। জীৱনৰ প্ৰতিটো মুহূৰ্ত হাতৰ মুঠিৰ মাজত ৰাখি ভৱিষ্যত গঢ়িবলৈ চেষ্টা কৰিছিলোঁ। অধ্যাৱসায়েৰে পঢ়ি গৈছিলোঁ। এতিয়াও মনত পৰে ৰাতি বহু দেৰিলৈকে মই পঢ়িছিলোঁ। লাহে লাহে ই মোৰ অভ্যাসত পৰিণত হৈছিলগৈ। উজাগৰী নিশাৰ ফল-স্বৰূপে চকুৰ তল কলা পৰা দেখি কিয় জানো মোৰ মনত অদ্ভূত তৃপ্তি জাগিছিল। আনমনা হৈ আইনাত নিজকে চাই ৰওঁ। ক্ষীণ, দীঘল দেহ। মিঠাবৰণৰ মুখ। উজ্বল চকু। মুখ ধুনীয়া নহ'ব পাৰোঁ। কিন্তু মোক দেখা প্ৰতিজনে কয় মোৰ এক আচৰিত আকৰ্ষণী শক্তি আছে। এইবোৰ মন্তব্য অজ্ঞাত নহলেও নিজৰ এই শক্তিৰ সম্বন্ধে মোৰ কৌতূহল জন্মা নাছিল। অন্ততঃ ত্ৰিদীপ ফুকনৰ লগত চিনাকি হোৱাৰ আগতে।

শাৰীৰিক কমনীয়তাত সজাগ নহলেও মই সজাগ আছিলোঁ মোৰ মানসিক উৎকৰ্ষতাত। মই স্পষ্টকৈ উপলব্ধি কৰিছিলোঁ, লগৰীয়াবোৰতকৈ মোৰ মানসিক গঠন সোনকালে পূৰঠ হৈছিল। পাঁচ বছৰ বয়সতে মই বুজিবলৈ চেষ্টা কৰিছিলোঁ ব্যক্তিমন আৰু সমাজমনৰ দ্বন্দ্ব কোনখিনিত আৰু ষোল্ল বছৰ বয়সত উপলব্ধি কৰিছিলোঁ ভালপোৱা, বিবাহ আৰু যৌনচাৰ সন্মিলিত নহবও পাৰে। মোৰ লগৰীয়াবোৰে যেতিয়া বুঢ়া-বুঢ়ীৰ সাধু শুনি আছিল, তেতিয়া মই উপন্যাস পঢ়িবলৈ আৰম্ভ কৰিছিলোঁ, যেতিয়া সিহঁতে বাটে-বাটে কাজিয়া কৰি গৈছিল তেতিয়া মই ল'ৰাৰ আগত লাজ কৰিবলৈ শিকিছিলোঁ আৰু যেতিয়া সিহঁতে হিন্দি চিনেমা চাই তাৰ নায়িকাৰ দৰে সাজিবলৈ শিকিছিল তেতিয়া মানুহৰ ওপৰত মোৰ আস্থা হেৰাই গৈছিল।

মোৰ বন্ধুবিলাকে যেতিয়া কেণ্টিনত আড্ডা মাৰিছিল, নিজকে গল্প-চিনেমাৰ ৰোমাঞ্চিতা নায়িকা বুলি কল্পনা কৰিছিল তেতিয়া মই ব্যস্ত আছিলোঁ কিতাপৰ মাজত। ৰঙীন আমেজৰ মাজত ডুবি থকা মোৰ লগৰীয়াহঁতৰ হাঁহিৰ চিক্‌মিকনিয়ে মোৰ মনক কেতিয়াবা শীতল কৰি গোমালেও মই মোৰ মনক বুজাবলৈ বিচাৰিছিলোঁ—সিহঁতৰ এই হাঁহি কাঁচৰ গিলাচৰ দৰে থুন্‌কা আৰু গিলাচত থকা ৰঙীন স্কোৱাচখিনিৰ দৰে সিহঁতৰ জীৱন যিদিনাই গিলাচৰপৰা বাগৰি পৰিব সেইদিনাই সিহঁত হৈ পৰিব আকৃতিহীন, নিতান্তই অপ্ৰয়োজনীয়। মোৰ সাধনা মোৰ বিশ্বাসৰ ওপৰত মোৰ গভীৰ আস্থা আছিল। উচ্চ মাধ্যমিক পৰীক্ষাত বিজ্ঞান শাখাত মই দ্বিতীয় স্থান লাভ কৰিছিলোঁ। কলেজীয়া শিক্ষাৰ বাবে দেউতাই মোক বেনাৰসলৈ পঠালে। কিন্তু এটা বছৰ বেনাৰসত কটাই মই গুচি আহিলোঁ গুৱাহাটীলৈ, দেউতাৰ ওচৰলৈ। কেমেষ্ট্ৰিত অনাৰ্চ লৈ মই ফাৰ্ষ্ট ক্লাছ ফাৰ্ষ্ট হৈ এম, এচ-চি পঢ়িবৰ বাবে দিল্লীলৈ যাওঁ। দিল্লী ইউনিভাৰচিটিৰপৰা ফাৰ্ষ্ট ক্লাছ লৈ লণ্ডনলৈ যাওঁ উচ্চ শিক্ষাৰ বাবে। তাৰ ডঃ এড্‌কিনৰ তলত তিনিবছৰ অধ্যয়ণ কৰি বিদেশী ডিগ্ৰীলৈ আজি এইয়া উভতি আহিছোঁ অসমলৈ মোৰ দেউতাৰ ওচৰলৈ। জোকাৰ এটা মাৰি ৰেলখন ৰৈ যোৱাত মই পোন হৈ বহি ঘড়ীটোলৈ চালোঁ। ৰাতি আঁঠ বাজি গৈছে। খিৰিকীখন খুলি দিলোঁ। চাহ, বাদাম বেচি ফুৰা বেপাৰীবোৰে, ব্যস্তভাৱে ইফাল সিফাল ঘূৰি ফুৰিছে। মাটিৰ গিলাচত গৰম চাহ মুখত দিলোঁ। মনত পৰিল দেউতাৰ লগত চাহ খোৱা ৰাতি

পুৱাবোৰলৈ। ডাইনিং টেবুলত বহোঁ, দেউতা আৰু মই। চাহকাপ আগত লৈ মই মোৰ নতুনকৈ কিনা কম্বি নেইচন ফ্ৰকটো দেখি নীনা, দীপাহঁতে কি কৈছিল, তাৰপৰা অসমীয়াত সৰ্বোচ্চ নম্বৰ পোৱাৰ বাবে বীণা বাইদেৱে পুৰস্কাৰ দিয়া কিতাপখনলৈকে নোৰোৱাকৈ উৎসাহেৰে কৈ যাওঁ। দেউতাই, মোৰ ফালে চাই মৰমেৰে কয়—"আগতে খাই লোৱাচোন।"

॥২॥

শেল মাৰি ধৰা বেলিটো
বুঢ়া মানুহজনৰ চকু দুটাত
নিৰ্বোধ যেন দেখি। (টাকাহাম ক্যোটি)

সেইদিনাখনো আমি ডাইনিং টেবুলত বহিছিলোঁ। বেনাৰসৰ পৰা উভটি অহাৰ পিচদিনা। আমাৰ দুয়োৰে আগত চাহ। মই কৈ গৈছিলোঁ মোক কিদৰে ৰেগিং কৰিছিল, অসমৰ বিষয়ে বাহিৰৰ মানুহৰ ধাৰণা কি, প্ৰথম সাময়িক পৰীক্ষাৰ পাচত অধ্যাপকসকলে কিদৰে মোৰ পৰিচয় বিচাৰিছিল। কিন্তু ইমান সময়লৈকে দেউতাই শুনিহে গৈছিল, মুখেৰে মতা নাছিল। ইতি মধ্যে মোৰ কাপ খালি হৈ গ'ল। হঠাতে মন কৰিলো দেউতাই একোৱে খোৱা নাই। দেউতা যেন আজি সহজ হ'ব পৰা নাই। দেউতাৰ মন ভাল লগাবলৈ হাঁহি কলোঁ—দেউতা, এইবাৰ কিন্তু মোৰ কাম বাঢ়িল।

"কি কাম?" দেউতাই সুধিলে।

"এইবাৰ আহি দেখিছোঁ তোমাৰ কাণৰ ওপৰত চুলি কেইডালমান পকিছে। উঘালিব লাগিব।"

দেউতাই হাঁহিলে কিন্তু হাঁহিৰ মাজত লুকাই থকা দেউতাৰ সতৰ্কতা মিলিত এটা আশংকাৰ ভাৱ মোৰ চকুত ধৰা পৰি গ'ল।

সেইদিনা আবেলিয়ে পল্লৱী মাহীৰ লগত মোৰ চিনাকি হৈছিল। মোক কাষত বহুৱাই তেওঁ বহু কথা পাতিলে। বহু চেষ্টা কৰিও কাষতে বহি থকা দেউতাৰ মুখখন চাবলৈ মোৰ সাহস নহ'ল। ৰাতি শুৱৰ সময়ত অনুভৱ কৰিলোঁ পল্লৱী মাহীৰ আত্মীয়তাখিনি মোৰ খুব ভাল লগা নাই। আৰু পল্লৱী মাহীক? পল্লৱী মাহী এনে এগৰাকী মানুহ যাক ভালো নালাগে, বেয়াও নালাগে। কিন্তু দেউতা? যিজন মানুহে এঘাৰটা বছৰ নিঃসঙ্গতাৰে পাৰ কৰিছে, সেইজন মানুহে যদি কাৰোবাৰ সান্নিধ্যত অলপ সুখ শান্তি বিচাৰি পায় আৰু সেইয়া যদি পল্লৱী মাহীয়ে হয়, তেন্তে তাত মোৰ একো আপত্তি নাই। উদাৰ হ'ব খুজিও বুকুখন কাৰোবাক হেৰোৱাৰ আশংকাৰে বিষাই উঠিল। হয়তো দেউতা আঁতৰি যাব। এটা বিৰাট ফাঁকৰ সৃষ্টি হ'ব মোৰ আৰু দেউতাৰ মাজত। যিদৰে এদিন হৈছিল মাৰ আৰু দেউতাৰ মাজত। মাৰ কথা মনত পৰিলে মোৰ মনত পৰে মাৰ কঁপালত ডাঙৰ ৰঙা ফোঁটটোলৈ পল্লৱী মাহীৰ কঁপালটো মাৰ দৰে এটা ফোঁট! তেওঁৰ চকুতো বাৰু মাৰ দৰে অনিশ্চয়তাৰ ছাঁ বিৰিঙি থাকিব নেকি? হয়তো নাথাকিব। কাৰণ পল্লৱী মাহীতো মাৰ দৰে দুৰ্ভগীয়া নহয়। দেউতাৰ পকাচুলি দুডালমান, ৰাতিপুৱাৰ ডাইনিং টেবুলত দেউতাৰ উদাস দৃষ্টি, মা আৰু পল্লৱী মাহী দগমগীয়া সেন্দুৰৰ ফোঁট—নাৰী জীৱনৰ দাম জোখা হয়, এটা সেন্দুৰৰ ফোঁটেৰে আৰু? আৰু? মই টোপনি গলোঁ।

খকমককৈ সাৰ পাই চকু মেলিলোঁ। দেখিলোঁ দেউতাই মোৰ আঠুৱাখন পেলাই দিছে। চকুৱে চকুৱে পৰাত দেউতাই কলে আঠুৱাখন পেলাই লোৱা নাছিলা কিয়? গোটেই ৰাতি মহে খালেহেতেন।" কথাষাৰ শুনি মনটো এনেয়ে ভাল লাগি গ'ল। হয়তো দেউতা আছে, সেয়ে মহে খাব নোৱাৰিলে, এই কথাষাৰ ভাবি। বিচনাখনত বহি মই দেউতাক কলোঁ—"আমাৰ ঘৰত যদি পল্লৱী মাহী সদায় থাকে খুব ভাল হ'ব দেউতা।" দেউতা গহীন হ'ল আৰু মোৰ মুখলৈ অলপ সময় চাই ৰ'ল। কিন্তু এটা কথাও নকলে। তাৰ, পাচত নিঃশব্দে কোঠালিটোৰ দুৱাৰখন জপাই ওলাই গ'ল। দুৱাৰখন জপোৱাহে আছিল, শলখা হলে মৰা হোৱা নাছিল।

পল্লৱী মাহী আঁতৰি গ'ল। দেউতা ৰৈ গ'ল মোৰ লগত। বাগৰি যোৱা দিনবোৰে দেউতাৰ কাণৰ ওপৰৰ বগা হবলৈ ধৰা চুলিখিনিত আৰু বহুতো সাঁচ বহুৱালে।

সৰুৰেপৰা দেউতাক মই মাৰ দৰে ভাবি আহিছোঁ, পঢ়িবলৈ লোৱাৰে পৰা দেউতাক মই ভক্তি কৰি আহিছোঁ এজন বিদ্বান ব্যক্তি বুলি আৰু তাৰ পাচত ৰামমোহন, লুথাৰ, মাৰ্ক্স পঢ়ি ভাবিবলৈ ললোঁ দেউতা স্থবিৰ জীৱনৰ এটা প্ৰত্যাহ্বান। যি উদ্যমেৰে দেউতাই অতি দুখীয়া ঘৰৰ ল'ৰা হৈয়ো বৌদ্ধিক জগতত খলকনি লগাইছে আৰু যি সৎসাহসেৰে মাক নিজৰ কৰি লব পাৰিছিল সেইয়া মোৰ বাবে গৌৰৱ, অনুপ্ৰেৰণা। আজি ভাবিছোঁ দেউতাই জীৱনত কি বিচাৰিছিল। প্ৰতিষ্ঠা, যশ-সন্মান-ক্ষমতা? এইয়াতো দেউতাই সকলো পাইছে। সকলোৰে মুখে মুখে অধ্যক্ষ বৰুৱাৰ আদৰ্শ-নিষ্ঠা আৰু ত্যাগৰ কথা শুনা যায়। ত্যাগৰ! দেউতাই হেনো গোটেই জীৱনটো কলেজখন আৰু মোৰ ভালৰ কাৰণে ভাবোঁতেই গ'ল। সমাজৰ চকুত মই ভাল ছোৱালী। কাৰণ দেউতাৰ আদৰ্শ

মতে মই নিজক গঢ়ি তুলিছোঁ। কথাবোৰ ভাবিলে মোৰ হাঁহি উঠে--বিদ্বেষ তিক্ততাৰ হাঁহি। এই আদৰ্শ নিষ্ঠা কিনিবলৈ যাওঁতে দেউতাৰ জীৱন কিদৰে দুৰ্ব্বল হৈ পৰিছে সেয়াতো মিটিঙত দেউতাৰ বক্তৃতা শুনি হাত চাপৰি মৰা মানুহবোৰে নাজানে। মানুহৰ সমালোচনাই অসহজ কৰি তোলা মা-দেউতাৰ সংসাৰখনৰ কাহিনী, পল্লৱীমাহী আঁতৰি যোৱাৰ পাচত দেউতাৰ অস্থিৰতাখিনি আৰু শেষলৈ নিস্পৃহতালৈ পৰিবৰ্তন হোৱা দেউতাৰ দুঃসহনীয় কষ্টখিনিৰ কথা মনত পৰিলে এই আদৰ্শবাদক মোৰ প্ৰজ্ঞাৰ ভণ্ডামি বুলি ক'বৰ মন যায়। সেয়ে আজি ভাবিছোঁ আদৰ্শৰ লগত যুজি যুজি দেউতা পৰাজিত নহলেও ভাগৰি পৰিছে। তাত বিজয়ৰ গৌৰৱ হয়তা থাকিবও পাৰে, কিন্তু জীৱনৰ মাদকতা হলে তাত নাই।

॥৩॥

মহাচহৰৰ ভগা বন্দৰ
প্ৰাণ গঙ্গাৰ জোৱাৰে এদিন
উটুৱাই লৈ য'ক
এই অভিশাপ
কিয় দিছা ভগীৰথ ? (নৱকান্ত বৰুৱা)।

সৰুতে এটা সাধু শুনিছিলোঁ। বীৰবলৰ চতুৰালিৰ সাধু। নোমোচা নবঢ়োৱাকৈ এডাল ৰেখা চুটি আৰু দীঘল কৰিব লাগে। বীৰবলে কি কৰিছিল ? ৰেখডালৰ দুয়োফালে দুডাল ৰেখা টানি দিছিল; এডাল তাতোতকৈ দীঘল, আনডাল চুটি। মোৰ জীৱনৰ ৰেখাডাল কিমান দীঘল বুজিবলৈ হলে বাৰু আৰু কাৰ জীৱনৰে মোৰ প্ৰয়োজন হ'ব ? অলকদাদাৰনে ত্ৰিদীপ ফুকন ?

দূৰন্ত গতিৰে গৈ থকা ৰেলৰ নিজান কুপেটোত অকলে বহি মোৰ মনটো কোনোবা অতীতৰ মাজত হেৰাই গ'ল। মই তেতিয়া ক্লাছ নাইনৰ ছাত্ৰী আছিলোঁ, ভৰি ভগাৰ বাবে ডেৰমাহ বিচনাত পৰি থাকিবলগীয়া হৈছিলোঁ। মোৰ বিচনাৰ কামত কিতাপে দম বান্ধিছিল। কিন্তু এনে এটা সময় আহিছিল যেতিয়া কিতাপ পঢ়ি পঢ়ি মোৰ আমনি লাগিছিল। মন গৈছিল কাৰোবাৰ লগত দুআষাৰ কথা পতাৰ। ৰাতিপুৱা আবেলি দেউতা মোৰ ওচৰত থাকিলেও দিনটোৰ বেছিভাগ সময়েই মই অকলশৰীয়া হৈ পৰিছিলোঁ। ঘৰখনৰ জঞ্জাল মাৰি জেঠাইদেৱেও বাকী সময়খিনি নাম ঘৰত কটাইছিল, সেই সময়তে মোৰ চিনাকি হৈছিল অলক শৰ্মাৰ লগত। দেউতাৰ কলেজীয়া দিনৰ অন্তৰঙ্গ বন্ধুৰ ল'ৰা অলকদাদা।

অলক শৰ্মা। মজলীয়া ওখ, মিঠামুখৰ এজন গহীন ল'ৰা। চচ্‌মা পিন্ধা এই ল'ৰাজনক প্ৰথম দৃষ্টিত খুব চিৰিয়াচ যেন লাগে। অলকদাদা পদাৰ্থ বিজ্ঞানৰ কৃতি ছাত্ৰ। কেতিয়াবা আমি সকলোৱে আৰু কেতিয়াবা অলকদাদা আৰু মই কথা পাতো, দবা খেলোঁ। চিনাকি হোৱাৰ পাছৰেপৰা আমাৰ সংকোচবোৰ আঁতৰি গৈছিল। অলকদাদাৰ মুখৰ পৰাই শুনিছোঁ তেওঁৰ কথা, তেওঁৰ জীৱনৰ কথা। অলকদাদাৰ ভাষাত তেওঁ হেনো ব'র্ণ কিলাৰ। তেওঁৰ জন্মতে মাকৰ মৃত্যু। জীৱনত জন্মৰ অধিকাৰ পায়েই তেওঁ মাকৰ জীয়াই থকাৰ অধিকাৰ কাঢ়ি ললে। ইয়াৰ বাবে অলকদাদাই হেনো নিজক কেতিয়াও ক্ষমা কৰিব নোৱাৰে। দেউতাক আৰু মেডিকেল পঢ়ি থকা ককায়েকেও হেনো অলকদাদাক দোষী দোষী চকুৰে চায়। অলকদাদাই আপোনমনেৰে কথাবোৰ মোৰ আগত হৈ যায়। কাৰো পৰা অলপ আদৰ অলপো 'ইম্পৰ্টেঞ্চ' নোপোৱা অলকদাদাই হেনো জীৱনত কাকো এধানিমানো মৰম আৰু শান্তি যাচিব পৰা নাই।..

বিচনাত হেলান দি গাৰুৰ মাজত মূৰটো ভেঁজা দি মই তন্ময় হৈ অলকদাদাৰ কথাবোৰ শুনি যাওঁ। অলকদাদাৰ কথাবোৰ শুনি গধুৰ গধুৰ লগা মোৰ মোৰ অন্তৰখন কিবা এক অজানিত আনন্দই ওপচাই পেলায়। উৎসাহেৰে মোৰ কবৰ মন যায় যদি আপোনাৰ সান্নিধ্যই মোক মোহিত কৰিছে, মোক শান্তি যাচিছে, তেন্তে কি ভুল কৰা হ'ব ? খোলা খিৰিকীৰে মই বাহিৰৰ চোতাললৈ চাই পঠিয়াইছিলোঁ। নতুনকৈ ফুলা গ্ৰেডিঅ'লাচবোৰ তেতিয়া বতাহত হালি জালি নাচি আছিল।

দিনবোৰ পাৰ হৈ গৈছিল। দবাখেল, হাঁহি-ধেমালি, তৰ্ক আলোচনাৰ মাজেৰে অলকদাদাক মই আৰু ভালদৰে বুজিব পৰা হৈছিলোঁ। কিন্তু যিমানেই বুজিব পৰা হৈ উঠিছিলোঁ সিমানেই অনুভৱ কৰিছিলোঁ মই বিচৰাখিনি অলকদাদাৰ মাজত নাই, অলকদাদাই মোক যিমান মৰম কৰে, সিমান সন্মানো কৰে। মোৰ ওচৰত তেওঁ সদায় বিনম্ৰ আৰু সংযম। ইমান দিনে মোৰ প্ৰতিটো অনুৰোধেই অলকদাদাই ৰাখি আহিছে ৰাধ্য শিশুৰ দৰে। আনকি মই মনত দুখ পাওঁ বুলিয়ে কেতিয়াবা তেওঁ ইচ্ছা কৰিয়ে দবাখেলত মোৰ গুটি নাকাটে। প্ৰথমতে অলকদাদাৰ এনে ব্যৱহাৰত আমেজ পালেও পিচলৈ মোৰ আমনি লগা হ'ল।

মুকলি খিৰিকীৰে হালি জালি থকা মেগ্‌নলিয়াবোৰলৈ চাই ক্লাছ নাইনত পঢ়া যিকোনো এজনী ছোৱালীৰ দৰে হয়তো ময়ো ভাবি পেলাইছিলোঁ মোৰ

মোৰ স্বাধীনতাত হাত নিদিয়াকৈ কতৃত্বসুলভ অনুৰোধ কৰিব পৰা. অলপ অভিমান মিহলি খং কৰিব পৰা কোনোবা এজনৰ কথা। সেইজন অলক শৰ্ম্মা নহ'ল, হ'ব নোৱাৰিলে। অলকদাদাৰ কথা ভাবিলে মোৰ অনুকম্পা হয়। মাতৃৰ মৰম বিচাৰি হাবাথুৰি খাই ফুৰা এই ল'ৰাজনে কিজানি জীৱনত কোনো ছোৱালীৰ লগতে স্বাভাৱিক হ'ব নোৱাৰিব।

তেতিয়াৰ কথাবোৰ এতিয়া জুকিয়াই চাব পৰা হৈছোঁ। আচলতে এই ল'ৰাজন কম্‌প্লেক্সত ভুগিছে। অসহজ পাৰিপাৰ্শ্বিকতাই তেওঁৰ মনত আত্মদোষী ভাবৰ সৃষ্টি কৰিছে। দেউতাক আৰু ককায়েকৰ লগত অসহজ সম্পৰ্কৰ ই অন্য এক প্ৰকাশ। মাকৰ মৰমৰ পৰা বঞ্চিত আৰু সৰুৰেপৰা হোষ্টেলত থাকি ডাঙৰ হোৱা অলক দাদাৰ মন স্বাভাৱিকতে নাৰীৰ মাতৃসুলভ মৰমৰ বাবে অধিক আকলুৱা।

অলক দাদাৰ লগত শেষ দেখা হোৱা দিনটোলৈ মোৰ মনত পৰিল। ইতিমধ্যে মই আগতকৈ বহুত ভাল হৈ উঠিছিলোঁ। দুপৰীয়া বিচনাত হেলান দি মই গল্প কিতাপ এখন পঢ়ি আছিলোঁ। কাৰোবাৰ জোতাৰ শব্দ শুনি মূৰ তুলি দেখোঁ দুৱাৰদলিত অলক-দাদা থিয় হৈ আছে। ঠিক আগৰ দৰেই; মূৰটো সোঁফালে সামান্য হলাই। মুখত শিশুৰ দৰে নিৰ্দোষ ভাব, কিন্তু কিছু ম্লান।

অলক দাদাক দেখি মই অলপ আচৰিত হৈছিলোঁ। কাৰণ এনে সময়ত তেওঁ কোনোদিনে নাহে। কিতাপখন জপাই মই থিয় হ'লোঁ। কিবা কবলৈ নাপাওঁতে দাদাই ক'লে—"স্বাগতা, অসময়ত তোমাক দিগদাৰি দিলোঁ।"

জিজ্ঞাসু দৃষ্টিৰে অলক দাদাৰ চকুলৈ চোৱাত অত্যন্ত নিস্পৃহভাৱে তেওঁ ক'লে—"কলেজ খুলিবৰ হ'ল। যামগৈ। সেয়ে মাত লগাবলৈ আহিলোঁ।"

অলক দাদা যে এদিন যাবগৈ ময়ো জানো। কিন্তু কিয় জানো কথাষাৰ শুনি মোৰ বেয়া লাগিল। সুধিলোঁ—"কেতিয়া যাব ?"

"আজি"—অলক দাদাই কিছু উত্তেজনা মানি ক'লে।

আচৰিত হৈ মই সুধি পেলালোঁ—"আজি ? কিন্তু ইমানদিনে কোৱা নাছিল যে ?" কিছুসময় বৈ অলক দাদাই লাহে লাহে ক'লে—"নাই, এনেয়ে কোৱা নাছিলোঁ।"

কবলগীয়া মোৰ একো নাছিল। অলক দাদাইও একো নকলে। আমাৰ মাজৰ নীৰৱতাখিনি অসহ্য হোৱাত মই ক'লোঁ—"আহক, বহকহি।"

"নাই, নবহোঁ। আবেলি ছয় বজাত ট্ৰেন।" কথাখিনি কৈ লৰালৰিকৈ অলক দাদাই বাহিৰৰ বাৰাণ্ডালৈ আগবাঢ়িল।

"তুমিতো ভাল পাইছা। কেইদিনমানৰ পাচত যাব পৰা হ'বাহি"—কিবা এটা কব লাগে বাবেই গৈ থাকোঁতে অলক দাদাই ক'লে।

একো নোকোৱাকৈ ময়ো বাৰাণ্ডালৈ আগবাঢ়িলোঁ। অথচ এইষাৰ কথা অলক দাদাই আন সময়ত কোৱা হ'লে স্কুললৈ যাবলৈ নি দিয়াৰ বাবে ডাক্তৰ আৰু দেউতাৰ বিৰুদ্ধে কিমান যে কথা শুনিব লগা নহ'ল হেঁতেন!

"খং উঠিছে ?" হাঁহি হাঁহি কোৱা অলক দাদাই মোৰ ডাৱৰীয়া মুখখন দেখি গহীন হৈ গৈছিল। "কিবা কাৰণে বেয়া পাইছা নেকি ?"

অলক দাদাৰ কথা শুনি মই হাঁহিছিলোঁ। নিৰ্দোষ নিৰ্দোষ চকুত চাৱনিৰে শিশুৰ দৰে নিৰ্মল হাঁহিৰ এই ল'ৰাজনক ভুলতো বেয়া পাব নোৱাৰি। শেষ বাৰৰ বাবে অলকেও হাঁহিছিল। এই হাঁহি আনন্দৰ নাছিল, ই আছিল উপলব্ধিৰ হাঁহি। নোকোৱাকৈ আমি বুজিব পাৰিছিলোঁ মই বিচৰাখিনি অলকে দিব নোৱাৰে আৰু অলকে বিচৰাখিনিও মই দিব নোৱাৰিম। দূৰলৈ আঁতৰি যোৱা অলকলৈ চাই বাৰাণ্ডাত থিয় হৈ মই মাথোঁ ভাবিছিলোঁ—হে ভগৱান! এই দুৰ্ভগীয়া ল'ৰাজন যেন সুখী হয়।

প্ৰথমতে বুজা নাছিলোঁ পিচতহে বুজিলোঁ মোৰ মনত, মোৰ চিন্তাত, মোৰ আদৰ্শত অলক দাদাই কি এক অদ্ভুত প্ৰভাৱ পেলাই গ'ল। মানুহ যে কিমান নিকৰুণভাৱে নিঃস্ব হ'ব পাৰে, এইয়া অলক দাদাই মোক শিকাই গ'ল। সকলোৰে মাজত থাকিয়ো মানুহ অসহায়, দুৰ্বল। জীৱনত মানুহে যি বিচাৰে সেয়া নাপায় আৰু যি বিচাৰে সেইয়াও ভুলকৈ বিচাৰে। কিন্তু এই ভুল উপলব্ধি যেতিয়া হয় তেতিয়া হয়তো আৰু উভটি অহাৰ সময় নাথাকে। মানুহৰ নিঃসঙ্গতা আৰু অনিশ্চয়তাৰ কথা ভাবি মই শিয়ঁৰি উঠিছিলোঁ। মোৰ জীৱনৰ ৰেখাডাল কিমান নিৰ্লজ্জভাৱে চুটি সেয়া বিচাৰিবলৈ লওঁতে এদিন আবিষ্কাৰ কৰিছিলোঁ এডাল প্ৰশস্ত ৰেখা—যি মোক দেখুৱাই দিলে মোৰ ঐশ্বৰ্য্য, মোৰ পূৰ্ণতা। সেইদিনা মোৰ ডায়েৰীৰ পাতত মই এটা নাম লিখিছিলোঁ—ত্ৰিদীপ ফুকন।

॥ ৪৪ ॥

গোটেই জীৱন চালোঁ
বিশাল আকাশখনৰ ফালে
কাৰণ, গুজৰি যায় যদিও
বেগী বতাহজাকক
কেতিয়াও দেখা পাব নোৱাৰি। (মিট্‌চুনে।)

নৱাগত আদৰণি সভা। কলেজ হ'ল। ল'ৰা ছোৱালীৰে গোটেই হলটো উদুলি-মুদুলি। মোৰ কাষতে মঞ্জুলা আৰু অৰ্চনা। মিটিঙৰ পাচত এইবাৰ বক্তৃতা শুনাৰ পাল। এজনৰ পাচত এজন ষ্টেজত উঠিছে আৰু নামিছে। পিচে বক্তৃতা শুনাৰ আগ্ৰহ বা ধৈৰ্য্য কাৰোৱে নাই। শেষত মাইকৰ আগত থিয় দিলে ওখ বগা ছাত্ৰ এজন। গমগমাই থকা বিৰাট হ'লটো নিজম পৰিল, ছাত্ৰজনে কৈ গ'ল নৱাগতৰ কথা, আমাৰ কথা মানুহৰ কথা। মাজে মাজে তেওঁ চকুদুটা উজ্জ্বল হৈ উঠে। অভিব্যক্তিত তেওঁৰ আভিজাত্যৰ ছাপ থাকিলেও কথাত তেওঁৰ কৃত্ৰিম আবেগৰ ঠাইত সঁচা আন্তৰিকতা আছিল। ইমান সাৱলীলকৈ বক্তৃতা দিয়া মই আগতে শুনা নাছিলোঁ। মই বিস্মৃত হৈছিলোঁ, মোহিত হৈছিলোঁ। বক্তৃতাৰ পাচত জাউৰিয়ে জাউৰিয়ে হাত চাপৰিৰ মাজত তেওঁৰ নামটো শুনিলোঁ—ত্ৰিদীপ ফুকন।

বাহিৰলৈ ওলাওঁতে মঞ্জুলাক সুধিলোঁ—"ত্ৰিদীপ নে চতুৰ্দীপ ফুকন কোনজ'?" কিন্তু মঞ্জুলাৰ মুখৰ দুটা শব্দই মোৰ মনটো কোঁচ খোৱাই দিলে। ঠিক যিদৰে আসাম ট্ৰিবিউনত নিজৰ ৰোল নম্বৰটো থাৰ্ড ডিভিজনত দেখি ফাষ্ট ডিভিজনত পাচ কৰিম বুলি আশা কৰি থকা ছোৱালীজনীৰ মনটো কোঁচ খাই যায়। ৰেভিনিউ মিনিষ্টাৰ দেৱানন্দ ফুকনৰ দিনে তিনিটাকৈ টেবেলিন চাৰ্ট সলাব পৰা নুমলীয়া সন্তান ত্ৰিদীপ ফুকনৰ দুখীয়া ছাত্ৰক ৰেগিঙৰ নামত কৰা অত্যাচাৰৰ বক্তৃতা শুনি উপচি পৰা মোৰ মনটো বিতৃষ্ণাৰে ভৰি উঠিল। যি দেৱানন্দ ফুকনে মোৰ মাক অপমান কৰিছিল, যাৰ বিষয়ে নগৰখনত বহু কথা শুনা যায়, সেই দেৱানন্দ ফুকনৰ ল'ৰা ত্ৰিদীপ ফুকন? কথাষাৰ ভাবি মোৰ কিবা বিষাদৃশ লাগিছিল। গম্ভীৰ অথচ অলপতে অস্থিৰ হৈ পৰা এই ল'ৰাজনৰ প্ৰতি হেয় ভাব মনলৈ আনিবলৈ মোৰ যেন অলপ কষ্ট হৈছিল। আপোনালোক কেৱল পঢ়িবলৈ অহা নাই, আহিছে মানুহ হ'বলৈ বুলি উৎসাহেৰে নৱাগতক আদৰি জনোৱা ত্ৰিদীপ ফুকনৰ প্ৰতি কথা মোৰ কৌতূহল বিস্ময় আৰু সন্মান যদিও দেৱানন্দ ফুকনৰ নামটোৰ আৱিৰ্ভাৱে সেমেকাই তুলিলে।

এদিন ক্লাচ কৰিবলৈ বুলি লৰালৰিকৈ যাওঁতে দেখিলোঁ, এজাক ল'ৰাই মোক মাতিছে। ফ্ৰেচাৰ্চ চচিয়েলৰ পাচতো এইদৰে ৰেগিঙ কৰিবলৈ মতাত মোৰ খং উঠিছিল। সেয়ে ল'ৰাজাকৰ কথালৈ কাণ নিদি আগুৱাই গৈ থাকিলোঁ। জুমটোৰ পৰা কেইজন মান মোৰ ফালে অহা দেখি মই ক'লোঁ—"এতিয়া আৰু কি ৰেগিঙ?"

—"ৰেগিঙতো নহয়। চিনাকিহে হ'ব খুজিছোঁ। চিনাকি হ'বলৈকেতো আৰু কোনো সময় নালাগে।" সিহঁতৰ মাজৰ গগলচ্ পিন্ধা ল'ৰাজনে ক'লে।

—"ক্লাচ আছে, এতিয়া নোৱাৰিম। বেয়া নাপাব"—ৰাস্তালৈ চকু ঘূৰাওঁতে দেখিলোঁ ত্ৰিদীপ ফুকন ইতিমধ্যে আমাৰ ওচৰ পাইছেহি। মোৰ কথাষাৰ সম্ভৱতঃ তেওঁ শুনিছিল। কাৰণ আহিয়ে তেওঁ জুমবান্ধি থকা ল'ৰাবোৰক ক'লে—"ক্লাচ্ আছে যদি যাব নিদিয়া কিয়? ল'ৰাবোৰে বাট এৰি দিয়াত তেওঁ মোক সুধিছিল—"তোমাৰ নাম?"

কিছু বিৰক্তিৰে মই উত্তৰ দিছিলোঁ—"স্বাগতা বৰুৱা।" ত্ৰিদীপ ফুকনৰ মাতত এনে এক আদেশ সুলভ ভঙ্গী আছিল যে মই উত্তৰ নিদি নোৱাৰিলোঁ।

ক্ষন্তেক তেওঁ কিবা এটা ভাবিলে। তাৰ পাচত মোৰ কথাৰ বিৰক্তিখিনি উদাসীনতাৰে অৱহেলা কৰি তেওঁ কৈছিল—"টিনঅ'ৰ ষ্টুডেণ্টে মাতিলে আহিব লাগে। এওঁলোক তোমাৰ লগত চিনাকিহে হ'ব বিচাৰিছিল।"

—"আৰু মিটিঙত ষ্টেজত উঠিলেই এই চিনাকিবোৰ ৰেগিঙ হৈ যায়।" তেওঁৰ উদাসীনতাত মই যেন কিছু আহত হৈছিলোঁ।

"এখেতে ত্ৰিদীপ ফুকনক নাজানে কিজানি" ল'ৰাজাকৰ মাজৰপৰা এজনে মিহি মাতে কৈছিল।

"দেৱানন্দ ফুকনৰ ল'ৰাক আৰু' নাজানিম কিয়?" বিনীতভাৱে কলেও কথাষাৰৰ মাজত লুকাই থকা বিদ্ৰূপখিনি আনে নহ'লেও ত্ৰিদীপ ফুকনে নিশ্চয় ধৰিব পাৰিছিল।

যাবলৈ বুলি এখোজ আগবঢ়াই ত্ৰিদীপ ফুকনৰ মুখলৈ চাই মুহূৰ্তৰ বাবে হ'লেও মই থ'ব পৰিছিলো। ৰঙা পৰা মুখখনত তেওঁৰ কঠোৰ দৃঢ়তা ফুটি উঠিছিল। মোৰ ফালে চাই তেওঁ স্পষ্টকৈ কৈছিল—"মোক যদি জানিব বিচাৰিছা ত্ৰিদীপ ফুকন বুলি জানিবা, দেৱানন্দ ফুকনৰ ল'ৰা বুলি নহয়।"

অস্বস্তিৰে মই দিনটো পাৰ কৰিছিলোঁ। গধূলি পঢ়া টেবুলত বহি ফিজিক্সৰ কিতাপখন মেলি লৈয়ো মন নবহিল। ৰাতি বিচনাত পৰি মই মাথোন এটা কথাই ভাবিলোঁ মানুহৰ চকুতো ইমান দৃঢ়তা, ইমান আত্মপ্ৰত্যয় থাকিব পাৰেনে? মই আচৰিত হৈছিলোঁ। ইমানদিনে দেউতাৰ নিস্পৃহ মমতাৰ মাজত ডাঙৰ হৈ, জেঠাইদেউৰ চিনিক হৈ পৰা মনটোৰ আঁৰ লৈ আৰু অলক দাদাৰ দুচকুৰ শিশুৰ অসহায়তা খিনিৰ বুজ লবলৈ গৈ মই যেন মানুহৰ ওপৰতো আস্থা হেৰুৱাই পেলাইছিলোঁ। কিন্তু সেইদিনা উপলব্ধি কৰিছিলোঁ দেউতাই আজি সকলোকে ম্লান দেখিলেও, জেঠাদেউ ভাগৰি

পৰিলেও আৰু জীৱনক বুজি নাপাওঁতে ভগ্ন হৃদয়ৰ মানুহৰ দৰে অলক দাদাই পলাই আহিবলৈ বিচাৰিলেও আমাৰ সমাজত এতিয়াও বহু ত্ৰিদীপ ফুকন আছে। জীৱনত মই নিজে কোনোদিনেই আনৰ বিষয়ে ভবা নাই, কাৰোবাৰ কাৰণে অলপো ত্যাগ কৰা নাই। ত্ৰিদীপ ফুকনৰ ওচৰত মোৰ নিজকে সৰু যেন লাগিছিল। ব্লটিঙ পেপাৰত চিয়াহি এটোপাল পৰিলে যিদৰে বিয়পি যায় সেইদৰে হয়তো মোৰ মনৰ মাজতো ত্ৰিদীপ ফুকনৰ নামটো বিয়পি পৰিছিল।

কলেজৰ বিভিন্ন ব্যস্ততাৰ মাজত মই ত্ৰিদীপ ফুকনক লক্ষ্য কৰি গৈছিলোঁ আঁতৰে আঁতৰে। সময়ত দুই এষাৰ কথা পতাৰ বাহিৰে তেওঁৰ লগত মই কথা পাতি পোৱা নাই। ল'ৰাজন দৃঢ়মতৰ অথচ খেয়ালি আৰু আবেগ প্ৰৱন, যিটো মই একেবাৰেই সহ্য কৰিব নোৱাৰোঁ। সেয়ে মই ভাবি আচৰিত হৈ যাওঁ মই যদি কেতিয়াবা কাৰোবাৰ কথা ভাবিব লাগিছিল সেইয়া অলক শৰ্মাহঁতৰ দৰে কাৰোবাৰ। ত্ৰিদীপৰ জীৱনৰ যি পথ সি মোৰ পথৰ সম্পূৰ্ণ বিপৰীত। সোতমোচ খোৱা কামিজেৰে ক্লান্ত মুখৰ অস্থিৰভাৱে ব্যস্ত হৈ ফুৰা ত্ৰিদীপ ফুকনক যেতিয়া দেখো তেতিয়া ভাবো কিহৰ নিচাত বলীয়া হৈ তেওঁ এইদৰে হাবাথুৰি খাইছে। তেওঁৰ বাবে যশস্যা সন্মান প্ৰতিষ্ঠাৰে পৰি আছে এটা পোন বাট। তেন্তে এই হাবাথুৰিৰ অৰ্থ? ধনীঘৰৰ ল'ৰাই কৰা ৰাজনীতিৰ বিলাসিতা? কিন্তু যিদিনা বুজি পাইছিলোঁ এইয়া ত্ৰিদীপ ফুকনৰ বাবে বিলাসিতা নহয় এইয়া প্ৰয়োজন, যিদিনা বুজি পাইছিলোঁ বিলাস প্ৰাচুৰ্য্যৰ মাজত ডাঙৰ হোৱা ত্ৰিদীপ ফুকনৰ দৈন্যৰ কথা আৰু এই দৈন্যই কঠোৰ কৰা তেওঁৰ মনটোৰ কথা সেইদিনা ভাবিছিলোঁ এই পথৰ পৰা উভোটাই আনিবলৈ মোৰ শক্তি যে অত্যন্ত সীমিত।

সেইদিনা অৰ্চনাৰ লগত মই মেডিকেল হস্পিতালত থকা তাইৰ মাহীয়েকক চাবলৈ গৈছিলোঁ। উভতি আহোঁতে কৰিড'ৰত আমাৰ কলেজৰ কেইজনমান ছাত্ৰক লগ পালোঁ। তেওঁলোকৰ পৰা গম পালোঁ ত্ৰিদীপ ফুকন হস্পিতালত আছে। অৰ্চনাই ক'লে আহিছোঁ যেতিয়া ত্ৰিদীপ দাদাক চায়ে যাওঁ ব'ল।" কোঠালিটোত সোমাই দেখিছিলোঁ বিছনাত শুই শুই তেওঁ খবৰ কাগজ পঢ়ি আছে। আমাক দেখি কাগজখন জপাই থৈ তেওঁ সামান্য হাঁহিলে, ওচৰ চাপি অৰ্চনাই সুধিলে "ভাল পাইছেনে?"

"মোৰ বিশেষ একো হোৱা নাছিল। দুদিনমান জ্বৰ উঠিছিল, ৰত্নহঁতে ইয়ালৈ পঠাই দিলে।" ত্ৰিদীপ ফুকনে উত্তৰ দিলে।

উত্তৰ দিবলৈ একো নাছিল। ত্ৰিদীপে মোলৈ চালে। কিবা এটা কব লাগে। অথচ কি কাম? মনত পৰিছিল এষাৰ কথা। ত্ৰিদীপেই কৈছিল। যাৰ নিজৰ বিষয়ে একো কবলগীয়া নাই তেওঁৰ দৰে আৰু ভণ্ড নাই। সঁচা মোৰ কবলগীয়া আছে অন্ততঃ ত্ৰিদীপ ফুকনক। কিন্তু মই জানো মই যি কবলৈ বিচাৰিছোঁ তেওঁ সেইয়া শুনি ভাল নাপাব। কাৰণ মই যদি জনতাৰ সাংস্কৃতিক আৰু বৌদ্ধিক স্বাধীনতাৰ কথা ভাবো তেওঁ কব অৰ্থনৈতিক স্বাধীনতাৰ অবিহনত এইবোৰ ভবাটো মুৰ্খামি। সঁচা, আমি সকলোৱে পৰিবৰ্তন বিচাৰোঁ। আৰু ত্ৰিদীপহঁতে এই পৰিবৰ্তন আনিব বিচাৰে বিপ্লৱ কৰি। সমাজৰ প্ৰতিজনৰ শিৰে শিৰে যদি এই বিপ্লৱৰ বীজ বৈ নাযায়, এই পৰিবৰ্তনৰ বাবে তেওঁলোকক যদি প্ৰস্তুত আৰু উপযুক্ত কৰি তোলা নহয় তেনেহলে ইমান কষ্টৰে গঢ়ি তোলা বিপ্লৱ ফুটুকাৰ ফেনৰ দৰে নিমিষতে শেষ হৈ যাব। ইয়াৰ বাবে লাগিব সময় আৰু ধৈৰ্য্য। কিন্তু ত্ৰিদীপহঁতে পৰিবৰ্তন বিচাৰে সোনকালে। ইয়াৰ বাবে যদি তেজো লাগে তাকো দিবলৈ তেওঁলোক সাজু।

ইমান সময়ৰ নীৰৱতা ভাঙি অৰ্চনাই ক'লে "শুনিছোঁ, আপুনি ধৰ্মঘট পৰিচালনা কৰিবলৈ কৰবালৈ যাব?"

ইমান সময়ে সুধিম সুধিম কৈ থকা কথাষাৰৰ উত্তৰ বিচাৰি মই ত্ৰিদীপৰ মুখলৈ চালোঁ। "এসপ্তাহমানৰ পাচতে যাব লাগিব। ইয়াৰ পৰাতো মই আজিকালিতে যাম। সহজভাৱে তেওঁ উত্তৰ দিলে।

"কিন্তু পৰীক্ষালৈ যে আৰু এমাহো নাই"'— কব নোৱাৰাকৈ হঠাতে মই কৈ পেলাইছিলোঁ।

"বি-এটো হয়তো দিয়া নহ'ব" উদাসীনভাৱে তেওঁ ক'লে। তেওঁৰ এই উদাসীনতাত মোৰ বুকুখন কোচ খাই গ'ল। শিশুৰ প্ৰথম খোজত যিদৰে কিবা হেৰোৱাৰ আশঙ্কাত মাকৰ মনটো কোচ খাই যায়।

"কিন্তু ত্ৰিদীপ দাদা, আপুনিটো এইবোৰ নকৰিলেও পাৰিলেহেঁতেন। "অৰ্চনাৰ মাতত চমক খাই মই তেওঁৰ মুখলৈ চাই ৰ'লোঁ। অসুখে ক্লান্ত কৰি যোৱা তেওঁৰ গভীৰ দুচকুত এইয়া যে উদাস অনিশ্চয়তাৰ দৃষ্টি: অলক দাদাৰ অসহায় চকুযুৰিৰ দৰে--কিন্তু ইমান দুৰ্বল নহয়। কিবা এটা কৰাৰ, কিবা এটা পোৱাৰ যেন ইয়াত দুৰ্বাৰ কামনা আছে।

"ৰাজনীতি কৰাৰ কথা মই ভবা নাছিলোঁ। সৰুতে ভাবিছিলোঁ পঢ়ি-শুনি ডাঙৰ মানুহ হ'ম। ব্যঙ্গৰ হাঁহি এটা মাৰি তেওঁ মোলৈ চাই ক'লে" কিন্তু স্বাগতা, যিদিনা বুজিলোঁ এইদৰে হ'লে মানুহে

মোক জানিব মাথোন দেৱানন্দ ফুকনৰ ল'ৰা বুলিহে কিন্তু মই যে আৰু বেটি বিচৰোঁ। আৰু বেটি বিচাৰিবলৈ গৈ যিদিনা দেখিছিলোঁ মাৰ জীৱনৰ শূন্যতাখিনি, সেইদিনা উপলব্ধি কৰিছিলোঁ এইখন সমাজে মোক তিতা লগাকৈ আনুৱাই গৈছে।

ত্ৰিদীপৰ বিচনাৰ ৰেলিঙত হাত বুলাই বুলাই মোৰ মনত পৰিছিল—মঞ্জুলাই কোৱা কথাবোৰ। ত্ৰিদীপৰ মাক সাধাৰণ ঘৰৰ সাধাৰণ ছোৱালী আছিল। কিন্তু দেৱানন্দ ফুকনৰ সমাজখনৰ লগত নিজক মিলাবলৈ যাওঁতে তেওঁ নিজৰ সাধাৰণ জীৱনটো অসাধাৰণ কৰি তুলিব লগাত পৰিছিল। যিগৰাকী মানুহে, এসময়ত নিচুকণি গীতেৰে ল'ৰা নিচুকাইছিল সেইগৰাকী মানুহেই আজি নিশা দুপৰলৈকে ক্লাবত নিজক ব্যস্ত কৰি ৰাখিব পৰা হ'ল। আনকি ভাল ককটেল বনাই বুলি এৰিষ্ট'ক্ৰেট্ চচাইটিত নামো কিনি লৈছে। চকু ওপৰলৈ তোলোতে ত্ৰিদীপ ফুকনৰ চকুৱে চকুৱে পৰিল। তেওঁ লাহে লাহে কৈ গ'ল "কিন্তু যিদিনা ৰাতি ক্লাবৰ পৰা প্ৰায় বেহুঁচ হৈ আহি মায়ে বাৰাণ্ডাত থিয় হৈ থকা মোৰ নিচেই ওচৰলৈ আহি কৈছিল আৰ, ইউ ৰেটিং ফৰ্ মি, মিঃ শুক্লা ? সেইদিনা মই--"

ত্ৰিদীপে কথাখিনি শেষ কৰিবলৈ নাপাওঁতে মই অৰ্চনাক 'আন্ধাৰেই হ'ল, নাযাব নেকি' বুলি প্ৰায় টানিয়ে বাৰাণ্ডা পাইছিলহি। ভাবিছিলোঁ ত্ৰিদীপৰ লগত এইয়াই মোৰ শেষ দেখা।

আন্ধাৰ হৈছিল—সূৰ্য্যাস্তৰ আন্ধাৰ নহয়। মেঘে আকাশ ছানি ধৰিছিল। আবতৰীয়া বৰষুণৰ আশংকা। গধূৰ বতাহ এজাকে মোক কোবাই গ'ল। আচৰিত লাগে বতাহজাকৰ শব্দ আৰু স্পৰ্শ অনুভৱ কৰিলেও ইয়াক যে কেতিয়াও দেখা পাব নোৱাৰি।

ত্ৰিদীপ ফুকনৰ বি-এ দিয়া নহ'ল। দিল্লীত এম-এচ-টি পঢ়ি থাকোঁতেই শুনিছিলোঁ ত্ৰিদীপ ফুকন হেনো যুৱক সঙ্ঘৰ সাধাৰণ সম্পাদক নিৰ্বাচিত হৈছে। তাহানি কলেজৰ চাৰিসীমাত সীমাবদ্ধ ত্ৰিদীপ ফুকন আজি সক্ৰিয় ৰাজনৈতিক কৰ্মী। লণ্ডনত পঢ়ি থাকোঁতে গম পাইছিলোঁ ত্ৰিদীপ ফুকনৰ নামৰ তলত হেনো ৰঙা চিয়াঁহিৰ আঁচ পৰিছে। ইমান দিনে যিটো ভয় কৰিছিলোঁ সেয়াই হ'ল।

জোকাৰ এটা মাৰি ৰেলখন ৰ'ল। বাহিৰত জিপ জিপ বৰষুণ। সৰু ষ্টেচন, পাঁচ মিনিটমানৰ নূৰত আকৌ ৰেলখন চলিবলৈ ধৰিলে। এনেতে দুজন ল'ৰাই এজন মানুহক মোৰ সমুখৰ বিচনাখনত বহুৱাই, লৰালৰিকৈ নামি গ'ল। ষ্টেচনত ম্লান পোহৰত দেখিলোঁ মানুহজন বেছ ওখ। বয়স অনুমান কৰিবলৈ টান। গাৰ কাপোৰত পৰিপাটি নাই। মাজে মাজে বৰষুণত তিতা। চুলি ফণিয়াইছিল যদিও বৰষুণ, হেঁচা-ঠেলাৰ মাজত পৰি কপালৰ আগলৈ বাগৰি গৈছে। গাৰ বৰণ এসময়ত বগা আছিল যদিও ৰদৰ তাপত এতিয়া তামবৰণীয়া হৈ পৰিছে। কেইবাদিনো নুখুড়োৱাকৈ থকা ডাড়িখিনিয়ে মুখখন জধলা কৰি তুলিছে। নাকটো জোঙা। ডাঠ ফ্ৰেমৰ চচ্‌মাৰ তলত এহালি চকু গভীৰ দৃঢ়, কাৰ ? ত্ৰিদীপ ফুকনৰ ? বুকুখন মোৰ কঁপি উঠিল।

আন্ধাৰৰ বাবে মানুহজনে মোক মন কৰা নাই। বুকুখন খামুচি তেওঁ কাহিবলৈ ধৰিলে। কাহি কাহি তেওঁ যেন ভাগৰি পৰিছে। যিমানেই বিচনাৰ ওপৰত সংযত হ'বলৈ মই চেষ্টা কৰিছোঁ সিমানেই মই অস্থিৰ হৈ উঠিছোঁ। অনুতাপৰ জুয়ে মোক যেন দগ্ধ কৰিছে। বিচনাৰ পৰা নামি মানুহজনৰ ওচৰত মই থিয় হ'লোঁ। ইতিমধ্যে কাঁহ মাৰ যোৱাত তেওঁ দুবাৰমান দীঘল উশাহ টানিলে মানুহজনৰ আঠু দুটাত ধৰি মই ক'লোঁ, "মোক চিনি পাইছে, মই স্বাগতা।"

মোৰ ফালে একেথৰে চাই থকা ত্ৰিদীপ ফুকনৰ ডাঠ লেঞ্চৰ চচ্‌মাৰ তলত দেখিলোঁ তেওঁ চকুদুটা উজ্জ্বল হৈ উঠিছে। আচৰিত হৈ তেওঁ ক'লে "স্বাগতা, তুমি ?" তাৰ পাচত আগৰ দৰে হাঁহিলে "স্বাগতা বৰুৱা পি, এইচ, ডি ইন লণ্ডনক আৰু চিনি নাপাম কিয় ?" ত্ৰিদীপৰ কথাৰ সুৰে মোক টানি লৈ গ'ল আঠ বছৰৰ আগৰ কলেজৰ সেই দিনটোলৈ যিদিনা প্ৰথম তেওঁৰ লগত মোৰ চিনাকি হৈছিল।

"কেনগ্ৰাচুলেচন ফৰ ইয়ৰ চাক্‌চেচ্। তুমি আমাৰ গৌৰৱ, প্ৰত্যয়—অসমীয়াৰ বাবে প্ৰেৰণা। আৰে আৰে, স্বাগতা, তোমাৰ চকুত পানী ? তুমি দেখিছোঁ এতিয়াও আগৰ দৰে হৈয়ে আছা।"

মোক এষাৰো কথা কবলৈ সুবিধা নিদিয়া ত্ৰিদীপ ফুকনৰ ফালে মই হতবাক হৈ চাই ৰ'লোঁ। তেওঁ যেন ভাগৰি পৰিছে। কান্দিব খুজিও যেন তেওঁ হাঁহিছে। কিন্তু তেওঁ কিয় নকলে তুমি মোৰ গৌৰৱ, মোৰ প্ৰেৰণা ?"

"মনে মনে ৰ'লা যে স্বাগতা ?"

"আপুনি দেখিছোঁ মোৰ সকলো খবৰ ৰাখিছে। এতিয়া আপোনাৰ খবৰ কওকচোন।"

"মোৰ খবৰ"—ত্ৰিদীপে হাঁহিলে। "মোৰ খবৰবোৰ কেতিয়াবাই শেষ হৈ গ'ল।

ত্ৰিদীপৰ কথাৰ উত্তৰত কি কম মই ভাবি নাপালোঁ। নিৰ্জন ডবাটোত আমাৰ নীৰৱতাখিনিয়ে যেন মোক ব্যঙ্গ কৰিছে। সহজ হ'বলৈ চেষ্টা কৰি কলোঁ "আপোনাৰ ঘৰৰ কথা, আপোনাৰ কথা কওক।"

যৰলৈ মই আজি তিনি বছৰেই যাব পৰা নাই। একোৱেই কৰিব পৰা নাই, অথচ মই সদায় ব্যস্ত। আৰু মোৰ কথা ?" ত্ৰিদীপে এটা অদ্ভুত হাঁহি মাৰিলে মোৰ কথা শুনিবলৈতো কাৰো সময়েই নহ'ল। তোমাৰ জানো হ'ব ?"

ত্ৰিদীপ ফুকনৰ ফালে অবাক হৈ চাই ৰ'লোঁ। গাৰ কাপোৰখনৰপৰা হাতদুখন উলিয়াই তেওঁ বাওঁ ভৰিটো ঢাকি ৰখা কলা পেণ্টটো দুহাতেৰে কোচাবলৈ ধৰিলে। দেখি মই উচপ খাই উঠিলোঁ, পেণ্টে ঢাকি ৰখা ভৰি এটা নকল লগোৱা ভৰি ; আঠুৰ তলতে তেওঁৰ ভৰিটো কটা। বিস্ময়ত বহল হৈ পৰা মোৰ দুচকুলৈ চাই তেওঁ ক'লে "মই দুখ কৰা নাই স্বাগতা। মোৰ আচল ভৰিটো হেৰাই গ'ল কিন্তু মই এটা নকল ভৰি পাইছোঁ।" অলপ ৰৈ তেওঁ আকৌ ক'লে "কিন্তু দুখ লাগে যেতিয়া ভাবো জীৱনত একোকে নোপোৱা মানুহবোৰৰ কথা। হতাশ হৈ পৰা যেন লাগে যেতিয়া দেখোঁ এই মানুহবোৰে দৈন্য আৰু অভাৱকে সিহঁতৰ প্ৰাপ্য বুলি মানি লৈছে।"

ত্ৰিদীপৰ কথা শুনিবলৈ মোৰ ধৈৰ্য্য নাছিল। আনকি তেওঁৰ চকুলৈ চাবলৈকো মোৰ সাহস নহ'ল। নিজৰ নিঃস্বতা মানুহে যি দুঃসহনীয় কষ্টেৰে প্ৰকাশ কৰে সেইয়া মই সহিব নোৱাৰোঁ।

"কিন্তু স্বাগতা, এবাৰ যেতিয়া এই পথ ল'লোঁ— আগুৱাইতো যাবই লাগিব।" ত্ৰিদীপৰ মাতত এইবাৰ মই চকু তুলি চালোঁ। বয়স আৰু অভিজ্ঞতাই যেন তেওঁৰ চকুযুৰি আৰু গভীৰ আৰু দৃঢ় কৰি গ'ল। ইমান সময়ে চেপি ৰখা কান্দোনত মই ভাঙি পৰিলোঁ। তেওঁৰ মহানতাৰ ওচৰত মই যেন আজি বৰ লাজ লগাকৈ হেয় হৈ গ'লোঁ।

চকুৰ পানীৰে সেমেকা মোৰ দুহাত তেওঁ নিজৰ হাতদুখনৰ মাজত ল'লে। ঘন ঘনকৈ তেওঁ উশাহ লৈছে। ত্ৰিদীপে একো নকলে। গধূৰ হৈ পৰা মোৰ মনটো কিবা এক অনুভূতিয়ে পাতলাই দিলে। ইমান তৃপ্তি, ইমান নিৰাপত্তা আৰু প্ৰশান্তি জীৱনত মই কোনো দিনে পোৱা নাছিলোঁ। ত্ৰিদীপৰ দুহাতৰ উম লৈ মই নিকৰুণভাৱে অনুভৱ কৰিলোঁ মানুহৰ ভাল লগা মুহূৰ্তবোৰ কিমান নিষ্ঠুৰভাৱে ক্ষন্তেকীয়া।

ৰেলখন দুৰন্ত গতিৰে আগবাঢ়িছে। আগৰ লাইনটো এৰি আন এটা লাইনলৈ গতি সলালে ৰেলখনে। ৰেলৰ চকা চলি অহা ৰেলৰ লাইন দুডাল দূৰৰপৰা লগলগা যেন দেখিলেও, আচলতে ইহঁতে কেতিয়াও লগ নালাগে। ইহঁত সমান্তৰাল।

—:O:—



# অনুবাদ কবিতা

## ।। ছটা চৈনিক কবিতা

অনুবাদঃ **হিৰণ্য চৌধুৰী**
৩য় বাৰ্ষিক কলা।

(১)
### ।। উপলব্ধি ।।

আধা আলো আধা ছাঁ জিক্‌মিক্ তৰা
    ৰিম্‌ঝিম্ ৰিম্‌ঝিম্ বৃষ্টি-কণা।
বুটুঙ্ গছে চাগে' জানিলে শৰত অহা কথা
    পাতে পাতে হিয়া দিয়া নিয়া।
—য়ান্‌মেঙ্গ (১৭১৬-৯৮)।

(২)
### ।। বন-হংসী ।।

উত্তৰৰ পৰা দক্ষিণলৈ সুদীৰ্ঘ পথ
মাজত দহ হাজাৰ ধেনু-কাঁড়
কোনে জানে, ধোঁৱা আৰু কুঁৱলীৰ ফাঁকে ফাঁকে
কিমান চৰাই হেংয়াঙলৈ উৰি আছে ?
—লু কুৱে মেঙ (নৱম শতিকা)।

(৩)
### ।। চতুষ্পদী ।।

পুখুৰীত তৰপে তৰপে বৰফ পৰে
হাজাৰ "লী" শুভ্ৰ বৰফে আৱৰি ধৰে
পাইন আৰু সাইপ্ৰিসৰ দৰে মোৰ হৃদয় স্থিতপ্ৰজ্ঞ
তোমাৰ বাবে উদ্বিগ্ন সদায়।
(পঞ্চম শতিকাৰ এটি জনপ্ৰিয় "ৱু-গীত")।

(৪)
### ।। অনুযোগ ।।

মইতো বিচৰা নাছিলোঁ প্ৰেমপাশত আৱদ্ধ হবলৈ
বিচাৰিছিলোঁ প্ৰেম-যাতনাৰ পৰা চিৰতৰ মুক্তি।
আজি আকউ বহু গুণা-গঁথা কৰি
স্বেচ্ছাই আকোঁৱালি ললোঁ প্ৰেম-শোক সোণালী।
হু-চিহ্ (১৯৯১——)।

(৫)
### ।। জীৱন ।।

মাছৰ গোন্ধৰ আকৰ্ষণত
কত মানুহ এই নদীৰ বুকুলৈ ধাপলি মেলে (!)
—গছ-পাতৰ দৰে সৰু নাওখনি কিন্তু
ঢৌৰ মাজেৰে অহা-যোৱা কৰে।
—ফান্ চুঙ য়েন (৯৮৯-১০৫২)।

(৬)
### ।। য়া-মাঙ্‌ৰ প্ৰতি ।।

নদীৰ ইপাৰৰ পৰা সিপাৰলৈ'
ৰিঙ্ মাৰি নুশুনি——
আমাৰ দুয়োখন ঘৰৰ পদূলিমুখত
সিদিনাৰে সেইধাৰি পানী।
—মানুহবোৰ বসন্তৰ জোৱাৰৰ দৰে হোৱা হলে (!)
—য়ান্ মেঙ্গ (১৭১৬-৯৮)।

পাবলো নেৰুদাৰ কবিতা



## প্ৰজাতন্ত্ৰৰ শ্বহীদ বীৰৰ মাতৃলৈ

অনুবাদ : **হেমেন বৰ্মণ**
৩য় বাৰ্ষিক, বিজ্ঞান

সিহঁত মৃত্যুহীন, অমৰ।
সিহঁত ৰৈ আছে
বাৰুদ আৰু অগ্নিস্ফুলিঙ্গৰ মাজত।
সিহঁতৰ আত্মাবোৰ
মিলি গ'ল দিগন্তৰ আকাশ মাৰ্গত;
বিভীষিকাৰ হ'ল অৱসান।
বিশাল প্ৰান্তত ৰৈ আছে মাথো
নিঃসাৰ নিৰৱ হৈ
গমৰ সোণালী পথাৰ।
সুদূৰৰ ঘণ্টাধ্বনিত
সিহঁতৰ বিজয় বাৰ্ত্তা।

আইসকল,
ভগ্ন হৃদয়া তোমালোক,
আস্থা ৰাখা, বিশ্বাস ৰাখা
শ্বহীদৰ প্ৰতি।
তেজৰঙা শিলৰ তলত
সিহঁতবোৰ মাথো শেলুৰৈ নহয়;
সিহঁতৰ হাড়বোৰে কেৱল
মাটিকেই উৰ্ব্বৰ নকৰে।
লৌহ সমুদ্ৰৰ দৰে সিহঁতৰ আক্ৰমণ
যি আক্ৰমণে মৃত্যুকো কৰে অস্বীকাৰ:

আইসকল,
তোমালোকে শোক পাহৰি যোৱা
চকুলো আৰু নুটুকিবা
আমি একেলগে আগবাঢ়ি যাম;
শত্ৰুক
আঘাটৰ পিচত আঘাট হানিম।
হে শোকাতুৰা আইসকল,
সিহঁতৰ মৃত্যুত যদি
তোমালোক গৰ্বিত হোৱা
ময়ো হম।
সিহঁতৰ হাঁহিবোৰ লাগি আছে
কাৰখানাৰ কাণ-ফলা উকিত,
সিহঁতৰ হাঁহিবোৰ লাগি আছে
ৰেল ষ্টেচনৰ ধোঁৱা আৰু কয়লাৰ মাজত
ছপাখানাৰ চিয়াঁহী আৰু দেৱাল লিপিতো।
আজি জুই আৰু শক্তিৰ শিখা।

আইসকল,
তোমালোকৰ দৰে মোৰো অন্তৰত
শোক আৰু মৃত্যুৰ ছবি।
মোৰ হৃদয় অৰণ্যত তেজৰ ঢৌ
"সিহঁতৰ হাঁহিবোৰ কাঢ়ি লৈ গ'ল"।
মই অকলে এতিয়া তন্দ্ৰাহীন হৈ
ডাঠ কুঁৱলীৰ মাজত।

তৃষ্ণাতুৰ হায়েনাৰ লোলুপ অভিশাপ,
আফ্ৰিকাৰ পৰা ভাঁহি অহা
মৃত্যুৰ কৰুণ আৰ্তনাদ,
শুনি শুনি তোমালোক
খং আৰু ভৰ্ৎসনাত ভাগি পৰিছা!

তথাপিও
তোমালোকে অপেক্ষা কৰা
সেই মহৎ দিনটোলৈ
সেই দিনটোত দেখিবা
শাৰী শাৰী গম খেতিৰ মাজত
হাতত মুঠি মাৰি
তোমালোকৰ মৃত শ্বহীদবোৰ
হাঁহি হাঁহি ৰৈ আছে।




নিৰক্ষৰ চহা লোকৰ মাজত পুৰণি কালৰপৰা কামৰূপত ভালেমান গীতপদ চলি আহিছে। কথ্য ভাষাৰ সৌন্দৰ্য্যৰে শোভিত কাব্যসুলভ এই জনগীত সমূহ পুৰুষানুক্ৰমে অনেক কাল অতিক্ৰম কৰি কামৰূপৰ গাঁৱে-ভুঁঞে সিঁচৰিত হৈ আছে। ভাৱ-অনুভূতি আৰু ৰচনাশৈলীৰ সৰলতাৰে সমৃদ্ধ কামৰূপীয় জনগীতত ৰচোঁতাৰ কোনো পৰিচয় পোৱা নাযায়। দৈনন্দিন জীৱনৰ পূজা-পাতাল, উৎসৱ-অনুষ্ঠান আদিক কেন্দ্ৰ কৰি গীতবোৰ ৰচিত হৈছে। কেতবোৰ গীত পৌৰাণিক আখ্যান অথবা বুৰঞ্জীমূলক কাহিনী সম্বলিত ; কিন্তু কাহিনীমূলক গীততকৈ ভাৱ-ব্যঞ্জক কামৰূপীয় জনগীতৰ সংখ্যা সৰহ।

কামৰূপত প্ৰচলিত নিচুকনি, বিয়ানাম, আইনাম, বাৰমাহী গীত, দেহ বিচাৰৰ গীত, মহো-হো গীত আদি জনগীতৰ শব্দ-সংযোজনা,, ধ্বনি আৰু সুৰৰ প্ৰকাশভঙ্গী অঞ্চল বিশেষে বেলেগ বেলেগ। নিজ নিজ অঞ্চলৰ উপ-ভাষাৰ প্ৰভাৱেৰে প্ৰভাৱান্বিত হলেও সিবোৰৰ অৰ্থ আৰু উদ্দেশ্য একেটাই। ভালেমান গীত-পদ কিতাপ, আলোচনী-কাকত, অনাতাৰ কেন্দ্ৰ আদিৰ জৰিয়তে, প্ৰকাশ হৈছে যদিও উদ্ধাৰৰ অৱহেলা আৰু নতুন যুগৰ প্ৰৱৰ্তনৰ হেঁচাত সৰহভাগ হেৰাই যাবলৈ উপক্ৰম, হৈছে। কামৰূপীয় জনগীতসমূহ এহাতে যেনেদৰে ভাৱৰ বাহক, আনহাতে ঠিক তেনেদৰে বৈচিত্ৰময় অলঙ্কাৰ, ৰস আৰু দুলড়ী, পদ আদি ছন্দেৰে সুশোভিত। প্ৰায়বোৰ গীত উদ্দেশ্যধৰ্মী। ভাবৰ সাবলীন গতি, ভাষাৰ মাধুৰ্য্য, সৰল আন্তৰিকতা কামৰূপীয় জনগীতৰ প্ৰধান বৈশিষ্ট্য। ব্যৱহাৰিক জীৱনৰ নানা সামগ্ৰী, গছ-লতা, ফুল-ফল, পশু-পক্ষী মাছ, এনেকি কোনো কোনোটো, গীতত, দেৱ-দেৱীকো সন্নিবিষ্ট কৰা হৈছে। গীতৰ ছন্দ লয় সৌন্দৰ্য্য বঢ়াবলৈ সাধাৰণ কথাত কবলৈ হলে কামৰূপীয় গ্ৰাম্য-জীৱনৰ অপূৰ্ব নিদৰ্শন পৰিস্ফুট ভাবে প্ৰকাশ পাইছে এই জনগীতসমূহত।

কামৰূপীয় জনগীতৰ ভিতৰত বিয়ানাম সংখ্যাত সৰহ আৰু বৈচিত্ৰ্যপূৰ্ণ। সনাতন ৰীতিৰ এই বিশিষ্ট অনুষ্ঠানটিৰ গহণা পিন্ধোৱা, তেলৰ ভাৰ দিয়া, পানী-

তোলা, ধুওৱা, সুৱাগতোলা, হোমৰ গুৰিত বহা, আঙুঠি লুকোৱা আদি কেবাটাও স্তৰৰ মাজেদি গোৱা বিয়া-নামবোৰে গাঁৱলীয়া জীৱনৰ এক নিখুত চিত্ৰ দাঙি ধৰিছে। বিয়ানামত এহাতে যিদৰে দৰা-কইনাক আশিস যাচিছে, ঠিক তেনেদৰে শাস্ত্ৰীয় নীতি-নিয়মবো সুনিৰ্দেশ কৰিছে। গহণা পিন্ধোৱা দিনাবেপৰা দৰা আৰু কইনাৰ ওচৰ-চুবুৰীয়া আয়তীসকলে নামৰ আখৰা কৰে। হৰ-গৌৰী, শ্ৰীকৃষ্ণ-ৰুক্মিণী, ৰাম-সীতা আদি বিয়ানামত সোমাই অনুষ্ঠান অধিক গভীৰ আৰু আকৰ্ষণীয় কৰি তোলে। অভিনৱ সংযোজনা এই বিয়ানামৰ—

"দৈ দুগ্ধ ঘৃত মধু লৈ যাবা যাদেবি।
হেমবন্তোৰ ঘৰে আছে পাৰ্বতী সুন্দৰী॥
আমি খোজোঁ পকা ডালিম, আনি দিলা বেল।
তেলোৰ ভাৰোতে দিবা লাগে চিকাণ গোন্ধ তেল॥"

শ্ৰাদ্ধৰ সময়ত পিণ্ডদাতাৰ সাতপুৰুষ স্বৰ্গৰপৰা নামি আহে। দেৱতাসকলে আনন্দ কৰে। বিয়ানামৰ শোভা আৰু বৃদ্ধি পায়। বিয়ানামৰ মাজত থকা শাস্ত্ৰীয় আচাৰ-পদ্ধতিৰ বৰ্ণনাও বেচ মন কৰিবলগীয়া। সৰল উপদেশৰ ছলেৰে নীতি-নিয়মবোৰ দাঙি ধৰা হৈছে—

"চালোত পানী দিবা অ' মন যোঁতাৰ,
মন্দিৰে সোমাবা অ' মন যোঁতাৰ,
মণ্ডল চাই টেকেলি থ'বা মন যোঁতাৰ
পানী তুলিবাক্‌লেগি নানিলা মটাৰ॥"

বিয়া-ঘৰত গোৱা অভাৰখিনিও আয়তীসকলে নামৰ মাজেদি দাঙি ধৰে। নিশা কইনা-ঘৰত দৰা-ঘৰীয়া আৰু কইনা-ঘৰীয়া নামতীৰ মাজত নিন্দা-গীতৰ প্ৰতিযোগিতা চলে। নিন্দাগীতে সমজুৱাক প্ৰায়ে আমোদ দিয়ে; অৱশ্যে কেতিয়াবা নিন্দাগীতৰ তিক্ততাত কাজিয়াৰ সৃষ্টি হৈ হবলগীয়া বিয়া ভাগি যোৱাৰো উদাহৰণ আছে। বিয়ানামত দৰাক সদাশিৱ, ৰাম, শ্ৰীকৃষ্ণ আদিৰ লগত আৰু কইনাক পাৰ্বতী, সীতা, ৰুক্মিণী, সত্যভমা আদিৰ লগত তুলনা কৰা হয়। কইনা উলিয়াই দিবৰ সময়ত গোৱা বিষাদপূৰ্ণ নামবোৰে সকলোৰে হৃদয়ত কৰুণাৰ সঞ্চাৰ কৰি চকুলোৰ বান আনে।

কামৰূপত মুছলমানসকলৰ বিবাহ অনুষ্ঠানত গোৱা গীতসমূহো শ্ৰুতিমধুৰ আৰু তাৎপৰ্য্যপূৰ্ণ।

"অতোদিনে আছুলি বাছা, শুৱেই মায়েৰেৰ ঘৰ।
তোৰে বান্দেকীত হবো আজি তামাম আলাম পোহাৰ॥"

ছোৱালী পুষ্পিতা হলে ধুৱাবৰ সময়ত আয়তীসকলে হাঁহি-ধেমালি কৰি গীত-নাত গাই চুৱা কইনা ধুৱায়। এই ধুৱনি গীতত নাৰী জীৱনৰ অনুপম বৰ্ণনা আছে। গীতবোৰত অদৃষ্টবাদৰ সুৰো মিহলি হৈ আছে।

"ৰাম ৰাম গা ধুই মাইচানা
ৰাম ৰাম আগফালে নাচাবা
ৰাম ৰাম লাগান বিৰিখোকে চাবাহে।
ৰাম ৰাম লাগান বিৰিখোকে
ৰান ৰাম হাতে নেমেলিবা
ৰাম ৰাম অলপ বয়সতে পুত্ৰ পাবাহে॥"

বাৰিষা বতৰত পানীৰ অভাৱ হলে দুটি ভেকুলী ধৰি আনি ৰাজহুৱাভাবে বিয়া পাতি দেৱতাক বৰষুণৰ বাবে মিনতি জনোৱা হয়। সাধাৰণ বিয়াৰ দৰে নানা শাস্ত্ৰীয় পদ্ধতিৰে ভেকুলী-বিয়া সম্পন্ন কৰা হয়। ভেকুলী-বিয়াৰ নামবোৰ অতিকৈ ধেমেলীয়া—

"হৰি মোৰ ঐ বৰুণ দেৱতাক
হৰি মোৰ ঐ মেঘে নামালে
হৰি হৰি ঐ সাতদিন বৰষুণ দিহে ৰাম ৰাম।

বিয়ানামৰ দৰে ভালেমান বাৰমাহী গীত কাম-ৰূপৰ বিভিন্ন অঞ্চলত পোৱা যায়। বৰ্ত্তমানে এইবিধ গীতৰ প্ৰচলন ক্ৰমে ক্ষীণ হৈ আহিছে। ঋতু বৰ্ণনাৰে নাৰী অন্তৰৰ বিৰহ ব্যথাৰ ছবি দাঙি ধৰা হৈছে-ৰূপকধৰ্মী বাৰমাহী গীত সমূহত। সাধাৰনতে আঘোন মাহত আৰম্ভ হোৱা বাৰমাহী গীতত প্ৰবাসী স্বামীৰ অপেক্ষাত অপেক্ষাৰতা নায়িকাৰ অন্তৰৰ নিঃসঙ্গ বেদনাৰ ঢৌ কবিত্বময়ী ভাষাৰে প্ৰাঞ্জল হৈ প্ৰকাশ পাইছে। শান্তি বাৰমাহী, কন্যা বাৰমাহী, মধুমতীৰ গীত আদি বহুতো বাৰমাহী গীত কামৰূপৰ ঠায়ে ঠায়ে তিৰোতা মানুহৰ মুখে মুখে শুনা যায়। শান্তি

ৰমাহী গীতৰ কলি এটাত পুৰুষবিহীন নাৰী জীৱনৰ ব্যৰ্থতা এইদৰে চিত্ৰিত কৰা হৈছে—

"জেঠৰে মাহোতে শান্তি বৰ জেঠুৱা খৰ।
বনোৰে হৰিণা পছু সিও চাপে ঘৰ॥
যাকে দেখোঁ আপোন আপোন সিও হৱে পৰ।
বিবুধীয়া সাউদোৰ কোঁৱাৰ ফিৰি নাহে ঘৰ॥

পুৰণি কামৰূপৰ ডেকাসকলে যে বেহা বনিজ কৰি দেশ-বিদেশ ঘূৰি ফুৰিছিল, বাৰমাহী গীতৰ পৰা সেই বিষয়ে নিশ্চিত হব পাৰি।

গাওঁত অপায়-অমঙ্গল হলে তাৰপৰা ৰক্ষা পৰিবৰ কাৰণে তিৰোতামানুহে বিবিধ নাম-গুণ গায়। ল'ৰা-ছোৱালীৰ গাত লেঠা লাগিলে (অসুখ-বিসুখ হলে) তিনিজনী নাইবা পাঁচজনী কুমাৰী কন্যাক অপেশ্বৰী সাজি অপেশ্বৰী নাম গায়। অপেশ্বৰী নামত সচৰাচৰ দুৰ্গাদেৱীক স্তুতি-ভকতি কৰা হয়। বসন্ত ৰোগ হলে বয়সীয়াল তিৰোতা মানুহে থাপনা পাতি আইনাম আৰু শীতলা নাম গায়। ধৰ্মমূলক গভীৰ অনুভূতিৰে ৰঞ্জিত গীতবোৰে সহজতে মানুহৰ, মন ধৰ্মৰ ফালে ঢাল খুৱায়।

এই নাম বিলাকৰ উপৰিও কামৰূপৰ অঞ্চল বিশেষত জগন্নাথৰ নাম, পচতীয়া নাম, বৰপেটাৰ ফাকুৱাৰ নাম, নাওখেলৰ গীত আদি অসংখ্য গীতৰ ব্যৱহাৰ আছে। নাওখেলৰ কোনো কোনোটো গীতৰ কামৰূপৰ ঢুলীয়া সকলেও গোৱা দেখা যায়। 'অ' মোৰ মলুৱা ৰে', 'কানাই পাৰ কৰাহে' আদি গীতে শ্ৰোতাক বেচ ৰগাপুত কৰি তোলে। ব্যঙ্গাত্মক দুই এটি গীতত কপাহ, যঁতৰ, নেওঠা আদি তাঁতশালৰ সঁজুলিৰ অৱলম্বনত তিৰোতা মানুহক ব্যঙ্গ কৰা হৈছে। ভাৱৰীয়া সঙ্গীতত ধেমেলীয়া কথাৰ অৱতাৰণা কৰি কৰি দৰ্শক-শ্ৰোতাক হঁহুওৱা হয়।

কামৰূপীয় জনগীতৰ ভিতৰত দেহবিচাৰৰ গীত অন্যতম। মানৱ জীৱনৰ ক্ষণভঙ্গুৰতাৰ বিষয় ব্যক্ত কৰি সংসাৰৰ মায়া-মোহৰ প্ৰতি বীতস্পৃহ হৈ পৰ-ত্ৰাৰ পথ স্মৰণ কৰিবলৈ গীতবোৰে নিৰ্দেশ দিয়ে। বৈৰাগ্যমূলক এই গীতসমূহৰ প্ৰায় বিলাকতে একোটা ছাঁ-পোহৰৰ আৱৰণ পৰিলক্ষিত হয়। তান্ত্ৰিক প্ৰভাৱেৰে প্ৰভাৱান্বিত দেহ বিচাৰৰ গীতবোৰ দাৰ্শনিক ভাব-ধাৰাৰে পুষ্ট। সংসাৰখনৰ অসাৰতাৰ ছবিয়ে গীতবোৰক ৰহস্য-ময় কৰি তুলিছে। সংসাৰৰ খলা-বমাৰপৰা হাত সাৰি-বলৈ দেহবিচাৰৰ গীতত উপদেশ দাঙি ধৰা হৈছে—

"বাটে বাটে যাবা মুৰ দাঙি নাচাবা
দম্পুৰাত নহৈবা সাক্ষী।
বাটোৰ বাটৰুৱাক বাট ছাৰি দিবা
আপোনাৰ মৰ্য্যাদা ৰাখি॥"

খেল-ধেমালিক কেন্দ্ৰ কৰিও অনেক জনগীতৰ সৃষ্টি হৈছে। হাউ-খেল, হাত লুকোৱা খেল আদিত ব্যৱহাৰ কৰা গীতত সাধাৰণতে কিছুমান অসংলগ্ন কথা জোৰা লগাই গোৱা হয়। হাউ মাৰোঁতে গোৱা হয়,——

"অ' বাপু নাগে গোহাইক কাপুৰ লাগে
আখান দিলু দুখান দিলু আৰু চাৰিখান লাগে॥"

নিচুকনি গীত কামৰূপীয়া জনগীতৰ প্ৰধান অঙ্গ। সৰু ল'ৰা-ছোৱালীক শুৱাই থবৰ সময়ত নাইবা নিচুকাবৰ সময়ত নিচুকনি গীত ব্যৱহাৰ কৰা হয়। কোনো কোনো সময়ত বিয়ানাম, গোঁসাইনাম, কীৰ্ত্তন আদিৰপৰাও দুই এফাঁকি নিচুকনিগীত হিচাবে গোৱা পৰিলক্ষিত হয়। এই গীতবোৰ শুনিবলৈ অতিকৈ শুৱলা আৰু অৰ্থব্যঞ্জক—

"ফেচুৰ দোলা, মোমাথেৰ ঘোঁৰা।
মোমা গেছি খেৰ কাট্‌বা,
আতেই গেছি গৰু চাৰ্‌বা।
আই গেছি ভাত ৰান্ধবা,
মাহে গেছি পানী আনবা।
মোমাথেৰ বাৰীত ধুম্‌ধুমীয়া জুই,
কোনে পুৰবি আহ হেলৈ।"

দুই এটা নিচুকনি গীতত, আকৌ হাস্যৰসৰো প্ৰচুৰ সমাবেশ ঘটিছে—

"হাঁহে নিলাক হাপাক খেদি
বোন্দাই আছিল চাই,
জুইহালৰ পোৱা মাছুটোই
বোন্দাক ফেল্‌লা খাই।"

মহো-হো-গীতৰ প্ৰচলন কামৰূপৰ সকলো অঞ্চ-লতে আছে। আঘোণ মাহৰ পূৰ্ণিমাৰ নিশা চেমনীয়া ল'ৰাই লগ লাগি ঘৰে ঘৰে গৈ মহখেদা উৎসৱ পালন কৰে। এজনক কলচোঁচনি, পানী মেটেকাৰ শিপা প্ৰভৃতিৰে ভালুক সজাই মাজত লৈ সকলোৱে নাচি নাচি মহো-হো গীত গায়। গৃহস্থক আশীৰ্বাদ দিয়ে আৰু গৃহস্থৰ পৰা পইচা চাউল আদি তুলি ভোজ-ভাত খায়।

এইবোৰৰ বাহিৰেও হৰদত্ত-বীৰদত্তৰ গীত, বেল গাড়ীৰ গীত, স্বাধীনতা আন্দোলনৰ গীত, মহাত্মা-গান্ধীৰ গীত, নানা ধৰণৰ সাঁথৰ, ফঁকৰা-যোজনা, সাধুকথা আদিৰ বৰ্ণনামূলক গীত কামৰূপৰ মানুহৰ মুখে মুখে কাহানিবাৰে পৰা বাগৰি আহিছে। এই আটাইবোৰে কামৰূপীয় জনগীতৰ কলেৱৰ আৰু সৌষ্ঠৱ দুয়োটাই বৃদ্ধি কৰিছে।

কামৰূপীয় জনগীতৰ ব্যাপক জনপ্ৰিয়তাৰ কথা উল্লেখ কৰাটো নিষ্প্ৰয়োজন। গীতবোৰৰ সাহিত্যিক মূল্যও সেইদৰে কোনো গুণে কম নহয়। আধুনিক সমাজত প্ৰাচীন জনগীতসমূহৰ চৰ্চা হ্ৰাস পালেও জনপ্ৰিয়তা আৰু সাহিত্যিক মূললৈ লক্ষ্য ৰাখি সকলো-বোৰ কামৰূপীয় জনগীত উদ্ধাৰ কৰি প্ৰচাৰ কৰিলে ইবোৰে মেঘ ফালি ওলাই অহা সুৰুযৰ দৰে অসমীয়া ভাষা সাহিত্যৰ প্ৰসাৰত বৃহৎ অৰিহনা যোগাব। ✲

## ॥ এক ॥

Outside the arch there seemed
Always on arch,
Beyond the remotest
Echo a silence" : E. M. Forster.

সি বাৰে বাৰে অনুভৱ কৰিছে তাৰ তেজৰ সঞ্চালন, তাৰ হৃৎস্পন্দন সকলো ক্ৰমে ক্ৰমে দ্ৰুততৰ হৈ উঠিছে। সৰৱ হৈ উঠিছে। সি অসম্ভৱ উত্তেজিত হৈ পৰিছে। তাৰ মগজুত, তাৰ স্নায়ুতন্ত্ৰীত আৰু তাৰ সমস্ত চেতনাত কেতবোৰ বিষাক্ত কীটৰ দংশনৰ প্ৰবল ক্ৰিয়া বাৰে বাৰে অনুভূত হৈছে। তাৰ প্ৰতিক্ৰিয়াস্বৰূপে সূচী-



ভেদ্য তিমিৰৰ পঁজালে তাৰ মন, তাৰ মনৰ গহ্বৰত মকৰাজাল ৰচনা কৰিছে। চৌপাশৰ সূৰ্য্যৰশ্মিৰ মিছিলৰ বাস্তৱতা আৰু মল্লিকাৰ চেনেহসঘন, নিবিড় আলিঙ্গনৰ কবোষ্ণ অন্তৰঙ্গতাৰ সজীৱ স্মৃতিয়েও তাক শান্ত কৰিব পৰা নাই। তাক সমাহিত কৰিব পৰা নাই। তাক সমাহিত কৰি ৰাখিছে সপোনটিৰ বিবৰ্ণ স্মৃতিয়ে। তাক আড়ষ্ট কৰি ৰাখিছে প্ৰত্যুষতে হৈ যোৱা ইতৰ বাস্তৱৰ স্বপ্নবোৰৰ খেলিমেলিয়ে।

তাৰ সপোনৰ বিবৰ্ণ স্মৃতি
তাৰ বাস্তৱৰ ইতৰ স্বপ্নৰ খেলিমেলি

সকলোবোৰে আহি তাক প্ৰত্যাহ্বান জনাইছে। তাৰ অস্তিত্বক বিপন্ন কৰি তুলিছে।

যোৱা নিশা যি স্বপ্ন দেখিছিল। প্ৰায়ে স্বপ্ন দেখে সি। কিন্তু যোৱা নিশাৰ স্বপ্নটিৰ তাৎপৰ্য্য সি সহজভাৱে গ্ৰহণ কৰা নাই। কৰিব নোৱাৰে। সি যেন কিবা অনাহূত ঘটনা, কিবা সংঘটনৰ নামহীন, ছাঁয়াঘন পূৰ্বাভাসত ভীতত্ৰস্ত হৈ পৰিব খোজে। ভীতি আৰু সন্ত্ৰাসে যেন তাৰ স্থিতিক আড়ষ্ট কৰি পেলাব খোজে।

সন্দেহ নাই, সি সপোনত মল্লিকাক দেখিছিল। তাৰ বাবে অতি আপোন, অতি সৰল, চিনাকি স্বপ্নবোৰৰ প্ৰয়োজনীয় মানুহগৰাকীকে সি সপোনত দেখিছিল। তাৰ বাস্তৱৰ মল্লিকাক, সি সপোনৰ পৰ্দাত দেখিছিল। অতি সংক্ষিপ্ত বৰ্ণনাত মল্লিকা তাৰ ৰাতিৰ কবিতা। তাৰ হৃদয়ৰ মহুয়া ফুল। তাৰ দেহ আৰু মনৰ উত্তপ্ত অঙ্গীকাৰ। তাৰ দিৱস আৰু ৰজনীৰ পৰিচিত লহমা। তাৰ দিবৰাত্ৰিৰ সোণালী কাব্য মল্লিকা। সি জানে, তাৰ অতীত, তাৰ বৰ্তমান আৰু তাৰ ভৱিষ্যৎ সৰ্বত্ৰ বিৰাজ কৰি আছে মল্লিকা। আৰুণাভেতো আবিষ্কাৰ কৰিয়েই পেলাইছে তাৰ ধমনীৰ তেজ প্ৰবাহত, তাৰ শিৰাৰ ৰক্তস্ৰোতত মল্লিকাৰ প্ৰাণচঞ্চল সন্তৰণ। তাৰ শ্বাস, তাৰ প্ৰশ্বাস সকলোতে মল্লিকাৰ অস্তিত্বৰ গান।

সেই মল্লিকাকে সপোনত অৰুণাভে দেখিছিল।

সম্পূৰ্ণ বেলেগ ৰূপত সি দেখিছিল তাইক।

অৰুণাভে দেখিছিল এক নিস্তৰঙ্গ নদীবক্ষৰ ছাঁয়াহৃত সি থিয় দি আছে। নদীবক্ষত কোনো যৌৱনৰ নৃত্য নাই। নাতি-দূৰৈত এখন নৌকা। দিনান্তৰ সকলো ৰং হেৰাই যাব ধৰিছে। সূৰ্য্য অস্ত যাবলৈ ধৰিছে। হেৰাই যাব ধৰিছে ইয়াৰ উজ্বলতাৰ অহঙ্কাৰ। জিল-মিল্ ৰঙা বৰণ ইয়াৰ ক্ৰমাৎ ডাঠ হৈছে। ৰমণীৰ কপালৰ সূক্ষ্ম ঘামত গলাৰ দৰেই উত্তপ্ত সূৰ্য্যটো গলিব ধৰিছে। গলি গলি টোপাটোপে পানীত পৰিছে। চৌপাশে স্নিগ্ধ পৰিবেশ। সেই প্ৰশান্তিক উপহাস কৰি এন্ধাৰৰ শোভাযাত্ৰা।

বেলিৰ বিলীয়মান অস্তিত্বক লক্ষ্য কৰি অৰুণাভে দেখিছে সৌন্দৰ্য্যৰ এনে এক তীব্ৰতম প্ৰকাশত তাৰ বৰ্ণনা, তাৰ কল্পনা, তাৰ উপমা সকলো ম্ৰিয়মান হৈ গৈছে। তাৰে গইনালৈ পোহৰৰ চুৰি এখনে তাৰ দুচকুত অগ্ন্যুৎপাতৰ সৃষ্টি কৰিছে। আৰু তাৰ দৃষ্টিক ছাঁয়াচ্ছন্ন কৰি ধৰা দিছে এখন ছবিয়ে।

ছবিখন মল্লিকাৰ। মল্লিকা শইকীয়াৰ।

অৰুণাভে দেখিছে অস্তগামী সূৰ্য্যৰ বিলীয়মান অঙ্গীকাৰ, চৌপাশৰ স্নিগ্ধ প্ৰশান্তি আৰু নদীবক্ষৰ নিস্তৰঙ্গ জলাশয়ৰ পৰা একক দূৰত্বত স্থিতি লাভ কৰিছে মল্লিকাই। সি সেয়া স্পষ্টকৈ দেখিছে।

অৰুণাভে স্পষ্টকৈ দেখিছে মল্লিকা দৌৰি আছে, দৌৰি আছে আৰু দৌৰি আছে। তাইৰ লগে লগেই দৌৰি আছে অন্ধ বিক্ষোভকাৰীৰ দৰে কেতবোৰ পৰিচিত অপৰিচিত জনতা। তাহাঁতৰ মুখত আভা। গতিচঞ্চল মল্লিকাৰ পিচে পিচেই দৌৰি আছে বিক্ষুব্ধ বিমূৰ্ত কেতবোৰ লহমা। অৰুণাভে দেখিছে তাহাঁতৰ মুখৰ পৰা নিঃসৃত ক্ষোভ আৰু জিঘাংসাৰ বহ্নিত মল্লিকা।

তাই মাথোঁ দৌৰি আছে।

তাইৰ গাৰ পৰা কাপোৰবোৰ পৰি গৈছে। মুহূৰ্তৰ বিৰতিৰ লগে লগে খুউব নীৰৱে ডালৰ পৰা শেৱালী ফুল সৰি পৰাৰ দৰেই মল্লিকাৰ দেহৰ পৰা এখন এখনকৈ কাপোৰবোৰ পৰি গৈছে। এজনী বিশোত্তীৰ্ণ গাভৰুৰ দেহৰ ওপৰত কেতবোৰ অন্ধ জনতাই অহৰহ ধৰ্ষণ চলাইছে। সেই ধৰ্ষণে গাভৰুজনীৰ মনৰ বেদনা, দেহৰ যন্ত্ৰণা একাকাৰ কৰি দিছে। সেই বেদনাদায়ক যন্ত্ৰণাই গাভৰুজনীক মূক কৰি তুলিছে। স্তব্ধপ্ৰায় কৰি দিছে।

তথাপিও মল্লিকাই বাৰে বাৰে চীৎকাৰ কৰি উঠিছে। বীভৎস বেদনাৰ চীৎকাৰ। তাইৰ চীৎকাৰ, তাইৰ আৰ্তস্বৰত মানুহবোৰে হাঁহিছে। অট্টহাস্য কৰি উঠিছে।

মানুহবোৰ জিঘাংসা হৈ পৰিছে।

ছোৱালীজনীৰ বুকু আৰু মুখ মণ্ডলত ঘামৰ বুদ্‌বুদ্ কণা। তাইৰ কম্পিতদেহ ক্ৰমে উন্মোচিত হৈ পৰিছে; তাইৰ চকিত আৰু সন্ত্ৰস্ত দেহৰ শেষ অৱলম্বনখনো নোহোৱা হৈ গৈছে। অৰুণাভে দেখিছে, এটা সময়ত মল্লিকাৰ দেহৰ পৰা শেষ কাপোৰখনো ক'ৰবাত পৰি গৈছে। শেষ কাপোৰখনেই যেন তাইক মূৰ্চ্ছিত হোৱাৰ পৰা ৰক্ষা কৰি আছিল। দেহৰ শেষ কাপোৰখনে তাইক বিবস্ত্ৰা কৰি গুচি যোৱাৰ লগে লগেই তাই জ্ঞান হেৰুৱাই পেলাইছে। আৰু তাই ধাচ্ কৰে মাটিত পৰি গৈছে। (অ'হ ন'..ন' !! সপোনটি শেষ হওঁকি নোহওঁতেই অৰুণাভে চিঞৰি উঠিছে।

স্বপ্নভঙ্গৰ আশঙ্কাৰ বিকট চিঞৰ। গাৰ ৰঙা ৰঙৰ ব্লেংকেটখন দলিয়াই দি অৰুণাভ উঠি বহিছে। তাৰ ব্লেংকেটৰ লগে লগেই মজিয়াত বাগৰি পৰিল চলঝে-নিৎচিনৰ চিন্তাধাৰাৰ এখন ইতৰ পুথি। লগে লগেই চিৎখাই পৰি গ'ল বস্ত্ৰবিহীনা এজনী চুইছ গাভৰুৰ উন্মুক্ত দেহ। এখন সস্তীয়া মাৰ্কিণ নভেলৰ বেটু-পাতত বন্দী হৈ তাই অৰুণাভৰ শয্যাসঙ্গিনী হৈছিল। চলঝেনিৎনিৰ শেহতীয়া চিন্তা। চুইছ গাভৰুৰ ৰাতিৰ অৰণ্য। এহো বাহ্য।)

সপোনৰ মল্লিকা মূৰ্চ্ছা গৈছে।

অৰুণাভ সাৰ পাই উঠিছে।

সূৰ্য্যৰ সোণালী কিৰণে নতুন দিনক স্বাগতম জনাইছে।

অলপ সময়ৰ বিৰতিৰ পিচতেই অৰুণাভে বিচনাত উঠি বহিছে। বিশ্ৰী স্বপ্নৰ স্মৃতিৰ মাজতো সি সৌৰ-ৰশ্মিত মুখ ধুই লৈছে। স্বপ্নটিৰ সম্ভাব্য তাৎপৰ্য্য সি পাহৰি থাকিবলৈ চেষ্টা কৰি গৈছে। স্বপ্নৰ অৱশিষ্ট স্মৃতি, অশোভনীয় মানসিক বিভ্ৰান্তিৰ পৰা হাত সাৰি থাকিবলৈ অহৰহ চেষ্টা কৰি গৈছে। আৰু এয়া তাৰ প্ৰচেষ্টাৰ শেহ পৰ্য্যায়।

স্বপ্নটিৰ কথা মনত পৰাত তাৰ কোনো বিশেষ প্ৰতিক্ৰিয়াৰ জন্ম নহ'ল। স্তিমিত নহ'ল তাৰ স্নায়ুজখেদ আৰু তাৰ যন্ত্ৰণাকাতৰ অভিব্যক্তি।

ভীতি আৰু বিহ্বলতাই জন্ম দিয়া নিষিদ্ধ যন্ত্ৰণা সি নিবিচাৰে। কেতবোৰ মুহূৰ্তৰ বাবে সি আঁতৰি থাকিব বিচাৰে। নিজৰ পৰা, পৃথিৱীৰ পৰা আঁতৰি থকাৰ বীভৎস উল্লাস সি বিচাৰে।

সি অনুভৱ কৰিছে তাৰ চাৰিওফালে যেন কিবা ষড়যন্ত্ৰৰ প্ৰস্তুতিয়ে তাৰ সমস্ত অনুভূতি বিপৰীতমুখে ধাবিত কৰি দিছে। আৰু সি বৈ গৈছে। কব নোৱাৰাকৈয়ে সি সোমাই পৰিছে "ৰেষ্টোঁৰা পেৰিচ"ত।

ৰেষ্টোঁৰাৰ বন্ধ কেবিনৰ পৰা ওলাই, অৰুণাভে যেতিয়া প্ৰধান জনপথত ভৰি দিয়ে, তেতিয়া চাৰি বাজি চল্লিশ মিনিট সময় পাৰ হৈ গৈছে।

আবেলিটো সন্ধ্যা হ'বলৈ আৰম্ভ কৰিছে।

সি প্ৰবেশ কৰা ঠাইখিনিতো সন্ধ্যাৰ বিষন্ন ছাঁ।

প্ৰবেশ কৰিয়েই অৰুণাভে দেখিলে এন্ধাৰবোৰে বিজুলীবাতিৰ পোহৰৰ উৎপীড়নত অতীষ্ঠ হৈ লুকাবলৈ ঠাই বিচাৰি ফুৰিছে। এন্ধাৰৰ মিছিলৰ মাজত অৰুণাভ। অৰুণাভ এন্ধাৰ নহয়। খুউব বেচি সি এটুকুৰা নিস্প্ৰভ পোহৰ।

তাৰ একমাত্ৰ চিন্তা হ'ল সি ক'ত লুকাব ?

বিজুলীৰ পোহৰত সি ক'তেইবা লকাব ??

## ॥ দুই ॥

: বিজুলীৰ পোহৰত মই লুকাই থাকিব নোৱাৰোঁ। লুকাই থাকিব নোৱাৰে মোৰ আত্মা, মোৰ সত্বা, মোৰ মনৰ মানুহজনী। তথাপিও এই কৃত্ৰিম পোহৰবোৰ মোৰ অকণোকে ভাল নালাগে। মোৰ অসহ্য হৈ পৰে এই পোহৰ। তাতোকৈ আমি এন্ধাৰ বিচাৰোঁ। পোহৰতকৈ আমি এন্ধাৰ বেচি ভাল পাওঁ।

: তুমি কি কব বিচাৰিছা ?

সমুখৰ কফিৰ কাপত শীতল চুমা এটা আঁকিয়েই অৰুণাভে সুধিলে। তাৰ কাণত পৰিল কাষৰ কোঠাৰ মৃদু সঙ্গীতৰ ধ্বনি আৰু উচ্চ কণ্ঠত সামান্য হাঁহিৰ টুকুৰা। তাৰ ভাৱ হ'ল এইখন এখন অন্য পৃথিৱী। এইখন পৃথিৱীত এতিয়া অতৃপ্ত আত্মাৰ ক্ৰন্দনৰ ভিৰ। এইখন বদ্ধ পৃথিৱীত এতিয়া ৰহস্যৰ অভিসাৰ।

অৰুণাভ "ৰাত ভৰে বৃষ্টি"ৰ নয়নাংশু নহয়। সি নয়নাংশুৰ দৰে নিৰ্বোধ নহয়। এনে এক অন্ধকাৰ উপপথত প্ৰবেশ কৰিলেও সি নয়নাংশুৰ দৰে নিঃ-সঙ্কোচে স্বীকাৰ নকৰে "আমি বেশ বয়স্কভাৱ ধাৰণ কৰে তাকিয়া ঠেশ দিয়ে বসলুম, কিন্তু ভেবে পেলুম না এখন আমাৰ কি বলা উচিত বা কৰা উচিত। কাণেৰ মধ্যে পিঁ পিঁ আওৱাজ হ'তে লাগলো।" সি নয়নাংশুৰ দৰে বিমূঢ় হৈ পৰা নাই।

তথাপি সি ক্লান্তবোধ কৰিলে। কপালত বিৰিঙি উঠা ঘামৰ কণিকা মচি মচিয়েই অৰুণাভে আৱিষ্কাৰ কৰিলে যে তাৰ সমুখত এজনী ছোৱালী আছে। নিস্পন্দ তাইৰ স্থিতি। তাইৰ লনী মুখখনিলৈ সপ্ৰতিভ দৃষ্টিৰে চাই সি উৎকৰ্ণ হৈ ৰ'ল।

ছোৱালীজনীৰ গাত পাতল ৰঙাৰঙৰ শাড়ী। শ্লিভলেচ্ ব্লাউজ। মুখৰ দুই এটা অস্পষ্ট দাগে তাইৰ সৌন্দৰ্য্য অকণো হ্ৰাস কৰিব পৰা নাই। বৰঞ্চ তাইৰ মুখমণ্ডলত কিবা এটা স্বকীয় আবেদন আছে। অৰুণাভৰ দৃষ্টিত সি ধৰা দিছে।

: কি ক'লে ? মই কি কব বিচাৰিছোঁ ? মই কব বিচাৰিছোঁ আমি অলপ প্ৰশান্তি বিচাৰোঁ। কৃত্ৰিম পোহৰৰ মাজত থাকিও আমি অলপ নিস্তব্ধ তমিস্ৰা বিচাৰোঁ। আমাব নিৰাপত্তাৰ বাবে সেই এন্ধাৰ।

এই যে আমি যান্ত্ৰিক সংজ্ঞাবিলুপ্তিৰ আশ্ৰয় লওঁ খুউব নিঃসঙ্কোচে, তাত আমাৰ কোনো খেদ নাই। আমাৰ কোনো খেদ নাই।

আমাৰ খেদ আছে এইখিনিতেই যে আমাৰ প্ৰতি যান্ত্ৰিক সহানুভূতি দেখুওৱা লোকসকলে আমাক অতীতলৈ ঠেলি পঠিয়াব বিচাৰে। আমাক আমাৰ মাজৰ পৰা জগাই তুলিবলৈ চেষ্টা কৰি যায়। ফলত ? ফলত

আমাৰ বিবেক, আমাৰ মন ক্ষতবিক্ষত হৈ পৰে। আমি সেয়া নিবিচাৰোঁ। আমাৰ জীৱনৰ বাকী দিনকেইটা যিদৰে পাৰ হৈ গ'ল, আজিও সেইদৰেই হওঁক। কাষতে বাথৰূম আছে। প্লিজ তালৈ গৈ আহক। মোক মুক্তি দিয়ক।

ঃ ন'..ন'..ন' মই এইবোৰ একো বিচৰা নাই। মোক এইবোৰ একো নালাগে। মই মাথো এটা প্ৰশ্নৰ উত্তৰ বিচাৰিছোঁ। অ' কি নাম আছিল তোমাৰ? সপোনমাধুৰী পাল। বেচতো কাব্যিক নাম! মই তোমাক মাধুৰী বুলি মাতিম। চোৱা মাধুৰী, তুমি মোৰ প্ৰশ্নটিৰ উত্তৰ দিয়া। মই সুধিছিলোঁ তুমি... তুমি তোমাৰ যৌৱনটো কিয় অপচয় কৰিছা? যৌৱনৰ সোণোৱালী দিনবোৰ কিয়...কিয় নষ্ট কৰি দিছা?

ঃ বৰ ভয় লাগে। যৌৱন, জীৱন আদি শব্দবোৰ শুনিলেই মোৰ যে কি এক ভীতি সঞ্চাৰ হয়, মই বুজাব নোৱাৰোঁ। এই শব্দকেইটা শুনিলেই মই অনুভৱ কৰোঁ মোৰ বিবেক, মোৰ সত্বাত কেতবোৰ পোকৰ বিষক্ৰিয়া। এই দংশন মই নিবিচাৰোঁ। তাতোকৈ মই নিজকে পাহৰি থাকিব বিচাৰোঁ। বিস্মৃতিৰ অৰণ্যত লুকাই থাকিব বিচাৰোঁ। সেইবোৰ এতিয়া বাদ দিয়ক। বহুত পলম হৈ গ'ল। আপুনি আৰু কিবা বিচাৰে নেকি? মানে ধৰক, ওৱাইন। বিদেশী ওৱাইনৰ ফেনিল প্ৰবাহ। নাইটকুইন। হাৱাৰ্ড ব্ৰিৱাৰ্ডৰ গোলকুণ্ডা হুইস্কী। আপুনি কি বিচাৰে বাৰু?

ঃ মই সেইবোৰ একো নেজানোঁ। মই মাথো এটা কথাই জানো। মই আত্মবিস্মৃতি বিচাৰোঁ। মই আঁতৰি থাকিব বিচাৰোঁ। নিজৰ পৰা, পৃথিৱীৰ পৰা আঁতৰি থকাৰ নিষিদ্ধ তৃপ্তি মই বিচাৰোঁ। কোৱা, বিদেশী পণ্যৰ, কেৱল ড্ৰাইজীন, নাইট কুইনৰ ৰঙা-নীলা প্ৰবাহত যদি মোৰ আত্মবিস্মৃতি সম্ভৱ সেয়া মই বিচাৰোঁ।

অলপ সময়ৰ বিৰতিৰ পিচতেই অৰুণাভৰ সমুখৰ মেজত ৰঙীন বটল আৰু গিলাচৰ ঝঙ্কাৰ ধ্বনি শুনা গ'ল। এটা বুভুক্ষ প্ৰাণীয়ে আহাৰ গ্ৰহণ কৰাৰ দৰেই, অৰুণাভেও আথে বেথে সমুখৰ বটল খুলিব ধৰিলে। সি বটলৰ পৰা মদখিনি গিলাচত ঢালি লয়। তাৰ পিচত এটা বিশিষ্ট ভংগীৰে মুখত ঢালি দিয়ে। পুনৰ ঢালি লয় গিলাচত। তাৰ পিচত আকৌ বিশিষ্ট সেই ভংগীৰেই মুখত ঢালি দিয়ে।

এইদৰে সম্পূৰ্ণ পাচটা নীট্ পেগ্ গলাধঃকৰণ কৰি উঠি অৰুণাভ বৈ গ'ল। তাৰ পিচত এটা চিগাৰেট জ্বলাইলৈ সমুখৰ ফালে দৃষ্টি প্ৰসাৰিত কৰি দেখে তাৰ দৃষ্টিৰ অদূৰৰ নাৰীমূৰ্ত্তিটোৱে গতিলাভ কৰিছে। অলপ সময়ৰ বিৰতিৰ পিচতেই সি গম পালে যে তাৰ দৃষ্টি বিস্ময় বিস্ফোৰিত হৈছে। সৰৱে অনুভৱ কৰিলে সি যে তাৰ নিচাগ্ৰস্ত দেহ হিংস্ৰ হৈছে। তাৰ দেহলৈ মধুৰ ক্লান্তি নামি আহিছে। আৰু এক চেডিষ্ট আনন্দত তাৰ দেহ জিকাৰ খাই উঠিছে।

বিস্ময়েৰে অৰুণাভে লক্ষ্য কৰিলে যে তাৰ সমুখৰ নাৰী দেহ ক্ৰমে ক্ৰমে উন্মোচিত হৈ পৰিব ধৰিছে। বিচিত্ৰ শম্বৰ দৰে সেই নাৰীমূৰ্ত্তিৰ অংগ-বিলাক দৃষ্টিগোচৰ হ'ব ধৰিছে। তাত বিস্ময় জমা হৈছে। তাইৰ গভীৰ নাভীমূল, সুবিস্তৃত মসৃন উৰুদেশ তাৰ চকুৰ পোহৰত জিলিকি উঠিছে।

আৰু এটা সময়ত তাৰ শিৰা-উপশিৰা, তাৰ ধমনীৰ ৰক্তপ্ৰবাহৰ ত্বৰণ আৰম্ভ হৈছে।

কিন্তু তথাপিও সি বৈ আছে। তাৰ উত্তেজনা, তাৰ গতি-চঞ্চলতা সকলো যেন আড়ষ্ট হৈ বৈ গৈছে। সংযত অথচ আহত চেতনাৰে সি অনুভৱ কৰিলে তাৰ নিচাগ্ৰস্ত দেহ ক্ৰমে কামাৰ্ত হৈ পৰিব ধৰিছে! সি যেন এখন ৰহস্যৰ আয়নাত নিজৰ ছবিখন দেখিছে। এক গোপন আতংকত তাৰ সৰ্বশৰীৰ শিহঁৰি উঠিছে।

আৰু তিনি পেগ্মান মদ আথে-বেথে গলাধঃকৰণ কৰি অৰুণাভ ঢলি পৰিল।

সি স্পষ্টকৈ দেখিব পালে যে সপোনমাধুৰী নামৰ তাৰ সমুখৰ ছোৱালীজনী ক্ৰমে তাৰ অতি ওচৰলৈ আগবাঢ়ি আহিছে। তাৰ অনুভূতিত তাই সুবাস সিঁচি দিব বিচাৰিছে। তাইৰ গাঢ় কণ্ঠস্বৰ, তাইৰ নিবিড় বুলনি সকলোবোৰ অতি অৰ্থহীন যেন লাগিল অৰুণাভৰ।

আৰু এটা মুহূৰ্তত অৰুণাভে দেখিলে তাইৰ অসূৰ্য্যস্পৰ্শা জঘনৰ চকিত উন্মোচন। সেই উন্মোচনে তাৰ বিশেষ একো উত্তেজনাৰ জন্ম দিব নোৱাৰিলে।

পানীত পৰা মানুহৰ দৰে নিঃসহায়বোধ কৰিলে সি। চেতনা আৰু নিশ্চেতনাৰ মাজত সি উঠা-নমা কৰিব ধৰিলে। আৰু ঠিক যি মুহূৰ্তত পৃথিৱীখন স্থবিৰ হৈ ৰ'ল, অৰুণাভে দেখিলে এটা দৈত্যাকায় ড্ৰেগন। জিঘাংসাৰ চাহনিৰে তাৰ ওচৰলৈ ক্ৰমে আগবাঢ়ি আহিছে। তাৰ বিষবাষ্পৰ চাহনিয়ে তাক সন্ত্ৰস্ত কৰি দিছে। তাৰ ক্ৰুৰ, কুটিল দৃষ্টিৰ লগে লগেই অৰ্ধোন্মাদ অৱস্থাই গ্ৰাস কৰি ৰখা অৰুণাভৰ সমস্ত শৰীৰ বিদীৰ্ণ কৰি এটা ধ্বনিবিহীন, তপত ক্ৰোধ বৈ আহিল। তাৰ স্নায়ুবোৰ স্ফীত হৈ উঠিল। তাৰ পেশী আৰু মুঠিৰ ছুৰিকা কঠিন হ'ল। তাৰ খেদ, ক্ষোভ সকলো একাকাৰ হৈ পৰিল।

বটলৰ অৱশিষ্ট মদখিনি গিলাচত ঢালি লৈ একে-সোহাই গিলি পেলাই অৰুণাভে দৈত্যাকায় ড্ৰেগনৰ সতে আকৌ এবাৰ মুখ্যমুখি হ'ল। বাস্তৱ নামৰ সেই দৈত্যটোৰ ভীতিবহ, নিষ্ঠুৰ মুখখন অন্তিমবাৰৰ বাবে চাই লৈ যন্ত্ৰণাদায়ক ক্লান্তিৰ কোলাত অৰুণাভ বৰুৱা শুই পৰিল। লগে লগেই ক্ষন্তেকৰ বাবে শুই পৰিল তাৰ কল্পনা, তাৰ বাস্তৱৰ বীভৎস, বিবৰ্ণ স্বপ্নবোৰ।

॥ প্ৰস্তাৱনা ॥

"Those who have crossed
With direct eyes, to death's other kingdom
Remember us, if at all, not at lost
Violent souls, but only
as the hollow men
The stuffed men". : T.S. Eliot.

আঁতৰি থাকিবৰ বাবে, নিজৰ পৰা আঁতৰি থাকিবৰ বাবে, পৃথিৱীৰ পৰা আঁতৰি থাকিবৰ বাবে কৰা যান্ত্ৰিক প্ৰয়াসবোৰ সম্পূৰ্ণৰূপে ব্যৰ্থ হৈ যোৱাত অৰুণাভে জীৱনত প্ৰথমবাৰৰ বাবে এটা দীৰ্ঘশ্বাস এৰিলে। তাৰ ভিতৰৰ পৰা কোনোবাই যেন তীব্ৰ ব্যঙ্গৰ সুৰেৰে কৈ উঠিল—মল্লিকাৰ মুখৰ যি আবেগ-মণ্ডিত ভাৱসমৃদ্ধ সৌন্দৰ্য্যই তাক বিগত দিনকেইটা বিমুগ্ধ কৰি ৰাখিছিল, তাৰ আয়ুস বৰ কম আছিল। তাৰ পিচতেই বিষন্ন সন্ধ্যাৰ এন্ধাৰ নামি আহিব। আৰু সেই এন্ধাৰে ধীৰে ধীৰে মল্লিকাৰ হৃদয়ৰ অপাৰ্থিৱ সৌন্দৰ্য্য গ্ৰাস কৰি পেলাব। এতিয়া সি যি মল্লিকাক লগ পাব, তাইৰ মুখত পূৰ্বৰ সেই মায়াময় সৌন্দৰ্য্য নাথাকিব। এইখন সংসাৰৰ প্ৰাত্যহিক তুচ্ছতাই এক দস্যুৰ হিংস্ৰতাৰে সেই সৌন্দৰ্য্য অপহৰণ কৰি পেলাব। কেৱল থাকিব তাৰ অৱশিষ্ট ধোঁৱা আৰু ছাঁই।

আৰু তেতিয়া ?

জীৱন আৰু জীৱন হৈ নাথাকিব।

জীৱনৰ অৰ্থ হেৰাই যাব।

ই হৈ পৰিব এটা ক্লান্ত ফছিল।

নিজকে এটা ক্লান্ত ফছিলৰ লগত তুলনা কৰি অৰুণাভে ভাবিলে যে সিহঁতৰ জীৱনৰ এখন ইতিহাস ইতিমধ্যে পূৰি শেষ হৈ গৈছে। অনাগত জীৱনৰ অঙ্গীকাৰসমূহ শেষ হৈ গৈছে। সিহঁতৰ জীৱন এটা ফ্ৰিজশূত পৰিণত হৈছে।

অন্ধকাৰ কোঠাটোত বহি বহি তাৰ অনুভৱ হ'ল সন্ধ্যাটো নিশা হ'বলৈ আৰম্ভ কৰিছে। কিন্তু... জ্বলি উঠিল কোঠাৰ লাইট।

লাইটৰ পোহৰত অৰুণাভে দেখিলে ভনীয়েক ৰঞ্জিতা। অৰুণাভৰ ওচৰলৈকে অহাৰ আগমুহূৰ্ত-লৈকে ৰঞ্জিতাই ভাবি আহিছিল যে নিজকে খুব বেচি উৎফুল্ল যেন দেখুৱাই ককায়েকৰ দুঃখ-বেদনাবোৰ নোহোৱা কৰি দিব। তাই নীৰৱ ভাষাৰে বুজাব যে বেচি ভাবি-চিন্তি উদ্বাস্ত হৈ পৰাৰ কোনো মানে নাই। যি হৈ গ'ল, তাক আৰু নোহোৱা কৰিবৰ উপায় নাই।

: ককাইদেউ। তই এন্ধাৰতে বহি আছ ?

অৰুণাভৰ দৰেই যোৱা কেইদিনৰ ঘটনাই ৰঞ্জি-তাকো ব্যথিতা কৰি তুলিছে। যোৱা দুবছৰৰ ঘটনাৰ সৈতে তাইৰ পৰিচয় আছে। অৰুণাভ-মল্লিকাৰ সম্বন্ধত তাইৰ ভূমিকা আছে। সেই ভূমিকাৰ ম্ৰিয়মান পৰিণতিত তাই গভীৰ আঘাত পাইছে। সেয়েহে যোৱা কেইদিন তাই বেদনাৰ চকুলোঁ টুকিছে। নীৰৱে অশ্ৰুপাত কৰিছে।

ককায়েকক খুব নিঃসঙ্গ হৈ থকা দেখি ৰঞ্জিতাই ভাবিলে যে এই সময়ত একো নোকোৱাই ভাল। এই নিঃসঙ্গতাই কাম্য এতিয়া। নিঃসঙ্গতাৰো ভাষা আছে।

তাই মাথো জানিব আহিছিল মল্লিকাৰ শেহতীয়া খবৰ ককায়েকে জানেনে ? তাইৰ শেহতীয়া চিঠি ককায়েকৰ হাতত আছেনে ?

আছে।

মল্লিকাৰ শেহতীয়া চিঠি অৰুণাভে পাইছে।

চিঠিত মল্লিকাই লিখিছিল : মই একো পথেই বিচাৰি পোৱা নাই। মোৰ সমুখত কোনো পথেই যে নাই। দুদিন আগলৈকে মই তোমাৰ প্ৰেয়সী আছিলোঁ। মই তোমাৰ সঙ্গিনী আছিলোঁ। মই তোমাৰ কি নাছিলোঁ ?

কিন্তু এতিয়া ?

এতিয়া মই কি হৈ গ'লোঁ ? সোণ মোৰ, কান্দি কান্দি ভাগৰি পৰিছোঁ মই। মই কাৰো পৰা শান্ত্বনা বিচৰা নাই। মোক বিশ্বাস কৰা মই আৰু জীয়াই থকা নাই। তোমাৰ জন্মৰ লগে লগেই যে মোৰ মৃত্যু হৈ গৈছে। মই হেৰাই গৈছোঁ। যাক বাস্তৱ বুলি ভাবিছিলোঁ, সেয়া আচলতে অতীত। সেই অতীত তুমি পাহৰি যোৱা। সম্পূৰ্ণৰূপে পাহৰি যোৱা। সেই অতীত ভুল। মোৰ ভুল হৈছিল। মই ভুল কৰিছিলোঁ সোণ। মই ডাঙৰ ভুল কৰি-ছিলোঁ।

বাস্তৱটোৰ সতে সহজ হ'ব লগা হোৱাত বৰ কষ্ট পাইছোঁ। চোৱা, যোৱা কেইদিন বৰ চিন্তিত হৈ পৰিছোঁ। মই তোমাক কৈয়েই পেলাইছোঁ যে

মোৰ নিজৰ কথাত একো বাধ্য-বাধকতা থকাৰ প্ৰশ্ন নুঠে। মই তোমাৰ ওচৰত ময়েই হৈ থাকিব বিচাৰিছিলোঁ। তাৰ কাৰণেই মই সঙ্গ বিচাৰিছিলোঁ। সঙ্গ মই পাইছিলোঁ। সেই সঙ্গ এতিয়া হেৰাই যাব ধৰিছে। সঙ্গ ঠিক নহয়, মই হেৰাই যাব ধৰিছোঁ। মই নিজেই হেৰাই যাব ধৰিছোঁ।

তোমাৰ ফটোখন সমুখত ৰাখি মই বাৰে বাৰে কান্দি উঠিছোঁ। মই বাৰে বাৰে ভয় খাই উঠিছোঁ।

মই বাৰে বাৰে চেষ্টা কৰিছোঁ এই প্ৰাণান্তকৰ বেদনাৰ পৰা মুক্ত হ'বলৈ। যিমানেই চেষ্টা কৰিছোঁ, সিমানেই যেন অক্টোপাচৰ বান্ধোনত সোমাই পৰিছোঁ।

তোমাৰ নিৰ্দোষ হৃদয় নিৰ্দোষ হৈয়ে থাকক। মই আঘাত দিব নিবিচাৰোঁ। তোমাক আঘাত দিয়াৰ কোনো অধিকাৰ মোৰ নাই। নাছিল। সম্প্ৰতি সেই কথা একেবাৰে ভবা নাই মই।

মই মাথো ভাবিছোঁ অনাগত দিনকেইটা মোৰ বাবে সহনীয় হৈ পৰিব নে নাই। সময়বোৰ মোৰ বাবে বৰ অসহ্য হৈছে। বৰ অসহ্য হৈছে।

মোৰ সহজাত বুদ্ধি, মোৰ স্বাৰ্থপৰতা সকলো বৰ বেয়াকৈ পৰাভূত হৈ গৈছে।

মোৰ সোণৰ খাৰুত জুই লাগি গৈছে। মই অতীত হৈ গৈছোঁ। মোক ক্ষমা কৰি দিয়া সোণ। তোমাৰ মল্লিকাক ক্ষমা কৰি দিয়া।

: তুমি কিয় এনে কৰিলা? কিয় কিয়?

অৰুণাভৰ হাতৰপৰা মল্লিকাৰ চিঠিখন সৰি পৰিল। তাৰ কণ্ঠৰপৰা অস্ফুট ধ্বনিৰে কেতবোৰ খেদ, ক্ষোভৰ টুকুৰা বাগৰি আহিব ধৰিলে।

এটা সময়ত অৰুণাভে চকু দুটা মুদি দিলে। তাৰ পাচত এটা দীঘলীয়া উশাহ টানি মুখখন ঘূৰাই সেই ফাললৈ চাব যত্ন কৰিলে যিফালে তাৰ চেনেহৰ মাকৰ বিৰাট পৰট্ৰেটখন আঁৰি থোৱা আছে।

তাৰ কাষৰপৰা নিঃশব্দে, নীৰৱে ৰজিতাও এটা সময়ত আঁতৰি গ'ল। তাই বুজিলে যে এই সময়ত ককায়েকৰ স'তে কথা নোকোৱাটোৱে ভাল।

শূন্য ঘৰটোৰ চাৰিওফালে চকু দি অৰুণাভে কিছু সময় নীৰৱে ৰ'ল। তাৰ পিচত ক'ব নোৱাৰাকৈয়ে তাৰ দুচকু ভৰি পৰিল। চকু পানীখিনি মচি উঠি সি আকৌ এবাৰ কোঠাৰ চাৰিওফালে দৃষ্টি প্ৰসাৰিত কৰি দিলে। এক আচৰিত অৱসাদ আৰু ক্লান্তিয়ে তাৰ দেহৰ কোঁহে কোঁহে সোমাই তাক যেন দুৰ্বল কৰি পেলাইছে। দুচকু মুদি একো নভবাকৈ অৰুণাভ বহি ৰ'ল।

তাৰ খুউব ভাগৰ লাগিছে। যোৱা কেইদিন সি অকণো শুব পৰা নাই। এক সীমাহীন বেদনাৰ ভাৰে তাক অত্যাচাৰ কৰি গৈছে। তাক কোবাই গৈছে।

ফলস্বৰূপে?

সি বিদেশী পৰ্য্যত বিস্মৃতি বিচাৰিছে। সময়বোৰ কটাবৰ বাবে নিস্তব্ধ আবাস বিচাৰিছে। সম্পূৰ্ণৰূপে নিজকে পাহৰি থাকিবৰ বাবে অহৰ্নিশে চেষ্টা কৰি গৈছে।

তাৰ মোহমুক্তিৰবাবে উপায় সন্ধান কৰিছে। তাৰ বিভ্ৰান্তিৰ পৰা মুক্তিলাভৰবাবে বিকল্প পথৰ সন্ধান কৰিছে।



ঈশ্বৰৰ সতে মুখামুখি হ'বৰ বাবে উৰাউল হৈ পৰিছে। কোনো এক ঈশ্বৰবিমুখী Existentialist ৰ দৰে ঈশ্বৰক প্ৰত্যাহ্বান জনাব বিচাৰিছে। এটা ঈশ্বৰৰ প্ৰয়োজনীয়তা বাৰে বাৰে অনুভৱ কৰিছে। ঈশ্বৰৰো সাময়িক প্ৰয়োজন আছে। এই কথা বাৰম্বাৰ তাৰ মনলৈ আহিছে। আৰু সি বাৰে বাৰে বৈ গৈছে। তাৰ স্বপ্ন, তাৰ স্মৃতি তাৰ বাস্তৱে কেতবোৰ মস্তাজ্ শ্বটৰ দৰে শোভাযাত্ৰা কৰি বাগৰি আহিছে। কালান্তৰৰ আবদাৰ, ধ্বনি সকলো চাউণ্ড-ট্ৰেকৰ দৰে তাৰ মনলৈ আহিছে।

আৰু স্পষ্টৰপৰা স্পষ্টতৰ হৈ পৰিছে এখন মুখ। মুখখন মল্লিকা শইকীয়াৰ।

পলে-পলে স্মৃতিলৈ আহিছে এজনী ছোৱালীৰ কথা। মল্লিকা শইকীয়াৰ কথা।

## ॥ মল্লিকা শইকীয়া ॥

''Thou hast neither heat, affection
Limb, nor beauty,
To make thy riches pleasant......

মই কোন ?
মোৰ পৰিচয় কি ??

এইবোৰ প্ৰশ্ন মোৰ বাবে বৰ প্ৰয়োজনীয় বুলি নাভাবোঁ। মোৰ জন্মৰেপৰা মোক ঘৰত মীনা বুলি মাতিছিল। ঘৰৰ ওচৰ-চুবুৰীয়া, আত্মীয়-কুটুম্ব সকলোৱে মোক সেই নামেৰেই জানে। সেই নামেৰেই মাতে।

অলপ ডাঙৰ হৈ অহাৰ পিচত এদিন মোক পঢ়াশালিত নাম ভৰ্তি কৰি দিলে। তেতিয়াৰপৰা মোৰ নাম হ'ল মল্লিকা। ঘৰৰ মানুহে কিন্তু মোক মীনা বুলিয়েই মাতি থাকিব ধৰিলে। আচলতে কব গ'লে মল্লিকা বুলি মাতিলে মোৰ অন্য কাৰোবাক মতা যেনহে লাগে। সেয়েহে মোক মীনা বুলি মাতিলেই বেচি ভাল পাওঁ।

মোৰ বয়সৰ ছোৱালী মাত্ৰেই নিজৰ দৈহিক সৌন্দৰ্য্যৰ প্ৰতি সচেতন হৈ পৰে নে নাই, সেই কথা মই নাজানো। মই কিন্তু মোৰ ৰূপ-সৌন্দৰ্য্যৰ বিষয় সম্পূৰ্ণ সজাগ। দুই চাৰিজনে কোৱাকুই কৰা মোৰ কাণত পৰিছে যে মোৰ ৰূপ-সৌন্দৰ্য্য আছে। মোৰ দৈহিক সৌন্দৰ্য্য থকা বাবে মোৰ অলপ গৰ্বও নোহোৱা নহয়। মোৰ ৰূপ, মোৰ সৌন্দৰ্য্য কেৱল মোৰ বাবে। অন্ততঃ মই সেই বুলিয়েই ভাবোঁ।

মোৰ দেউতা প্ৰজ্ঞানন্দন শইকীয়া এজনা চৰকাৰী উচ্চ-পদস্থ বিষয়া। আমাক চহকী বুলি কলেও ভুল কৰা নহয়। দেউতাৰ অন্য কিবাকিবি উপাৰ্জনৰ পথো আছে। গোটেইবাৰ লেখ দিব মই নোৱাৰোঁ আৰু সম্প্ৰতি সেই কথা থ'ক বাৰু।

আমাৰ অঞ্চলটোত অৰ্থাৎ যিটো অঞ্চলৰ মূলতঃ আমি বাসিন্দা দেউতাৰ নাম আছে। অঞ্চলৰ সৰহভাগ মানুহে দেউতাক সমীহ কৰি চলে। আমাৰ অঞ্চলৰ পৰা সঁজাতীদল আহিলে, পোনতে দেউতাক লগ ধৰে দেউতাৰ পৰামৰ্শ-পাতি গ্ৰহণ কৰে। এক কথাত ক'ব গ'লে, দেউতা আমাৰ অঞ্চলৰ এজন প্ৰয়োজনীয় মানুহ।

দেউতাহঁত চহৰলৈ উঠি আহি চহৰতে নিগাজীকৈ থাকিব লগা হ'ল। মোৰ জন্মওঁ চহৰতে।

আমি চহৰৰ বাসিন্দা হলেও দেউতাৰ গ্ৰাম্য-মানসৰ সৈতে পৰিচয় নোহোৱা হৈ নগ'ল। জন-সংযোগ নোহোৱা হৈ নগ'ল। গাঁৱৰ পৰা নেতৃত্ব বিচাৰি অহা যুৱকৰ দল, কৃষক শ্ৰেণীৰ প্ৰতিনিধি আদি প্ৰায়ে মই দেখোঁ। এই মানুহবোৰে দেউতাৰ সতে ঘণ্টাৰ পিচত ঘণ্টা ধৰি কথা পাতে। বিভিন্ন সমস্যাৰ কথা। কিছুমান সমষ্টিগত। আন কিছুমান ব্যক্তিগত। এই সমস্যাবোৰৰ কিবা চৰিত্ৰ আছেনে নাই, মোৰ কোনো ধাৰণা নাই। কিন্তু মোৰ সন্দেহ হয়, এই মানুহবোৰেই গ্ৰাম্য মানসৰ বাৰ্তাবাহী হয়নে নহয়।

আমাৰ ঘৰখন বৰ সৰু নহয়। মোৰ দেউতা, মোৰ দেউতাৰ দ্বিতীয় পত্নী মোৰ মাহীমা, মোৰ ভনী লীনা আৰু ভাইটি ৰঞ্জু আৰু মণ্টু।

ইয়াৰ বাহিৰেও ৰান্ধনি বামুণ-ঠাকুৰ আৰু কাঞ্চা আছেই। সদায়ে ঘৰখনত আলহীৰ উপৰি আলহী। ইমান বেচি হৈ-চৈ মোৰ অকণো ভাল নালাগে। আচলতে মই এটা নিৰিবিলি পৰিবেশহে বিচাৰোঁ। মইনো নিৰ্জনতা কিয় ভাল পোৱা হ'লোঁ নাজানোঁ। ই মোৰ জন্মগত প্ৰকৃতি নে পৰিবেশৰ সৃষ্টি মই স্পষ্টকৈ কব নোৱাৰোঁ। সকলো চাৰিত্ৰিক কথাই যে জন্মগত প্ৰকৃতিয়েই হ'ব লাগে, তাৰ কিবা মানে আছে জানো ? ইয়াৰ উত্তৰ মোৰ ওচৰত নাই। মই মাথো জানো—মই নিৰ্জনতা ভাল ভাওঁ।

মোৰ মাৰ যেতিয়া মৃত্যু হয়, তেতিয়া মোৰ বয়স নিচেই কম। প্ৰায় বাৰ বছৰমানহে হ'ব।

দেউতাৰ দ্বিতীয় বিবাহ।
মোৰ মাহীমাৰ আগমন।

ভনী লীনা আৰু ভাইটি ৰঞ্জুও খুব সৰু। নাবালক। মাৰ স্মৃতি যিমানদূৰ মনত পৰে, তাৰ পৰা মই ক'ব পাৰোঁ যে মোৰ মা খুব গম্ভীৰ প্ৰকৃতিৰ তিৰোতা আছিল।

সেই মাৰ এদিন মৃত্যু হ'ল।

আমি মাৰ পৰা সম্পূৰ্ণ মৰম আস্বাদন লাভ কৰিব নোপাওঁতেই মা আঁতৰি গ'ল।

মোৰ মাহী আই অহাৰ পিচৰপৰা মোৰ মনৰ অলপ পৰিবৰ্তন ঘটিব ধৰিলে। কিয় জানো মই আগতকৈ অলপ গম্ভীৰ হ'ব শিকিলোঁ।

মোৰ মাৰ স্মৃতিয়ে, মোৰ মাৰ অসম্পূৰ্ণ জীৱনৰ স্মৃতিয়ে মোক গম্ভীৰ কৰি তুলিলে।

মোৰ মাহী আইক, মই মা নোবোলোঁ। কিয় নোবোলোঁ নাজানো। হয়তো মোৰ মাৰ স্থান, মাহী আয়ে পূৰণ কৰিব পৰা নাই। মোৰ মাহী-আইক মা বুলি মাতিবলৈ মোক কোনেও শিকোৱা নাই।

দেউতা মোৰ দেউতা হয়নে নাই, এই কথা মই নাজানোঁ। অইন কোনোবাই জানে যদিও কোৱা নাই।

দেউতাই কিন্তু মোৰ একো অভাৱ অসুবিধাকে সহ্য কৰিব নোৱাৰিছিল। মোৰ সকলো কথাতে চকু দিছিল। আৰু মোৰ মাৰ স্মৃতিয়ে যাতে মোৰ মন বেদনাৰে ভৰাই ৰাখিব নোৱাৰে, তাৰ বাবে সম্ভৱ সকলো ব্যৱস্থাই লৈছিল।

মই বৰকৈ কথা-বাৰ্তা কোৱা ছোৱালী নহয়। বেছিভাগ সময় কিতাপ-পত্ৰ পঢ়ি কটাই দিওঁ। লগৰ ছোৱালীবোৰৰ সৈতে ফুৰা-চকা কৰি সময় কটোৱা মোৰ স্বভাৱৰ বিৰুদ্ধ কথা। সেয়েহে ওচৰৰ ছোৱালী-বোৰ মোৰ ওচৰলৈ প্ৰায়েই নাহে, প্ৰায়ে আঁতৰি থাকে। যেতিয়াই মোৰ মাহী-আই আমাৰ জীৱনলৈ আহিল, ঠিক তেতিয়াৰ পৰাই মোৰ মালৈ বেছি মনত পৰিবলৈ ধৰিলে। প্ৰায়েই মোৰ মাৰ কথা মোৰ মনত পৰি বেয়া লগা হ'ল।

তাৰ পিচত এদিন মণ্টুৰ জন্ম হ'ল।

মোৰ দেউতাৰ দ্বিতীয় বিবাহৰ স্বাক্ষৰ।

এটা কথা স্বীকাৰ কৰিবলৈ মোৰ অকণো সঙ্কোচ, অকণো দ্বিধাৰ-ভাৱ নাহে যে মোৰ দেউতাৰ দ্বিতীয় বিবাহৰ পৰাই মোৰ জীৱনৰ গতি সলনি হৈ গ'ল।

মোৰ মাহী-আইৰ আগমনৰ পিচৰ পৰাই মোৰ পুৰণি জীৱনটোৰ সৈতে এটা সম্পৰ্কৰ ইতি পৰাৰ দৰেই হ'ল। আৰু মই নতুন জীৱন এটালৈ উভটি আহিলোঁ।

মাহী-আই অহাৰ পিচৰেপৰা আমি আৱিস্কাৰ কৰিলোঁ যে আমাক অইন এটা কোঠাত অকলশৰে শুবলৈ দিয়া হৈছে।

ইয়াৰ আগলৈকে আমি দেউতাৰ সৈতে একেটা কোঠাতে শুব পাৰিছিলোঁ।

ঠিক তেতিয়াৰ পৰা মই কেতবোৰ দৃশ্যৰপৰা ভয় পোৱা হলোঁ।

মোৰ দেহত, মোৰ মনত কিবা এক নামহীন ভীতিৰ জন্ম হ'ল।

কি যে, কল্পনাবোৰ কৰা হলোঁ মই। এটা দৈত্যই মোৰ পিনে চাই আছে। প্ৰসাৰিত তাৰ হাত দুখন মোৰ পিনে শেলৰ দৰে আগবাঢ়ি আহিছে। আৰু মই ভয়াৰ্ত বেদনাত চীৎকাৰ কৰি উঠোঁ। মোৰ চিঞৰত দেউতা উঠি আহে। মোক আশ্বস্ত কৰি, মোক নিৰা-পত্তাৰ বাণী শুনাই দেউতা এটা সময়ত উভটি যায়।

আমাৰ খিৰিকীৰে দেখা পাওঁ বোগেনভিলা জোপা কঁপি আছে বতাহত। লগে লগে দেখা পাওঁ জোনাকত বোগেনভিলাৰ ছাঁয়াই কিছুমান মুখ হৈ জিলিকিছে।

লাইটটো অফ কৰি দেউতা গুচি যায়। মই শুই থাকিবলৈ চেষ্টা কৰি যাওঁ। মই বাৰে বাৰে চেষ্টা কৰি যাওঁ মোৰ মনৰ পৰা সমস্ত ভয়, দুখ, খং, অভিমান নাইকিয়া কৰি দিবলৈ। মোৰ মনটো অনুভূতিশূন্য হৈ পৰক। মই কামনা কৰোঁ।

* * *

লাহে লাহে মই আৰু এটা কথা আবিস্কাৰ কৰিলোঁ যে মোৰ উপস্থিতি, মোৰ অস্তিত্ব দেউতাই বৰ সহজভাৱে লব পৰা নাই।

মোৰ তেতিয়াই সন্দেহ ধনীভূত হয়।

মোৰ তেতিয়াই ভয় হয়, মই মই হওঁনে নাই।

মোৰ আৰু বহুত কিবাকিবি সন্দেহেৰে মনটো ভৰি পৰে।

মই ভাবিবলৈ লওঁ মই দেউতাৰ জীৱনৰ এনে এক বেদনাৰ অতীতৰ স্বাক্ষৰ নেকি যাৰ অস্তিত্ব কেতিয়াও কামনা কৰা নহয়।

মোৰ সন্দেহ হয় মোৰ বাৰু দেউতাৰ সতে তেজৰ সম্পৰ্ক আছেনে নাই।

আৰু সবাতোকৈ আচৰিত কথা মোৰ বয়স হঠাতে কেইবাবছৰো বাঢ়ি যোৱা যেন পাইছিলোঁ। মই যেন নিজৰ প্ৰতিয়েই সহজ হ'ব পৰা নাই।

'হেমলেট' নামৰ আচহুৱা চৰিত্ৰটোৰ দৰেই মোৰ কিছুমান সন্দেহ আহিব ধৰিলে। বীজাণুৰ দৰে এই সন্দেহবোৰ মোৰ হৃদয়ত জমা হ'ব ধৰিলে!

মোৰ দেউতাই বাৰু মাৰ মৃত্যুৰ মাত্ৰ দুবছৰৰ ভিতৰতে অন্য এজনী তিৰোতা বিয়া কৰিবলৈ আগ-বাঢ়িলে কিয়? মাৰ প্ৰতি মাৰ স্মৃতিৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি দেউতাইতো কেইবছৰমানৰ বাবে পত্নী নোহোৱাকৈয়ো থাকিব পাৰিলেহেঁতেন।

কিয়? কিয় নোৱাৰিলে ??

সম্প্ৰতি এইবোৰ ভাৱৰ মই মুখামুখি হ'ব নিবি-চাৰোঁ। মোক অলপ বতাহ লাগে। মই অলপ শান্তিৰে উশাহ লব বিচাৰোঁ।

## ॥ প্ৰজ্ঞানন্দন শইকীয়া ॥

(১)

"The heart-ache and the thousand
Natural shocks,
That flesh is heir to, it is a
consummation
Devoutly to be wish'd.
To die, to sleep."

পৃথিবীত মই মানুহ দেখিবলৈ পোৱা নাই।

মোৰ চাৰিওফালে যেন কিছুমান যন্ত্ৰ।

যন্ত্ৰই দুখ-সুখ নুবুজে।

মই ভাবোঁ মোৰ ভুল হোৱা নাই। মোৰ বিশ্বাস, মোৰ অসুখী মনটোৰ বাবে মোৰ কল্পনাবোৰ দায়ী নহয়। হ'ব নোৱাৰে।

সমাজৰ চাৰিওফালে কেৱল বিশ্বাস ভঙ্গৰ বেদনা, কেৱল বেদনা, ক'তো শান্তনা নাই, বিশ্বাস নাই, চব ফেইথলেচ্। মোৰ চাৰিওফালে দুৰ্নীতিৰ বিষ-বাষ্প, সংশয় আৰু শঙ্কাৰ ধোঁৱা। শ্বাসৰোধী আৱহাৱা।

আজীৱন সততা ৰক্ষা কৰি যিটো জীৱনত মই একো নাপালোঁগৈ, সেই জীৱনৰ সেই সততাৰ কি মানে থাকিল ? ওৰে জীৱন বিশ্বাস আৰু সহায়-তাৰ জৰীৰে আনক বান্ধি ৰাখিব খুজি নিজৰ জীৱ-নত কি পালোঁ ? মই জীৱনত কিয়েইবা পালোঁ ?

মোৰ নাম প্ৰজ্ঞানন্দন শইকীয়া।

মই এজনা পুৰণি চৰকাৰী বিষয়া।

জীৱনৰ বিগত দিন কেইটাত মই কি পালোঁ, কি নাপালো মোৰ ভাবি চাবৰ মন গৈছে। মোৰ উভটি যাবৰ মন গৈছে পুৰণি দিনবোৰলৈ। মই প্ৰজ্ঞানন্দন শইকীয়াই আজি বিশটা বসন্তৰ আগৰ প্ৰজ্ঞানন্দন শইকীয়া হৈ যাম। মোৰ জীৱনৰ সোণো-ৱালী দিনবোৰলৈ উভটি যাব খুজি মোৰ বাৰে বাৰে সঙ্কোচৰ প্ৰৱণতা আহিছে। যেন অতীতৰ স্মৃতিৰ মাজত মোৰ অন্য কিবা ছবিহে লুকাই আছে। তথা-পিও মই উভটি যাবই লাগিব।

সাধাৰণ, অবিচিত্ৰ এক জীৱনৰ অধ্যায়ৰ পৰি-সমাপ্তিৰ পিচত মোৰ বিয়া।

মোৰ জীৱনৰ উল্লেখযোগ্য কাৰ্য্যসূচী। মোৰ বিয়াখন মোৰ ওপৰতে নিৰ্ভৰ কৰিছিল অধিক। তথাপি দেউতাহঁতৰ অনুমোদন মই বিচাৰিছিলোঁ। কিন্তু যিহেতু আমাৰ ঘৰখন পুৰণি সংস্কাৰৰ শৃঙ্খলৰ দ্বাৰা বান্ধ খাই আছিল, সেয়েহে মই মা-দেউতাৰ কথাকে সমীহ কৰি চলিব লাগে বুলি ভাবিছিলোঁ। মোৰ ফালৰপৰা তেনেকুৱা সংস্কাৰ একো নাছিল প্ৰাচীনতাই বিনা কাৰণত মোক আকৰ্ষণ কৰিব নোৱাৰে। অন্ততঃ মই সেইদৰেই ভাবোঁ।

মোৰ বিয়া হৈ গ'ল অপেক্ষাকৃতভাৱে আড়ম্বৰ-পূৰ্ণভাৱে।

(২)

সুমিতা মোৰ পত্নী হ'ল। সুমিতাৰ সৈতে এটা দীঘলীয়া জীৱন কটাবৰ বাবে মই মানসিক প্ৰস্তুতি গোটালোঁ।

মই ভাবিলোঁ যে আমাৰ জীৱনৰ সমস্ত পূৰ্ণতা এই বৈবাহিক জীৱনেই আনি দিব।

সেইদৰে ভবাৰ কাৰণো আছিল। কাৰণ আছিল এইটোৱে যে দৰ্শনৰ বৃদ্ধ অধ্যাপক সুদৰ্শন বৰাৰ উচ্চশিক্ষিতা দুহিতা সুমিতা বৰাৰ প্ৰয়োজনীয় সকলো বৈশিষ্টটাই আছে। উচ্চশিক্ষাই দিয়া এটা ভাল মন আছে। মধ্যবিত্ত আভিজাত্যই দিয়া গৰ্ব আছে। সচা অৰ্থত এটা ৰুচিবোধ আছে। শালীনতা আছে।

সেয়েহে সুমিতা বৰাক মোৰ ভাল লাগিল। আৰু এদিন আমাৰ ঘৰখন আলোকেৰে জ্বলমল হ'ল। উৰুলিৰ বিক্ষুদ্ধ ধ্বনি, জাত-জাত নাম, অৰ্থ-হীন কোলাহল আৰু নামহীন ব্যস্ততাৰে মুখৰ হৈ পৰিল আমাৰ ঘৰ। আমাৰ পদুলি।

বিভিন্ন মানুহৰ ব্যস্ত অহা-যোৱা মোৰ চকুত পৰিল। মানুহৰ কোৰ্হাল, ডেকা-গাভৰুৰ অহা-যোৱা সকলোৱে ঘোষণা কৰি থাকিল প্ৰজ্ঞানন্দন শইকীয়াৰ বিয়াৰ বাতৰি। কোনোখন গাড়ী পদুলিৰ মুখত ৰৈছে। পুনৰ আঁতৰি গৈছে। ৰঙ-বিৰঙৰ পোছাক, হাঁহি, উচ্চৰোল; বিভিন্ন মুখবোৰ মোৰ চকুত ধৰা দিলে আনন্দৰ একো একোটা উচ্ছল ফোৱাৰাৰূপে। চিগাৰেটৰ ধোঁৱা আৰু আম কাঠৰ ধোঁৱা শূন্যতাত মিলি গৈছে। জুই জ্বলিছে দপ্দপ্কৈ। আৰু সেই জুইৰ চৌপাশে ঘূৰি আছে সুমিতা বৰা।

সুমিতা বৰা সুমিতা শইকীয়া হোৱাৰ প্ৰস্তুতি। এটা কথা ভাবি মোৰ অলপ ভাল লাগিল। এই যে উল্লাস, বিচিত্ৰতা, হাঁহিৰ সমাৰোহ সকলোবোৰৰে উপলক্ষ্য মই।

এটা সময়ত মই বিবাহৰ বেদীৰ ওচৰলৈ আগ-বাঢ়ি গ'লো।

সুমিতা ঘূৰিছে। জুই একুৰাৰ চাৰিওকাষে সুমিতাই প্ৰদক্ষিণ কৰি আছে। বাৰে বাৰে।

মোৰ বৰ ইচ্ছা হৈছে সুমিতাৰ মুখখন চাবলৈ। মোৰ ইচ্ছা হৈছে সুমিতাৰ ৰূপ-সৌন্দৰ্য্য চাই লবলৈ।

বিভিন্ন ঋতুত আকাশৰ ভিন্ ভিন্ ৰঙ। সুমি-

তাৰ অধ্যয়নজনিত গম্ভীৰ মুখখনৰ কি ৰূপ হৈছে, মোৰ এবাৰ চাই লবলৈ বৰ ইচ্ছা হৈছে। জুইৰ পোহৰত তাইৰ আনন্দোচ্ছল মুখমণ্ডলে কি অভি-ব্যক্তি পৰিগ্ৰহণ কৰিছে এবাৰ চাই লবলৈ তীব্ৰ হেঁপাহ মোৰ হৈছে ।

হয়তো অগ্নিৰ উত্তাপত সুমিতাৰ মুখে ৰঙচুৰা ৰূপ ধাৰণ কৰিছে । হয়তো উপবাসক্লিষ্ট মুখত ক্লান্তি টোপাটোপে জমা হৈছে । সেই মুখৰ সেই অভিব্যক্তি এবাৰ মাত্ৰ দৰ্শনৰ বাবে মোৰ মন অতিশয় উদ্‌বাউল হৈ পৰিল ।

আমি ঘূৰিছোঁ। সুমিতা আৰু মই চাদৰৰ গাঁথি বান্ধি ঘূৰি আছোঁ । সুমিতাৰ কণ্ঠ নিঃসৃত ধ্বনিহীন শব্দবোৰ মই বাৰে বাৰে উৎকৰ্ণ হৈ শুনি গৈছোঁ ৰাতি ক্ৰমে আগবাঢ়িছে । অথচ মই অনুভৱ কৰিছোঁ এয়া ৰাতি হৈ অহা নাই । সন্ধ্যাহে হৈছে । আলোক উজ্বল সন্ধ্যা । এই আলোক উজ্বল সন্ধ্যাই আমাৰ যুগম-জীৱনত দিনৰ পোহৰ সিঁচি দিব ।

(৩)

দিনৰ পোহৰ বিচাৰিছিলো সন্ধ্যাৰ তমিস্ৰাঘন লহমাত।

সন্ধ্যাৰ তমিস্ৰাত দিনৰ পোহৰ !

কিন্তু !

মোৰ ভুল হ'ল !

স্বৰভঙ্গৰ বেদনাত মই আহত হৈ ৰ'লোঁ ।

[কোনে জানোঁ কৈছিল "ভগাঘৰৰ মজিয়াত উপবিষ্ট পঙ্গু বৃদ্ধৰ ব্যৰ্থতাৰ কথা ?" Thoughts of a dry brain in a dry season ! ইতিহাসৰ কেতবোৰ ধূৰ্ত অনুচ্ছেদ আছে, নিজস্ব প্ৰাঙ্গন আছে-- History has many cunning passages, contrived corridors....... কোন ইংৰাজী কবিয়ে ? কোন ইংৰাজী কবিয়ে ??]

মোৰ ভুল হ'ল । আৰু মই বাধা পালোঁ ।

সুমিতাৰ কপালৰ ৰঙা সুৰুয আৰু বেঁচি ৰক্তাক্ত হৈ পৰক । আৰু বেচি জলজল পটপটকৈ জিলিকি উঠক । মোৰ পত্নী সুমিতাৰ চকুত সহস্ৰ বসন্তৰ অনুৰাগ জমা হৈ পৰক ।

মই মনে-প্ৰাণে কামনা কৰিছিলোঁ ।

কিন্তু ক'ৰবাত ভুল হৈ গ'ল ।

আৰু মই বাধা পালোঁ ।

সুমিতাই, মোৰ পত্নী সুমিতাই মোক অনা-গত দিৰসবোৰ নিয়াৰিকৈ পাৰ কৰি দিয়াত সহায় কৰিব । সুমিতা মোৰ বাবে বান্ধৱী হ'ব, পথ-প্ৰদৰ্শিনী হ'ব। মোৰ জীৱনত সুমিতাৰ ভূমিকা হ'ব ফ্ৰেণ্ড, ফিলচফাৰ আৰু গাইডৰ ভূমিকা ।

এয়া মই মনে-প্ৰাণে কামনা কৰিছিলোঁ ।

মই অন্তৰেৰে বিশ্বাস কৰিছিলোঁ ।

কিন্তু মোৰ বৈধ পত্নী সুমিতাই মোৰ বিশ্বাস ৰক্ষা কৰিব নোৱাৰিলে ।

এই যে বিশ্বাস ভঙ্গৰ বেদনা, ই মোক বিতত কৰি পেলালে । মই চট্‌ফটাই উঠিলোঁ ।

জীৱনত মই প্ৰথমবাৰৰ বাবে প্ৰচণ্ড আঘাত পালোঁ । প্ৰচণ্ড আঘাতত ঘৰ্মাক্ত হৈ ৰ'ল মোৰ মন।

মোৰ মন, মোৰ জীৱন ।

মই যিটো কাহানিও কামনা কৰা নাছিলোঁ, সেয়ে মোৰ জীৱনত বাস্তৱ হৈ ৰ'ল । অসহনীয় বাস্তৱ।

সুমিতাৰ অবাঞ্ছিত আড়ষ্টতাই মোক বৰ আঘাত দিলে । মই সুমিতাৰ হৃদয়ত চিনাকি সুৰৰ সন্ধান কৰিছিলোঁ । মই কিবা নতুন নগ্নতা উন্মোচন কৰিব বিচাৰিছিলো । মই বিশ্বাস কৰিছিলোঁ আমি মানে মই আৰু সুমিতাই একেলগে অবিচ্ছিন্ন গতিশীলতাৰ সন্ধানত ব্ৰতী হ'ম। আমাৰ প্ৰাত্যহিক জীৱন সৰৱ হৈ পৰিব । মধুৰ-বাঙ্‌ময় হৈ পৰিব । আমি একেলগে স্নান কৰিম হাজাৰ প্ৰসুঁনৰ হাঁহিত । আমি একেলগে গাই যাম ৰাশি ৰাশি নক্ষত্ৰৰ গান ।

কিন্তু বাধা পালোঁ মই ।

মই বাৰে বাৰে চেষ্টা কৰিছোঁ সুমিতাৰ হৃদয়ৰ অতল গহ্বৰলৈ সোমাই যাবলৈ । বাৰে বাৰে চেষ্টা কৰিছোঁ আমাৰ হৃদয়, আমাৰ মন একীভূত কৰি দিবলৈ । কিন্তু বাৰে বাৰে ভয় খাই উঠিছোঁ এটা অন্ধকাৰ সন্ধ্যাৰ বিমূৰ্ত স্থিতিত । এই সন্ধ্যাই যেন পৃথিবীৰ, জীৱনৰ যতমানে সৌন্দৰ্য্য টেঁটু চেপি শেষ কৰি দিব।

সুমিতা মোৰ ওচৰত সহজ হ'ব নোৱাৰিলে । সুমিতাই মোক আশ্বস্ত কৰিব নোৱাৰিলে । আমি এখন অভিন্ন পৃথিৱীত থাকোঁ । কিন্তু আমাৰ মাজত যেন বিৰাট ব্যৱধানৰ প্ৰাচীৰ । এই দুস্তৰ ব্যৱ-ধান মই কিদৰে সহ্য কৰোঁ ?

মোৰ সন্দেহ ঘনীভূত হ'ল অতি সোনকালেই ।

মোৰ জীৱনৰ বাঘজৰী হাতত তুলি লৈ চৰম পৰাভৱৰ গ্লানিৰে মোক শেষ কৰি দিব খুজিছে সুমিতাই । আৰু তেতিয়াৰ পৰাই মই ক'লা সাপৰ বৃত্তৰ সপোনবোৰ দেখিব ধৰিলোঁ । তেতিয়াৰ পৰাই মই মৰাশৰ শোভাযাত্ৰাৰ সপোনবোৰ দেখিব ধৰিলোঁ। কলা সাপৰ বৃত্তৰ সপোন, মৰাশৰ শোভাযাত্ৰাৰ সপোন আৰু মোৰ বাস্তৱৰ স্বপ্ন একাকাৰ হৈ গ'ল । আজীৱন যি সহাঁৰিৰ বাবে মই জীৱন পাত কৰি-বলৈকো প্ৰস্তুত আছিলোঁ সেই সহাঁৰি সুমিতাৰ পৰা মই নাপালোঁ । এদিন যেতিয়া সখেদে আবিষ্কাৰ কৰিলোঁ যে সুমিতা, মোৰ পত্নী সুমিতা চৰকাৰী

উচ্চপদস্থ বিষয়া প্ৰজ্ঞানন্দন শইকীয়াৰ বিবাহিতা পত্নী হৈয়ো অবৈধ প্ৰণয়ত লিপ্ত, তেতিয়া মই জীৱনৰ চৰমতম ট্ৰেজেদীটোৰ মুখামুখি হলো। মোৰ বিবাহিতা পত্নীৰ মোৰ ওপৰত বিশ্বাস ভঙ্গ ?

এইবোৰ কি হ'ল ? মোৰ জীৱনত এইবোৰ কি হৈ গ'ল ?? মোৰ মান-সন্মান, এটা লোকাচ্ ষ্টেটাছ, এটা নিৰ্ভৰযোগ্য অৰ্থনৈতিক নিৰাপত্তা, সকলো আছে।

তথাপিও এইবোৰ কি হৈ গ'ল ???

পাপীয়ে পাপ মোচনৰ বাবে বাৰে বাৰে ঈশ্বৰক করুণ নিঃসহায় কাকুতি কৰাৰ দৰে, ময়ো নিজৰ ভিতৰতে প্ৰশ্ন কৰিলোঁ ।

কোনো উত্তৰ নাই ।

কোনো সহাঁৰি নাই ।

মোৰ সৈতে সুমিতা সুখী হ'ব পৰা নাই। অতীত জীৱনৰ ইতিহাস কঢ়িয়াই আনি সুমিতাই মোৰ সতে সুখী হ'ব পৰা নাই । এই কথাই মোক আঘাত দি গ'ল ।

এয়া মাত্ৰ বিয়াৰ দুই তিনিমাহ পিচৰে ট্ৰেজেদী।

আৰু যেতিয়া বিয়াৰ ছমাহ পিচতে আমাৰ যুগম জীৱনলৈ মীনা, মানে মল্লিকা আহিল, তেতিয়া আৰু ঘনীভূত হ'ল এই এন্ধাৰ ।

মল্লিকা যে আমাৰ বিবাহিত জীৱনলৈ আমাৰ প্ৰণয় আৰু আমাৰ দাম্পত্য-জীৱনৰ স্বাক্ষৰ হৈ নাহিল ।

মল্লিকা যে আমাৰ যুগম-জীৱনৰ অঙ্গীকাৰ নহয় ।

মল্লিকা সুমিতাৰ এটা বিগত, মধুৰ কিংবা ধূসৰ প্ৰায় অতীতৰ স্বাক্ষৰ । অনাহূত অতিথি ।

এই মল্লিকা আমাৰ জীৱনলৈ আহিছে । মই ভাবি ৰলোঁ, যি পথত খোজ দিছোঁ তাৰ পৰা মুক্তিৰ কোনো সম্ভাৱনাই নাই ।

আৰু এটা সময়ত মোৰ মোহভঙ্গ ঘটিল ।

এই সময়ত কোনো মানসিক সংযোগৰ প্ৰশ্নই নুঠে । আমি বিফল হৈ গৈছোঁ ।

আমাৰ মনৰ ক্লান্তিৰ ভাৰ অসহনীয় হ'ল ।

আমাৰ দুয়োৰে হৃদয় বিষাদগ্ৰস্ত হ'ল ।

আৰু মল্লিকা ?

তাইলৈ মোৰ বৰ বেয়া লাগে । এটি নিৰ্দোষ-নিষ্পাপ ফুল-কোমল শিশু । কাৰোবাৰ জীৱনৰ অঙ্গীকাৰ হৈ, কাৰোবাৰ প্ৰণয়ৰ জীৱন্ত স্বাক্ষৰ হৈ আহিছে। তাইৰতো দোষ নাই ! তাইতো জনা নাই যে তাইৰ জন্মই কাৰোবাৰ জীয়ামন ফছিললৈ পৰিণত কৰি দিব পাৰে। বসন্ত পখীৰ আৱাওঁ স্তব্ধপ্ৰায় কৰি দিব পাৰে।

তাই এইবোৰ একোকে নাজানে।

তাই এটি নিৰ্দোষ-নিষ্পাপ-ফুলকোমল শিশু। তথাপিও মই শান্ত হ'ব নোৱাৰিলোঁ। অনবৰতে যেন মোৰ মুখমণ্ডল অপ্ৰতিৰোধ্য আত্মদাহৰ যন্ত্ৰণাত বিকৃত হৈ ৰ'ল। সংকুচিত হৈ ব'ল।

পথৰ লাইটৰ শেঁতা পোহৰে মুখৰ ৰেখা মলিন কৰিছে। গভীৰ কৰি তুলিছে। মোৰ মুখমণ্ডলৰ যন্ত্ৰণাকাতৰ অভিব্যক্তিয়ে মোৰ মনত আনন্দ জগাব নোৱাৰিলে। যান্ত্ৰিক প্ৰচেষ্টাৰে সহজ হৈ মাথো লাভ কৰিলোঁ নিষিদ্ধ আনন্দ। বাৰে বাৰে আৱিষ্কাৰ কৰিছো মোৰ তেজত পলৰীয়া সৈনিকৰ শোভাযাত্ৰা।

মই এক যুগ-যুগান্তৰৰ পৰিত্যক্ত মানৱ।

নক্ষত্ৰ খচিত আকাশৰ তলত, জনাকীৰ্ণ ৰাজপথত মোৰ জন্ম জন্মান্তৰৰ পথ পৰিক্ৰমা ।

॥ **অৰুণাভ বৰুৱা** ॥

"No standpoint or theory can be the last word in human character" Durant.

নক্ষত্ৰখচিত আকাশৰ তলত, জনাকীৰ্ণ ৰাজ-পথত আমি পথ পৰিক্ৰমা কৰোঁ ।

এই যে পথ পৰিক্ৰমাৰ আনন্দ, এয়া আমাৰ নিচেই চিনাকি ।

মই অৰুণাভ বৰুৱা । মধ্যবিত্ত পৰিয়ালৰ এক প্ৰতিনিধি । সাধাৰণ মানসিকতাৰ মেৰ-ঘৰৰ বন্দী বুলি কলেও মোৰ কোনো খেদ নাই। জীয়াই থাকিব বিচাৰোঁ সহজ সৰল পথেৰে । সৰল জীৱন ভাল পাওঁ, এই কথা ক'ব নোৱাৰোঁ; কিন্তু পথটো সৰল হলে ভাল পাওঁ ।

মল্লিকাক সহজভাৱেই লগ পাইছিলোঁ। মল্লিকাক মই সহজভাৱেই বিচাৰিছিলোঁ ।

যোৱা পৰহি যেতিয়া মল্লিকাক লগ পাও, তেতিয়া সন্ধ্যা লাগি ভাগিছে।

আমি বেছ সহজ হৈ কথা পাতিছোঁ । বিভিন্ন কথা । দুপৰীয়াৰ ৰঙ সন্ধ্যাৰ ছাঁয়াহৃত বিচাৰিছোঁ অভিজাত হোটেলত আমি একেলগে চাহ খাইছোঁ। আৰু প্ৰতিটো নিৰ্জন মুহূৰ্ততে মল্লিকাৰ হাত এখন মোৰ হাতৰ মুঠিত আছিল । আমি নিবিড়ক্ষণৰ সান্নিধ্যত কি কথা পাতিছিলো, সেয়া অতিশয় নিষ্প্ৰয়োজনীয় ।

কিন্তু মল্লিকাৰ কথাত কিছু অস্বাভাৱিকতাওঁ আছিল । তাইৰ বাক-ভঙ্গী, তাইৰ উচ্চাৰণ, তাইৰ চেনেহ সঘন অস্ফুট ধ্বনি, তাইৰ আড়ষ্ট আদৰ-আবদাৰ সকলোতে কিবা এক অভাৱনীয় জড়তা আছিল । সেই জড়তাই মোক স্তব্ধ কৰি দিছিল । তাইৰ মুখৰ এই অভিব্যক্তিৰ গূঢ়াৰ্থ মই বিচাৰিছিলোঁ।

মল্লিকা মাজে মাজে বৰ গম্ভীৰ হৈ পৰিছিল। সৰুতে মাকৰ মৰম হেৰুওৱা ছোৱালী তাই। সেই বেদনাৰ ভাৰে তাইক বেদনাক্লিষ্ট কৰি আছে।

কিন্তু মইতো সেই কথা জানোঁ।

সেইবোৰ অযথা চিন্তা কৰি কি লাভ ?

মই মল্লিকাক বাৰে বাৰে কৈছিলোঁ।

তাই আনমনা হৈ পৰিছিল। তাই মোক কৈছিল যে তাইৰ জীয়াই থাকি ভাল লগা নাই। এই জীৱনে, এই জীৱনৰ প্ৰাত্যহিক তুচ্ছতাই তাইক চপেটাঘাত কৰি গৈছে।

কিন্তু আমাৰ ভৱিষ্যৎ, আমাৰ ৰৰ্তমান ইয়াৰতো এটা স্বকীয় তাৎপৰ্য্য থকা উচিত। আমি ন প্ৰস্তুতিৰে 'আবিষ্কাৰ কৰা উচিত যে আমাৰো ভূমিকা আছে। আমি সুখী হ'ব লাগিব।



"স্বীকাৰ কৰিছোঁ, সূৰ্যোদয়তকৈ সূৰ্য্যাস্ত মোৰ বেচি ভাল লাগে—।"

মল্লিকা নিমাতে আছিল। নীৰৱতায়ো হেনো সৰৱে কথা কয়। মই ভাবিছিলোঁ।

এটি লহমাৰ বাবে মল্লিকাৰ মুখখন দেখিছিলোঁ। এখনি কৰুণ কোমল মুখ। কিবা নামহীন এষণাৰ ৰেখাই মুখৰ জ্যোতি হ্ৰাস কৰিব পৰা নাই।

বিষাদৰ নীলা ৰেখা থকা সত্বেও ইমান ধুনীয়া লাগিছে মল্লিকাক। ইমান নিষ্পাপ, ইমান পৱিত্ৰ !!

এয়া মোৰ কল্পনা নেকি? হয়তো মোৰ ভাৱাবেগ। মোৰ আবেগ যদি সঁচা হয়, মোৰ কল্পনাও সচা হ'ব।

"আমাৰ কল্পনাবোৰ সচা হওঁক। আমাৰ স্বপ্নবোৰ সজীৱ হওঁক। সেয়া মই বিচাৰোঁ।" মল্লিকাই নীৰৱতা ভাগি কৈ গৈছিল, "আমাৰ জীৱন মধুময় হওক। কিন্তু তথাপিওঁ যেন মোৰ মনত শান্তিৰ অভাৱ। মুঠি মুঠি ৰঙা ৰঙ চটিয়াই দেখোঁ এইবোৰ কেৱল নীলা ৰঙ। মোৰ ভুল হৈছিল। অৰুণদা, মোৰ ভুল হৈছিল। স্বীকাৰ কৰিছো, সূৰ্য্যোদয়তকৈ সূৰ্য্যাস্ত মোৰ বেচি ভাল লাগে।" নিস্তব্ধ প্ৰহৰ সৰৱ কৰি মল্লিকাই কৈ গৈছিল।

## ॥ মল্লিকা শইকীয়া ॥

সূৰ্য্যোদয় নহয়, সূৰ্য্যাস্তৰ সময় হৈ গ'ল। সূৰ্য্যাস্তৰ সময়ৰ অনুভূতিৰে মন মোৰ ভৰি পৰিল। সূৰ্য্যাস্তৰ ৰঙবোৰে মনত ভিৰ কৰিব ধৰিলে।

মোৰ কিন্তু অইন কিছুমান কথাহে ভাবিবৰ মন গৈছে।

মোৰ অতীত জীৱনৰ কথা। শুনিছোঁ অতীতৰ সমাধিৰ ওপৰত বৰ্তমান। মোৰ অতীত কিন্তু মৰি যোৱা নাই। হয়তো নকৈ জী উঠিব। হয়তো প্ৰহেলিকাৰ ৰূপ ল'ব।

সম্প্ৰতি সেইবোৰ কথা মনত পৰা নাই। জীৱনৰ কেতবোৰ কনট্ৰাডিক্চনলৈহে মনত পৰিছে। মোৰ জীৱনৰ কিছুমান কনট্ৰাডিক্চন।

মোৰ জীৱনৰ স্বৰ ভঙ্গৰ স্বৰ !

* * *

দেউতাৰ বন্ধু পাৰ্থপ্ৰতিম দুৱৰাৰ পুত্ৰ প্ৰদীপ দুৱৰা মাজে মাজে আমাৰ ঘৰলৈ অহা হ'ল। কিন্তু তাৰ লগত প্ৰায়ে এজনী ছোৱালী। ধুনীয়া নামৰ ছোৱালী। অনীতা বৰপূজাৰী। প্ৰদীপ দুৱৰাই কটনৰ পৰা স্নাতক হৈ বাৰানসীত এম, এ পঢ়ে। ইংৰাজী সাহিত্যত। সুন্দৰ চেহেৰা। বুদ্ধিমান সপ্ৰতিভ মুখমণ্ডল। মোৰ ভাল লাগিল প্ৰদীপ দুৱৰাক।

অনীতা বৰপূজাৰীও একেলগে পঢ়ে প্ৰদীপৰ সৈতে। অনীতা প্ৰদীপৰ গাৰ্লফ্ৰেণ্ড। ভাবি মোৰ অলপ বেয়া লাগিল।

মোৰ যে কি এক প্ৰতীতি জাগিল কব নোৱাৰোঁ প্ৰদীপ দুৱৰাক মোৰ ভাল লাগিল আকস্মিকভাৱেই। অনীতাৰ প্ৰতি মোৰ ঈৰ্ষা হ'ল। অনীতাৰ পৰা প্ৰদীপক আঁতৰাই আনিবই লাগিব। মই যেন এই প্ৰতিশ্ৰুতিত বদ্ধপৰিকৰ হৈ পৰিলোঁ।

মই প্ৰদীপৰ হৃদয় শতধাবিদীৰ্ণ কৰিব লাগিব। মই অনীতাক পৰাভূত কৰিব লাগিব। এক চেডিষ্ট আনন্দত মন মোৰ ভৰি গ'ল।

মোৰ শুভ দৃষ্টিত ধৰা দিলে প্ৰদীপ । ফাগুনৰ কোনো এক নিশা আমি বহুত কথা পাতিলোঁ ।

এই কথাবোৰ ইমান খৰতকীয়াকৈ হৈ গৈছিল যে মই মানসিকভাৱে প্ৰস্তুত হোৱাৰ কথা সম্পূৰ্ণ-ৰূপে পাহৰি গৈছিলোঁ ।

আৰু এদিন মোৰ জীৱনৰ, মোৰ যৌৱনৰ গবাক্ষৰ সচাঁৰ কাঠি প্ৰদীপে হাতত তুলি ল'লে ।

সূৰ্য্যোদয় হওঁকি নৌহওঁতেই আমি এদিন চিলঙলৈ গ'লো । মিচ্‌নেৰী হস্পিটেলত মোৰ এটা অধ্যায়ৰ কৰুণ অভিলেখ নোহোৱা কৰি আহিলোঁ। লগত মোৰ খুৰী । প্ৰদীপ দুৱৰাৰ প্ৰতি মোৰ আকৰ্ষণ যেন যৌৱনৰ এক অন্ধ ভ্ৰান্তি আছিল। সেই ভ্ৰান্তি যেন কোনোবা খাচীয়া পৰিচাৰিকাই ধুই নিকা কৰি দিলে !

চিলঙৰপৰা নামনিলৈ নামি অহাৰ পথত মোৰ খুৰীদেৱে মোৰ গালে-মুখে হাত বুলাই কলেঃ মাজনী ইমান ডাঙৰ ভুল কৰিব নাপায় নহয় । সাৱধানে চলিব লাগে । দেউতাৰৰ নাম-যশ ৰাখিব লাগিব নহয় ।সাৱধান হৈ চলিবি । সোণজনী মোৰ ।

খুৰীদেউৰ সতৰ্কবাণী আৰু মৰমবোৰ মোৰে বৰ ভাল নালাগিছিল । মই মাথো গাড়ীৰ ভিতৰৰপৰা পাইন গছৰ ফালে চাই থাকিলোঁ। মোৰ ধূসৰ দৃষ্টি!

এতিয়া মোৰ অনুভৱ হৈছে যে বিগত দিনৰ এই সকলোবোৰ কথা মই পাতলভাৱে লৈছিলোঁ। কেতবোৰ উচ্ছাসে এইবোৰত ক্ৰিয়া কৰিছিল। হৈ যোৱা ঘটনাবোৰত মোৰ আত্মাৰ সহাঁৰি নাছিল। মোৰ সমস্ত সত্বাৰে প্ৰস্তুত হৈ মই এইবোৰ কৰা নাছিলোঁ । এতিয়া অনুভৱ কৰিছোঁ যে প্ৰদীপ দুৱৰা মোৰ বাবে দুঃস্বপ্ন আছিল । সেই স্বপ্ন সহজে পাহৰি থাকিব পাৰি। পাহৰি পেলাব পাৰি সহজেই।

* * *

কিন্তু জীৱনৰ সকলো কথাকে পাহৰি পেলাব নোৱাৰি । মোৰ জীৱনৰ সৈতে জড়িত সকলো কথাকে পাহৰি পেলাব নোৱাৰি ।

প্ৰদীপ দুৱৰাৰ স্মৃতি মোৰ বাবে এটা কৰুণ ঘটনা। এই কৰুণ ঘটনাৰ সতে লগ লাগিল মোৰ জন্ম-ৰহস্য ।

মোৰ জন্ম ৰহস্য ?

দেউতা মোৰ দেউতা হয়নে নহয় ?

অতি সংক্ষিপ্তকৈ, ইঙ্গিত সৰ্বস্ব ঘটনাৰ বিৱৰণ এটাৰে ঠাকুৰদাই মোক সকলো কথা কৈছিল ।

ঠাকুৰদাই কৈছিল যে মোৰ মাৰ সৈতে দেউতাৰ কোনো অন্তৰৰ মিল নহ'লগে ।

মোৰ সন্দেহ ঘনীভূত কৰি ঠাকুৰদাই আৰু কৈছিল যে আমাৰ মা-দেউতাৰ মাজত প্ৰায়ে কাজিয়া হৈছিল । দেউতাই মাৰ সৈতে অইন মানুহে কথা কোৱাতো সহ্য কৰিব নোৱাৰিছিল । উন্মাদৰ দৰে দেউতাই মাক অত্যাচাৰ কৰিছিল ।

ঠাকুৰদাই নীৰৱে এই সকলোবোৰ চাই গৈছিল । অতীত জীৱনৰ কথা উত্থাপন কৰি দেউতাই মাক অশ্লীল গালি-গালাজ কৰিছিল । আৰু এইবোৰ পাহৰি থাকিবলৈ দেউতাই হেনো মদ খুব বেচি খাইছিল ।

আৰু এদিন মাৰ হেনো অসুখ হ'ল ।

এমাহৰ ভিতৰতে মাৰ মৃত্যু হ'ল ।

মই তেতিয়া চিলঙৰ কন্‌ভেন্টত ।

মাৰ অসুখ, মাৰ মৃত্যুৰ কথা মোক পিচতহে জনোৱা হৈছিল । মোৰ কিশোৰী মনত ই স্বাভাৱিক আঘাত দিছিল । পিচত শুনিছিলোঁ মাৰ মৃতদেহ হেনো মৰণোত্তৰ টেবুলতো তোলা হৈছিল ।

এইবোৰ কৌতূহল মোৰ কৌতূহল হৈয়ে ৰ'ল । মোৰ মাৰ মৃত্যু কি অস্বাভাৱিক আছিল ? নহলে কিয় মৰণোত্তৰ পৰীক্ষা কৰা হৈছিল ??

উত্তৰ মই পোৱা নাছিলোঁ ।

কিন্তু এটা কথাৰ উত্তৰ মই বিচাৰিছেলোঁ । মোৰ দেউতাৰ তেজ মোৰ দেহত আছেনে নাই ? মোৰ দেউতাৰ, মোৰ ওপৰত অধিকাৰ আছেনে নাই । প্ৰাত্যহিক জীৱনৰ প্ৰয়োজনীয় সকলো পায়ো বাৰে বাৰে মই প্ৰশ্ন কৰিব ধৰিলোঁ ।

এইবোৰ কথা বেচি চিন্তা নকৰাই ভাল ।

চিৰকাল ক্ৰন্দসীৰ পজাঁলতে লুকাই থাকক মোৰ পৰিচয় । মোৰ জন্মৰহস্যৰ চন্দ্ৰমা অমাৱস্যাৰ তিমিৰৰ মাজতে চিৰদিন লুকাই থাকক ।

* * *

চিৰদিন লুকাই ৰাখিব নোৱাৰোঁ মোৰ মনৰ খবৰ । মোৰ মনৰ খবৰ লুকাই ৰাখি কি লাভ ?

বাহিৰত মই বৰ গম্ভীৰ হৈ থাকোঁ । দেউতাই মাহী আইৰ সৈতে কথা পাতিলে, মই চুপ-চাপ উঠি আহোঁ মোৰ পঢ়া কোঠালীলৈ । দেউতাৰ জীৱনৰ কিবা বেদনা আছে । এই বেদনাবোৰৰ ভাৰ বঢ়াবলৈ মোৰ কোনো ইচ্ছা নাই । অইন কিবা ভূমিকা মোৰ থাকিব পাৰেনে যি ভূমিকাই মোৰ দেউতাক সুখী কৰিব পাৰে ?

কিন্তু নিজকে সন্তুষ্ট কৰি ৰখাতেই যে মোৰ বিশেষ কোনো ভূমিকা নাই । আজিকালি মোৰ মুখ-মণ্ডললৈ চাবলৈ মোৰ ভয় লাগে । আয়নাৰ সমুখত থিয় হবলৈ ভয় লাগে । ক্ৰমে ক্ষীণাই গৈছোঁ !

মই যেন মল্লিকা শইকীয়া নহয়।

আয়নাৰ সমুখত সেয়া অন্য কোনোবা। মই নহওঁ। অৰুণাভে কৈছে আজিকালি হেনো মই বৰকৈ কথা নকওঁ। আজিকালি হেনো মই বৰ বেচি সহজ হৈ নপৰোঁ।

অৰুণাভে মোক ভুল বুজিছে নেকি ? অৰুণাভৰ ওচৰত মোৰ কোনো অভিযোগ নাই। মোৰ কোনো অনুযোগ নাই। পৃথিবীৰ বিৰুদ্ধেও মোৰ কোনো অভিযোগ নাই।

মোৰ ব্যক্তিগত এষণাক পৃথিবীৰ সানি পঙ্কিল কৰিম কিয় ?? যি পৃথিবীয়ে মোক একোকে দিব নোৱাৰিলে, সেই পৃথিবীৰ বিচাৰ ব্যঞ্জনা মই কৰিম কিয় ???

মোৰ বেদনাৰ স্বপ্ন, মোৰ নিঃসীম অসহায়তা কেৱল মোৰেই হৈ থাকক।

অৰুণাভে মোৰতো একো ক্ষতি কৰা নাই। সেই অৰুণাভক মই দুখ দিওঁ কিয় ? মোৰ জীৱনৰ সোণোৱালী পিয়লা কেতিয়াবাই নীলাভ হৈ গৈছে। সেই পিয়লা কিদৰে মই অৰুণাভৰ হাতত তুলি দিওঁ ?

মন মোৰ ৰুগ্ন হৈ গৈছে।

সেই ৰুগ্ন মনেৰে কিদৰে মই অৰুণাভক সন্তুষ্ট কৰিব পাৰিম ? সকলো অৰুণাভক জনাব লাগিব। মই জনাব লাগিব যে মোৰ সৈতে অৰুণাভ কোনো মতেই সুখী হোৱাৰ সম্ভাৱনা নাই।

মোৰ মনত আত্মবিমুখী চেতনাৰ প্ৰবাহ। অইনৰ অনুকম্পা বিচাৰিছোঁ নেকি মই ? পাৰ্থিব সুখৰপৰা বঞ্চিত হৈ মই Schizoid ৰোগত ভুগিব লাগিব নেকি ? নহলে কিয় মই Secondary gain বিচাৰিছোঁ। এয়া কিহৰ লক্ষণ ? হয়তো মই হিষ্টৰিয়া ৰোগত ভুগিব লাগিব। এই ৰোগে মোক খুলি খুলি খাব ?

আৰু অৰুণাভ ?

অৰুণাভৰ কি হ'ব ? মোৰ ৰোগৰ বীজাণুৱে মই অৰুণাভক কিদৰে আক্ৰান্ত কৰো ? নাই, এয়া মোৰ অন্যায় হ'ব। অৰুণাভৰ প্ৰতি এয়া চৰম প্ৰতাৰণা হ'ব। অৰুণাভৰ পবিত্ৰ ভালপোৱাৰ বিনিময়ত মই এই প্ৰতিদান দিব নোৱাৰোঁ।

মই স্পষ্টকৈ জনাব লাগিব যে অৰুণাভে জীৱনত সুখী হোৱাৰ চেষ্টা কৰক। মই ৰুগ্ন মনৰ অধিকাৰিণী। মই হিষ্টৰিয়া ৰোগত ভুগিব লাগিব। সেই ৰোগৰ লক্ষণ লাহে লাহে প্ৰকট হৈ উঠিব ধৰিছে। মই অৰুণাভক স্পষ্টকৈ জনাব লাগিব যে মোৰ দেহ, মোৰ মন সম্পূৰ্ণ নিষ্কলুষ হৈ থকা নাই। ৰুগ্ন দেহ, ৰুগ্ন মনেৰে অইনক অসুখী কৰাৰ কোনো অধিকাৰ মোৰ নাই।

কিন্তু কেনে মুহূৰ্তত ? জীৱনৰ কেনে মুহূৰ্তত মই এইবোৰ কথা জনাব লাগিব ??

॥ অৰুণাভ বৰুৱা ॥

জীৱনত এনে কেতবোৰ মুহৰ্ত আছে, যেতিয়া লাজবোৰ বৰ মধুৰ হয়, বিৰাগবোৰ মধুৰ হয়, বিতৃষ্ণাবোৰ সহনীয় হয়। কাৰোবাৰ মুৰৰ চুলিৰ অৰণ্যত কাৰোবাৰ হাতৰ কিশলয় যেন আঙুলিৰ সঞ্চাৰণে জীৱনৰ অঙ্গীকাৰ সিঁচৰ বিচাৰে। কোনে জানো কৈছিল প্ৰেয়সীৰ চুলিৰ অৰণ্যৰ অন্ধকাৰৰ সমুখত এটা শীতৰ সমস্ত অন্ধকাৰ অস্তিত্বই হাৰ মানে ? অ' টমাছ হাৰ্ডিয়ে। ইউষ্টেচিয়া ভাইৰ চুলিৰ প্ৰেমত পৰা নৰ্ভেলিষ্ট হাৰ্ডিয়ে। আজিৰ হাভি আৰু এখোপ চৰা হ'ব!

সেই কথা কব বিচৰা নাই। কব বিচাৰিছোঁ জীৱনত ৰঙীন মুহূৰ্ত আছে পাখি মেলি। সেই মুহূৰ্তত জীৱন বহাগ বহাগ লাগে। ফাগুন ফাগুন লাগে। স্বাতীনক্ষত্ৰৰ অস্তিত্বই জীৱনৰ অভিলেখ ৰচনা কৰে। তেতিয়া ভাল লাগে "মহুয়া"ৰ সেউজী পংক্তি পঢ়ি—"দুজনৰ চোখে দেখেছি জগৎ—"। তেনেবোৰ দিনত কেৱল স্বপ্ন থাকে। স্বপ্নবোৰ বাস্তব হ'বলৈ বিচাৰে।

তেনে দিন মোৰ জীৱনলৈয়ো আহিল। মোৰ জীৱনলৈ মল্লিকা আহিল। আমি একেলগে অঙ্গীকাৰ ৰচনা কৰি গলোঁ। মোৰ আৰু মল্লিকাৰ নিশ্বাসত প্ৰজাপতিৰ গতি স্তব্ধ হৈ গ'ল। তেতিয়া মই কটন কলেজত।

কটন কলেজৰ ছাত্ৰাবাসৰ এটা সুকীয়া বৈশিষ্ট্য আছে। শাৰী শাৰী ছাত্ৰাবাস। অনতিদূৰৈত লুইত। মেধা আৰু প্ৰতিভাকে মূলধন হিচাপে লৈ বদ্ধ-কোঠাত, এই ছাত্ৰাবাসবোৰৰ বদ্ধ কোঠাত ছাত্ৰবোৰে ভৱিষ্যৎ জীৱনৰ প্ৰস্তুতি ৰচে। জীৱনৰ সোণোৱালী মুহূৰ্তত বাস্তৱটোৰ সমুখীন হোৱাৰ সাহস গোটায়। নীৰৱে অথবা সৰৱে। অধ্যয়ন মগ্ন কোনো তৰুণৰ কাণত নিশা একবজাৰ উজনি অভিমুখী ট্ৰেইনৰ উকি বাজি উঠে। স্তব্ধ সময়ত সাৰ পাই উঠে কাৰোবাৰ মনৰ ৰানুহুজনী। সাহিত্য ৰাজনীতি আৰু বৌদ্ধিক নেতৃত্বৰ প্ৰাৰম্ভিক আখৰা দিয়া এই ল'ৰাবোৰে সজাগ জিজ্ঞাসাৰে এইবোৰ কৰে। লগে লগেই কোনোবাই উজাগৰী স্বপ্নৰ হাত-বাউলিত সচকিত হৈ পৰে। কি যে বিচিত্ৰ জীৱন!!

এদিনৰ কথা মোৰ মনত পৰিছে।
কোনো এক একত্ৰিশ ডিচেম্বৰৰ নিশাৰ কথা।

ন্যায়ালয় আৰু মীন অধীক্ষকৰ কাৰ্য্যালয়ৰ মাজৰ এডোখৰ নিৰ্জন ঠাইত মই থিয় দি আছোঁ। এটা নিবিড় মুহূৰ্ত্তত ছাত্ৰী-বাসৰ দুৱাৰ খুলি মল্লিকা আহিছিল। মল্লিকাই কি দৰে হোষ্টেলৰ দুৱাৰ খুলি আহিব পাৰিলে, মোৰ কোনো খবৰ নাই। নতুন বছৰৰ জন্মক আমি স্বাগতম জনালোঁ।

মই আৰু মল্লিকাই। মোৰ দেহৰ নিচেই ওচৰতে মল্লিকা। আমাৰ উশাহবোৰ ঘন হ'ল! আৰু এটা সময়ত যেতিয়া মই মোৰ ছাত্ৰাবাসলৈ উভতি আহোঁ, তেতিয়া এক বাজি পোন্ধৰ মিনিট পাৰ হৈ গৈছে।

মই শুব ধৰিছো। এনেতে পঙ্কজ সোমাই আহিল, মোৰ ৰুমৰ কাষৰ ৰূমৰ পঙ্কজ। মুখত তাৰ উগ্ৰ এলকহলিক সুবাস! মোক জগাই দিলে সি। অনৰ্গল কৈ গ'ল: অৰুণাভ বৰুৱা। শুনি যা মোৰ ইতি-হাস। কি কলি? নিদ্ৰাভঙ্গ? বিশটা বসন্তৰ নিদ্ৰা-হৰণ কৰেঁাতেও মই আন কাৰো ওচৰত আপচোচ কৰা নাই, তোৰ এঘন্টাৰ নিদ্ৰা? শুন অৰুণাভ বৰুৱা, মই মদ খাই মাতলামি কৰিবলৈ অহা নাই দুই বটলেই গলাধঃকৰণ কৰি আহিছোঁ। কিন্তু ভুল অলপো বকিব লগা হোৱা নাই। শুন, মোৰ প্ৰেয়সীক আজি মই বিসৰ্জন দিছোঁ। মোৰ প্ৰেয়সী মঞ্জুৰাণীক আজি মই বিসৰ্জন দিছোঁ। খেদ মোৰ হোৱা নাই; দুখ লাগিছে। তাই অন্তঃসত্বা হৈছিল; তাইৰ দেহত অইনৰ কামনাৰ ফুল, অৰুণাভ। কি ক'লি? পাহৰি যাব লাগে? জীৱনৰ সুন্দৰ ললনা-বোৰ হেৰাই যাব আৰু মই পাহৰি যাব লাগে মোৰ অতীতটো? মোৰ কনট্ৰাডিকচন বোৰ? কোনে জানো কৈছিল বিপ্লৱ হবই। মাথোঁ মধ্যবিত্তৰ কনট্ৰা-ডিকচনবোৰ আঁতৰাৰ লাগিব? এটা প্ৰচেছৰ প্ৰয়ো-জন। কোন বিপ্লৱীয়ে? চালা লেনিনে সমস্ত বুৰ্জো-ৱাৰ contradiction আঁতৰাব আহে? এটা জীৱন পাত কৰি দিলোঁ! জীৱনৰ এটাও contradiction আঁতৰাব নোৱাৰিলোঁ। ই চালা বুৰ্জোৱাৰ পৰা আশা কৰে সেই চীজটো? অৰুণাভ, তই কিয় মতা নাই? মোৰ জীৱনৰ এটা সঙ্কটৰ মুহূৰ্ত্তত তই কিয় কিয় এষাৰো মতা নাই?"

খুব জোৰেৰে দুৱাৰখন বন্ধ কৰি দেহসৰ্বস্ব পঙ্কজৰ নিচাগ্ৰস্ত দেহটো মোৰ কোঠাৰপৰা আঁতৰি গৈছিল।

সেইবোৰ দিন এতিয়া অতীত হৈ গৈছে। সেই দিনবোৰৰ তাৎপৰ্য্য এতিয়া ধূসৰ হ'ব ধৰিছে।

এতিয়া অইন এক অধ্যায়ৰ সূচনা হৈছে। এতিয়া আঁচনিৰ সময় হৈছে আমাৰ মৰমবোৰ জীয়াই ৰাখিবৰ বাবে। মোৰ আৰু মল্লিকাৰ মৰমবোৰ জীয়াই ৰাখিবৰ বাবে।

॥ **প্ৰজ্ঞানন্দন শইকীয়া** ॥

কেৱল জীয়াই ৰাখিবৰ বাবে।
মই মোক জীয়াই ৰাখিবৰ বাবে।

মোৰ মন, মোৰ হৃদয়, মোৰ বিশ্বাস আৰু মোৰ সমস্ত জীৱনৰ অঙ্গীকাৰ সমূহক তিলতিলকৈ যি নিঃশেষ কৰি দিছে, মই মোক জীয়াই ৰাখিবৰ বাবে সেইবোৰ নোহোৱা কৰি দিব লাগিব। মই মোক জীয়াই ৰাখিবৰ বাবে সকলো কৰিব লাগিব। অন্ততঃ তিলতিলকৈ বিপৰ্য্যস্ত হৈ পৰিব ধৰা মোৰ পৰাণ একাকী মনটোৰ বাবেই মই কিবাকিবি কৰিবই লাগিব।

আচলতে মই অলপ মুক্তি বিচাৰোঁ। মোৰ সত্বাই অলপ শীতলতা বিচাৰে।

চিৰকাল সততা আৰু বিশ্বাসৰ নামত নিজক উৎসৰ্গিত কৰিম আৰু শেহান্তত মোৰ চিন্তাশক্তি, মোৰ মস্তিষ্ক বিষাক্ত হৈ যাব? মোৰ মগজুত কিল-বিলাই থাকিব দুষিত চিন্তাই?

সম্প্ৰতি মই সকলো কথা বুজি উঠিছোঁ। আৰু মই প্ৰস্তুত হৈছোঁ মোৰ জীৱনৰ চৰম ব্যৰ্থতাৰ প্ৰতি-মূৰ্তি, মোৰ নিস্ফল অঙ্গীকাৰৰ প্ৰতীক সকলোবোৰ এই পৃথিবীৰ পৰা নাইকিয়া কৰি দিবৰ বাবে।

খুব সংগোপনে, খুব সন্তৰ্পণে কামটো কৰিব লাগিব।

নাই এতিয়া বেচি চিন্তাৰ কাৰণ নাই। মল্লিকা নাই। চিলঙৰ কন্‌ভেন্টত মল্লিকা।

মই আছোঁ।
ঠাকুৰ আছে।
আৰু মোৰ বৈধ-পত্নী সুমিতা আছে।
আৰু আছে এটা বন্ধ্যা সন্ধ্যা।

* * *

খুব সতৰ্কতাৰে কামটো হৈ গ'ল।

সুমিতাৰ কহুৱা কোমল দেহত মোৰ সঞ্চাৰণ-শীল আঙুলিৰ শেষ পৰশ।

মোৰ ধমনীৰ তেজৰ গতি মৃদুৰ পৰা দ্ৰুত হৈছে, পুনৰ মৃদু হৈছে।

মোৰ মুখ প্ৰসাৰিত হৈছে, সঙ্কুচিত হৈছে আৰু বিকৃত হৈছে।

মল্লিকাৰ মুখ মোৰ মনলৈ আহিছে। সুমিতাৰ মুখ ক্ৰমে বিকৃত হৈ গৈছে। মোৰ মুখমণ্ডলত লাগি আছে সেই চিনাকি যন্ত্ৰণাকাতৰ অভিব্যক্তি। আৰু মই এক নৃশংস উল্লাসত ভাগি পৰিছোঁ। এই উল্লাসৰ লগে লগেই মই অনুভৱ কৰি আছোঁ মোৰ তেজত

অতীতৰ সেই পলৰীয়া সৈনিকৰ শোভাযাত্ৰা। এই বোৰৰ লগে লগেই মোৰ সত্বা বিলুপ্ত হৈ যোৱাৰ প্ৰমাণ মই পাই গৈছোঁ।

অপাৰ্থিব আনন্দলাভৰ বীভৎসতাত মই লাভ কৰিছোঁ নিষিদ্ধ সন্তুষ্টি। এই সন্তুষ্টিকে মই বিচাৰোঁ। আৰু এক স্তব্ধ কণ্ঠস্বৰেৰে মোৰ মুখৰ পৰা ধ্বনিহীন ইলিজীবোৰ বাগৰি আহিছিল। জীৱনৰ শেষ মুহূৰ্তৰ ধ্বনিহীন ইলিজী।

মই তোমাক ভাল পাইছিলোঁ। অন্ধতাৰে নহয়, সমস্ত হৃদয়ৰ ভাষাৰে, মানুহৰ স্বাভাৱিক অনুভূতিৰে মই তোমাক ভাল পাইছিলোঁ। তাৰ বিনিময়ত তুমি মোক প্ৰতাৰণা কৰি গ'লা। কেৱল প্ৰতাৰণা কৰি গ'লা। মোক এইদৰে চৰম ট্ৰেজেদীটোৰে বিপৰ্য্যস্ত কৰাৰ কি অধিকাৰ তোমাৰ আছিল? কি অধিকাৰ ??

তুমি মোক যৌৱন নৌ আহোঁতেই অনাহুত বাৰ্ধক্যৰ সন্মুখীন কৰাইছা। মোক তুমি জীয়াই থাকিবলৈ নিদিলা।

আৰু সেয়েহে ময়ো তোমাক জীয়াই থাকিবলৈ নিদিওঁ।



অৰুণাভৰ হাতৰ আঙুলি মল্লিকাৰ মুখৰ ওপৰেদি বৈ গল। আবেগবোৰ নদী হৈ বৈ গল। (পৃঃ ৫৫)

কেঁচা তেজৰ গন্ধ মাটিত। কেঁচা তেজ মোৰ হাতত, মোৰ মুখত। কেৱল ৰঙা, কেচা তেজ !! মোৰ সমুখত সুমিতাৰ নিস্তেজ দেহ। মোৰ মৰমে সুমিতাৰ দেহত ৰক্তাক্ত অবয়ৱ সানি দিছে। সুমিতাৰ কহুৱা কোমল দেহ নিঃসাৰ হৈ গৈছে। আৰু মই নিঃশব্দ চিঞৰেৰে বাগৰি ৰৈছোঁ।

* * *

এতিয়া মোৰ মাত্ৰ এটাই কাম আছে। মোৰ নীড়হাৰা জীৱন বিহঙ্গৰ ডেউকাৰ পৰা শেষ ধুমুহাৰ ধূলিখিনি সম্পূৰ্ণৰূপে মচি পেলাব লাগিব।

বেদনাৰ হলাহল পাণ কৰিছো আকণ্ঠ। তথাপিও মোৰ জীয়াই থকাৰ প্ৰতীতি জীয়াই আছে। দুঘন্টা পিচতে সূৰ্য্য উদয় হ'ব। সোণালী কিৰণে নাতি উচ্চ টিলাত খেলা কৰিব। শিখৰে শিখৰে সেই পোহৰবোৰে নাচি ফুৰিব। অলপ পিচতে এই যে কুঁৱলীৰ ৰাতি, ই বিদায় গ্ৰহণ কৰিব। কুঁৱলী শেষ হ'ব। নিশা দুই বাজি গৈছে !!

মই সুমিতাৰ মৃতদেহ দুবৰিৰ বিচনাত শুৱাই দিছোঁ। শুই থাকক। নিঃশব্দে শুই থাকক। তুমি অতীত হৈছা। এই অতীতটো শুই থাকক। মই এতিয়া নতুন দিনৰহে জন্ম বিচাৰিছোঁ।

মই নতুন দিনক আদৰিব বিচাৰিছোঁ।
মই নতুন বাস্তৱ বিচাৰিছোঁ।
এটা জীয়া বাস্তৱ। ৰঙীন। সজীৱ।

॥ অৰুণাভ বৰুৱা ॥

জীয়া, ৰঙীন বাস্তৱ কোনে নিবিচাৰে ?

ময়ো বিচাৰোঁ। সেই ৰঙীন বাস্তৱৰ বাবে ময়ো শ্ৰম আৰু ঘাম স্বীকাৰ কৰিবলৈ সাজু হওঁ। সেই ৰঙীন বাস্তৱৰ বাবে ময়ো দ্বিধা, সংশয় সকলো পৰিহাৰ কৰিবলৈ প্ৰস্তুত হওঁ।

মল্লিকাই চিঠি দিছে। তাইৰ হেনো দিনবোৰ বৰ অসহ্য হৈছে। তাই হেনো লাহে লাহে পাৰ্থিব সুখৰ পৰা বঞ্চিত হৈ আহিব ধৰিছে।

মল্লিকাই লিখিছে তাইৰ মনত আত্মবিমুখী চেতনাৰ প্ৰবাহ। তাইক হেনো Schizoid ৰোগে আক্ৰমণ কৰিব ধৰিছে।

ৰোগ ? ৰোগৰ বীজাণু ??

সাধাৰণ বীজাণুৱে আমাৰ সমস্ত সুখ নষ্ট হৈ যাবলৈ দিম কিয় ?

আৰু বহুত কথা মল্লিকাই মোলৈ লিখিছে। লিখিছে যে তাইৰ মন ৰুগ্ন হৈ যাব ধৰিছে। তাইৰ দেহ আৰু তাইৰ মন হেনো কাহানিবাই লুণ্ঠিতা হৈছে। সকলো কথা মই বিবেচনা কৰিছোঁ।

বিবেচনা কৰি স্থিৰ সিদ্ধান্তলৈ আহিছোঁ।

মল্লিকাক মই উদ্ধাৰ কৰিব লাগিব। এটা জীৱনৰ নিৰাপত্তাৰ আশ্বাস দানেৰে তাইক মই জীয়াই ৰাখিব লাগিব।

তাইৰ জীৱন এষণা দূৰ কৰি দিব লাগিব। তাইক মই কব লাগিবঃ আমাৰ মাজৰ ব্যৱধানৰ প্ৰাচীৰ আমি ভাগি দিব লাগিব মল্লিকা। এই অদৃশ্য দুস্তৰ ব্যৱধান দূৰ কৰি দিব লাগিব।

আমি জীয়াই থাকিব লাগিব। মই অঙ্গীকাৰ কৰিছোঁ আমি জীয়াই থাকিব লাগিব।

আমি সাজু হ'ব লাগিব অনাগত ভৱিষ্যতৰ দিনবোৰৰ বাবে। আমাৰ ভৱিষ্যতৰ বাবে।

এই কেইদিনমানৰ বাবে আমি কেতবোৰ দুৰূহ বাস্তৱৰ সমুখীন হৈছিলোঁ। অতি কম আয়াসতে তাৰপৰা উভটি আহিছোঁ।

আমাৰ সমুখত সম্ভাৱনাৰ সূৰুযৰ প্ৰাণ চঞ্চল ওলগনি। এই ওলগনিৰ চৰিত্ৰ আছে আমাৰ বাবে। নতুন ৰক্তৰাগ আছে।

॥ উপসংহাৰ ॥

"Reality is gradually unfolding itself in an eternal play of conflicting forces and their solutions" : Will and Ariel Durant.

জীৱন প্ৰান্তৰ প্ৰথমবাৰৰ বাবে আত্মহাৰা হৈ উঠিল মল্লিকাৰ। তাই অনুভৱ কৰিলে খিৰিকীৰে সোমাই অহা মুঠি মুঠি জ্যোৎস্নাই তাইক ওলগনি জনাইছে। তাই বাৰে বাৰে অনুভৱ কৰিলে তাইৰ মনৰ মাজৰ পৰা বহুতো ভয় ক্ৰমে ক্ৰমে আঁতৰি যাব ধৰিছে পোহৰৰ বন্যাত কুঁৱলী আঁতৰি যোৱাৰ দৰে।

তাইৰ চেতনাত যেন কোনোবাই মুঠি মুঠি আলোক ছটিয়াই দিছে।

জীৱনৰ চৰম পৰাভৱৰ অনুভূতিবোৰ আঁতৰি গৈছে।

অৰুণাভে নিঃশব্দে চাই পঠিয়াই দেখিলে কেইটি-মান লহমাৰ বাবে মল্লিকাক ইমান ভাল লাগিছে। ইমান নিষ্পাপ! ইমান পবিত্ৰ !!

অনুভূতিবোৰ সচা যেন লাগিল অৰুণাভৰ। কল্পনাবোৰ মধুৰ যেন লাগিল মল্লিকাৰ।

বুৰ্জোৱা চেমি ফিউডেল এক ঐতিহাসিক হিৰ'ৰ দৰে দুহাত আগবঢ়াই দিলে অৰুণাভে। তাৰ বাউসীত ওলমি পৰিল মল্লিকা। তাই এতিয়া কবিতা ৰচিব।

মল্লিকা শইকীয়া মল্লিকা বৰুৱা হোৱাৰ কবিতা। মল্লিকা শইকীয়াৰ মল্লিকা বৰুৱালৈ উত্তৰণ ঘোষ-ণাৰ কবিতা।

অৰুণাভ হাতৰ আঙুলি মল্লিকাৰ মুখৰ ওপৰেদি বৈ গ'ল। আবেগবোৰ নদী হৈ বৈ গ'ল।

মল্লিকাৰ ভাৱ হ'ল পৃথিৱী মানে ফুল, তৰা আৰু গানৰ মিছিল..........আন একো নহয়।

সন্ধ্যা লাগি ভাগিছে।

কিন্তু অৰুণাভ আৰু মল্লিকাৰ বাবে এই সন্ধ্যাৰ আলোক হৈ উঠিল ইমান উজ্বল! ইমান প্ৰোজ্বল !!

সন্ধ্যা নিঃশব্দ।

নিঃশব্দ সন্ধ্যাত কিন্তু অৰুণাভ আৰু মল্লিকাৰ মন নিঃশব্দ হৈ থকা নাই।

সৰৱ হৈ উঠিছে। প্ৰাণোচ্ছল হৈ উঠিছে।

পৃথিৱীৰ এই অংশ এতিয়া সৰৱ হৈ উঠিছে।

পৃথিৱীৰ এই বিশেষ অংশত সম্প্ৰতি প্ৰেম, জীৱন আৰু ভৱিতব্যৰ কবিতাময় সমাহাৰ। উদভ্ৰান্ত সমাহাৰ। আৰু তাৰ অঙ্গীকাৰ।

সময়বোৰ বাগৰি গৈছে।

টেলিগ্ৰাফিক চঙত সময়বোৰ বৈ গৈছে।

দীপ্ত কণ্ঠেৰে, দৃপ্ত স্বৰেৰে দুটা প্ৰাণে জীৱনৰ নিৰাপত্তাৰ প্ৰতিশ্ৰুতি ৰচনা কৰিছে। বাঙ্ময় প্ৰতি-শ্ৰুতি।

অৰুণাভে মল্লিকালৈ, মল্লিকাই অৰুণাভলৈ বাৰে বাবে চাই থাকিল। কাৰো মুখত ধ্বনি নাই। কাৰো কণ্ঠত স্বৰধ্বনি নাই।

অতৃপ্ত চাহনিৰে দুয়ো থিয় দি আছে। গতি চঞ্চল হৈ উঠিছে। মূৰ্ত হৈ উঠিছে।

প্ৰসৱ বেদনাত ক্লান্তা মাতৃৰ ক্লান্তি নৱজাতকৰ ক্ৰন্দনধ্বনিয়ে যিদৰে আঁতৰাই দিয়ে, দুয়োৰে অত-দিনৰ যন্ত্ৰমানে ভাগৰ যেন আঁতৰাই দিলে সমাগত দিৱসে। এতিয়া কেৱল সূৰ্য্যালোকৰ অঙ্গীকাৰ। মধুৰ ক্লান্তিৰ আবেশত আত্মহাৰা জীৱন। জীৱনৰ নাম জ্যোতি। পৃথিৱীৰ নাম আলোকোজ্জ্বল গৰ্ভিনী ঋতু। চৌপাশে কেৱল পোহৰৰ গান। আৰু ফুলৰ হাঁহিত জ্যোৎস্নাৰ স্নান।

"Thou in the Moon's bright Chariot
Proud and gay,
Dost thy bright wood of stars survey;
And all the year dost with thee bring
of thousand flowery Lights
Thine own Nocturnal Spring."

(Hymn : To Light : Abraham Cowley.)

—o—

## প্ৰবোধ

সুৰেশ শৰ্মা
১ম বাৰ্ষিক বি, এ

ফুটুকী আকাশত হেজাৰ তৰা
মিতিয়ে তোক একেথৰে চাই
ৰূপালী হাঁহিৰে দাঁত জিলিকাই----
সেইটি তোৰ দেউতাৰা সোণ; সেইটি
ময়ে তোৰ মা !

পদূলিলৈ চালে দেখোঁ পাহৰি যোৱা খোজবোৰ....
দেউতাৰাই তোক কোলাত ললে, চুমা খালে..
মোৰও দুগালত দিলে ৰাঙলী ওঁঠৰ
মৰমী পৰশ !...

উৰ্বশীৰ বুকুত ওখ ওখ ৰগা কাৰেঙৰ
শীতৰ মজিয়াত চিনাকি মানুহৰ অচিনাকি খোজ.

কান্ধত বন্দুক লৈ দেউতাৰা ওলাল
অচিনাকি খোজৰ চিন বিচাৰি !
জানা সোণ, তোক আশীৰ্বাদ দিলে
মোকো প্ৰবোধ দিলে।

দেউতাৰাই কলে----
"ভাৰত আকাশৰ অগণন তৰা
ময়ো হমগৈ তাৰে এটি
ৰ'লাগি চামগৈ সোণ পোণাটিক;

ফাগুনৰ পচোঁৱাত নাচি-বাগি ফুৰি
যাচিম মধুৰ পৰশ
সমগ্ৰ ভাৰত জুৰি উঠিব আনন্দৰ শিহৰণ"...।

দেউতাৰা গ'ল সোণ,
চিৰদিনৰ বাবে....
ওখোৰা-মোখোৰা উৰ্বশী বুকুৰ'
ৰগা কাৰেঙৰ শিখৰত দিলে
ৰঙীন ছেক...।

উলটি অহাৰ খোজ নাই ।
(কিন্তু) আহিব সোণ, দেউতাৰা উলটি আহিব ।
পদূলিৰ ভঁগা জপনা খুলি
মাতিবহি এদিন 'সোণ'টি বুলি ।

আকাশ দেখা বৰঘৰৰ মজিয়াত বহি
তোৰ লগত গাব এ, বি, চি, ডি ।
× × ×
এতিয়া মা—–
মোৰো দুচকুৰে ভৰা লুইত
ওফন্দি আহিছে !!!

০ ০ ০

## অশৰীৰি

শ্ৰীমাকনি প্ৰভা শৰ্মা
প্ৰাক্‌বিশ্ববিদ্যালয় শ্ৰেণী

এতিয়া গভীৰ নিশা !
বহি আছোঁ মই অকলশৰে;
এটি সমাধিৰ কাষত ।
আকাশখন তিমিৰাচ্ছন্ন !
দূৰৈত নিশাচৰ চৰাইবোৰৰ কিৰিলি !
এয়া মোৰ চৌপাশে সিঁচৰিত হৈ পৰি আছে
কিছুমান মৰাশৰ কঙ্কাল,
কি যে ভয়ানক আকৃতি সিহঁতৰ !
সৌৱা, এক অশৰীৰি আত্মাৰ ক্ৰন্দন,
ভয়লগা বিকট চিঞৰ ।
কিন্তু মোৰ ভয়লগা নাই ।
কাৰণ সেই আত্মাৰ আন এটি
ৰূপ যে ময়েই !!

০ ০ ০

## পাৰ হৈ গ'ল

মদন শৰ্মা

পাৰ হৈ গ'ল
অশ্বাৰোহীৰ সমদল ।
ঘোঁৰাৰ খোজত উৰিল
লেতেৰা গলিৰ ধূলি ।
ধূলিত লেটি লৈ পৰি ৰ'ল
কৰ্মশ্ৰান্ত মাটিৰ সন্তানদল
ঘোলা চকুৰে বিচাৰি চায় সিহঁতে
সুলভ্য অভিসাৰিকাৰ
চকুৰ মণিত
কিজানিবা আছেই এতিয়াও
ঘামেৰে সেমেকা এটা ৰাতিৰ
টুকুৰা সপোন ।

কাৰখানাৰ ঘন্টা ধ্বনিবোৰ
একোটা পকুৱাৰ দৰে
সিহঁতৰ দেহৰ পেশীয়ে পেশীয়ে
ৰগাই ফুৰে ।
মুঠিমৰা আঙুলি ফাঁকেৰে
সৰি পৰে
জিৰ্ জিৰ্ ৰূপোৱালী বালিৰ কণিকা ।

এখন তেজৰ হাতে
মচি দিয়ে মনে মনে
সিহঁতৰ চকুৰ কাঁচত অঁকা
অঁক-বাঁক ছবিৰ টুকুৰা ।

ভাঁহি আহে অবিৰাম
বতাহে উৰাই দিয়া
ঘোঁৰাৰ খুৰাৰ সেই চিনাকি শব্দ
আৰু
কেঁচা ঘামৰ সতে
মিহলি হোৱা
মাটিৰ আদিম গোন্ধ ।
এতিয়া সিহঁতৰ আগবঢ়াৰ সময় ।

—০—

## ৰাজনীতি

শ্ৰীঅনুপমা দত্ত
৩য় বাৰ্ষিক, কলা

অযুত বছৰ ধৰি গছকা মাটিৰ পলসুৱা গোন্ধ
এতিয়াও লাগি আছে ককাদেউতাৰ নাকৰ পাহিত ।
ককাদেউতাৰ সাৰশূন্য বুকুৰ স্পষ্ট কামিহাড়ে গঢ়া
জখলাৰ খাপে খাপে সশব্দে নিঃসঙ্কোচে—
সৰ্গবে ভৰি দি নাতিহঁত আগুৱাই গ'ল
দূৰ—সুদূৰ (?) বহুদূৰলৈ, য'ত মাটি নাই
আছে আকাশৰ অপাথিৱ গোন্ধ !
সিহঁতৰ আছিল——
শুকাই যোৱা অনুৰ্বৰা বসুন্ধৰালৈ
আকাশৰ বুকুফালি পানী অনাৰ অঙ্গীকাৰ ।
পিচে, সেয়াচোন——
অস্তাচলত মাৰ যাব খোজা শীৰ্ণ ককাদেউতাৰ
পঙ্গুতাৰ সুযোগত, আকাশৰ গঙ্গাজল
আকাশতে পান কৰাৰ গোপন প্ৰচেষ্টা !
আৰু সিহঁতৰ——
গৈৰিক বসনৰ অন্তৰালত এক
সংগোপন ষড়যন্ত্ৰ আৰু ভুৱা প্ৰতিশ্ৰুতি !
কিন্তু——
ন-সূৰুয ওলাল ঃ ওলায়ে থাকিব
সিহঁতৰ বৰফৰ মুখাবোৰ সময় সুৰুযৰ উত্মাত
গলি গলি সৰি সৰি—বাৰে বাৰে মাটিতে পৰিব ।
অযুত বছৰ ধৰি ককাদেউতাই গছকা মাটিত
আকউ পলস পৰিব ॥

# তিনিটা কবিতা

শ্ৰীপ্ৰশান্ত গোস্বামী
৩য় বাৰ্ষিক (বিজ্ঞান)

[ ১ ]

মোৰ দুচকু মুদাই
এন্ধাৰৰ কোমল দুখনি হাত
মোৰ অহঙ্কাৰৰ হাড় গুৰি কৰি ধুমুহাই ক'লে ঃ
তোমাৰ প্ৰোজ্বল চকুৰ মণিত
কাল ঘুমটিৰ দাগ

[ ২ ]

ৰাতি গান গোৱা চৰাইটোৱে দি যোৱা
আহাৰ
প্ৰতিদিনে সেই আহাৰ । কালি ৰাতি
গছৰ গুৰিয়ে গুৰিয়ে পৰা দ্ৰোণকান্তি ফুলৰ দৰে
শুধ বগা বৰফবোৰত
চৰাইটো পোত গৈ থাকিল--গান গোৱা চৰাইটো

[ ৩ ]

মই যিখন নদীত আছোঁ
মৌ-মাখিৰ দৰে গুণগুণাই যোৱা নদীখন
তোমাতো আছে ।

# মোৰ সোণালী সপোন

লক্ষেশ্বৰ তালুকদাৰ
৩য় বাৰ্ষিক, বিজ্ঞান

মোৰ সপোন
মোৰ সোণালী সপোন

প্ৰতি টোপাল শ্ৰমজল
সৰি পৰে
সৰি পৰে তললৈ
তাতেই জিলিকি উঠে
মোৰ সপোন
মোৰ সোণালী সপোন

জাক জাক উৰি যোৱা
নীড়মুখী বলাকাৰ
গধূৰ পাখিত
পাখিৰ শব্দত
মোৰ সপোন
মোৰ সোণালী সপোন

মৌ-মাখিৰ গুণ-গুণনিত
জীৱনৰ প্ৰেৰণা জীয়াই থাকে
তাতেই মোৰ সপোন
মোৰ সোণালী সপোন ।

# প্ৰসাৰিত এখন হাত

ধৰণী বৈশ্য
২য় বাৰ্ষিক, কলা

মোলৈকে হাতখন প্ৰসাৰিত কৰি দিছিল
মুখত আছিল হাঁহি--
যিমানে হাতখন মোৰফালে আগুৱাই আহিছিল
সিমানে মই পিচুৱাই গৈছিলোঁ----
মোৰ অনুভৱ হৈছিল----
যেন মোৰ সমুখত এখন তৰোৱাল ।
ক্ৰমাগত আগুৱাই আহি থকা---
এখন ক্ষুৰধাৰ তৰোৱাল ।

মোলৈকে হাতখন প্ৰসাৰিত কৰি দিছিল
মুখত আছিল হাঁহি ।
মোৰ বাবে সেই হাঁহি,
হাঁহি নাছিল
আছিল বিদ্ৰূপৰ বাণী ।

এসময়ত মোৰো হাতখন আগবাঢ়ি গৈছিল
ক্ৰমাগত আগবাঢ়ি গৈছিল
(কিন্তু) সেইখন হাত
ক্ৰমে ক্ৰমে তললৈ নামি গৈছিল
কঁপিছিল.......হাতখন কঁপিছিল ।
মোৰ অনুভূতিক থেলি দি
হাতখন নামিছিল
তললৈ.......আৰু তললৈ ।

# মৌলিকতা আৰু সমাজ-স্বাৰ্থ

শ্ৰীমোহন চন্দ্ৰ বৰদলৈ
প্ৰাক্‌বিশ্ববিদ্যালয় (কলা)

ব্যক্তিগত অথবা সমূহীয়া জীৱনত কেতবোৰ লেখনীয় চিন্তা প্ৰসূত ক্ৰিয়াশীল আহিলাৰ বাস্তৱিক প্ৰয়োগত পাব পৰা ফলপ্ৰদ সফলতাৰ আলোচনা প্ৰসঙ্গত কেইটামান গুৰুত্বপূৰ্ণ আৰু ভূমিকাধাৰী ধাৰণাৰ ওপৰত অধিক নিৰ্ভৰশীলতা আৰোপ কৰাৰ লগতে সিহঁতৰ চূড়ান্ত উদ্দেশ্য বাখ্যা কৰি কেনে প্ৰক্ৰিয়াত আহিলাসমূহ ৰাসায়নিকভাৱে সংহতিপূৰ্ণ হ'ব পাৰে তাৰ এটা আগতীয়া ধাৰণা কৰাটোতেই মৌলিকতা প্ৰশ্নটোৰ এটা দাতব্য সমাধানৰ অৰ্থপূৰ্ণ ইঙ্গিত পোৱা হ'ব পাৰে। অৱশ্যে সেই ইঙ্গিতৰ পুনৰ গঠন সম্পৰ্কত নব্য-শক্তিশালী মনোচেতনাৰ প্ৰয়োজনীয়তা আজি আৰু নাই, বৰং তাৰ কাৰ্য্য-কাৰিতাৰ বাবে খেঁজালনি-পূৰ্বক দৃষ্টিভঙ্গী ত্যাগ কৰি হাতে-কামে লগাটোহে মঙ্গলজনক হ'ব। কিয়নো, মৌলিকতাৰ গুণ ৰাশি বিশ্লেষণ অথবা তাৰ প্ৰকাশ প্ৰাক্‌-অৰ্বাচীন কালতেই নিৰৱচ্ছিন্ন হৈ গৈছে বুলি ক'ব পাৰি। কিন্তু দুখৰ কথা, তাৰ বিষয়-বস্তু আয়ত্বকৰণ, প্ৰাধান্যৰ ওপৰত গুৰুত্ব স্থাপন, প্ৰয়োজনীয়তাৰ বাবে উপচক্ৰৰ উচ্ছেদ সাধন অথবা সমগ্ৰ মানৱ সত্বাই তাক ঋজু স্বীকৃতি দিয়াৰ ক্ষেত্ৰত আজিও উচ্ছ্ৰিত মনোচেতনাৰ উচ্ছ্বাস দেখা হোৱা নাই। ফলত মৌলিকতা আৰু অমৌলিকতাৰ সংমিশ্ৰণ কাৰ্য্যৰ অমূৰ্তক আধিপত্যই যে বিশ্বৰ লেখনীয় সভ্যতাবোৰৰ পতন অৱশ্যম্ভাৱী হোৱাৰ পথলৈ আদৰি অনাত সৰ্বশ্ৰেষ্ঠ নেতৃত্ব লব, সেইটো বিনা প্ৰতিবাদে নিশ্চিত বুলি মই ভাবোঁ। প্ৰশ্ন হয়, কেনেকৈ সম্ভৱ হ'ব পাৰে 'শক্তিশালী' বুলি স্বীকৃত সভ্যতাৰ পতন? দাতব্য প্ৰত্যুত্তৰ হ'ব— অমৌলিকতা আৰু অসংস্কৃত্যৰ অবাৰিত প্ৰভাৱ নাইবা দুৰ্বল মানৱ চেতনা। য'ত মৌলিকতাৰ অভাৱ, তাত সংস্কৃত সাৰ কথাৰ নিতান্ত অভাৱ; যি সমাজ মৌলিকতা আৰু অমৌলিকতাৰ যৌগশক্তিৰ দ্বাৰা পৰিচালিত সেই সমাজতে বিৰোধবাদী সংঘৰ্ষ সুস্পষ্ট। বাস্তৱিকতে সামাজিক জীৱন সংগঠক ব্যক্তি প্ৰত্যেকৰ জীৱনত মৌলিকতাৰ অফুৰন্ত প্ৰভাৱ নাথাকিলে ব্যক্তিগত আশুফলপ্ৰাপ্তি হৱতো নোৱাৰেই সমূহীয়া স্বাৰ্থতো দুৰ্জেয় হেংদাঙ পৰি খণ্ড-বিখণ্ড কৰি দিব।

মৌলিকতা এনে এক শক্তি যাৰ উৎস কেইটা-মান প্ৰভাৱশালী ক্ৰিয়া প্ৰসূত আহিলা, যাৰ উদ্দেশ্য এটা ন্যায় সঙ্গত প্ৰাপ্তি আৰু যাৰ বিকাশত পৃথি-বীত শতজন মহানাত্মাই আশা কৰি যোৱা ফলৰ কলি নিঃসন্দেহে পূৰ্ণ হ'ব পাৰে। কিন্তু মৌলিকতাৰ অজুহাত লৈ যদি কোনো বিষয়ৰ গুৰুত্বপূৰ্ণ আয়ো-জন অমৌলিকতাৰে নিয়ন্ত্ৰণ কৰা হয় তেন্তে তাৰ প্ৰাপ্য পৰিণতি হ'ব অকাল পথচ্যুতি আৰু ধ্বংস।

॥ মৌলিকতা আৰু অমৌলিকতা প্ৰসঙ্গ ॥

মৌলিকতা মনৰ গুণাৰ্থ। মৌলিকতাৰ উৎস হ'ল চিন্তা। চিন্তাৰ বিকাশ, বিকশিত ন্যায্য চিন্তা আৰু তাৰ কৰ্মযুগ—এই তিনিটা চিন্তা সম্বন্ধীয় বিভাজনৰ লগত মৌলিকতাৰ অবিচ্ছেদ্য সম্পৰ্ক বিদ্যমান। কিন্তু মৌলিকতাৰ উৎস চিন্তাৰ বিকাশ

আৰু বিকশিত চিন্তাহে; কৰ্মযুগ হ'ল মৌলিকতাৰ ব্যৱহাৰ মাধ্যম । আনহাতে অমৌলিকতাৰ উৎস চিন্তাৰ বিকাশ আৰু বিকশিত অন্যাৰ্য্য চিন্তা। ইয়াৰো ব্যৱহাৰৰ মাধ্যম কৰ্মযগ যদিও ই কৰ্মযগত প্ৰতিকূলধৰ্মী তথা অশান্তিমলক ফলাফল সৃষ্টি কৰে। সেই কাৰণেই সুদৃঢ় সমাজ স্থাপনৰ বাবে সৃষ্ট সমাজনীতিৰ উৎস মৌলিকতা । আৰু সুদৃঢ় সমাজ প্ৰতিষ্ঠাই মৌলিকতাৰ প্ৰধান উদ্দেশ্যৰ বাবে অৰ্বাচীন বিজ্ঞান জগতৰ সৃষ্ট ধ্বংসশীল সজুলিৰ অপপ্ৰয়োগকো জন-কল্যাণকামী পুৰুষবৰ্গই অমৌলিকতা বুলি দৃঢ়কণ্ঠে কব লাগিছে।

মৌলিকতাৰ বিকাশ সাধনকাৰী আহিলাবোৰ হ'ল—(১) চিন্তা আৰু কাৰ্য্যকৰীৰূপ, (২) পুনৰাচৰণ আৰু শুচিকৰণ, (৩) অনিশ্চিতৰূপৰ ন্যায় পৰিবৰ্তন, (৪) স্বাধীন স্বেচ্ছাচাৰিতাৰ স্বাধীনৰূপ । এই প্ৰতিটো আহিলাৰ মাজত এনে কিছুমান বৈধ-শক্তি নিহিত আছে যাৰ প্ৰয়লতাত ধৃত-কৰ্মৰ ফলাফল নিশ্চিত । কথাটো দুৰ্বলভাৱে গ্ৰহণ কৰিলে প্ৰশ্ন উঠিব পাৰে—এইবোৰ আহিলাৰ ৰাসায়নিক একত্ৰীকৰণতো যদি আশাফল লোকচান হয় তেন্তে তাৰ সমিধান কি হ'ব ? হাস্যাস্পদ হলেও প্ৰশ্নটোৰ উত্তৰ দিয়া যাব যে প্ৰশ্নটোৰেই মৌলিকতাহীন । কিন্তু কেনেকৈ হীন ? যদি এইটো মৌলিকতাপূৰ্ণ প্ৰশ্ন হ'ব লগা হয় তেন্তে সি হ'ব লাগিব—মৌলিকতাৰ এই আহিলাসমূহ সৰ্বসন্মত বা ব্যৱহাৰিক প্ৰমাণযুক্ত হয়নে ? তেতিয়া আমি ক'ব পাৰোঁ এটা কথাই— এই আহিলাসমূহ সৰ্বসন্মত কিন্তু সিহঁতৰ মাজতো ভেঁজাল সোমাই সমগ্ৰ শক্তিটো অসম্পূৰ্ণ কৰি তুলিব পাৰে আৰু সেইটো দেখাও গৈছে । অৱশ্যে এই ভেঁজালৰ ৰহস্যজনক আগমনক আদৰি লোৱাটোও অমৌলিকতাৰ জ্বলন্ত নিদৰ্শন হ'ব । এতিয়া সাহিত্যৰ উজ্বল ধাৰণাটো ৰাখি আমি উক্ত আহিলাবোৰৰ এটা ক্ৰমিক আলোচনা কৰিব খুজিছোঁ ; ই যুক্তাতীত হলে সেইটো দোষ আমাৰেই হ'ব—মৌলিকতাৰ নহয়।

॥ চিন্তা আৰু কাৰ্য্যকৰী ৰূপ ॥

চিন্তাৰ দুটা ঢাল আছে । এটা ঢাল সমতল অৰ্থাৎ তাত নদীও ব'ব পাৰে, সাগৰো হ'ব পাৰে ; কিন্তু আনটো এচলীয়া তাত পানী ব'লেও সাগৰ নহয় । বাস্তৱিক ৰূপত প্ৰথম ঢালটো সক্ষম আৰু দ্বিতীয় ঢালটো অক্ষম । পৃথিবীৰ আজিলৈকে জন্ম হোৱা জনহিতৈষী আৰু জনকল্যাণকামী পুৰুষ সকলৰ চিন্তা আছিল এখন এখন সবল সমাজ গঢ়াৰ। কিন্তু ই আজি পৰ্য্যন্ত ফলপ্ৰদ হ'ব পৰা নাই। ইয়াত অমৌলিকতাৰ প্ৰশ্ন উঠিব পাৰে নেকি ? নে সেই পুৰুষবৰ্গৰ চিন্তা অক্ষম ? এইটো বিশ্বপ্ৰেমীৰ বাবে এটা চিন্তনীয় সমস্যা । কিন্তু এই ক্ষেত্ৰত উপৰুক্ত কোনোটো প্ৰশ্নই প্ৰযোজ্য হোৱাৰ থল নাই । তাৰ যুক্তি হিচাবে দিব খোজোঁ—এখন সবল আৰু পৰিস্কাৰ সমাজ গঢ়া কথাটোত সংশয়জনক সম্ভাৱনা থাকিব নোৱাৰে; যিহেতু ইয়াৰ প্ৰয়োজনীয়তা আছে, এই প্ৰয়োজনীয়তাৰ বাবে জনমন-সন্মত আকাংখ্যা আছে আৰু সেই আকাংখ্যাৰ উৎস হ'ল সহৃদয়তা। কিন্তু এনে এখন সমাজ স্থাপনৰ চিন্তামূলক পৰিকল্পনাৰ কাৰ্য্যকাৰিতা নাই এই কাৰণেই যে অতীত আৰু সম্প্ৰতি সমগ্ৰ মানৱজাতিৰ মাজত এনে এক স্বাৰ্থজনিত ভেঁচিৰ ওপৰত প্ৰতিষ্ঠিত দুৰাকাঙ্খী সংখ্যাগধুৰ দল আছে যাৰ অমৌলিকতাই গোটেই মৌলিক পৰিকল্পনাটো পথভ্ৰষ্ট কৰি দিছে । মই ক'ব খুজিছোঁ—সমগ্ৰ মানৱ জাতিয়ে মৌলিকতাৰ ভিত্তিত এই কাৰণেই কাম কৰিব পৰা নাই—এই সংখ্যাগধুৰ স্বাৰ্থান্বেষী দলটোৰ চিন্তা অক্ষম কিন্তু অতিৰিক্ত স্বাৰ্থ বৰষুণৰ ফলত এচলীয়া অংশইদি অশান্তি বৈ গৈ আছে । মৌলিকতাৰ অধ্যায়ত স্বাৰ্থ, অন্যায়, ব্যভিচাৰ আদিৰ প্ৰশ্ন নাই । মৌলিকতা হৈছে পৰিষ্কাৰ চিন্তাধাৰাৰ সোণালী প্ৰকাশ মাত্ৰ । কল্যাণ, সমগ্ৰ প্ৰাণতান্ত্ৰিক স্বাৰ্থ আৰু সমতাই হৈছে ইয়াৰ মাজত বিশ্বস্ত নিবাসী ।

চিন্তা আৰু তাৰ কাৰ্য্যকৰী ৰূপ দানত যি কেইজন পুৰুষৰ অৱদান আছে, তেওঁলোকৰ একোখন উচ্চাসনো বিশ্বৰ বুকুত আছে । সেই সকলক বাদ দি জগতত বাকী থাকিব সাধাৰণ মানুহৰ অভাৱনীয় সংখ্যা গৰিষ্ঠতা । এই শ্ৰেণীৰ মানুহে মৌলিক চিন্তা কেনেকৈ কৰিব ? সেই কাৰণেই প্ৰয়োজন হয় শিষ্যত্বৰ আৰু লগতে মৌলিকতাক গ্ৰহণ কৰিব পৰা মানসিক প্ৰস্তুতিৰ । এইখন পৃথিবীত কেতিয়াবা ক'ৰবাত বৰ্বক মানুহৰ (জ্ঞানহীন) জন্ম হৈছে বুলি কোনেও দাবী তুলিব নোৱাৰে । যাৰ প্ৰাণ আছে তাৰ জ্ঞান আছে, কিন্তু ক্ষেত্ৰ আৰু পাৰিপাৰ্শ্বিকতা অনুসৰি সেই জ্ঞান প্ৰতিকূলধৰ্মী অৱস্থা প্ৰাপ্ত হয় । মানুহৰ ক্ষেত্ৰত এই কথা উচ্চস্তৰৰহে । মানৱাত্মাই যুক্তিযুক্ত নৈতিকতাক গ্ৰহণ কৰাৰ ক্ষমতাকণ যে কেতিয়াও হেৰুৱাই নেপেলায়—ই চিৰ সত্য ।

মৌলিকতা শিষ্যত্বৰে নাইবা যিকোনো মানসিক প্ৰস্তুতিৰ দ্বাৰা গ্ৰহণ কৰাৰ পাচত তাৰ ব্যৱহাৰিকতাৰ প্ৰশ্ন উঠে । অৰ্বাচীন জগতত ব্যৱহাৰিকতাৰ নামত মৌলিকতা প্ৰকাশ কৰা হয়, কেৱল কাপেৰে কিন্তু প্ৰকৃতপক্ষে আমাৰ প্ৰয়োজন কোনটোৰ ?

প্ৰকাশ নে বিকাশৰ ? এই প্ৰকাশ আৰু বিকাশ উভয়বিধ অৰ্থৰ চাৰিত্ৰিক বৈশিষ্ট্যকণ ফঁহিয়াই চালে দেখা যাব যে প্ৰকাশৰ স্থান চিন্তাৰ প্ৰাথমিক স্তৰতহে। কিন্তু বিকাশৰ স্থান সৰ্বোচ্চ, অৰ্থাৎ কাৰ্য্য-কাৰিতাৰ ই ৰূপান্তৰ। মহাত্মা গান্ধীৰ চিন্তা আছিল মৌলিক আৰু তাৰ বিকাশ ঘটিল কাৰ্য্যৰ দ্বাৰা। এই প্ৰমাণটোৰ দ্বাৰা এটা অৰ্থপূৰ্ণ কথা উদ্ধাৰ কৰিব পাৰি যে মৌলিক চিন্তা আৰু তাৰ প্ৰয়োগ বা কাৰ্য্যকাৰিতাত আশাপ্ৰদফল লাভ হোৱাটো নিশ্চিত কিন্তু কাৰ্য্যকাৰিতাৰ অভাৱত চিন্তাই বিকাশ লাভ কৰাৰ কোনো অন্য পথ নাই। এইখন পৃথিবীৰ লাখ লাখ পুথিভঁৰালত অসংখ্য সমাজবাদী চিন্তাৰ কিতাপ থাকিলেও কাৰ্য্যকাৰিতাৰ অভাৱত সিহঁতৰ গোন্ধ এটা সহানুভূতিশীল শ্ৰেণীৰ মাজতেই মাত্ৰ আবদ্ধ থাকিব লাগিব। কিন্তু কাৰ্ল-মাৰ্ক্সে প্ৰতিক্ৰিয়াশীল আৰু কাৰ্য্যকৰী লেখনি সৃষ্টি কৰিব পাৰিছে অন্য এক কাৰণত। কাৰণটো হ'ল তেওঁ স্বয়ংভাৱে চিন্তাখিনিক ব্যৱহাৰিক কৰি তোলাৰ ওপৰত সৰ্বাধিক গুৰুত্ব দিছিল। লেনিনৰ কাপ আৰু ব্যৱহাৰিকতাৰ মাজত কোনো পাৰ্থক্য নাছিল বাবেই ছোভিয়েত ইউনিয়নৰ সাম্যবাদ অসন্দিহান অগ্ৰগতিত দৃঢ় হৈ উঠিছে। মহাত্মা গান্ধীৰো কাপ আৰু কামৰ মাজত পাৰ্থক্য নাছিল, কিন্তু অহিংসা-বাদ (সাম্যবাদ!) মৃত কিয় ? এইটো উপৰোক্ত উদাহৰণৰ লগত লাজলগা ব্যতিক্ৰম। কিয়, কেনেকৈ আৰু কাৰ দ্বাৰা এই ব্যতিক্ৰম হবলৈ পালে, তাৰ সূত্ৰ হিচাবে ইয়াকেই দিব খোজোঁ যে--কোনো উদ্দেশ্যমূলক অথবা ফলকামী আয়োজনৰ ফল-প্ৰাপ্তিৰ শেষত নিয়ন্তক মূল নীতিৰ মৃত্যু ঘটে তেতিয়া, যেতিয়া মৌলিকতাৰ নামত আইন সন্মত প্ৰাপ্যতাৰ দাবী উঠাই দি বিকৃত ব্যক্তিতান্ত্ৰিক স্বাৰ্থন্যস্ত কৰা হয়; অৰ্থাৎ পথচ্যুতিত।

॥ পুনৰাচৰণ আৰু শুচিকৰণ ॥

এটা হৃদয়গ্ৰাহী কথা এইখন পৃথিবীত সদায় অথবা বহুতবাৰ কব পাৰি--বক্তাসকলৰ বক্তৃতা অথবা লেখকগোষ্ঠীৰ লেখনি সফলকামী হলে প্ৰতিটো শতিকাৰ সমাজসমূহে সিবিলাকক উচ্চ আসনেৰে স্বীকৃতি দিব পাৰে; একে ধৰণে এটা কামো এইখন পৃথিবীত বহুবাৰ কৰিব পাৰি আৰু কৰ্মীয়ে (অকৃত্ৰিম) কৰ্মানুসৰি নিঃসন্দেহে উচ্চাসন একোখন পোৱাৰো ব্যৱস্থা আছে। বাস্তৱ দৃষ্টি অনুসৰি পৃথিবীত নতুন কথা কোনেও নকলেও নতুন কাম কোনেও নকৰিলেও তাৰ ওপৰত গুৰুত্ব দিবলগীয়া এই খিনিতেই যে--আচৰণ (কাম, লেখনি) ত যদি মৌলিকতাৰ চিন-চাব নাথাকে তেন্তে পুনৰাচৰণত শুচিকৰণ হোৱাটো সভ্যতা সূচকভাৱে বাঞ্ছনীয়। ধৰ্মীয় আৰু ৰাজনৈতিক ব্যৱস্থাৰ দ্বাৰা সামাজিকতাৰ ক্ষেত্ৰত মধ্যযুগত যি মৌলিকতাহীন শোষণবাদী আচৰণৰ সৰ্বব্যাপ্ত প্ৰভাৱ আছিল সেইটোৰ ক্ৰমশঃ পতন হ'ব লাগিছে খুব লাগে লাহে আৰু তাৰ মূলতেই হ'ল পুনৰাচৰণৰ শুচিকৰণ। মানুহ যে মানুহ, খৃষ্টান বা মুছলমান বা বৌদ্ধ নহয় অথবা ধনী-দুখীয়াৰ দুৰ্জেয় পাৰ্থক্য থকা যুক্তিসঙ্গত নহয় তাক হৃদয়ঙ্গম কৰিব পৰা শক্তি এক মাত্ৰ মৌলিক শুচিকৰণ ব্যতিৰেকে অন্য কাৰোবাব থাকিব পাৰে বুলি ভাবিব নোৱাৰি। এইটো বাস্তৱিকতে লক্ষ্যণীয় কথা যে--এই শুচি-কৰণ মৌলিক হোৱা উচিত, অৰ্থাৎ চিন্তা আৰু কাৰ্য্যকাৰিতাৰ অপ্ৰতিহত প্ৰভাৱ তাত থকাটো বাঞ্ছনীয়। ইয়াৰ লগতে শুচিকৰণৰ এটা উজ্জ্বল সাক্ষ্য দিব পাৰোঁ যে এই ক্ষেত্ৰত হজৰত, যীশু, বুদ্ধ আৰু হিন্দু ধৰ্ম-প্ৰবৰ্তক সকলৰ মৌলিক সাধনা চিন্তনীয়। এইটো মৌলিকতাৰে চূড়ান্ত ফল নহয়নে? খোদা, গড্, পৰিনিৰ্বাণ অথবা ঈশ্বৰ যেনেকুৱাই নহওক লাগিলে, প্ৰতীক যে সকলোৰে একেই সেইটো একাদিক্ৰমে সৌভাগ্য, সত্য আৰু প্ৰগতিশীল কথা নহৈ নোৱাৰে। কিন্তু সেইটোহে সকলোতকৈ ধৰ্মীয় প্ৰগতিমূলক কথা হ'ব, যেতিয়া প্ৰতিজন মানুহেই বুজিব--প্ৰতিটো জীৱই জীৱ, প্ৰতিটো জীৱৰে স্বকীয় আশা-আকাঙ্খা আছে আৰু প্ৰতিটো কৰ্মই জীৱনৰ বাবে। পাপৰ শাস্তি থাকক বা নাথাকক, ওপৰৰ কথাটোৰেই পাপ-সমস্যাৰ এটা উচিত সমাধান দিব। পুনৰাচৰণ যিজনৰ মৌলিক শুদ্ধিকৰণৰ দৃঢ় পিৰালিত প্ৰতিষ্ঠিত তেওঁৰ বাবে পুৰুষকেই নতুন পুৰুষ বোলা নাযাবনে ? পৃথিবীৰ প্ৰতিটো শতিকাৰ জনকল্যাণ-কামী পুৰুষক (স্বাৰ্থান্বেষী পুৰুষবৰ্গৰ নাম নলব), কুৰি শতিকাৰ ৭২ চনলৈ ঘূৰাই আনিব পৰা হলে অকৃত্ৰিম নতুন পুৰুষৰ যুগটো নিসন্দেহে আৰম্ভ কৰিবপৰা গলহেঁতেন।

প্ৰতিটো পুনৰাচৰণতে শুচিকৰণৰ আৱশ্যকতা নাথাকিবও পাৰে; বিশেষকৈ যিবোৰ আগতে জন-সমৰ্থন লাভ কৰিব পাৰিছে, জন-কল্যাণৰ গুৰুত্ব পূৰ্ণ ভূমিকা লব পাৰিছে আৰু সমাজক সুসংগঠনেৰে নিয়ন্ত্ৰণ কৰাৰ প্ৰতিনিধিত্ব লাভ কৰিছে। আচল কথাও হ'ল সেইটোৰেই। অৰ্বাচীন কালত এনে আচৰণৰ নিৰঙ্কুশভাৱে প্ৰয়োগ হ'ব লাগে বা হোৱা

উচিত, তাত শুচিকৰণৰ প্ৰশ্নই নুঠে । নৈতিকভাৱে আৰু নতুন পুৰুষৰ বাবে সেয়ে কওঁ, শুদ্ধ ঐতিহাসিক কৰ্মসূচীৰ প্ৰয়োজনীয়তা যুক্তিযুক্ত ।

॥ অনিশ্চিত ৰূপৰ ন্যায় পৰিবৰ্তন ঃ (অদৃষ্ট পূৰ্ব ৰূপৰ ন্যায় বিকাশ) ॥

পৃথিবীত কিছুমান ক্ৰিয়া প্ৰসূত ৰূপৰ বিকাশৰ বাবে মৌলিকতাপূৰ্ণ প্ৰশ্ন উত্থাপিত হৈছে, কিন্তু বিকাশ বা ব্যৱহাৰিকতাৰ ক্ষেত্ৰত এটা প্ৰতিকূল ধৰ্মী অৱস্থাৰ নিষ্ঠুৰ কাৰ্য্যকলাপ চলিয়েই আছে। সমাজবাদ কি বা তাক বাস্তৱ ৰূপত পালে বিশ্বৰ প্ৰগতি কেনে হ'ব পাৰে সেই বিষয়ে জনকল্যাণকামী পুৰুষবৰ্গৰ গধুৰ আলোচনা এতিয়ালৈকে চলি আছে, আৰু চলি আছে দুখীয়া বা নীচ শ্ৰেণী এটা জীয়াই নাথাকিলে "আমাৰ অপৰ্য্যাপ্ত ক্ষতি হ'ব," বোলা একশ্ৰেণী কৃত্ৰিম জননায়কৰ নেতৃত্ব। এই সংঘাতত জয় যদি জনকল্যাণকামী দলটোৱে হয় তেন্তে আৰু সমস্যা নহাকৈ কেতিয়াও নাথাকে। সেই সমস্যাটোৰ বিশ্লেষণ প্ৰসঙ্গত সমাজবাদত সংশ্লিষ্ট হ'বলগীয়া জনসমাজৰ অৱস্থা ব্যৱস্থাৰ এটা খোলোচা বিৱৰণ দাঙি ধৰা উচিত হ'ব ।

সমাজবাদৰ প্ৰশ্ন উঠাৰ মূল কাৰণ--প্ৰাপ্যাধিকাৰ, মানৱীয়তা আৰু মৃত্যু ভয় । এই তিনিওটাৰ অধিকাৰী হ'ল দুখীয়া বা নীচ জন সমষ্টি আৰু মৃত্যুভয়ৰ একমাত্ৰ অধিকাৰী হ'ল ধনিক শ্ৰেণী । কিন্তু সমাজবাদ হ'লে হ'ব লাগিব কেনেকৈ ? পৃথিবীৰ প্ৰতিটো মানুহ সম্পদেৰে ধনী হৈ নে দুখীয়া হৈ ? এইটো এটা চিন্তনীয় সমস্যা । এইখিনিতেই মৌলিকতাৰ প্ৰশ্ন উঠে । মৌলিকতাহীনভাৱে প্ৰতিজন বিশ্ববাসী ধনী হৈ সমাজবাদ সৃষ্টি কৰিব খুজিলে, সেই সমাজবাদে যে সাম্ৰাজ্যবাদৰ পুনৰ্গঠনত অভাৱনীয় সহায় কৰিব তাত কোনো সংশয় নাই । আনহাতে, সেইদৰে মৌলিকতাহীনভাৱে সকলো দুখীয়া হৈ সমাজবাদ ৰচিব খুজিলে দুটা কথাৰ সৃষ্টি কৰিব (১) অস্বীকাৰবাদী সংগ্ৰামী দল আৰু (২) সামন্ততন্ত্ৰ । সেয়ে সকলো নিৰুপায় । কিন্তু সকলো মানুহে মৌলিকতাৰ ওচৰত দীক্ষা লৈ নিজৰ মঙ্গল কামনা কৰিব খুজিলে এই সমস্যাটোৰ এটা উচিত মীমাংসা পোৱা যাব পাৰে । প্ৰকৃতভাৱে, মৌলিকতাৰে সমাজবাদ গঢ়িব খুজিলে ব্যক্তি প্ৰত্যেকেই অৰ্থ, সম্পদ আদিৰ অভাৰী হ'ব লাগিব আৰু দৈহিক শ্ৰমৰ সহায়ত কৰ্মযুগ সৃষ্টি কৰি সাম্যবাদৰ ৰূপ দিব লাগিব ।

॥ মানৱীয়তা আৰু মৃত্যুভয় প্ৰসঙ্গ ॥

মানৱীয়তা আৰু মৃত্যুভয় এনে দুটা সম্যক প্ৰতিকূলধৰ্মী অৱস্থা যাৰ প্ৰভাৱত এটা সুকীয়া শক্তিৰ জন্ম হ'ব পাৰে; কিন্তু সমাজবাদত এটাৰহে প্ৰভাৱ বাঞ্ছনীয় । অৰ্বাচীন জগতত উচ্চ-নীচ, ধনী-দুখীয়া, মানী-অৱহেলিত আদি অহি-নকুলীয়া সামাজিক পৰিৱেশৰ দাম্ভিক উত্থান প্ৰৱতি থকাৰ মূলতঃ মৃত্যুভয়ৰ শক্তিমন্ত প্ৰভাৱ বিদ্যমান। মৌলিকতা আৰু সমাজস্বাৰ্থ সম্পৰ্কত যেনেকৈ সমাজস্বাৰ্থ উন্নত হবলৈ মৌলিকতাৰ প্ৰয়োজন নাইবা মৌলিকতাৰ বাবেই সমাজ স্বাৰ্থৰ উন্নতি চিন্তনীয়; তেনেকৈ--মানৱীয়তা আৰু মৃত্যুভয়ৰ ক্ষেত্ৰত মানৱীয়তা মৃত্যুভয়ৰ অন্তৰায়, মৃত্যুভয় মানৱীয়তাৰ প্ৰতিহন্তা । এনেকুৱা সংক্ষেপ বিশ্লেষণত আচলতে ক'ব খুজিছোঁ--ব্যক্তিস্বাৰ্থৰ মূল হ'ব মৃত্যুভয় আৰু সমাজস্বাৰ্থৰ মানৱীয়তা । এইখিনিতেই প্ৰশ্নৰ সম্ভাৱনা আছে; --ব্যক্তি বিশেষৰ জীৱন ধাৰণৰ ক্ষেত্ৰত সুকীয়া কথা, কিন্তু ক্ষমতা লাভৰ ঈচ্ছাৰ মূলত কেনেকৈ মৃত্যুভয় হ'ব পাৰে ? উত্তৰ হ'ব--ব্যক্তি স্বাৰ্থৰ যিহেতু তেওঁ অধিকাৰী আৰু সেই ব্যক্তিস্বাৰ্থৰ যিহেতু মূল মৃত্যুভয় ।

মৃত্যুভয়ক বাদ দি মৃত্যুঞ্জয়ী হোৱাৰ নামান্তৰেই হ'ল মানৱীয়তা --য'ত আদৰ্শৰ প্ৰয়োগ আছে, মহান স্বাৰ্থৰ সুন্দৰ ৰেঙনি আছে । এই মানৱীয়তাৰ প্ৰয়োগ শ্ৰম, সাম্যবাদী ভাৱনাৰ ক্ৰিয়া-কলাপ আদিয়েই গঢ়িব পাৰে সমাজবাদ, যাক ওপৰত কোৱা হৈছে অদৃষ্টপূৰ্ব ৰূপৰ ন্যায় বিকাশ ।

॥ স্বাধীন স্বেচ্ছাচাৰিতাৰ স্বাধীন ৰূপ ॥

আচলতে যদিও সমাজবাদৰ প্ৰশ্নতেই ইয়াৰ পৰোক্ষ আলোচনা হৈ গৈছে তথাপি ইয়াক সুকীয়া কৰা হ'ল এটা কাৰণত । কাৰণটো হ'ল--মনোবৃত্তিৰ ভিন্ন প্ৰকাশ । কিয়নো, মনোবৃত্তিৰ প্ৰশ্ন কেৱল সমাজবাদী যুগতেই নহয়; সমাজবাদী চিন্তাৰ লগতো । অৰ্থাৎ ইয়াৰ অবিহনে সমাজবাদ স্থাপন সম্ভৱ নহয় ।

কোনো ব্যক্তিৰ অন্তৰত স্ব-স্বাৰ্থজনিত ইচ্ছা থাকিলে আৰু তাক প্ৰয়োগ কৰিলে সেইটো ৰদ কৰা যাব কেনেকৈ ? তেওঁৰ পৰিবৰ্তনৰ ক্ষেত্ৰত জন-কল্যাণকামী সমাজসেৱী দলৰ যত্ন প্ৰয়োগ কৰাতকৈ তেওঁ নিজগুণে পৰিবৰ্তিত হোৱাটো বাঞ্ছনীয় । কিন্তু স্বাৰ্থাকৰ্ষণৰ দুৰ্ভেদ্য মেৰত যি

এবাৰ সোমাই পৰিছে তেওঁৰ ওচৰত আদৰ্শবাদৰ আকৰ্ষণ দুৰ্বল । তেওঁ নিঃসন্দেহে আদৰ্শবাদক উৰুৱাই দিব । তেতিয়া আৰু উপায় নাই, সমাজ স্বাৰ্থৰ প্ৰশ্নই পঙ্গু । কিন্তু স্বাৰ্থৰ দাস সকলে ইতি-মধ্যেই অনুভৱ কৰা উচিত হ'ব যে—শুদ্ধ চিন্তা-ধাৰাৰ দ্বাৰা পৰিবেষ্টিত অথবা পৰিচালিত কৰ্ম-পদ্ধতি গ্ৰহণ কৰাটো তেওঁলোকৰ নিজৰ আৰু উত্তৰ পুৰুষসকলৰ বাবেই মঙ্গলজনক । স্বাধীন স্বেচ্ছাচাৰিতাৰ অৰ্থ এইটো নহয় যে—স্বকীয় মঙ্গলৰ বাবে লাভজনক অথচ দুৰ্নীতি-গ্ৰস্ত কাৰ্য্যৱলীত হাত দিয়া । এই স্বেচ্ছাচাৰিতাৰ ভিত্তি স্বাধীনতাপূৰ্ণ কৰ্ম-ৰাশিহে । ইয়াত অমৌলিকতাৰ আধিপত্য থাকিব নোৱাৰে । অমৌলিকতাৰ গ্ৰাসৰ পৰা মুক্ত চিন্তাধাৰা তথা কৰ্ম পদ্ধতিয়ে সদায় একে পথেৰেই বাট বুলিব অৰ্থাৎ এনে পৰ্য্যায়ৰ স্বাধীন স্বেচ্ছাচাৰিতা প্ৰদৰ্শক দলৰ কৰ্মপদ্ধতিৰ সম্পূৰ্ণ সাদৃশ্য থাকিব আৰু ফলা-ফলো সৃষ্টি কৰিব একে ধৰণেৰে ।

আমাৰ পিতৃ-পিতামহ সকলে যি ভুল কৰিলে সেই ভুল আমিও কৰিব পাৰোঁ; কিন্তু সেইটো শুদ্ধি-কৰণেৰে শোধিত হোৱা দৰকাৰ । আমাৰ জন্ম আৰু নিৰ্য্যাতনৰ বাবে দায়ী আমাৰ পূৰ্ব-পুৰুষ সকল আৰু আমাৰ উত্তৰ পুৰুষসকলৰ জন্ম আৰু নিৰ্য্যাতনৰ বাবে দায়ী হ'ম আমি; কিন্তু আমি মৌলিকতা পূৰ্ণ ইচ্ছাক সুস্থ বিকাশ দি সেই পুৰুষ-বৰ্গৰ কল্যাণ কৰি থৈ যোৱা উচিত, যদিহে অৰ্বাচীন যুগটো নতুন পুৰুষৰ নতুন যুগ হিচাবে গঢ় দিয়াৰ প্ৰস্তুতি চলাব খোজা হৈছে। নহলে অৰ্বাচীন আৰু পুৰাতন যুগৰ মাজত কোনো উল্লেখযোগ্য পাৰ্থক্য নাথাকিব ।



কটনিয়ানৰ শিলাৰোহণ :
ফটো — জিষ্ণু গোস্বামী

# জ্যো তি ৰ জ্যো তি

**খগেন শৰ্মা**
১ম বাৰ্ষিক, বি, এ

ঐতিহ্যমণ্ডিত বাণ ৰঙ্গমঞ্চত অভিনীত হৈছে 'নীলাম্বৰ' নাটক। শেষ দৃশ্য। শ্মশানত ফুল ছটিয়াব লাগে। নাট্যকাৰ প্ৰসন্নলাল চৌধুৰীদেৱৰ হাতত ধৰি আগবাঢ়ি গৈছিল এজন তৰুণ। দুচকুত অনাগত ভৱিষ্যতৰ ৰঙীন জ্যোতি। মুখত ন সূৰুযৰ আৰক্তিম আভা। শ্বাস প্ৰশ্বাসত সুৰৰ লহৰ। ওঁঠ জুৰিত সঙ্গীতৰ মৃদুল কম্পন। চাহনিত শিল্পীৰ স্বাক্ষৰ।
সেই তৰুণজনে সময়ত অভিনয় কৰে।
নাটক লিখে।
বিশুদ্ধ অসমীয়া সুৰত গীত গায়।
সঙ্গীত ৰচনা কৰে।
ৰক্তৰাগেৰে ৰঞ্জিত কৰি লিখে কবিতা।

"সাজু হ ন-জোৱান
সাজু হ ন-জোৱান
তই কৰিব লাগিব অগ্নিস্নান
বজ্ৰকণ্ঠেৰে বিশ্বক শুনা
সত্যৰ জয়গান,
বুকুৰ তেজেৰে ধুই দে আজি
ভাৰতৰ অপমান
সাজু হ সাজু হ ন-জোৱান।"

এই তৰুণজনেই **হ'ল** জ্যোতিপ্ৰসাদ আগৰৱালা। অসমীয়া সাহিত্যত ক্ষণজন্মা উজ্বল নক্ষত্ৰ। বিংশ-শতাব্দীৰ অসমীয়া যুগমানস। অসমীয়া সাহিত্য-সংস্কৃতিৰ ৰূপকোঁৱৰ। সোণ-ৰূপৰ চামুচ মুখত লৈ ওপজা, বনুৱাক বাদ দি চাহবাগিচাত গঢ় লৈ উঠা বুৰ্জোৱা সংস্কৃতিৰ বুকুত লালিত-পালিত জ্যোতিয়ে অসমীয়া সাহিত্যৰ বুকুলৈ যি যুগান্তৰ আনিলে, সি সঁচাকৈয়ে অভিনৱ আৰু চাঞ্চল্যকৰ। কিন্তু আশ্চৰ্য্যৰ বিষয় নহয়।
কিয় ??
তাৰ উত্তৰ পাবলৈ আমি আগবাঢ়ি যাব লাগিব ঊষাৰ নগৰী তেজপুৰলৈ। বিচাৰি চাব লাগিব এটি পৰিয়ালৰ ইতিহাস। সেয়া আগৰৱালা পৰিয়াল। হাড়ে-হিমজুৱে অসমীয়া বুলি গৌৰব বোধকৰা, অসমীয়া সংস্কৃতিক আঁকোৱালি লবলৈ উদ্‌গনি দিয়া এটি প্ৰেৰণা। এপাহ নহয়, দুপাহ নহয়, তিনিপাহকৈ সুগন্ধি পাৰিজাতেৰে অসমীয়া সাহিত্য-কাননত গোন্ধৰ সঁফুৰা মেলি দিয়া পৰিয়ালৰে সন্তান হ'ল জ্যোতি। পৰমানন্দৰ ঔৰসত আনন্দ আৰু কিৰণময়ীৰ গৰ্ভৰ কিৰণেৰে উদ্ভাসিত জ্যোতিৰ আভা উপলব্ধি যোগ্য, বিশ্লেষণ বা মূল্যাঙ্কনৰ নহয়।
জ্যোতিৰ আভাত আমাৰ সঞ্জীৱনী মন্ত্ৰ
জ্যোতিৰ জ্যোতিত আমাৰ সাহিত্য-সংস্কৃতি উদ্ভাসিত।

......উষাৰ নগৰী। বাণ ৰঙ্গমঞ্চ। জ্যোতিৰ মনত ইতিহাসৰ ৰোমন্থন। নতুন ৰূপত, নতুন সাজত, নতুন পৰিবেশত বাণ ৰঙ্গমঞ্চত জীৱন্ত কৰি তুলিব লাগিব নৰকাসুৰ দুহিতা উষাক। শোণিত কুৱৰীক। ১৭ বছৰীয়া ফুকনীয়া জ্যোতিৰ চকুত টোপনি নাই। অনৰ্নিশে অক্লান্ত পৰিশ্ৰম। শেষত লিখি উলিয়ায় "শোণিত কুঁৱৰী।" ১৭ বছৰীয়া ল'ৰাৰ লিখনিয়ে অসমীয়া সাহিত্যৰ নাট্যজগতত যুগান্তৰ আনিলে।

'গছে গছে পাতি দিলে ফুলৰে শৰাই......।"

জ্যোতিৰ গানত, জ্যোতিৰ কণ্ঠত ধ্বনিত হয় নিৰ্ভাঁজ অসমীয়া সুৰ--

'ৰূপহ কোৱৰৰ চুমা পৰশতে......।"

অসমীয়া সুৰৰ লগতে 'শোণিত কুঁৱৰী'ৰ নাচতো জ্যোতিয়ে মুমূৰ্ষ অসমীয়া সংস্কৃতিক নতুন জীৱন দান কৰে। বিহুনাচ আৰু ভাওঁনাৰ নাচৰ বিবিধ ভঙ্গীমাৰে সমুজ্জ্বল হৈ উঠে 'পদুমকলি' নাচ।

অভিনৱ উন্মাদনা।

জ্যোতিৰ মনত আশাৰ ৰেঙনি !!

সপোন দিঠক হ'ল। সফল হ'ল ৰূপৰ পূজাৰী ৰূপকোঁৱৰ। অসমীয়া সুৰৰ গীতে বাণ ৰঙ্গমঞ্চত কঁপনি তুলিলে। জনতা অভিভূত হৈ পৰিল। শিল্পীৰ চকুত বিৰিঙি উঠিল দুটোপাল চকুলো। আনন্দৰ। 'শোণিত কুৱৰীৰ' বিষয়ে ডক্টৰ কাকতিৰ মন্তব্য —',কাব্য হিচাবে পুথিখনি ৰৰ উপাদেয় হৈছে। বৰ্ত্তমান কালৰ ভাব আৰু ভাষাৰ পৌৰাণিক আখ্যানৰ সৌন্দৰ্য্য আৰু তত্ব উলিয়াই অনাত লিখক কৃতকাৰ্য্য হৈছে। পুথিৰ অন্তৰ্গত গীতবোৰত হৃদয়ৰ স্বাভাৱিক স্পন্দনৰ ৰেখা আছে আৰু সেইবোৰত স্নিগ্ধ অভিনৱতাৰ চাপ এটি পৰিছে। ভাৱৰীয়াবোৰৰ ভালেমান কথা স্বাভাৱিক নহলেও বা অৱস্থা বিশেষৰ লগত খাপ নাখালেও গ্ৰন্থকাৰে যে সুদূৰ সৌন্দৰ্য্যৰ পোহৰ এটি দেখিছে সেইটো বুজিব পাৰি।"

চিনেমা !!

শিল্পীৰ মনত ভাবৰ বন্যা।

বিলাত !!

শিল্পীৰ অন্তৰত সংশয়।

বিলাতলৈ যোৱা উজু নহয়। জাতিভেদ আৰু অন্ধ-বিশ্বাসৰ তীব্ৰ প্ৰেষত সমাজৰ বুকুত প্ৰগতি স্থবিৰ। জাত যোৱাৰ ভয়ত বিলাতলৈ নপঠোৱাৰ বাবেই চন্দ্ৰকুমাৰ আগৰৱালা ডিগ্ৰীধাৰী নহয়। এতিয়া আহিল পুতেক ভতিজাকহঁতৰ পাল। জ্যোতিয়ে প্ৰমাদ গণিলে। অৱশেষত বিলাতলৈ যোৱাৰ হেঙাৰ গুচাবলৈ আগবাঢ়ি আহিল চন্দ্ৰকুমাৰৰ মাজু-পুতেক অসীম সাহসী অৰুণকুমাৰ। তথাকথিত অন্ধবিশ্বাসৰ কাৰাগাৰ ভাঙি-চিঙি, চূৰ্ণ-বিচূৰ্ণ কৰিবলৈ অৰুণ ৰলীয়া হৈ পৰিল। পথ মুকলি হ'ল। সেয়া প্ৰাণৰ বিনিময়ত। অৰুণৰ তেজেৰে ৰঞ্জিত হ'ল জ্যোতিৰ পথ। অৰুণে আত্মহত্যা কৰিলে।

জ্যোতি বিলাতলৈ গ'ল। মাক-বাপেকৰ একান্ত ইচ্ছা—ল'ৰাই 'টি টেক্‌ন'লোজি' পঢ়ি আহিব। কিন্তু মাক-বাপেকৰ ইচ্ছাৰ ওপৰত জ্যোতিয়ে কুঠাৰাঘাত কৰিলে। ৰূপকোঁৱৰে ৰূপৰ আঁকৰ বিচাৰি পাইছিল চাহবাগানৰ সেউজী পাত আৰু বনুৱাৰ কাৰুণ্যভৰা জীৱনৰ মাজতহে, টি' টেক্‌ন'ল'জী পঢ়ি অহা উচ্চপদস্থ বিষয়াসকলৰ মাজত নহয়। পশ্চিমত তেতিয়া সভ্যতা সংস্কৃতিৰ পয়োভৰ। নতুন প্ৰাণৰ ন চকু জুৰিৰ অতীত সভ্যতা সংস্কৃতিক মুখৰ কৰি তুলিবলৈ শিল্পীসকল ব্যগ্ৰ। জ্যোতিৰ প্ৰাণে নীলাভ আকাশত সাতৰঙী ৰামধেনু দেখে। মানসপটত ভাঁহি উঠে বিহুনাচ আৰু ভাওনাৰ নাচ, ঝুমুৰ আৰু নগানৃত্য। বতাহত শুনে বিহুগীত, বনগীত, বিয়ানাম, আইনাম, বড়গীত, লোকগীত। জ্যোতিয়ে মৰ্মে মৰ্মে উপলব্ধি কৰে, অসমীয়া সংস্কৃতিক নতুন জীৱন দিবলৈ হলে চিনেমাৰ জৰিয়তে তাৰ বহল প্ৰচাৰ কৰিব লাগিব। চিনেমা নিৰ্মাণৰ কৌশল আয়ত্ব কৰাত লাগি যায় জ্যোতি। তাৰ মাজতে আজৰি সময়ত কৰে সাহিত্য-চৰ্চা। পৰাধীন ভাৰতৰ ম্লান ছবিয়ে জ্যোতিক বিপ্লৱী কৰি তোলে। দেশভক্ত ফুকনদেৱৰ সভাপতিত্বত তেজপুৰত অনুষ্ঠিত অসম ছাত্ৰ সন্মিলনৰ অধিবেশনত গাবলৈ জ্যোতিয়ে বিলাতৰ পৰাই গীত ৰচনা কৰি পঠিয়ায়-।

"সাজু হবৰে হ'ল ডেকা ল'ৰা, সাজু হবৰে হ'ল
তোৰ তপ্তৰুধিৰ ঢালি আয়েৰক শক্তি দিবৰে হ'ল"।

ঘৰৰ ল'ৰা এদিন ঘৰলৈ ঘূৰি আহিল। লগত লৈ আহিল অফুৰন্ত উৎসাহ। হিয়াভৰা প্ৰেৰণা। শিকি আহিল চিনেমা নিৰ্মাণৰ কাৰিকৰী দক্ষতা। সুদূৰ পাশ্চাত্যৰ বুকুতে জ্যোতিয়ে আবিষ্কাৰ কৰিলে 'কাৰেঙৰ লিগিৰী'ক।

১৯৩৩ চন। ব্যস্ত জ্যোতি। গঠন হয় ফিল্ম প্ৰতিষ্ঠান 'চিত্ৰলেখা মুভিটঁন'। চিত্ৰবন প্ৰতিষ্ঠা কৰি প্ৰথম অসমীয়া কথাছবি 'জয়মতী'ৰ প্ৰযোজনা কৰাত লাগি যায় ৰূপৰ যাত্ৰী লুইত কোঁৱৰ। সম্পূৰ্ণ চাউণ্ড ষ্টুডিঅ', কেমেৰা, চাউণ্ড ৰেকৰ্ডিং যন্ত্ৰ আৰু লেবৰেটৰীৰে চিত্ৰবন গমগমাই উঠে। জ্যোতিৰ ভাষাতে চিত্ৰবনৰ বৰ্ণনা চাওঁক----

"চিত্ৰবনত চিত্ৰলেখা মুভিটন'ৰ এটা সম্পূৰ্ণ চাউণ্ড ষ্টুডিঅ' আছিলেই । কেমেৰা চাউণ্ড ৰেকৰ্ডিং যন্ত্ৰ আৰু লেবৰেটৰী সকলো আছিল। এই টকাখিনি * (১) চিত্ৰলেখাই ভৰিবলগীয়া নলগা নলগা হলে চিত্ৰবনৰ ষ্টুডিঅ' স্থায়ী হৈ এই ষোল বছৰে সি এটা অসমৰ বৃহৎ প্ৰতিষ্ঠান হৈ অসমীয়াৰ হাতৰ এটা শক্তিশালী অস্ত্ৰ হৈ পৰিলহেঁতেন।" সঁচা সপোন দেখিছিল জ্যোতিয়ে । কিন্তু নিয়তি বৰ নিষ্ঠুৰ হৈ পৰিল । ভাগ্যই ক্ৰুৰ-হাঁহি মাৰিলে ।

১০ মাৰ্চ, ১৯৩৫ চন । অসমীয়া ফিল্ম শিল্পৰ এটি গুৰুত্বপূৰ্ণদিন । সেইদিনাখনে জ্যোতিৰ কলিজাৰ তেজ দি গঢ়া হিয়াৰ আমঠু 'জয়মতী' পোহৰলৈ আহে । ব্যস্ত জ্যোতিৰ ক্লান্ত মুখত হাঁহি ৰিৰিঙি উঠে । কিন্তু হঠাতে জ্যোতিয়ে হাঁহিবলৈ পাহৰি গ'ল ।

কাৰণ ??

ভাৱৰীয়া বিলাকৰ মুখত যে কোনো কথা নাই; মাজে মাজে অস্পষ্ট শব্দৰ মিছিল । মাথোঁ অঙ্গী-ভঙ্গী !! এয়া হ'ল লাহোৰৰ ফৈজী ব্ৰাদাৰ্চৰ শব্দযন্ত্ৰৰ ক্ৰটি । ফৈজী ব্ৰাদাৰ্চৰ বিশ্বাসঘাতকতাত জ্যোতিৰ কোমল কোমল লগা ধুনীয়া মুখখন ক্ষন্তেকৰ বাবে ৰঙা হৈ উঠিল । জ্যোতি মূক হৈ পৰিল, যেনেদৰে মূক হৈ পৰিছিল 'জয়মতী'ৰ ৩০ জনৰো বেচি ভাৱৰীয়া । তথাপি হতাশ নহ'ল জ্যোতি ।

—ভাঙি নপৰিল শিল্পীপ্ৰাণ ।

এজন নহয়, দুজন নহয়, ৩০ জনৰো অধিক ভাৱৰীয়াৰ অস্পষ্ট আৰু সম্পূৰ্ণ নিৰ্বাক কথন-ভঙ্গীৰ তেওঁ 'ডাবিং' কৰিলে । সকলোৰে মাত নিজেই মাতি গ'ল । মতাৰ মতা মাতেৰে আৰু তিৰোতাৰ মাত কৃত্ৰিম তিৰোতাৰ মাতেৰে অকল এয়ে নহয়, আগত প্ৰজেক্চন চাই তেওঁ আবহ সঙ্গীতো গাই গ'ল ।

জ্যোতি সচাকৈয়ে জ্যোতি !

অলৌকিক তেওঁৰ শিল্পীপ্ৰতিভা !!

'জয়মতী' নিভাঁজ অসমীয়া ছবি । গীত-পদ, মাত-কথা, নৃত্য-বাদ্য সকলো অসমীয়া ঐতিহ্যৰ ধাৰক আৰু বাহক, দৃশ্য-সজ্জা নিভাঁজ আহোম যগৰ । দৃশ্যসজ্জাত স্বাভাৱিকতা আনিবলৈ জ্যোতিৰ চেষ্টা জানো কম ? তলত উদ্ধৃত কথাফাঁকিয়ে জ্যোতিৰ আশাশুধিয়া প্ৰচেষ্টাৰ জ্বলন্ত নিদৰ্শন ।—

"আগৰ দিনৰ কাঠ-বাঁহৰ বিতোপন ঘৰবাৰীৰ নিদৰ্শন আজি ক'তো একো নাই । আজিলৈকে কোনো অসমীয়া প্ৰত্নতাত্বিকে বা চিত্ৰশিল্পীয়ে কোনো নিদৰ্শনকেই আঁকি আমাক দিয়া নাই । অসমীয়া বাঁহ-কাঠৰ ঘৰবাৰীৰ নিদৰ্শন আজিকালি সত্ৰৰ ঘৰবাৰী, গাঁৱলীয়া সম্ভ্ৰান্ত মানুহৰ ঘৰবাৰীত আগৰ সেই বাঁহ-কাঠ স্থাপত্যৰ, পিতলৰ কামি খুউৱা বেৰ, হেঙুল-হাইতাল বোলোৱা ৰুৱামাৰলি ইত্যাদিৰ একো নিদৰ্শন পাবলৈ নাই । কিছু আভাসহে পোৱা যায় । এই বাঁহ-কাঠ স্থাপত্যৰ একো নিদৰ্শন নোপোৱা বিপদত পৰি মই বুৰঞ্জীবিদ ডঃ সূৰ্য্য-কুমাৰ ভূঞা, প্ৰত্নতাত্বিক সৰ্বেশ্বৰ কটকী, পুৰা-তত্ববিদ আনন্দচন্দ্ৰ আগৰৱালা, ৰজনীকুমাৰ পদ্ম-পতি, সাহিত্যগুৰু পদ্মনাথ বৰুৱা আৰু সাহিত্য-ৰথী বেজবৰুৱা ডাঙৰীয়া আদি কৰি সাহিত্যিক প্ৰত্নতাত্বিক শিল্পীসকলৰ সৈতেও নানা পুথি-পাজি চাই আলোচনা কৰি শেষত সত্ৰৰ ঘৰ-বাৰী, অসমীয়া পুথিত থকা ছবি, অসমীয়া কাঁহী-বাটি, কাপোৰ-কানি, ঘৰ-বাৰীৰ বিষয়ে কিংবদন্তী, তাৰ উপৰি বিদেশী ভ্ৰমণকাৰীয়ে লিখাৰপৰা সমল গোটাই আৰু সেই বাটেদিয়েই কল্পনাক চলাই জয়মতীৰ দৃশ্যসজ্জা ৰচনা কৰিলো ।"

অসম্ভৱ !!

অনুসন্ধিৎসু জ্যোতিৰ এয়া সঁচা শিল্পীপ্ৰাণৰ পৰিচয় । বেজবৰুৱাই দৃশ্যসজ্জা চাই চাই আপোন-পাহৰা হৈ কৈছিল—"দুঘন্টা আহোম ৰাজ্যত সোমাই থকা যেন লাগিছিল ।"

সময় পখিলা ডেউকা কোবাই আগবাঢ়ি গ'ল । ওলাল 'ইন্দ্ৰমালতী ।' জনতাই আদৰি ললে 'চিৰাজক'। চিনেমা কৰি কৰি দেউলীয়া হ'ল জ্যোতি । আৰ্থিক অভাৱে তেওঁৰ সমুখত তাণ্ডৱ নৃত্য নাচিব ধৰিলে । সেই তাণ্ডৱ নৃত্য উপভোগ কৰিয়েই শিল্পীপ্ৰাণে হাঁহিলে । সেই হাঁহি স্বৰ্গীয় ।

জ্যোতি শিল্পী !

জ্যোতি বিপ্লৱী !!

তেওঁৰ গানত বাজিছিল বিপ্লৱৰ ভেৰীনাদ । পৰাধীনতাৰ গ্লানিৰে জৰ্জৰিত, শোষিত আৰু নিৰ্য্যা-তিত ভাৰতীয় সকলৰ অৰুন্তুদ জীৱন কাহিনীয়ে তেওঁৰ শিল্পীপ্ৰাণক অভিভূত কৰি তুলিছিল । জন্ম-ভূমিয়ে যেন অনিমেষনেত্ৰে চাইছিল মৰমৰ জ্যোতিলৈ, পাৰেনে আগুৱাই যাব কৰ্তব্যৰ মহান পথত !!! আগবাঢ়িছিল । শিল্পীজ্যোতি সময়ত হৈছিল ৰাজ-নৈতিক পলাতক বন্দী। তেওঁ দৃপ্তকণ্ঠেৰে ভাৰতীয় সকলক তেওঁলোকৰ গুণ-গৰিমা আৰু শৌৰ্য্য-বীৰ্য্যৰ কথা সোঁৱৰাই দিছিল—

---

* (১) 'জয়মতী'ত চিত্ৰলেখা মুভিট'নৰ প্ৰায় ত্ৰিশহেজাৰ টকা লোকচান হৈছিল।

"কোনে কলে আই তোক
শকতিবিহীনা বুলি
আই তোৰ পুত্ৰ শক্তিমন্ত ।"

আকৌ গাইছিল----

"বিশ্ববিজয়ী নৱ-জোৱান
বিশ্ববিজয়ী নৱ-জোৱান
শক্তিশালী ভাৰতৰ
ওলাই আহা, ওলাই আহা
সন্তান তুমি বিপ্লৱৰ ।
অগ্নিবৃষ্টি আহিব লাগিছে
গৰজে বজ্ৰপাত
শিলাবৃষ্টি ভূমিকম্প
হ'ব উল্কাপাত ।
বিশ্ববিজয়ী নৱ-জোৱান ॥"

এই বিশ্ববিজয়ী নৱ-জোৱানৰে জ্যোতিয়ে উৰাব বিচাৰিছিল স্বাধীনতাৰ অভ্ৰভেদী পতাকা ।

"উৰ উৰ উৰ উৰ
অভ্ৰভেদী উৰ
নীল আকাশত
তৰাৰ মাজত উৰ ।
সবাৰে সমানে উৰ
তিনিবৰণীয়া ভাৰতৰে
জাতীয় পতাকা ।"

বিপ্লৱী জ্যোতিয়ে চিঞৰি উঠিছিল--"মই শিল্পী হৈ সংঘাটৰ কথা কওঁ, সংগ্ৰামৰ কথা কওঁ । সপোন দেখি ছবি আঁকি থকা শিল্পীৰ দ্বাৰা আজি আমাৰ কাম নহয় । আজি নিজৰ তেজেৰে পুৱাৰ ৰঙা বেলিৰ ছবি আঁকিব পৰা শিল্পীহে আমাক লাগে ।"

জ্যোতিয়ে মাৰ্ক্সক ভাল পাইছিল ।
শ্ৰদ্ধা কৰিছিল জীৱনৰ শিল্পী মহাত্মাক !

"জননেতা সদায়েই দূৰদৰ্শী হ'ব লাগে । গান্ধীজীৰ সেই বৈজ্ঞানিক দৃষ্টিভঙ্গীৰ আছিল বুলিয়েই তেওঁ জনতাক নেতৃত্ব দিব পাৰিছে । সকলো নেতাই জন-নেতা হ'ব নোৱাৰে ।" এয়া গান্ধীৰ প্ৰতি জ্যোতিৰ শ্ৰদ্ধাৰ তৰ্পণ ।

গান্ধীবাদ জ্যোতিয়ে ভাল পাইছিল, শ্ৰদ্ধা কৰিছিল । কিন্তু সম্পূৰ্ণ আস্থা নাছিল যেন লাগে । গান্ধীবাদৰ মূলতত্ব অহিংসাক সাৱটি ধৰি থাকিয়েই বন্দুক হাতত তুলি লবলৈ তেওঁ কুণ্ঠাবোধ কৰা নাছিল । শিল্পীপ্ৰাণত এনে খেয়ালী মনোভাৱ স্বাভাৱিক । জ্যোতিয়ে কৈছিল--

"পাত্ৰাপাত্ৰ চাই আমি সত্যাগ্ৰহৰ অস্ত্ৰাগাৰৰপৰা অস্ত্ৰ আনিব লাগিব আৰু আৱশ্যক হলে আমি খাৰ-বাৰুদৰ কুঠৰিলৈকো যাব লাগিব । অহিংসাই যে মানৱ সংস্কৃতিৰ চৰম পৰিণতি তাক অৱশ্যে মনত ৰাখিছে ।"

আজি আমাৰ মাজত জ্যোতি নাই । আমি জ্যোতি হেৰুৱাই পেলালো । ক্ষণজন্মা মহাপুৰুষজনৰ গাত মৃত্যুৱে অকালতে চেঁচা পৰশ ঢালি দিলে । কিন্তু মৃত্যু পৰাজিত হ'ল । মৃত্যুৰ বুকুত জ্বলি উঠিল জ্যোতিৰ আভা ।

কাৰণ ??
জ্যোতি যে মহান !
তেওঁ যে শিল্পী !!
জ্যোতি যে সুন্দৰৰ পূজাৰী !
তেওঁ যে কলা-সংস্কৃতিৰ সাধক !!

হঠাতে বৈ গ'ল ডক্টৰ অমিতাভ দুৱৰা। তেওঁ মূৰ তুলি চালে ; কোঠাটোত লাইট জ্বলিছে । কোনে জ্বলালে ? মিতালীয়ে নহয়তো ! কিন্তু মিতালীয়েতো সেইটো কোঠালৈ আহিবৰ কথা নহয় । ডক্টৰ দুৱৰাই আৰু নাভাবিলে। প্ৰায় দৌৰাৰ নিচিনাকৈ ওপৰলৈ উঠি গ'ল। কানি-দুৱাৰীকৈ মেলখাই থকা দুৱাৰখন দুৱৰাই সম্পূৰ্ণ ৰূপে খুলি পেলালে। বিস্ময়ত হতবাক হোৱা ডঃ দুৱৰা তেনেভাৱেই বৈ গ'ল । মুখৰপৰা ওলাই আহিল এটি করুণ চিঞৰ---'জিন্‌টি' ! কিন্তু জিন্‌টি তেতিয়া নিমাত হৈ গৈছে । স্থবিৰ হৈ গৈছে । নিশ্চল জিন্‌টিৰ দেহটি মজিয়াৰ কাৰ্পেটখনৰ ওপৰত পৰি আছে । মূৰৰ পৰা বৈ গৈছে, এডোঙা তেজ । বাওঁহাতৰ বাউসীত এটা ক'লা দাগ । কাৰ্পেটত লাগি ধৰা তেজখিনি তেতিয়াও শুকোৱা নাই । অমিতাভ দুৱৰাই তেতিয়া জিন্‌টিৰ দেহটি আকোৱালি লৈ উত্তাপ বিচাৰিছিল । চেচা ! দুৱৰাৰ চকুলোৱে বাধা নামানিলে । উত্তপ্ত চকুলোখিনিয়ে হয়তো জিন্‌টিৰ দেহলৈ উত্তাপ আনিব বিচাৰিছিল । কিন্তু অনিত্য সত্যই চিৰ সত্যৰ ওচৰত হাৰ মানিছিল ।

অকণমাণি জিন্‌টিজনীক বুকুত সাৱটি লৈ বলীয়াৰ দৰে তললৈ নামি আহিল-- বিজ্ঞানী ডঃ দুৱৰা ।

মিতু ! দুৱৰাৰ মাতটো করুণ আৰ্তনাদৰ দৰে শুনা গৈছিল। মতা শুনি মিতালী লৰি আহিছিল ঃ কিবা এটা আকস্মিকতা অনুভৱ কৰিয়েই হয়তো ! কিন্তু দুৱৰাৰ কোলাত শুই থকা জিন্‌টিৰ অৱস্থাটো দেখি মিতালী বৈ গৈছিল। তাৰ পিচতে চিঞৰ মাৰি মিতালী দুৱৰা ঢলি পৰিছিল । দুৱৰাৰ তেতিয়া




মিতালীৰ কথা ভাবিবৰ অৱস্থা নাছিল। দুৱৰাই তেতিয়া মাথোন চকুলো বোৱাইছিল । মিতালীয়ে যেতিয়া সাৰ পালে, তেতিয়াও ডক্টৰ দুৱৰা স্থবিৰ হৈয়ে আছে । মিতালী উঠি বহিছিল । কন্দা কন্দা মাতেৰে সুধিলে--নাই ?

ড ঃ দুৱৰাই মূৰ জোকাৰিলে । মিতালীয়ে জিন্‌টিৰ দেহটি কাঢ়ি লৈ গ'ল--দুৱৰাৰপৰা। দুৱৰা যেন প্ৰস্তৰ মূৰ্তি হৈ গ'ল । মিতালীয়ে তেতিয়া কান্দিছে, চিকাৰীয়ে পোৱালী বধ কৰাত কন্দা হৰিণীৰ দৰে । অকস্মাতে ড ঃ দুৱৰাৰ বুকুত হাতেৰে খামুচি ধৰিলে ।

তুমি, তুমি হত্যা কৰিছা জিন্‌টিক । তাইক কিয় মাৰিলা ? তাই তোমাৰ কি দোষ কৰিছিল ? কিয় মাৰিলা ? কিয় ??--মিতালীয়ে দুৱৰাৰ বুকুত মূৰ থৈ হুকহুকাই কান্দি উঠিল । দুৱৰাই মাথোন এক অসহায় পূৰ্ণ দৃষ্টিৰে চাই থাকিল ।

দুৱৰা বহুখিনি সুস্থিৰ হৈছিল। জিন্‌টিক, মিতালীৰ কোলাৰপৰা লাহেকৈ তুলি ললে দুৱৰাই । লগে লগে আহত বাঘিনীৰ দৰে মিতালী আকৌ জপিয়াই পৰিল দুৱৰাৰ ওপৰত--

কলৈ নিয়া তাইক ? মাৰি পেলাই ইচ্ছা পলোৱা নাই ? তুমি কিয় সেই সৰ্বনশীয়া কামটো কৰিবলৈ আমাৰ চব সুখ-শান্তি কাঢ়ি নিলা ? কিয় ? কিয় ?? মই তোমাক বাধা কৰা নাছিলোঁ ? মিতালীৰ ৰঙা চকু হালিত তেতিয়া যেন বিদ্ৰোহৰ জুই জ্বলিছে ।

নিমাত হৈ থকা দুৱৰাই এইবাৰ কথা কলে--এটি খুব শান্ত, কপা মাত।

মিতু ! অবুজ নহবা। চাও এৰি দিয়া।

দুৱৰাৰ বৰফ শীতল কণ্ঠধ্বনিয়ে মিতালীক যেন নিস্তেজ কৰি দিলে। মিতালী আকৌ লাহে লাহে চলি গ'ল। দুৱৰা বাহিৰৰ পৃথিবীখনত মিলি গ'ল। ০ ০ ০ ০

এয়া বিজ্ঞানী ডঃ অমিতাভ দুৱৰা। বিশ্ববিদ্যালয়ৰ অধ্যাপক। বিজ্ঞানৰ ছাত্ৰী মিতালী বৰুৱাক কোনোবা এটা দিনত ভাল পাই পেলাইছিল ডঃ দুৱৰাই। এদিন মিতালী বৰুৱা, মিতালী দুৱৰা হ'ল। ফল স্বৰূপে এদিন অকণমানি ছোৱালী এজনীয়ে তেওঁলোকৰ সুখৰ সংসাৰখন আনন্দমুখৰ কৰি তুলিলে। কিন্তু এদিন সুখৰ সংসাৰখনত জুই লাগিল। দুৱৰাক আবিষ্কাৰৰ নিচাই পালে। ৰেডিঅ' তৰঙ্গৰ ওপৰত গবেষণা চলিল। কেনেকৈনো ৰেডিঅ' তৰঙ্গৰ সহায়ত কোনো পাৰমাণৱিক অৱস্থাত থকা পদাৰ্থক, কোনো বিশেষ ঠাইলৈ পঠিয়াব পৰা যায়। গবেষণা আৰু গবেষণা ! মিতালী বিৰক্ত হ'ল। হ'বৰ কথাই। খোৱা-শোৱা সকলো এৰি মানুহজনে একেটা বিষয়তে নিমগ্ন হৈছে।

নিস্তব্ধ নিশাবোৰ ঘড়ীৰ কাটাই শেষ কৰি দিয়ে। কিন্তু তাত যেন আগৰ মাদকতা নাই। অতন্দ্ৰ প্ৰহৰী হৈ মিতালীয়ে পৰ দিয়ে। মিতালীৰ অশান্তি মনটিত জুই জ্বলে;—তাই উপেক্ষিতা হ'ব কিয় ?

এনিশা মিতালীয়ে সুযোগ পাইছিল। অমিতাভৰ নোমাল বুকুত হাত ফুৰাই মিতালীয়ে কৈছিল ঃ

তুমিচোন একেটা বস্তুতেই লাগি থকা হলা ! কি হ'ল তোমাৰ ?

উত্তৰত ডঃ দুৱৰাই মিতালীৰ চকুলৈ চাই কৈ গৈছিল, তেওঁৰ আবিষ্কাৰৰ সফলতাৰ কথা—কিমান আগবাঢ়িছে, কি কি বস্তু কিনিব লাগিব, ইত্যাদি কথা।

বিৰক্ত হৈ মিতালীয়ে কৈছিল ঃ তোমাৰ সেইবিলাক বাদ দিয়া। মানুহৰতো একো উপকাৰ নহয়। বৰং ধ্বংসৰ বাটহে মুকলি কৰিছা।

অমিতাভ দুৱৰাই মিতালীৰ পৰা তেন্তে উত্তৰ আশা কৰা নাছিল। প্ৰত্যুত্তৰ একো নিদিলে। দুৱৰাই বাগৰ সলাই শুইছিল। এয়া যেন চৰম আঘাত মিতালীৰ নাৰীত্বৰ ওপৰত। অভিমানত উচুপি উচুপি কান্দিছিল মিতালীয়ে। ডঃ দুৱৰাই মাথোন কৈছিল—

ঃ আঃনিশাখন এই চব কি লগালা ? মই এতিয়া আঁতৰি গলেহে হ'ব ?

মিতালীৰ উচুপনি বন্ধ হৈছিল। সিখন পুতলা বিছনাত জিন্‌টিয়ে নীৰৱে শুইছিল। মিতালীৰ জেদ বাঢ়িছিল। কিন্তু কৰিবলৈ একো নাছিল। মাজে মাজে মন গৈছিল তাই যেন আত্মহত্যা কৰি পেলাব। কিন্তু জিন্‌টি ! মিতালীয়ে ভাবিব নোৱাৰে। মিতালীয়ে অমিতাভৰ আবিষ্কাৰক ভয় কৰিছিল। এয়া ভয়ানক আবিষ্কাৰ। অমিতাভৰ উদ্দেশ্য সৎ হলেও কোনে ক'ব পাৰে যে ই আবিষ্কাৰ হোৱাৰ পিচত কোনোবাই ইয়াৰ দ্বাৰা কোনো বিষাক্ত পৰমাণু নিৰ্দিষ্ট ঠাইলৈ পঠিয়াই মানৱ বিধ্বংসী ব্যৱস্থা হাতত নলব ?

পৃথিবীৰ গাঁৱে-ভূঁয়ে, চহৰে-নগৰে, পৰ্বতে-ভৈয়ামে ধ্বংসৰ যজ্ঞ চলিছে। সেই যজ্ঞৰ ঘি যদি এই আবিষ্কাৰো হয়। মিতালীয়ে ডঃ দুৱৰাক তাকেই বুজাইছিল। আবিষ্কাৰৰ নিচাই পাগল কৰা দুৱৰাই মিতালীৰ যুক্তি বুজিও নবুজিলে। ডঃ দুৱৰাৰ অনুভৱ হৈছিল মিতালীয়ে যেন মিছা কথা কৈছে। ডঃ দুৱৰাই গবেষণা কৰা ওপৰ তলাৰ কোঠাটোলৈ গুচি গৈছিল। তাতেই আছিল বিভিন্ন সামগ্ৰী. দুৱৰাৰ সাধনাৰ ধন।

পাচ বছৰীয়া জিন্‌টিয়ে কেতিয়াবা দেউতাকৰ লগত সেইটো কোঠালৈ যায়। সাৱধানে লক্ষ্য কৰে আকৰ্ষণীয় সামগ্ৰীবোৰ। দেউতাকক ইটো সিটো সোধে। হাঁহি হাঁহি উত্তৰ দিয়ে অমিতাভ দুৱৰাই। কিন্তু পৰ্দাৰে ঢকা কোঠাটোলৈ জিন্‌টিক দেউতাকে যাব নিদিয়ে। জিন্‌টিয়ে নাযায়। কিন্তু কৌতুহল হয় অসীম।

সেইদিনা বিশ্ববিদ্যালয়লৈ যাওঁতে দুৱৰাই কোঠাটোৰ দুৱাৰত তলা লগাবলৈ পাহৰি গৈছিল। অকণমানি জিন্‌টিজনী সোমাই আহিছিল কোঠাটোলৈ। বস্তুবোৰ লিৰিকি বিদাৰি চাইছিল। তাৰ পিচত এখুজি দুখুজিকৈ সোমাই গৈছিল পৰ্দা-ঢকা কোঠাটোলৈ। জিলিকি থকা তেজ ৰঙা পদাৰ্থখিনি তাই লাৰি চালে। চুইচটো অন্ কৰি কোঠাটোৰ লাইটটো জ্বলাই দিলে। জিক্‌মিকাই থকা ৰূপালী প্লেটখন জিন্‌টিয়ে চুই চাব বিচাৰিলে। লগে লগেই এক প্ৰচণ্ড ঠেলা। ডঃ দুৱৰাই চুইচটো অন কৰি থৈ গৈছিল। জিন্‌টিৰ সমগ্ৰ দেহত এক প্ৰচণ্ড জোকাৰণি। তাই মাতিব নোৱাৰিলে। চিটিকি আহি মজিয়াত পৰি গ'ল। প্ৰকাণ্ড টেবিলখনৰ খুৰাত তাইৰ মূৰটো ঠেকা খালে, জোৰেৰে। ক্ষীণ কণ্ঠত মাথা প্ৰতিধ্বনিত হ'ল 'পাপা'—মিতালীয়ে এই শব্দ নুশুনিলে। পৃথিবীৰ কোনেও নুশুনিলে। ৰক্তস্নাত জিন্‌টিৰ দেহ নিশ্চল হৈ পৰি ৰ'ল।

তাৰ কিছু পিচতে সোমাই আহিছিল ডঃ দুৱৰা। গম পাইছিল মিতালীয়ে—জিন্‌টি আৰু নাই।

ডঃ দুৱৰা যেতিয়া আকৌ ঘৰ সোমাইছিল,

তেতিয়াও মিতালী মজিয়াত পৰি আছিল । দুৱৰাই চাইছিল মিতালীৰ প্ৰাণৰ স্পন্দন । জীয়াই আছে । মিতালীয়ে যেতিয়া সাৰ পাইছিল, তেতিয়া তাইৰ দেহ বিছনাখনত পৰি আছিল । অকৰা চাৱনিৰে তাই অমিতাভলৈ চাইছিল ।

ঃ তাইক একেবাৰে শেষ কৰি পেলালা ?

উত্তৰ দিব পৰা নাছিল অমিতাভ দুৱৰাই । হাতেৰে দুচকু ঢাকি আঁতৰি গৈছিল । মিতালীৰ ডাঙৰ ধুনীয়া চকুহালি মেল খায়ে ৰ'ল অপলকভাৱে । আৰু কান্দি থকা গ্ৰীক শিলচটাৰ দৰে তাইৰ দুচকুৰ পৰাও চকুলো বৈয়েই থাকিল ।

আৰু এদিন আগৰ গতানুগতিক জীৱন-টিকে আকোঁৱালি ললে ডঃ দুৱৰাই । ডঃ দুৱৰাৰ মাজলৈ নামি আহিল আগৰ ব্যস্ত মানুহজন । মিতালী হৈ পৰিল আগতকৈও নিঃসঙ্গ । কেতিয়াবা উচুপি উচুপি ওৰে নিশা পাৰ কৰি দিয়ে মিতালীয়ে । দুৱ-ৰাৰ ৰাতিবোৰো গবেষণাগাৰতেই পাৰ হৈ যোৱা হ'ল । তাতেই শোৱে মন গ'লে। অবুজ নিচাই পোৱা মানুহজনক মিতালীয়ে একো বুজাব নোৱাৰিলে ।

মিতালীৰ ধৈৰ্য্যচ্যুতি ঘটিল । তাই শেষ সিদ্ধান্ত কৰি পেলালে ।

ৰাতিপুৱা সোনকালেই গা-ধুলে সিদিনা মিতালীয়ে। সেন্দুৰ অলপ শিৰত ললে । কপালত ফোঁট আঁকিলে দুপৰীয়া নিজেই আহাৰ বনালে । অমিতাভক নিজেই আহাৰ খুৱালে । কাঞ্চাটোৱে একোকে কৰিব নাপালে। অমিতাভে একো নামাতিলে । সামান্য হাঁহিলে মাথোন মিতালীয়ে একো নাখালে ।

দুপৰীয়া বহি বহি মিতালীয়ে কিবা কিবি লিখিলে দুৱৰাই একো নাজানিলে । প্ৰায় শেষ চাপত উপনীত হোৱা গবেষণাত মনোযোগ তেওঁৰ । আৰু হয়তো এটি মাহৰ পিচতে ডঃ দুৱৰা হৈ পৰিব পৃথিবীৰ শ্ৰেষ্ঠ বিজ্ঞানী সকলৰ মাজৰ এজন । ধন, যশ আহি পৰিব ডঃ দুৱৰাৰ হাতৰ মুঠিত ।

আবেলি মিতালীৰ কোঠাত কিবা এটি কাতৰ গোঁ-গোঁৱনি শুনি কাঞ্চা সোমাই গ'ল । দেখিলে বিছনাত বাগৰি মিতালীয়ে চটফটাইছে সি ডঃ দুৱৰাৰ ওচৰলৈ দৌৰি গ'ল ।

দুৱৰা যেতিয়া সোমাই আহিছিল, মিতালীৰ মুখখন তেতিয়া বিকৃত হৈ পৰিছিল । ওচৰতে পৰি থকা ফলা পেকেটটো দেখি ডঃ দুৱৰাই বুজিছিল মিতালীয়ে বেচিকৈ স্লিপিং টেবলেট খালে । মিতালীয়ে দুৱৰাৰ চকুলৈ চাবলৈ চেষ্টা কৰিলে । উদ্ভ্ৰান্তৰ দৰে মিতালীৰ মূৰটো সাৱটি ধৰি অমিতাভ দুৱৰাই চিঞৰি উঠিল----

এয়া তুমি কি কৰিলা মিতু ? মোৰ ওপৰত প্ৰতি-শোধ লব গ'লা ? কিন্তু এনেকৈ কিয় ? দুৱৰাই আৰু একো কব নোৱাৰিলে ।

মিতালীয়ে কিবা কব বিচাৰিছিল, মাত নোলাল। তাইৰ বহল চকু দুটাই দুৱৰাক খুব ভালদৰে চাব বিচাৰিলে । হঠাতে মূৰটো হাউলি গ'ল সোফালে।

দুৱৰা তেতিয়া উদ্ভ্ৰান্ত হৈ গৈছিল । দৌৰি দৌৰি ওপৰলৈ উঠি গ'ল দুৱৰা । গবেষণাগাৰৰ চব সামগ্ৰী লণ্ড ভণ্ড কৰি পেলালে । এপদ সামগ্ৰীও ভালে নাথাকিল । শেষ স্তৰত উপনীত হোৱা গবে-ষণাৰ ইতি পৰিল । দুৱৰা আকৌ নামি আহিল তললৈ । মিতালীলৈ চালে । মেলখাই থকা স্থবিৰ চকুহালিয়ে যেন অভিযোগ কৰিছে--"তুমি কিয় মোক মাৰি পেলালা ? কিয় ? মই বহুতদিন জীয়াই থাকিব বিচাৰিছিলো" পাতল ওঠৰ হাহিটোৱে যেন দুৱৰাক প্ৰচণ্ড বিদ্ৰুপ কৰিলে "কাপুৰুষ !" দুৱৰাৰ কান্দোন ওলাই আহিব খুজিলে । মিতালীৰ চকু-হালিৰ মেলখাই থকা পতা দুখন জপাই দিলে। দুৱৰাই শুনিলে কাঞ্চাটোৱেও যেন কোনোবাখিনিত বৈ বৈ উচুপিছে । টেবুলৰ ওপৰত পৰি থকা চিঠি এখন দেখি অভিতাভ দুৱৰাই খুলি পঢ়িলে; চুটি চিঠি এখন ।

মৰমৰ অমিতাভ !

মই যোৱাটোকেই ঠিৰাং কৰিলো । আমাৰ অকণ-মানি জিন্‌টিজনী বৰ অকলশৰীয়া অৱস্থাত আছে । তুমি নিজকে চম্ভালিব পাৰিবা-মই জানো । তোমাৰ গবেষণাই তোমাক অকলশৰীয়া নকৰে । কাঞ্চাতো থাকিবই ! মোৰ মৃত্যুৰ বাবে কোনেও জগৰীয়া নহয় । তুমি মোক পুতৌ কৰিছিলা । তোমাৰ পুতৌক মৰম বুলি মই ভুল কৰিছিলোঁ নেকি ? তুমি মৰম কৰিব নাজানিলা । নাৰীয়ে কি বিচাৰে তুমি বুজিও নুবুজা হ'লা । তোমাক কি অভিযোগ কৰিম । তুমি সকলোৰে উৰ্ধত । মোৰ মৰম আৰু সেৱা লবা ।

বিদায় ----

তোমাৰ 'মিতু'।

দুৱৰাই হুকহুকাই কান্দি উঠিল । তাৰ পিচত মিতালীৰ মুখখনলৈ । পাতল ওঁঠ হালিৰ করুণ হাঁহিটোৱে যেন বাৰে বাৰে একেই কথাকে কৈছে । দুচকু ঢাকি ধৰি, প্ৰচণ্ড বেগেৰে ডঃ অমিতাভ দুৱৰা বাহিৰৰ পৃথিবীখনলৈ দৌৰি গ'ল । তেতিয়া পৃথিবীখন আউসীৰ এন্ধাৰে ঢাকি ধৰিছিল ।

---0---

# ॥ পেট্ৰ’কেমিকেল ॥



শ্ৰীভৱেশ চন্দ্ৰ গোস্বামী
৩য় বাৰ্ষিক বিজ্ঞান

পেট্ৰ’লিয়াম বা প্ৰাকৃতিক গেচৰ পৰা যিবিলাক ৰাসায়নিক দ্ৰব্য প্ৰস্তুত কৰা হয় সিবিলাককেই পেট্ৰ’কেমিকেল বুলি জনা যায়। যিবিলাক দেশত পেট্ৰলিয়াম আৰু প্ৰাকৃতিক গেচ পোৱা য়ায়, তেওঁলোকেই এই পেট্ৰ’কেমিকেল শিল্প গঢ়ি উঠিব পাৰে।

পেট্ৰলিয়াম এক খনিজ পদাৰ্থ। ভূ-পৃষ্ঠৰ তলত শিলাস্তৰৰ মাজত থকা বালিৰ স্তৰত এই পেট্ৰলিয়াম বা খাৰুৱা তেল আৱদ্ধ হৈ থাকে। মাটিৰ তলৰ পৰা উলিওৱাৰ পিচত ইয়াক দেখিবলৈ বোকা-পানীৰ দৰে হয়। এই তেলৰ সংযুতি ঠাই বিশেষে বেলেগ বেলেগ হয়। খনিজ পেট্ৰ’লিয়াম আংশিক পাতন প্ৰথাৰে শোধন কৰি কেৰাচিন, পেট্ৰল, ডিজেল আদি লাগতিয়াল দ্ৰব্যসমূহৰ উৎপাদন কৰা হয়। এই শোধন প্ৰক্ৰিয়াৰ সময়ত এক গেচীয় মিশ্ৰণ পোৱা যায়, ইয়াক ৰিফাইনেৰী গেচ বোলে। কাষৰ তালিকাত ৰিফাই-নেৰী গেচৰ উপাদানসমূহৰ নাম দিয়া হৈছে।

ৰিফাইনেৰী গেচ—
- বিউটাডাইন
- মিথেন
- ইথিলিন
- প্ৰপেন
- বিউটেন
- সাধাৰণ বিউটাইলিন
- আইচো বিউটাইলিন
- চাইক্লোহেক্সেন
- বেনজিন
- তলুইন

প্ৰাকৃতিক গেচ—
- মিথেন
- ইথেন
- প্ৰপেন
- বিউটেন
- অন্যান্য

পেট্ৰ'লিয়ামৰ লগত যি গেচীয় সংমিশ্ৰণ পোৱা যায় সেয়াই হ'ল প্ৰাকৃতিক গেচ । কেতিয়াবা কেতিয়াবা পেট্ৰলিয়াম নথকা ঠাইত অথবা, পেট্ৰ'লিয়াম পুঙৰ কিছু দূৰত এই গেচ পোৱা যায় । ওপৰৰ তালিকাত প্ৰাকৃতিক গেচৰ উপাদানসমূহৰ নামো দিয়া হৈছে । প্ৰাকৃতিক গেচত যথেষ্ট পৰিমাণে মিথেন আৰু ইয়াৰ উপৰিও মিথেনৰ দৰে প্ৰথমৰ পাচোটা পেৰাফিন জাতীয় যৌগ থাকে । ইয়াৰ উপৰিও প্ৰাকৃতিক গেচত এঙ্গাৰ গেচ আৰু হাইড্ৰ'জেন চালফাইড থাকে ।

ৰাসায়নিক গঠন আৰু সংযুতিৰ ওপৰত ভিত্তি কৰি পেট্ৰ'কেমিকেলবোৰ প্ৰধানকৈ তিনিটা ভাগত ভগাব পাৰি । এইকেইটা হ'ল----

(ক) এলিফেটিক পেট্ৰ'কেমিকেল
(খ) এৰোমেটিক পেট্ৰ'কেমিকেল
(গ) অজৈব পেট্ৰ'কেমিকেল

এলিফেটিক পেট্ৰ'কেমিকেলবোৰত কাৰ্বনপৰমাণুবোৰ ৰৈখিকভাৱে সংযুক্ত হৈ থাকে । এইবোৰ সম্পৃক্ত বা অসম্পৃক্ত আৰু শাখা সংযুক্তও হ'ব পাৰে । উদাহৰণ স্বৰূপে এলিফেটিক যৌগত কাৰ্বন পৰমাণুবোৰ কাষৰ (ক) চিত্ৰত দেখুওৱাৰ দৰে থাকে ।




বিউটেন
(ক)




টলুইন
(খ)

এৰোমেটিক পেট্ৰ'কেমিকেল এনে এবিধ জৈৱ যৌগ, যত এক বিশেষ ধৰণৰ গঠন থাকে—যাক বেন-জিন গঠন বুলি কোৱা হয় । উদাহৰণ স্বৰূপে টলুইন এটা এৰোমেটিক পেট্ৰ'কেমিকেল । টলুইনৰ গঠন কাষৰ (খ) চিত্ৰত দেখুওৱা হৈছে ।

যিবিলাক পেট্ৰ'কেমিকেলত কাৰ্বন পৰমাণু নাথাকে সেইবিলাককে অজৈৱ পেট্ৰ'কেমিকেল বোলে । ইয়াৰ উল্লেখযোগ্য উদাহৰণ হ'ল----গন্ধক, এমোনিয়া আৰু এমোনিয়াজাত অন্যান্য যৌগবোৰ আৰু কাৰ্বন ব্লেক ।

ৰিফাইনেৰীৰ পৰা পোৱা গেচবোৰো যথেষ্ট মূল্যবান, কিয়নো ইয়াত অসম্পৃক্ত হাইড্ৰ'কাৰ্বন থাকে । কাৰ্বন আৰু হাইড্ৰ'জেন যুক্ত হৈ উৎপন্ন কৰা যৌগকে হাইড্ৰ'কাৰ্বন বোলে ।

**মিথেনজাত পেট্ৰ'কেমিকেলবোৰ**----এই পেট্ৰ'কেমিকেলবোৰ মিথেনৰ পৰা প্ৰস্তুত হয় । প্ৰাকৃতিক গেচত মিথেন প্ৰায় শতকৰা আশী ভাগেই থাকে । মিথেনৰ পৰা হাইড্ৰ'জেন পোৱা হয় । বায়ুৰ নাইট্ৰ'জেন আৰু মিথেনৰ হাইড্ৰ'জেনৰ মিশ্ৰ, যদি উচ্চ চাপৰ অধীনত অনুঘটকৰ ওপৰেৰে পঠিওৱা হয়, তেন্তে এমোনিয়া প্ৰস্তুত

হয়। এইদৰে প্ৰস্তুত হোৱা এমোনিয়াক সাৰ জাতীয় দ্ৰব্যলৈ পৰিবৰ্তিত কৰা হয়। এমোনিয়া আৰু এঙ্গাৰ গেচৰ মাজত ক্ৰিয়া ঘটাই ইউৰিয়া উৎপাদন কৰা হয়। এমোনিয়া, কেলচিয়াম চালফেট আৰু এঙ্গাৰ গেচৰ মাজত ক্ৰিয়া ঘটাই এমোনিয়াম চালফেট প্ৰস্তুত কৰা হয়। এমোনিয়াম চালফেট আৰু ইউৰিয়া দুয়োটা পদাৰ্থ সাৰ হিচাপে ব্যৱহাৰ কৰা হয়। কাৰ্বন মনক্সাইড আৰু হাইড্ৰ'জেনৰ মাজত অনুঘটকৰ প্ৰভাৱত উচ্চ উষ্ণতাত ক্ৰিয়া ঘটালে মিথাইল এলকহল প্ৰস্তুত হয়। মিথাইল এলকহল প্ৰধানকৈ ফৰমেলডিহাইড প্ৰস্তুতকৰণত প্ৰয়োজন হয়, এই ফৰমেলডিহাইডৰ পৰা আকৌ বিভিন্ন ৰেজিন বা প্লাষ্টিক প্ৰস্তুত কৰা হয়। তাৰে উল্লেখযোগ্য উদাহৰণ হ'ল—ইউৰিয়া ফৰমেলডিহাইড, ইয়াক নানা তৰহৰ বস্তু তৈয়াৰ কৰাত ব্যৱহাৰ কৰা হয়। মিথেনক কাৰ্বন ব্লেকলৈও পৰিবৰ্তিত কৰিব পাৰি, কিন্তু এই প্ৰথাটো আজিকালি অপ্ৰচলিত। মিথেনৰ পৰা পোৱা প্ৰধান দ্ৰব্যবোৰ তলৰ তালিকাত দেখুওৱা হ'ল—

মিথেন—
- —কাৰ্বন মনক্সাইড—ফৰমেলডিহাইড—এক্ৰাইলো নাইট্ৰিক এচিড-ৰবৰ আৰু প্লাষ্টিক
- —কাৰ্বন টেট্ৰা ক্ল'ৰাইড
- —ক্লোৰোফৰ্ম
- —এচিটাইলিন——
  - —ভিনাইল ক্ল'ৰাইড—পি, ভি, চি } প্লাষ্টিক
  - —ভিনাইল এচিটেট—পি, ভি, এচিটেট } আৰু কৃত্ৰিম সূতা
  - —এক্ৰাইলো নাইট্ৰাইল—বুনা-এন্ (ৰবৰ)
  - —এচিটেলডিহাইড—এচেটিক এচিড
- —হাইড্ৰ'চায়েনিক এচিড

মিথেনৰ পৰা পোৱা এচিটাইলিন এটা মূল্যবান যৌগ। ইয়াক বিভিন্ন ৰাসায়নিক সামগ্ৰী প্ৰস্তুত কৰোঁতে মূল উপাদান হিচাপে লোৱা হয়। এচিটাইলিনৰ পৰা পোৱা পলিভিনাইল এচিটেটৰ প্ৰধান ব্যৱহাৰ হ'ল, 'প্লাইউড' তৈয়াৰ কৰাত। এচিটাইলিনৰ পৰাই তৈয়াৰ কৰা পলিভিনাইল ক্ল'ৰাইডৰ (পি, ভি, চি,) সহায়ত বৰষুণত পিন্ধা কোট, বিভিন্ন কাপোৰ, জোতাৰ তলৰ চ'ল আদি তৈয়াৰ কৰা হয়।

**ইথেনজাত পেট্ৰ'কেমিকেলবোৰ**——এই বিভাগৰ ৰাসায়নিক দ্ৰব্যবোৰৰ পৰাই কৃত্ৰিম সূতা আৰু প্লাষ্টিক আদি প্ৰস্তুত কৰা হয়। ইথেনেই এই বিভাগত প্ৰধান কেচা সামগ্ৰী, ইয়াক যেতিয়া খুব উচ্চ উষ্ণতালৈ উত্তাপিত কৰা হয়, ইথিলিন প্ৰস্তুত হয়। ৰিফাইনেৰী গেচৰ পৰাও ইথিলিন পোৱা যায়। অণু-সংযোগ

ইথিলিন —
- —এচিটেলডিহাইড
- —ইথাইল এলকহল——
  - —এচিটেলডিহাইড——
    - —এচেটিক এচিড
    - —এলদল
  - —বিউটাডাইন——
    - —বুনা ৮৫ (ৰবৰ)
    - —বুনা ১১৫ (ৰবৰ
- —ইথিলিন অক্সাইড
  - —ইথিলিন গ্লাইকল——
    - —টেৰিলিন
    - —ৰেজিন
  - —ইথানল এমাইন
  - —এক্ৰাইলো নাইট্ৰাইল ———। —বুনা-এন্ (ৰবৰ)।
- —ইথাইল বেনজিন——ষ্টাইৰিণ—বুনা-এচ্ (ৰবৰ)
- —ইথিলিন ডাইক্ল'ৰাইড—ভিনাইল ক্ল'ৰাইড —পি, ভি, চি
- —পাৰক্ল'ৰো ইথিলিন (দ্ৰাৱক)
- —পলিইথিলিন (প্লাষ্টিক)

(পোলিমাৰাইজেচন) প্ৰথাৰ দ্বাৰা প্ৰধান ইথিলিন পেট্ৰ'কেমিকেল—পলিইথিলিন (পলিথিন) তৈয়াৰ কৰা হয় আৰু ই প্লাষ্টিক হিচাপে ব্যৱহৃত হয়। পলিইথিলিন বিদ্যুৎৰ কুপৰিবাহী কাৰণে ইয়াক ইনচুলেটৰ তৈয়াৰত বহুলভাৱে ব্যৱহাৰ কৰা হয়। এই প্লাষ্টিকৰ ব্যৱহাৰ বৰ্তমান খুব বাঢ়ি গৈছে। আন এটা প্ৰধান ইথিলিন পেট্ৰ'কেমিকেল হ'ল ইথাইল এলকহল। বিভিন্ন প্ৰথাৰে ইয়াক পাব পাৰি। ইথিলিন আৰু চালফিউৰিক এচিডৰ পৰা পোৱা ইথাইল হাইড্ৰ'জেন চালফেটক জল বিশ্লেষণ কৰিলে ইথাইল এলকহল পোৱা যায়। ইথাইল এলকহলক জাৰিত কৰিলে এচিটেলডিহাইড প্ৰস্তুত হয়।

ইথিলিনে যেতিয়া ক্ল'ৰিণৰ সৈতে নিম্ন উষ্ণতাত আৰু উচ্চ চাপত ক্ৰিয়া কৰে তেতিয়া ইথিলিন ডাই ক্ল'ৰাইড প্ৰস্তুত হয়। এই ইথিলিন ডাইক্ল'ৰাইডক উচ্চ চাপৰ অধীনত প্ৰায় ৫০০ চেঃ লৈ তপত কৰিলে ভিনাইল ক্ল'ৰাইড উৎপন্ন হয় আৰু ইয়াৰ পৰাই পি, ভি, চি, প্ৰস্তুত কৰা হয়।

**প্ৰপেনজাত পেট্ৰকেমিকেলবোৰ**—এই বিভাগৰ প্ৰথম উপাদান প্ৰপেনৰ পৰা ক্ৰিয়াশীল ইথিলিন আৰু প্ৰপাইলিন প্ৰস্তুত কৰা হয়। প্ৰপেনক জাৰিত কৰিও মিথাইল এলকহল, ফৰমেলডিহাইড, এচিটেলডিহাইড আৰু এচিটোন পাব পাৰি। প্ৰপাইলিনৰ পৰা পোৱা প্ৰধান পেট্ৰ'কেমিকেল হ'ল—আইচো প্ৰপাইল ক্ল'ৰাইড, ইয়াক এচিটোনলৈও পৰিবৰ্তন কৰিব পাৰি। এচিটোন দ্ৰাৱক হিচাপে, প্লাষ্টিক প্ৰস্তুতকৰণ আদিত ব্যৱহাৰ কৰা হয়। এচিটোনৰ পৰা পোৱা মিথাইল মেটা-ক্ৰাইলেট অণু-সংযোগ প্ৰথাৰে পলি মিথাইল মেটা ক্ৰাইলেটলৈ (এক প্ৰকাৰৰ প্লাষ্টিক) ৰূপান্তৰিত কৰা হয়। স্বচ্ছ গুণৰ বাবে ইয়াক এৰোপ্লেনৰ অংশ বিশেষ, চশমা আৰু নানা ধুনীয়া বস্তু সজাত ব্যৱহাৰ কৰা হয়। আয়নাতকৈ ই নিৰাপদ কিয়নো ই আয়নাৰ দৰে ঠুনুকা নহয়। ক্ল'ৰিণ আৰু প্ৰপাইলিনৰ বিক্ৰিয়াত পোৱা এলাইল ক্ল'ৰাইড গ্লিচাৰিণ প্ৰস্তুতিত ব্যৱহাৰ কৰা হয়। ঘাই ঘাই পেট্ৰ'কেমিকেলবোৰৰ নাম কাষৰ তালিকাত দিয়া হ'ল—

প্ৰপাইলিন—
- —এচিটোন—
  - —মিথাইল আইচো বিউটাইল কিটোন—(দ্ৰাৱক)
  - —মিথাইল মেটা ক্ৰাইলেট—প্লাষ্টিক
- —আইচো পেণ্টানল
- —কিউমিন—
  - —ফিনল
  - —এচিটোন
- —ডাইমাৰ—আইচোপ্ৰিন—ৰবৰ
- —এক্ৰাইলো নাইট্ৰাইল (সূতা আৰু ৰেজিন)
- —পলিপ্ৰপাইলিন—ৰবৰ আৰু প্লাষ্টিক
- —ইথিলিন প্ৰপাইলিন কোপলিমাৰ—(ৰবৰ)
- —আইচো প্ৰপাইল এলকহল—গ্লীচাৰল
- —এলাইল ক্ল'ৰাইড—ইপিক্ল'ৰোহাইড্ৰিন—গ্লিচাৰিণ
- —আইচোপ্ৰিন—পলি আইচোপ্ৰিন (ৰবৰ)

**বিউটেন আৰু পেণ্টেন জাত পেট্ৰ'কেমিকেলবোৰ**—এই বিভাগৰ মূল হাইড্ৰ'কাৰ্বন কেইটা হ'ল—বিউটেন, আইচোমেৰিক বিউটেন, পেণ্টেন আৰু আইচোমেৰিক পেণ্টেন। এই বিভাগৰ প্ৰধান পেট্ৰ'কেমিকেল হ'ল—বিউটাডাইন। বিউটাডাইন বিউটেনৰ পৰা পাব পাৰি। বিউটাডাইনৰ পৰা এডিপো নাইট্ৰাইট প্ৰস্তুত কৰি সেই এডিপো নাইট্ৰাইটৰ পৰা নাইলন—৬৬ পাব পাৰি। বিউটাডাইন আৰু ষ্টাইৰিণৰ অণু সংযোগত সৃষ্টি হোৱা ৰবৰক বুনা-এচ্ বোলা হয়। সেইদৰে বিউটাডাইন আৰু এক্ৰাইলো নাইট্ৰাইলৰ পৰা পোৱা ৰবৰক বুনা-এন্ বোলা হয়। এই দুবিধ ৰবৰ, কেৱল বিউটাডাইনৰ পৰা সৃষ্টি হোৱা ৰবৰতকৈ শ্ৰেষ্ঠ। পেইন্ট আৰু ৰবৰ প্ৰস্তুতিত বিউটাডাইন এটা প্ৰধান উপাদান। পেণ্টেনৰ পৰা সুগন্ধি দ্ৰব্য প্ৰস্তুতিত ব্যৱহৃত হোৱা এমাইল এলকহল পোৱা হয়।

**এৰোমেটিক হাইড্ৰ'কাৰ্বন জাতীয় কেমিকেলবোৰ**—বেনজিন, টলুইন, জাইলিন আৰু নেপথালি-নেই হ'ল বিভিন্ন প্ৰক্ৰিয়াত ব্যৱহৃত হবলগীয়া এৰোমেটিক যৌগসমূহ। এইবোৰ পেট্ৰলিয়ামত খুব কম পৰিমাণে থাকে; সেইবাবে বিভিন্ন কৃত্ৰিম প্ৰথাৰে সহায়ত এলিফেটিক হাইড্ৰ'কাৰ্বনবোৰক এনে এৰোমেটিক হাইড্ৰ'কাৰ্বনলৈ ৰূপান্তৰিত কৰা হয়। কাষৰ তালিকাখনত এৰোমেটিক হাইড্ৰ'কাৰ্বনবোৰৰ ব্যৱহাৰ দেখুওৱা হৈছে বেনজিনৰ পৰা প্ৰস্তুত কৰা ফিনল এটা বৰ আৱশ্যকীয় দ্ৰব্য। প্লাষ্টিক শিল্পইও এক বুজন পৰিমাণৰ ফিনল ব্যৱহাৰ কৰে। ইয়াৰ উপৰিও এডিপিক এচিড, পিক্ৰিক এচিড, ঔষধ, চেলিচাইলিক এচিড আদি প্ৰস্তুতিত ইয়াৰ প্ৰয়োজন হয়। টলুইন প্ৰধানকৈ ব্যৱহাৰ হয়—দ্ৰাৱক হিচাবে আৰু টি্ এন্ টি্ (বিস্ফোৰক দ্ৰব্য) প্ৰস্তুতিত। জাইলিনৰপৰা পোৱা ডাইমিথাইল টেৰিথেলেত আৰু ইথিলিন গ্লাইকলৰ অণু সংযোগৰ দ্বাৰা

- এৰোমেটিক হাইড্ৰ'কাৰ্বন
  - বেনজিন
    - ইথাইল বেনজিন—প্লাষ্টিক
    - ফিনল
    - বেনজিন ক্ল'ৰাইড
      - ডি্ ডি্ টি্
      - এনিলিন
    - নাইট্ৰো বেনজিন
    - ডো ডেকাইল বেনজিন—পৰিষ্কাৰক
    - মেলেইক এনহাইড্ৰাইড
      - নিল
      - ডি্ ডি্ টি্
      - টি্ এন্ টি্ ঔষধ
  - টলুইন
    - দ্ৰাৱক
    - বেনজয়িক এচিড—চ'ডিয়াম বেনজোয়েট (ফল সংৰক্ষণ)
    - ডাইক্ল'ৰো টলুইন—পলিইউৰিথেন (ফোম)
  - জাইলিন
    - অ'ৰথো জাইলিন—মেলিক এনহাইড্ৰাইড
    - মেটা জাইলিন—আইচোথেলিক এচিড—প্লাষ্টিচাইজাৰ
    - পাইৰ' জাইলিন—টেৰেথেলিক এচিড

টেৰিলিন তৈয়াৰ হয়। অসমৰ পেট্ৰ'লিয়ামত তুলনামূলকভাৱে যথেষ্ট পৰিমাণে জাইলিন আছে। সেইবাবে অসমত টেৰিলিন শিল্প সহজেই গঢ়ি উঠিব। এক্ৰাইলিক প্লাষ্টিকৰ পৰা প্ৰস্তুত কৰা এক্ৰিলন, ওৰ'লিনেৰে গৰম কাপোৰ তৈয়াৰ কৰা হয়।

**কাৰ্বন ব্লেক বিভাগ**—যিহেতু কাৰ্বন ব্লেক পেট্ৰ'লিয়ামৰ হাইড্ৰ'কাৰ্বনৰ পৰা পোৱা হয়, সেই কাৰণে ইয়াকো পেট্ৰ'কেমিকেলৰ শাৰীত পেলোৱা হৈছে। ই হ'ল প্ৰাকৃতিক গেচ বা পেট্ৰ'লিয়ামৰ অসম্পূৰ্ণ দহনৰ ফল। কাৰ্বনৰ আকাৰৰ ওপৰত ভিত্তি কৰি কাৰ্বন ব্লেক বিভিন্ন ধৰণৰ হ'ব পাৰে। কাৰ্বন ব্লেকক অতিশয় ক্ষুদ্ৰ কণাত পৰিণত কৰিব পাৰি। এনে ক্ষুদ্ৰ কণা অণুবীক্ষণ যন্ত্ৰৰ সহায়তহে দেখা পোৱা যায়। খুব ভাল ক'লা ৰং কৰিব পৰা ক্ষমতাটোৰ কাৰণেই ইয়াক আনবোৰ ৰঙৰ তুলনাত বেচিকৈ ব্যৱহাৰ হয়। কাৰ্বন ব্লেকে ৰবৰৰ প্ৰসাৰণ ক্ষমতা যথেষ্ট পৰিমাণে বঢ়ায়। সেইকাৰণে প্ৰায় শতকৰা নব্বৈ ভাগ কাৰ্বন ব্লেক গাড়ীৰ তায়াৰ তৈয়াৰ কৰোতেই ব্যৱহাৰ কৰা হয়। সৰু-সুৰা ব্যৱহাৰবোৰৰ ভিতৰত হ'ল—শুকান চেল, কাৰ্বন পেপাৰ আৰু চিয়াহী প্ৰস্তুতকৰণত।

ৰিফাইনেৰী গেচত থকা অসম্পৃক্ত হাইড্ৰ'কাৰ্বন সমূহৰ পৰাও প্ৰয়োজনীয় পেট্ৰ'কেমিকেল প্ৰস্তুত কৰা হয়। উদাহৰণ স্বৰূপে ৰিফাইনেৰী গেচত কিছু পৰিমাণে ইথিলিন পোৱা যায়। এই ইথিলিনৰ পৰা প্ৰস্তুত কৰা পেট্ৰ'কেমিকেলসমূহৰ বিষয়ে আগেতই আলোচনা কৰা হৈছে। সাধাৰণ বিউটাইলিনৰ পৰা পোৱা বিউটাইল এলকহল দ্ৰাৱক মিথাইল ইথাইল কিটোন তৈয়াৰ কৰাত ব্যৱহাৰ হয়।

ওপৰৰ আলোচনাৰ পৰা দেখা যায় যে এটা পেট্ৰ'কেমিকেল বিভিন্ন প্ৰথাৰে বিভিন্ন ৰাসায়নিক দ্ৰব্যৰ পৰা প্ৰস্তুত কৰিব পাৰি কিন্তু কাৰ্য্য ক্ষেত্ৰত যিটো প্ৰথাত খৰচ কম আৰু লগতে মূল্যবান উপজাত সামগ্ৰী পোৱা যায় সেই প্ৰথাটোহে অৱলম্বন কৰা হয়। উদাহৰণ স্বৰূপে পি, ভি, চি, এচিটাইলিনৰ পৰা পোৱা ভিনাইল ক্ল'ৰাইডৰ পৰা বা ইথিলিন অক্সাইডৰ পৰা পোৱা ভিনাইল ক্ল'ৰাইডৰপৰা প্ৰস্তুত কৰিব পাৰি। এই দুই প্ৰথাৰ ভিতৰত এটা প্ৰথা সামগ্ৰীৰ প্ৰাচুৰ্য্য অনুযায়ী ঠাই বিশেষে কামত খটুৱা হয়।

নাইলন আৰু পলিথিনৰ দৰে বিভিন্ন কামত খটুৱাব পৰা প্লাষ্টিক জাতীয় নতুন দ্ৰব্যৰ প্ৰস্তুতিৰ অনুসন্ধান বিভিন্ন দেশত চলি আছে। হাইড্ৰোকাৰ্বনক মাত্ৰ জাৰিত কৰিয়েই বিভিন্ন পেট্ৰ'কেমিকেল পোৱাৰ কাৰণেও অনুসন্ধান চলি আছে।

বিভিন্ন দেশৰ শিল্পবোৰ লক্ষ্য কৰিলে দেখা যাব যে শতকৰা পঞ্চাশভাগেই প্ৰত্যক্ষ বা পৰোক্ষভাৱে পেট্ৰ'লিয়ামৰ ওপৰত প্ৰতিষ্ঠিত। গতিকে এখন দেশৰ উন্নতি প্ৰধানকৈ পেট্ৰ'কেমিকেল শিল্পৰ ওপৰতে নিৰ্ভৰ কৰে বুলি কলেও একো বঢ়াই কোৱা নহয়।

অসমত যিহেতু যথেষ্ট পৰিমাণে কয়লা, পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেচ আছে, সেইবাবে অসমত প্লাষ্টিক, কৃত্ৰিম ৰবৰ আৰু কৃত্ৰিম সূতাৰ শিল্প গঢ়ি উঠা উচিত। অৱশ্যে এতিয়ালৈকে নামৰূপৰ সাৰ কাৰখানাৰ বাহিৰে উল্লেখযোগ্য ৰাসায়নিক শিল্প অসমত গঢ়ি উঠা নাই।

আলোচিত কিতাপসমূহ ঃ
১। ষ্টাডিজ ইন পেট্ৰ'কেমিকেলচ।
২। ইণ্টাৰনেচনল পেট্ৰ'লিয়ামএনচাইক্ল'পেডিয়া—জৰ্জ ৰেবাৰৰ সম্পাদিত।
৩। পেট্ৰ'লিয়াম এণ্ড পেট্ৰ'কেমিকেলচ্—আৰ্ ডি পেটেল।
৪। পেট্ৰ'লিয়াম প্ৰচেচিং হেণ্ডবুক—ডব্লিউ এফ্ ব্ৰেণ্ড আৰু ডেভিডচন সম্পাদিত।
৫। প্লাষ্টিক, ৰবৰ আৰু ৰেচম সূতাৰ বিস্ময়কৰ কাহিনী—ডঃ প্ৰসন্ন চন্দ্ৰ গোস্বামী।
আদি।






# এজন দোকানীৰ অভিজ্ঞতা

মৃদুল কুমাৰ দাস
১ম বাৰ্ষিক বিজ্ঞান।

আপুনি যদি মোৰ নামটো জানে তেন্তে এইখন কাৰ দোকান জানিব পাৰিব। দোকানৰ সমুখভাগত এখন টিনপাতত লিখা আছে—"লাগে"; তাৰ কাষতে লিখা আছে প্ৰোপাইটৰ, মানে মোৰ নামটো। আপোনাক যদি কিবা লাগে মোৰ দোকানলৈ আহক। আপোনাৰ প্ৰয়োজন "লাগে"লৈ আহিলে পূৰণ হ'ব। মোৰ ইয়াত পাঁচ পইচাৰ নিমখৰপৰা পাঁচ টকাৰ ফাইনল্টেন পেনলৈ সকলো পাব। আপুনি মোৰ দোকানৰ মাল নাখায় ? নাখাব পাৰে মোৰ দোকানৰ। আপুনি এইটো ফালৰ নহয়। হোৱাহেঁতেন মোৰ পৰা মাল ললেহেঁতেন। আৰু আপোনাৰ প্ৰয়োজনো পূৰ হলহেঁতেন। মোৰ ইয়াত সকলো পাব সেইবুলি মটৰগাড়ী নাপায়, হাজাৰ টকীয়া কাপোৰ নাপায়। আপুনি এইটো ফালৰপৰা হলে আপোনাক এইবোৰ নালাগে। নহয় বাবেই আপুনি নাহে। এইফালৰ মানুহবোৰ আহে। মোৰ দোকানখন সিহঁতৰ প্ৰিয়। কাৰণ আমাৰ মাজত মিল আছে। অৱশ্যে মোৰ জকমকীয়া দোকানখনৰ লগত সিহঁতৰ উৰ্ৱলি যোৱা পঁজাৰ মিল নাই। মিল আছে সিহঁতৰ ধনৰ গাঁথি আৰু মোৰ দোকানৰ মালৰ দামৰ মাজত। সিহঁতক মটৰগাড়ী নালাগে। মটৰ মাহহে লগে। সস্তীয়া কলফুলৰ তৰকাৰীত দিবলৈ দুটামান। মোৰ তাত মটৰ মাহ পায়। সেয়ে সিহঁত আহে আপুনি নাহে। আপোনাক মটৰগাড়ীহে লাগে আপুনি সাতশ টকীয়া মানুহ।

মোৰ কথাবোৰ আচহুৱা যেন লাগিছে ? এজন সাধাৰণ অশিক্ষিত দোকানীৰ কথা ? এৰা, মই সাধাৰণ মানুহ। মই পাছ পইচাৰ নিমখ বেচোঁ। মই বিশেষ একো নাজানো। কিন্তু চৰকাৰ হাজাৰ টকা দি পুহি ৰখা অৰ্থ-নীতিবিদবোৰতকৈ আমাৰ মানুহখিনিৰ অৰ্থনৈতিক অৱস্থাৰ কথা বেচি ভালদৰে জানো। মই সিহঁতৰ মাজতে আছো। আপুনি এইটো ফালৰ নহয়। হ'ব নোৱাৰে। আপুনি সাতশ-টকীয়া মানুহ। এইটো ফালত সাত-অনীয়া, এশ-পঁচিশটকীয়া মানুহহে থাকে। আৰু মই এইটো ফালৰ দোকানী।

"দহ পইচাৰ কেৰাচিন তেল, পাঁচ পইচাৰ নিমখ সৰু ক্ষীণ ল'ৰা এটাই পোন্ধৰ পইচা মোৰ দোকানৰ গাদীত দলি মাৰি দিলে। মালখিনি দি ল'ৰাটোক বিদায় দিলোঁ। মই এইটো ফালৰ দোকানী। ইয়াৰ গ্ৰাহকবোৰ সৰু মানুহ। চাহিদাও সৰু মানুহৰ। মই কিন্তু ব্যস্ত দোকানী। ডাঙৰ মানুহক পাচ কেজি

বুটৰ ডাইল বেচি মই এঘন্টা বহি থাকিব নালাগে। নালাগে এবটল অগৰু বেচিও। নালাগে এক ডজন আইব্ৰু বেচি। মোৰ জিৰণি নাই। পাচ পইচাৰ নিমখ, দুখন কুকিচ, দু-পইচাৰ ডালমুট, এশগ্ৰাম মচুৰ ডাইল, দুশগ্ৰাম চাউল, দুটা বিড়ি, বিশ পইচাৰ চেনি, দহ পইচাৰ গুড়, দহ পইচাৰ চাহপাত। পাচ পইচাৰ, দহ পইচাৰ, বিশ পইচাৰ, দুই অনাৰ, ছয় অনাৰ। কেৱল অনাৰ, কেৱল পইচাৰ, কেৱল গ্ৰামৰ। এটকাৰ নহয়। নহয় পুৰা একেজি। একেজি বিচাৰিলে মই আচৰিত হওঁ। নিৰীক্ষণ কৰোঁ গ্ৰাহকটোক। ই বাৰু একেজিৰ টকাটো কত পালে? সাত-অনীয়া হৰেশৰ পুতেকে ?

"দুখন কুকিচ"। দহ পইচাটো ৰাখি কুকিচ দিলোঁ। সি গুচি গ'ল। স্বৰ্গৰ অমৃত অনাৰ গৌৰৱেৰে। লাল চাহত ভিজা কুকিচৰ টুকুৰাবোৰ তাৰ পৰিয়ালৰ অভুক্ত পেটত সমাধিস্থ হ'ব—এই ৰাতি পুৱাতে। আপোনাৰ ব্ৰেক-ফাষ্টৰ সময়তে।

"চুজি এশ" তাক দিলোঁ।

"চেনি চাৰি-অনাৰ।" তাইকো দিলোঁ।

"চানাচুৰ তিনি পইচাৰ।" তাকো দিলোঁ।

"গোল বিস্কুট চাৰিখন।" তাকো।

"আলু একেজি।" তাৰ মুখলৈ চালোঁ।

আপোনাৰ কথাবোৰ আচহুৱা যেন লাগিছে ? আপুনি সাতশ-টকীয়া মানুহ। ভাৰতৰ এনে বহু ফালৰ প্ৰতিনিধিত্ব কৰা এইটো ফালৰ মানুহে চাহ কৰিব ধৰি, খোৱাবস্তু মানে দুখন কুকিচ, দুপইচাৰ চানাচুৰ বিচাৰি ঠেহ পতা জীয়েক-পুতেকক পঠাই, দোকানলৈ ৰাতিপুৱাতে। ৰাতিয়েই চাৰিখন কুকিচ, এপোৱা আটা ইহঁতে কিনি ৰাখিব নোৱাৰে। কি ঠিক ৰাতিয়েইবা কি বিপদ হয়। সিহঁতৰতো পাচবুক নাই। নাই বেঙ্ক বেলেঞ্চ। নাই বাকচ। বাঁহৰ খুটাত ফুটাও নাই। চাউল আগতে। চাউল কিনি ৰলেহে দুপইচাৰ ডালমুট, দুখন কুকিচ অকণিহঁতৰ জিদ মাৰিবলৈ লাগিব, পিঠিত চাপৰেৰে অস্থি-চৰ্মসাৰ দেহত গোৰেৰে। ইয়াৰ ল'ৰা-ছোৱালীয়ে মাল কঢ়িয়াই দুপইচা পালেও মোৰ দোকানলৈ আহে। দু-পইচাৰ চানাচুৰ খায়। তাৰেই সিহঁতৰ ভোকৰ জ্বালা মাৰে।ঘৰলৈ নিলে যে দু-পইচাৰ অংশীদাৰ বহুত ওলাব। এইটো ফালৰ ল'ৰা-ছোৱালীয়ে যদিও হাতত আৰু ঘৰত এটা পইচাও নাই তথাপিও 'চাউলৰ কেজি কিমান' বুলি মোৰ দোকানৰ চাউলত হাত সুমুৱাই দি এমুঠি লৈ চোৰাৰ চলেৰে মুখত ভৰায় আৰু ধৰা পৰাৰ ভয়ত বিজুলী গতিৰে জনসমাগমত মিলি যায়। এইখন মোৰ দোকান। "লাগে।" মোৰ সমুখত সৌৱা ৰামজীৰ দোকান। খালি চাউলৰ। তাৰ দোকানত চাউল আছে এশ-পঁচিশ টকীয়াৰ বাবে। চাউল আছে সাত-অনীয়াৰ বাবে। সাত-অনীয়াৰ বোৰ চাউল নহয়। ভগা-চাউল, খুদ, তুহ, বালি, মলি-শিলৰ সমষ্টি। তাকে সাত-অনীয়া অমৰে "গৰু কেইটালৈ ঘাঁহ নাই বুলি কিনি নি পেটৰ কামোৰণি মাৰে। আৰু ল'ৰা-তিৰোতা ছোৱালীৰ অকাল মৃত্যুক আহ্বান কৰে। এইটো ফালৰ মানুহে মিঠাতেল কিনে পঁচিশ গ্ৰাম। এইটো ফালৰ মাককে কামৰ ভিৰৰপৰা অকণমান সকাহ দিয়া সৰু ছোৱালীয়ে ডাইল ৰান্ধিবলৈ গৈ মাকক সোধে ঃ 'মা' ডাইলতো তেল দিয়ে ? ইহঁতে তেল কিহত দিয়ে ? মাছত ? মাছত !

"দুটা মৰ্টন।" সৰু ভায়েক-ভনীয়েকহালক মৰ্টন দিলোঁ। কাগজ এৰুৱাই ততালিকে মুখত ভৰাই দিলে। পেটত কিজানি সৰ্বগ্ৰাসী বুভুক্ষা সিহঁতৰ।

মই মন কৰিছোঁ আজিকালিৰ ল'ৰা-ছোৱালীয়ে মৰ্টন বিস্কুট-চানাচুৰ আদি বেচিকৈ খায়। মই দেখিছোঁ ফুৰিবলৈ অহা মানুহক আজি-কালি মানুহে দুখন ক্ৰীম বিস্কুট, দুটামান জ্বালা-ভুজিয়া বা অইন মিঠাইহে দিয়ে। মই দেখিছোঁ আজিৰ মানুহে পিন্ধাত বেচি খৰচ কৰে। দু-অনাৰ গুৰ খায়। এটকাত এগজ ৰিবন কিনে। মই দেখিছোঁ আজিৰ মানুহে কম কম বস্তু কিনে। আয় যিমান বস্তুৰ দাম তাতকৈ বহুত বেচি। মই দেখিছো ----

"দু-অনাৰ গুৰ।" তাক দিলোঁ।

"দহ-পইচাৰ চাহ।" তাইকো দিলোঁ।

আপোনাৰ কথাবোৰ আচহুৱা যেন লাগিছে নহয় ? আপুনি সাতশটকীয়া মানুহ। আপুনি এইটো ফালৰ মানুহ নহয়। মোৰ গ্ৰাহকো নহয়। এইটো ফালৰ, এইখন দেশৰ এইটো ফালৰ সৰু ক্ষীণ ৰুগ্ন, ল'ৰাই ফটা-জোলোঙা লৈ ৰাতি এঘাৰ বজাত ৰামজীৰ দোকানলৈ ছটাৰ কাৰণে এপোৱা চাউল আনিবলৈ গৈ "তহঁতৰ সময়—অসময় নাই' বুলি ৰামজীয়ে পৰা গালি খায়। তেতিয়া আপুনি উগাৰি উগাৰি চাপটি-চপ-পোলাও দামী পানীয় খাই নাক বজাই শোৱে। সিহঁতে ঠেলঠেলীয়া পানী ভাত খাই এক-বজাত শুয়ো ৰাতিপুৱাতে যায় কামলৈ সাত অনাৰ মোহৰ মাজলৈ। আপুনি তেতিয়া ব্ৰেক-ফাষ্ট কৰে ----দুটা কণীৰ, মালভোগ কলৰ, লুচিৰ। মই সাধাৰণ মানুহ। মই পাঁচ পইচাৰ নিমখ বেচোঁ। মই কি ভাবিছোঁ জানে ? মানুহবোৰে অলপতে দু-অনা দহ-পইচাৰ সলনি দুটা চেনি, এটা চাউল, এটা ডাইল কিনিব। তাৰ পিচত কি হ'ব জানে ? মই কি দেখিছোঁ জানে ? এক উত্তাল কালৰূপী বন্যা। আমাক ডুবাই পেলাব নেকি ? বলীয়া বানত ডুব যোৱা আমাৰ অস্থিতেই নতুন শতদল ফুলিব নেকি ? ০ ০

ৰসৰচনা

# সংখ্যাবোৰৰ সভাত শ্ৰীযুত শূন্য তৰ্ক-শাস্ত্ৰীদেৱৰ ভাষণৰ একাংশ।

বিনোদ কুমাৰ খাদৰীয়া ।
৩য় বাৰ্ষিক, কলা।

শ্ৰদ্ধেয় সহকৰ্মীবৃন্দ আৰু উপস্থিত ৰাইজ। জয়-জয়তে আজিৰ এই সভাত মোক সভাপতিত্ব কৰিবৰ বাবে এইকণ সুযোগ দিয়াত সমূহ উপস্থিত ৰাইজৰ ওচৰত মই কৃতজ্ঞতা জ্ঞাপন কৰিছো। অৱশ্যে আজিৰ সভাত সভাপতিৰ আসনৰ দ্বাৰা মোৰ গৌৰৱ বাঢ়িছে নে নাই সেয়া মই নাজানো কিয়নো মই শূন্য, যাৰ কোনো সন্মান নাই। কোৱা হয় যে খালি আসন পূৰাবৰ বাবে মোৰ উপস্থিতি বাঞ্চনীয়। যথাসম্ভৱ সেইবাবেই সভাপতিৰ সন্মানিত আসনৰ পূৰণো মোৰ দ্বাৰাই হোৱাটো উচিত বুলি ভবা হৈছে।

মই কিমান সৰু আপোনালোকে কল্পনাই কৰিব নোৱাৰে। সংখ্যাবিলাকৰ মাজত যদি মই লুকাই থাকোঁগৈ, আপোনালোকে মোক মণিবই নোৱাৰিব। এটা সংখ্যাক সেই সংখ্যাৰে বিয়োগ কৰি চাওঁক; মোক জানো দেখা পাইছে ? নাই পোৱা। কিন্তু ৰাইজ, আপোনালোকে নুই কৰিব নোৱাৰে যে ৫-৫ৰ মাজত মই লুকাই আছো——আপোনালোকৰ দৃষ্টিৰ পৰা আঁতৰ হৈ। আপোনালোকে মোক দেখা নাপায় মোৰ উপস্থিতিৰ আভাসমাত্ৰহে আপোনালোকে পায়। নহয় জানো মই অতি সূক্ষ্ম, অদৃশ্য ? কওঁক আপোনা লোকে, দাৰ্শনিকসকলে এই তথ্যৰ ওপৰত ভিত্তি কৰিয়েই আকাৰ আৰু প্ৰকাৰৰ মাজত নিৰাকাৰ ব্ৰহ্মৰ উপস্থিতিটো যুক্তি সংগত বুলি ভাবে।

নিঃসন্দেহে মই অতি সূক্ষ্ম, কিন্তু এইটোও ঠিক, মোৰ এটি মাত্ৰ টোপালতে অপূৰ্ব শক্তিৰ সঞ্চয় হয়। এটা সংখ্যাৰ সোঁহাতে এটি মাত্ৰ বিন্দু যোগ দিলে-- সংখ্যাটিৰ মান দহগুণে বাঢ়ি যাব; আৰু এটি বিন্দুৰ সংযোগ কৰক——সংখ্যাটিৰ মান এশগুণে বাঢ়ি গল এইদৰেই বিন্দুৰ পিচত বিন্দু যোগ দি যাওঁক, সংখ্যাটিৰ মান বাঢ়ি গৈ থাকিব। আজিৰ নেতা-সকলৰ মান বঢ়োৱাত কাৰোবাৰ অৱদান আছে যদি সি মোৰ। কিন্তু ৰাইজসকল, আপোনালোকে নাপা-হৰিব যে জ্ঞান আৰু বুদ্ধিত তেওঁলোকো মোৰ নিচিনাই গোল অৰ্থাৎ শূন্য। জ্ঞানশূন্য হোৱা সত্বেও লাখ লাখ টকাৰ গোলমাল কৰাত তেওঁলোক সিদ্ধ-হস্ত। নিজৰ স্বাৰ্থ-সিদ্ধিৰ বাবে চাকনৈয়া সদৃশ কথা কোৱাত তেওঁলোক প্ৰবীণ। অন্য মানুহৰ ভাগ্য গোল কৰাটো তেওঁলোকৰ বাবে পুতলাৰ খেল মাত্ৰ। তেওঁলোকৰ গ'ল (goal) মাত্ৰ এটাই——চকী বা গাদীৰ লগত আঠা লগাদি লাগি থকা। এই কৰ্মসিদ্ধিৰ বাবে তেওঁলোকে সম্ভৱ অসম্ভৱ সকলো কৰিব পাৰে। মোৰ শক্তিৰ উপাসক তেওঁলোক, ময়েই তেওঁলোকৰ উন্নতিৰ প্ৰথম কাৰণ তেওঁলোকে জানে মোৰ সন্মান বজাই ৰাখিলে ময়ো তেওঁলোকক অসংখ্য সন্মানেৰে বিভুষিত কৰিম।

কবিসকলে শূন্য বা ফোঁট এটাক বিশেষ অৰ্থত গ্ৰহণ কৰিছে। তেওঁলোকে মোৰ বা আপোনালোকৰ সাধাৰণ লৌকিক জ্ঞানক বিশেষ গুৰুত্ব নিদিয়ে। তেওঁলোকৰ অলৌকিক কাব্য-দৃষ্টিয়ে সকলোতে বিশেষ অৰ্থৰ সন্তেদ পায়। তেওঁলোকৰ মতে কামিনীৰ কপালত ফোঁট থাকিলে কামিনীৰ কমনীয়-তাত বৃদ্ধি ঘটে। ভাব-প্ৰৱণ কবিসকলে এটি ফোঁটত বহুতো ফোঁট দেখিবলৈ পায়। শূন্য এটাৰ ওপৰত ফোঁট এটা দিয়ক। ভাবি চাওঁক শূন্যৰ ওপৰত শূন্যৰ প্ৰতিঘাত হলে কি হয়। ইয়াৰ উত্তৰ সহজতে দিয়াতো অলপ কঠিন। সঁচা কথা কবলৈ হলে যি বুদ্ধিৰ বাহিৰ, যাক মহা মহা পুৰুষ আৰু তপস্বী-সকলেও ভাবি উলিয়াব নোৱাৰিলে--দাৰ্শনিকসকলে তাকেই সৰ্বনিয়ন্তা ঈশ্বৰ সংজ্ঞা দিছে। কি আচৰিত; শালগ্ৰামৰ ঘূৰণীয়া শিলটোৰ ওপৰত বিন্দু এটাৰ সংযোগ কৰি ভক্তসকলে কি বুজাব বিচাৰে ? তেওঁ-লোকে কয়——'প্ৰভু, তোমাৰ মহিমা অপাৰ।'

এই অদ্ভুত কথাবোৰ বাদ দিলেও, বাস্তৱ ক্ষেত্ৰতো আপোনালোকে দেখা পাব যে মোৰ কণমান ফোঁট এটাৰ শক্তি অপৰিসীম। মই একেবাৰে সৰু সংখ্যা এটিকো ডাঙৰ কৰি তুলিব পাৰোঁ। উদাহৰণৰ বাবে লওঁক আটাইতকৈ সৰু সংখ্যা ১। ইয়াক $\frac{১}{২}$ ৰে হৰণ কৰক, ভগ্নাংশ হ'ব ২। এইবাৰ $\frac{১}{৫}$ ৰে হৰণ কৰক ভগ্নাংশ হ'ব ৫; আকৌ এইবাৰ $\frac{১}{১০}$ ৰে হৰণ কৰক ভগ্নাংশ হ'ব ১০। দেখিছে, ভাজক বিমানেই সৰু হৈ গৈছে, ভগ্নাংশও সেই মতেই বাঢ়ি গৈছে। এইদৰে কমি গৈ ভাজক যদি শূন্য হয় তেন্তে ভগ্নাংশও নিশ্চয় বাঢ়ি গৈ অনন্ত ৰাশি এটা হবগৈ।

কিমান চোকা মোৰ শক্তি এতিয়া বুজি চাওঁক ।

মোৰ শক্তিৰ সীমা ইমানতেই শেষ নহয় । মোৰ সহায় লৈ আপোনালোকে বিভিন্ন সংখ্যাৰ ভিন্নতা দূৰ কৰিব পাৰে । কেনেকৈ কওঁ শুনক । এটা সংখ্যাৰ ওপৰত শূন্য এটা থৈ দিয়ক, ধৰক $৮^{০}$ । ৮ ৰ ঠাইত অন্য সংখ্যাও আপোনালোকে লব পাৰিব; মই মাত্ৰ উদাহৰণৰ বাবেহে ৮ লৈছোঁ । $৮^{০}$ ৰ মান হবগৈ ১, সংখ্যাটো ৮ হৈ নাথাকে; পিচে কেনেকৈ ? ইয়াৰ উত্তৰ হ'ব $৮^{০}=৮^{৩-৩}$ (৩-৩ ৰ) ঠাইত লাগিলে ৪-৪ লওঁক বা অন্য কোনো সংখ্যাই লওঁক, উত্তৰ মাত্ৰ ০ হ'ব লাগে ।) $৮^{৩-৩} = \frac{৮^{৩}}{৮^{৩}} = ১$ ।

সংখ্যাটো ডাঙৰেই হওঁক বা সৰুৱেই হওঁক মোৰ প্ৰভাৱত শেষ থাকি যায় মাত্ৰ ১ । এইদৰে বেলেগ বেলেগ ৰাশি এক হৈ পৰে আৰু সিহঁতৰ মাজত কোনো পাৰ্থক্যই প্ৰশ্ৰয় পাব নোৱাৰে ।

শ্ৰদ্ধেয় সহকৰ্মীবৃন্দ, মোৰ অসংখ্য ৰূপ যদি আপোনালোকে চাবলৈ ইচ্ছা কৰে তেন্তে শূন্যক শূন্যৰে হৰণ কৰক; ভগ্নাংশ কি হব কোৱাটো কঠিন । $\frac{0}{0}$ ৰ মান আজিলৈকে কোনেও থিৰ কৰিব পৰা নাই । বিভিন্ন মুনিৰ বিভিন্ন মত । কোনোৱে কৈছে ১, কোনোৱে ৫ আৰু কোনোৱে কৈছে ১৪ । নানান জনৰ নানান মত । এতিয়া প্ৰশ্ন হ'ল ভগ্নাংশ বেলেগ বেলেগ হলনো কেনেকৈ ? ইয়াৰ উত্তৰ মই মই কওঁ শুনক----ভাজকক ভগ্নাংশৰে পূৰণ কৰিলে যে ভাজ্য পোৱা যায় । এই কথাটো মই নকলেও আপোনালোকে সকলোৱে জানে । $\frac{0}{0}$ ত ভাজক হৈছে ০ আৰু ভাজ্যও হৈছে ০ । এতিয়া যদি ভগ্নাংশ ১ বুলি ধৰোঁ বা ৫, ১০ বা অন্য কোনো ৰাশিয়েই বুলি ধৰোঁ, তেন্তে তাক ০ৰে পূৰণ কৰিলে উত্তৰ হ'ব ০; তাৰমানে সকলোতে ভাজ্য হ'ব ০ । এনে হলেতো যিকোনো ৰাশিকে ভগ্নাংশ বুলি স্বীকৃতি দিব পাৰি । এতিয়া কি আচৰিত বুজক আপোনালোকে; কিন্তু আচৰিত হলেও ই যুক্তিযুক্ত সত্য । নানান ৰূপেৰে ৰূপায়িত সৃষ্টিৰ ৰচনা কৰোঁতে 'সৃষ্টি-কৰ্তাই আৰম্ভ কৰিলে . শূন্যৰ পৰা । সৃষ্টিকৰ্তাৰ ওচৰত মোৰ বাহিৰে আছিলেই বা কি আৰু থাকি-লেও সৃষ্টিকৰ্তাই তাক থলে হেঁতেন বা কত ? সমগ্ৰ সৃষ্টিৰ উৎপত্তি মোৰ পৰাই হৈছে আৰু মোতেই সকলোবোৰ এদিন বিলীন হ'ব । প্ৰলয়ৰ শেষত বাছি থাকিম মাত্ৰ মই, অন্য সকলোবোৰ লোপ পাব ।

যি কোনোকে অন্ত কৰিব পৰা সামৰ্থ্য আছে মোৰ । ভগবানৰ হাতত সংহাৰ কৰিব পৰা সুদৰ্শন চক্ৰৰ আকৃতিটোনো কি ? মোৰ দৰেই ঘূৰণীয়া নহয়নে ? মোৰ শক্তি আছে, মই ডাঙৰ ডাঙৰক ভক্ষণ কৰিব পাৰো । যদি নটা সংখ্যা মিলি এটা ডাঙৰ ৰাশিক জন্ম দিয়ে, যেনে ৯৮৭৬৫৪৩২১, তেন্তে ইমান ডাঙৰ সংখ্যাও মোৰ উদৰত নিঃশেষ হৈ যাব ---মাত্ৰ শূন্যৰে তাক পূৰণ কৰি দিয়ক, শেষত থাকিব মাত্ৰ (শূন্য) ০ । বিৰাট সংখ্যা এটা সামান্য শূন্য এটিৰ পেটত লুপ্ত হৈ গ'ল, নাইকিয়া হৈ গ'ল তাৰ অস্তিত্ব ।

মোৰ উদৰেই বা কি ? ভীমাকাৰ অনন্ত শূন্য যাৰ কোনো অন্ত নাই, কোনো পাৰ নাই--ইয়েই মহাশূন্য মহাকাশ য'ত অসংখ্য গ্ৰহ আৰু উপগ্ৰহ সৰিয়হ গুটিৰ দৰে বিচৰণ কৰি ফুৰিছে । আকৃতিত মোৰ দৰেই গোল আৰু গুৰুত্বত মহান, ভাৰী । অনন্তৰ অন্ত কৰিবলৈ ব্ৰহ্মাই ব্ৰহ্মাণ্ডৰ ৰচনা কৰিলে, কিন্তু কণমান শূন্যৰ পেট ভৰাব নোৱাৰিলে, মোৰ ক্ষুধা শান্ত কৰাত তেওঁ অক্ষম হ'ল । কিমান বিৰাট এই যে কণমান শূন্যৰ উদৰটো, কল্পনা কৰি চাওক ৰাইজ । স্বীকাৰ কৰিব লাগিব যে নিৰাকাৰৰ তুল-নাত আকাৰ অতি সূক্ষ্ম ।

বন্ধুসকল আপোনালোকে নাহাঁহিব; বাস্তৱতে মই কি মই নিজেই নাজানো । অসংখ্য লোকৰ বাবে মই আজিও এক সাথঁৰ, অন্য কিছুমানৰ বাবে এক গভীৰ ভেদ আৰু কিছুমানৰ বাবে এক বিৰাট সন্দেহ । আপোনালোক সংখ্যাসকলে মোক স্বজাতি বুলি স্বীকাৰ দিব নোখোজে আৰু মোক নিম্ন বুলি গণ্য কৰে । কিন্তু মই ভাবোঁ যে মই কোৱা কথাৰ পৰা আপোনালোকে বুজিব পাৰিছে যে সংখ্যাবিলাকৰ মান-সন্মান বঢ়াব পৰা শক্তি যদি আছে সি মোৰ আৰু তেওঁলোকৰ সন্মানক চূৰ্ণ-বিচূৰ্ণ কৰি মাটিত মিহলাই দিবপৰা শক্তি যদি আছে সিও মোৰ । সংখ্যাবিলাকৰ প্ৰভেদ নাইকিয়া কৰিব পৰা শক্তিও আছে মোৰ । স্বয়ং ব্ৰহ্মাই হাৰ মানিছে মোৰ আগত মই দুৰ্জয়, মই বিজয়, মই অজেয় ।

ৰাইজসকল, মই আৰু বিশেষ নকওঁ । নকওঁ কৰোঁতেও সময় যথেষ্ট হ'ল । ইমান সময় যি মনোযোগ দি আপোনালোকে মোৰ কথা শুনিলে তাৰ বাবে আপোনালোক সকলোকে ধন্যবাদ আৰু শলাগ জনাই আজিৰ সভাৰ সামৰণি মাৰিলোঁ । জয় হিন্দ্ ।

---

(হিন্দী পষেকীয়া আলোচনী 'মুক্তা'ত প্ৰকাশিত শ্ৰীশঙ্কৰলাল আগৰৱালা ৰচিত প্ৰৱন্ধ এটিৰ আলমত)




অৰুণাচলৰ সংখ্যালঘু চেৰদুকপেন জন-জাতি "অসমৰ ভাগিন" জন-জাতি নামেৰে জনাজাত। অসমৰ অসমীয়া সকলেই হৈছে, সম্বন্ধত চেৰদুকপেন সকলৰ মোমাই অৰ্থাৎ অসমীয়া চেৰদুকপেন বুলিলে "মোমাই ভাগিন" বুলিহে ক'ব পাৰি। চেৰদুকপেন জনজাতিৰ মাজত প্ৰচলিত চেৰদুকপেন সকলৰ উৎপত্তিৰ কিংবদন্তিত থকা আখ্যানত লক্ষ্য ৰাখিয়ে হয়তো ভেৰিয়ৰ এলৱিণ, প্ৰমুখ্যে নৃতত্ববিদসকলে এই নামাকৰণেৰে অসম আৰু চেৰদুকপেনৰ মাজত থকা প্ৰীতি সম্ভাৱৰ চানেকি দেখুৱাইছে।

কিম্বদন্তি মতে তিব্বত (কোনো কোনো লোকৰ মতে ভূটান)ত আদিতে গেপুচাংচাং গামু নামেৰে এজন ৰজাই ৰাজত্ব কৰিছিল। সেই সময়ত অসমতো কোনোবা এজন স্বৰ্গদেৱে ৰাজত্ব কৰিছিল।[১] অসমৰ স্বৰ্গদেউৰ দীপলিপ ৰাজকন্যা এজনীৰ স্বয়ম্বৰ সভা পাতিছে বুলি তিব্বতৰ ৰজা চাংচুংগামুৱে অহকাণে পহুকাণে শুনিবলৈ পালে। কিবা কাৰণবশত ৰজাই নিজে যাব নোৱাৰি লোণপুৰিকচো নামৰ এওঁৰ আটাইতকৈ চতুৰ আৰু কুটনৈতিকবিদ মন্ত্ৰীজনক স্বয়ম্বৰ সভালৈ পঠাই দিলে। তেওঁ নিজকে স্বৰ্গদেউৰ আগত তিব্বতৰ ৰজা বুলি পৰিচয় দিলে। স্বৰ্গদেৱে দেশ-বিদেশৰ পৰা অহা ৰজা মহাৰজাসকলক অতি আদৰ যত্নেৰে সেৱা সৎকাৰ কৰি ৰাখিলে। যথা-সময়ত স্বয়ম্বৰ সভা আৰম্ভ হ'ল। চতুৰ লোণপুৰিক-চোই কাৰেঙৰ বুঢ়ী লিগিৰীজনীক হাত কৰি ললে আৰু তাইৰ জৰিয়তে স্বৰ্গদেৱে আগবঢ়োৱা তিনিওটা পণত জয়লাভ কৰি লোণপুৰিকচোই জ'জামুজ' (আহোম ৰাজকুঁৱৰী)ক লাভ কৰিলে। ইতিমধ্যে স্বৰ্গদেৱে কিবা প্ৰকাৰে গম পালে যে লোণপুৰিকচো তিব্বতৰ ৰজা নহয়। তাতে ৰজাৰ খং উঠিল আৰু লোণপুৰিকচোক বন্দী কৰি থলে। অন্য-পিনে নানা ধৰণৰ যৌতুক, দাস-দাসী ইত্যাদি দি জ'জামুজ'ক তিব্বতৰ ৰজাৰ কাষলৈ পঠাই দিলে। কন্যাৰ দলটোৱে ব্ৰহ্মপুত্ৰ পাৰ কৰি হাবি কাটি

বাট উলিয়াই তিব্বতৰ পিনে আগবাঢ়িল ।[২] ইপিনে লোণপুৰিকচোই মুক্তিৰ আন উপাই নেদেখি বেমাৰৰ ভাওঁ জুৰিলে আৰু তাতে স্বৰ্গদেৱে তাৰ ৰাজ্যত লোণপুৰিকচো মৰিলে জগৰ লাগিব বুলি বুলি ভাবি এৰি দিলে । লোণপুৰিকচোই আহি দলটোৰ লগ ললেহি । ৰাজকুঁৱৰীৰ প্ৰতি লোণপুৰিকচোই লোলুপ দৃষ্টি আগৰেপৰা পৰিছিল । তাৰ উপায়ো সি উলিয়াই ললে । সি ৰাজকুঁৱৰীক কলে বোলে;

ৰজাৰ গা দুৰ্গন্ধময় । গতিকে কোনো তিৰোতাই ৰজাক ভাল নাপায় । গতিকে তুমি সদায় তোমাৰ নাকটো ঢাকি ৰাখিবা যাতে তুমি ৰজাৰ গাৰ দুৰ্গন্ধ নোপোৱা । তিব্বত গৈ পালত ৰাজকুঁৱৰীয়ে সদায় নাকটো ঢাকি ৰাখিছিল আৰু ৰজাৰ গাৰ দুৰ্গন্ধৰ ভয়ত ৰজাৰ লগত সহবাস কৰিবলৈ অমান্তি হৈ থাকিল । আনপিনে তাৰ কাৰণ সুধিলত লোণপুৰিকচোই কলে, বোলে ৰাজকুঁৱৰীৰ নাক নাই, গতিকে তাই ৰজাৰ অনুপযুক্ত বুলি ভাবিছে । তাকে শুনি ৰজাৰ বৰ দুখ লাগিল আৰু অনবৰত নৱ-বিবাহিতা পত্নীৰপৰা আঁতৰি থাকিবলৈ চেষ্টা কৰিলে । সেই সুযোগ লোণপুৰিকচোই ললে আৰু ৰাণীৰ সৈতে তাৰ গুপ্ত আৰু অবৈধ মিলন ঘটিল । এদিন কিন্তু ৰজাই ৰাণীৰ মুখ দৰ্শন কৰিবলৈ পালে আৰু ৰাণীৰ ৰূপ সৌন্দৰ্য্যত মুগ্ধ হৈ তাইক সাৰটি ধৰিলে । ৰাণীয়েই লোণপুৰিকচোই কোৱা মতে ৰজাৰ গাৰপৰা কোনো দুৰ্গন্ধ নাপালে ৰজাই ৰাণীৰ মুখৰ পৰা লোণপুৰিকচোৰ সকলো দুষ্কাৰ্য্যৰ বিষয়ে শুনি তাক মৃত্যুদণ্ড দিলে । ইয়াৰ কিছুদিনৰ পিচত লোণপুৰিকচোৰ ঔৰসজাত পুত্ৰ-সন্তান এটা ৰাণীয়ে জন্ম দিলে । তাৰ নাম ৰাখিলে খিবুৰাথাক । তাৰ পিচত ৰাণীয়ে আৰু এটা পুত্ৰ-সন্তান জন্ম দিলে । ল'ৰাটো সৰ্বপ্ৰকাৰে সু-লক্ষণীয় আছিল আৰু কপালত এটা কাঁচি জোনৰ চিহ্ন দেখিবলৈ পোৱা গৈছিল । সেইকাৰণে ল'ৰাটোৰ নাম "জাপটাং" অৰ্থাৎ সুকুমাৰ ৰাখিলে। অবৈধ সন্তান হলেও খিবু ৰাথাকক ৰজা ৰাণীয়ে বেছি মৰম কৰিছিল আৰু তাকে তিব্বতৰ ৰজা পাতিবলৈ মনে মনে আলচ কৰিলে । বুঢ়ী ধাই এজনীয়ে কেনেবাকৈ এই কথা গম পোৱাত তাইৰ বৰ দুখ লাগিল আৰু তাই জাপটাংক স্বৰ্গৰ থুদিচাম ৰজাৰ ওচৰলৈ যাবলৈ উপদেশ দিলে । সেই উপদেশমতে জাপটাঙে স্বৰ্গলৈ গুচি যায় আৰু থুদিচাম ৰজাৰ কাষত ডাঙৰ দীঘল হয় । সেই সময়ত স্বৰ্গত গেপুলাঙদিৰ নামৰ অসুৰ এটাই দেৱতাসকলৰ ওপৰত উৎপীড়ন কৰি-বলৈ আৰম্ভ কৰিছিল । গতিকে স্বৰ্গত দেৱতাসকল লোপ পাই গলেও পৃথিবীৰ যেন সিহঁতৰ বংশধৰ সকলে ৰাজ্য পাতি বসবাস কৰে আৰু তাৰ বাবে জাপটাঙক পৃথিবীলৈ নামি যাবলৈ আদেশ দিলে । থুদিচাম ৰজাই জাপটাঙৰ লগত হুদুচকি নামৰ এজন সেনাপতি, মেগেজি নামৰ এজন পুৰোহিত, দিংলানামৰ ঘোঁৰা ৰখীয়া আৰু নানা বয়বস্তু লগত দিলে । তাকে লৈ জাপটাঙে সোণৰ জখলাইদি আৰু বাকীবোৰে ৰূপৰ জখলাইদি নামি আহি বেন্দহেলোং (বৰ্তমান বুট নামৰ গাঁও )নামৰ ঠাই পায়হি । তাৰ পৰা নানা ঠাইত ঘূৰি ফুৰি অৱশেষত ৰূপাত নিগাজী ভাবে ৰাজধানী পাতি বসবাস কৰিবলৈ লয় ।[৩] জাপটাঙৰ চাৰিটা পুত্ৰ আছিল, তাৰ পৰাই বৰ্তমান চেৰদুকপেন সমাজৰ "টং" বা আভিজাত্য সম্প্ৰ-দায়ৰ সৃষ্টি হয় আৰু লগত অহা মানুহবিলাকৰ সন্তান সন্ততিয়েই চেৰদুপেন "চাওঁ" বা নিম্ন সম্প্ৰ-দায় । জাপটাঙৰ মাক আহোম ৰাজকুঁৱৰী 'জামুজ' আছিল বাবেই চেৰদুকপেন সকলক অসমৰ "ভাগিন" জনজাতি বুলি কোৱাৰ একমাত্ৰ কাৰণ ।

॥ প্ৰীতিৰ সাকোঁ; দৈমাৰা ॥

চেৰদুকপেন পাহাৰ মালাৰ ঠিক দক্ষিণ পান্তত ভৈয়াম আৰু পাহাৰৰ সীমাত দৈমাৰা নামৰ এখন ধুনীয়া ঠাই আছে । বেলশিৰী নদীৰ কাষত এই ঠাইখন অৱস্থিত । এফালে সু-উচ্চ পৰ্বতমালা অন্য-ফালে শস্য-শ্যামলা উপত্যকা তাৰ ঠিক মাজতে থকা দৈমাৰা নামৰ ঠাইখন হৈছে পৰ্বত ভৈয়াম (বিশেষকৈ অসম চেৰদুকপেন)ৰ প্ৰীতিৰ সাকোঁ ।

জাৰকালি চেৰদুকপেন অঞ্চল অত্যাধিক চেঁচা হৈ পৰে । গছ-লতা জাৰত লেৰেলি শুকাই যায় । নদ-নদী শুকাই যায়, চেঁচা বতাহ ববলৈ আৰম্ভ কৰে আৰু হিমতুষাৰপাত হয় । সেই সময়ত আনকি হাবিৰ পশু-পক্ষী বিলাকেও চেৰদুকপেন অঞ্চল এৰি গুচি যায় । মানুহৰ জীৱন যাত্ৰা হৈ পৰে অতি দুৰুহ । তেনে সময়তে চেৰদুক-পেন সকলে সদলবলে নামি আহে দৈমাৰালৈ । দৈমা-ৰাত অস্থায়ীভাৱে শাৰী শাৰীকৈ ঘৰ সাজি লয় আৰু দুই তিনিমাহ তাতে আনন্দেৰে বসবাস কৰাৰ পিছত বসন্তই লাহ-বিলাসেৰে লগৰ লগৰীয়াবোৰক লৈ আকৌ যেতিয়া চেৰদুকপেন অঞ্চলত উপস্থিত হয়, পাহাৰৰ গায়ে গায়ে যেতিয়া মৌ-মাখিয়ে চাক বান্ধে, জাৰত ঠেৰেঙা লগা গছবোৰ সেউজীয়া কুঁহি পাতেৰে নৱ-জাতিষ্কাৰ হৈ ন-কন্যাৰ ৰূপ লয়, শুকাই যোৱা জান-জুৰিবোৰ ফেনে-ফোটোকাৰে বাঢ়ি আহি পূৰ্ণ যৌৱন লাভ কৰে কুলি-কেতেকীৰ কলৰৱে দশোদিশ মুখৰিত কৰি তোলে আৰু চোক চোক

চৰায়ে 'চোক, চোক, চোক,' বুলি আকৌ কাম কৰিবলৈ সকিয়াই দিয়ে তেতিয়া চেৰদুপেনসকলে মনত অযুত মৰমৰ স্মৃতিৰ সফুৰা লৈ উভতি আহে চেৰদুকপেন অঞ্চললৈ। দৈমাৰালৈ নামোতে চেৰদুকপেন সকলে ঘোঁৰাৰ পিঠিত শুকান জলকীয়া, মূলা, জাবৰাং ইত্যাদি লৈ যায়। ভৈয়ামৰ বেলশিৰী আৰু ধনশিৰি, এই দুই নদীৰ মাজৰ গাঁও সমূহত চেৰদুকপেন সকলৰ 'বহতীয়া" বোৰ থাকে। চেৰদুকপেন "টোং" সম্প্ৰদায়বোৰৰ বাবে যিমান ঘৰ বহতীয়া থাকে সি সিমানেই ধনী। সেই বহতীয়াবোৰক জলকীয়া মূলা আৰু জাবৰং দিয়া হয়, আৰু তাৰ সলনি দস্তুৰমতে এটা বা দুটা ঘোঁৰাই কঢ়িয়াব পৰা ধান চেৰদুকপেন সকলক দিয়ে। দৈমাৰাত সেইবোৰকে উৰালত খুন্দি চেৰদুকপেন সকলে চাউল উলিয়াই খাই বৈ থাকে। উভতি আহিবৰ সময়ত সেই স্থানীয় বহতীয়াবোৰে গামোছা, সূতা ইত্যাদি চেৰদুকপেন সকলক দিয়ে। সিহঁতে কিবা বস্তু ফৰমাচ কৰিলে চেৰদুকপেন সকলে তাৰ পিচ বছৰত নি দিয়াটো নিয়ম। চেৰদুকপেন আৰু অসমীয়াবাসী (বিশেষকৈ ধনশিৰি, বেলশিৰি নদীৰ মাজত বসবাস কৰা লোক)ৰ এই সম্বন্ধ কেৱল বেপাৰ বাণিজ্যিক সম্বন্ধ বুলি কলে ভুল কৰা হ'ব। ই পৰ্বত-ভৈয়ামৰ মাজত থকা এটা প্ৰীতিৰ সম্বন্ধ। নহলে আজি ইমান বাধা বিঘিনিৰ মাজতে চেৰদুকপেনসকলে নিশ্চয় নানা কষ্ট কৰি জাৰকালি ভৈয়ামলৈ নামি অহাটো এৰি দিলে দিলেহেঁতেন আৰু অসমীয়া বাসীয়েও আজিৰ এই সমস্যাবহুল সময়ত চেৰদুকপেন সকলক ধান চাউল দিয়া বন্ধ কৰি দিলেহেঁতেন। কিন্তু আজিও এই প্ৰথা এই দুই সমাজৰ মাজত আগৰদৰেই চলি আছে; বৰঞ্চ কিছুমান ক্ষেত্ৰত আগতকৈ বেচি প্ৰীতি আৰু সম্ভাৱ বঢ়াহে দেখা গৈছে। যাতায়তৰ সুচল হোৱাত ভৈয়ামৰ এই বহতীয়াসকলেও চেৰদুকপেন সকলৰ ওচৰত গৈ খাই-মেলি অহা দেখা যায়। মনৰ প্ৰীতিৰ মাজত হয়তো ৰাজনৈতিক শক্তিও অতি ক্ষীণ আৰু দুৰ্বল। তাৰেই জ্বলন্ত প্ৰমাণ আজিৰ ৰাজনীতিচক্ৰৰ মাজতো জীয়াই থকা এই চেৰদুকপেন অসমীয়াৰ সম্ভাৱ প্ৰীতি।

অসমৰ ভৈয়াম বাসীৰ সৈতে চেৰদুকপেন সকলৰ এই ধৰণৰ সম্বন্ধ কেনেকৈ আৰু কোন সময়ত গঢ়ি উঠিল তাৰ কোনো লিখিত প্ৰমাণ এতিয়ালৈকে পোৱা নগ'ল। অসমৰ বুৰঞ্জী সমূহ এই বিষয়ে প্ৰায় নিমাত। আহোমৰ সৈতে দুই এটা পাহাৰীয়া জনজাতিৰ দুই এটা সম্বন্ধ বুৰঞ্জীত উল্লেখ কৰিলেও সেইবোৰত স্পষ্টকৈ কোনো ঘটনাৰ আঁতিগুৰি বিচৰাত সহায়তা নকৰে। বিশেষকৈ চেৰদুকপেন সকলৰ বিষয়ে বুৰঞ্জীবিলাক একেবাৰে নিমাত গতিকে জন সমাজত প্ৰচলিত জনশ্ৰুতি সমূহৰ ওপৰত দৃষ্টিপাত নকৰিলে অন্যপথ নাই।

চেৰদুকপেন সকলৰ উৎপত্তি আৰু অসমত ইয়াৰ ভূমিকাৰ বিষয়ে আগতে বিবৰি কোৱা হৈছে। এটা জনশ্ৰুতিমতে আদি পুৰুষ জাপঠাং (যাৰ মাক আহোম কুঁৱৰী আছিল) এ এবাৰ হেনো আহোম স্বৰ্গদেউৰ ৰাজসভাত ওলাইছিলগৈ। জাপটাঙক নিজৰ ভতিজা বুলি গম পাই স্বৰ্গদেৱে বৰ মৰম কৰিলে আৰু লগতে তুকপেন লোমাখাৰ নামৰ ঠাইৰ ৰজা হোৱা বুলি শুনি বৰ সন্তোষ পালে। কিন্তু জাপটাঙৰ মুখৰ পৰা পাহাৰত বৰ বেচি খেতি-বাতি নোহোৱা আৰু কৰ-কাটল তুলিবলৈও প্ৰজাসকলৰ অৰ্থনৈতিক অৱস্থা ভাল নোহোৱা বুলি শুনি মৰমতে বৰ্তমান দৰং জিলাৰ বেলশিৰি আৰু মৰাধনশ্ৰী নদীৰ মাজত অৱস্থিত গাঁওসমূহৰ সকলো কৰকাটল তুলিবলৈ অধিকাৰ দান কৰে। তেতিয়াৰ পৰা জাপ ঠাঙে পাহাৰৰ বুকুলৈ জাৰ নামি আহিলেই—ভৈয়ামলৈ গুচি যায় আৰু তাত দৈমাৰা (চেৰদুকপেন নাম লুংচু) নামৰ ঠাইত বাহৰ পাতি থাকি ওপৰত উল্লেখিত অঞ্চলৰপৰা কৰ-কাটল, ধান-চাউল আনিছিল। জাপটাঙে শুদা হাতেৰেই গৈ প্ৰজাসকলৰ পৰা কৰ-কাটল তুলিবলৈ ভাল নাপাইছিল বাবে পাহাৰত উৎপন্ন হোৱা জলকীয়া, মূলা, জাব্ৰাং (এবিধ মছলা) ইত্যাদিৰ একোটা একোটা টোপোলা বান্ধি যিবিলাক ঘৰৰপৰা চাউল আনে তাক দিছিল। জাপটাঙৰ মৃত্যুৰ পিচতো জাপটাঙৰ পুত্ৰবিলাকে সেই অঞ্চল উত্তৰাধিকাৰ সূত্ৰে লাভ কৰে। সিহঁতে প্ৰত্যেক গাৱঁৰে প্ৰত্যেক ঘৰ ভাগ ভাগ কৰি লয় আৰু "বহতীয়া" নাম দিয়ে। শেষলৈ গৈ সেইবোৰ ব্যক্তি-ব্যক্তিগত সম্পত্তিত পৰিণত হয়।

অন্য এটা জনশ্ৰুতিৰ মতে বৰ্তমান কামেং জিলাৰ খালাকটাঙ নামৰ এটা চাৰ্কোলৰ অন্তৰ্গত চিংগি নামৰ গাঁওঁত বহুতদিন আগতে এটা দৈত্যই প্ৰত্যেকদিন গাঁৱৰ একো একোজন মানুহক ধৰি খাই গাঁৱৰ সমস্ত মানুহ শেষ কৰিছিল। বাকী ৰৈছিল মাথোন এহাল মাক জীয়েক। ঠিক সেই সময়ত জাপচাঙ আৰু তাৰ সেনাপতি হুদুচাকি চিনজাজীয়ে তাত গৈ উপস্থিত হয়। মাক-জীয়েকৰ পৰা দৈত্যৰ কথা শুনি জাপচাং আৰু হুদুচাকিয়ে ৰাতিটো তাতেই থাকিবলৈ ঠিক কৰে। পিচদিনা সাপৰূপী দৈত্যটোক জাপটাং আৰু হুদুচাকিয়ে বধ কৰে। (সেই দৈত্যই মানুহৰ নখেৰে নিৰ্মাণ কৰা চিংনাংখাৰ নামৰ সুন্দৰ ৰাজকাৰেং আছিল বাবেই ঠাইখনৰ নাম চিংগি হ'ল)। সেই চিংগিৰ গাঁওবাসীয়ে সদায়

ভৈয়ামৰ সৈতে বেপাৰ কৰিছিল আৰু কিছুমান গাঁৱৰ পৰা কৰ-কাটলো তুলিছিল । দৈত্যটোক বধ কৰি মাক-জীয়েকহালৰ জীৱন ৰক্ষা কৰাৰ বিনিময়ত তাৰে তিনিভাগৰ এভাগ অংশ জাপটাঙক কৰ-কাটল তুলিবলৈ দান কৰে ।

এচাম বুঢ়ালোকৰ মতে আচলতে সেই মাক-জীয়েক হালে জাপটাঙক কোনো ভৈয়ামৰ অঞ্চল কৰ-কাটল তুলিবলৈ দান কৰা নাছিল । মাত্ৰ সিহঁতে জাপটাঙক চাউলৰ ভাত ৰান্ধি খুৱাইছিল । তাতে জাপটাঙে বৰ সোৱাদ পায় আৰু চাউলৰ উৎস ক'ত তাক জানিবলৈ উৎসাহ প্ৰকাশ কৰে । তেতিয়া মাক-জীয়েকহালে মোৰছিং আৰু খালাকটাং নামৰ দুই গাঁৱৰ মাজত অৱস্থিত জমুলা পাহাৰৰ চেৰবম নামৰ টিলালৈ লৈ যায় আৰু তাৰপৰা দূৰৈত জিলিকি থকা ভৈয়ামৰ ঠাই সমূহ দেখুৱাই দিয়ে । তাৰ বহুতদিনৰ পিচতহে জাগটাঙে ৰূপাত ৰাজধানী পাতি বসবাস কৰিবলৈ লয় । এদিন ৰাজধানীৰ মাজত এটা বনৰীয়া গাহৰিয়ে উৎপাত কৰিবলৈ আৰম্ভ কৰিলে । কথাটো জাপটাঙৰ কাণত পৰিল, জাপটাঙে এপাট কাঁড় গাহৰিটোৰ গাত মাৰি দিলে । গাহৰিটোৱে কাঁড়ডাল গাত লৈ পলাই গ'ল । জাপটাঙে লগত কেইজনমান লগৰীয়া লৈ গাহৰিটোৰ তেজৰ চিন চাই চাই বিচাৰি গ'ল । সেইদৰে কেইবাখনো নদ-নদী, পৰ্বত-পাহাৰ পাৰ হৈ গ'ল তথাপিও গাহৰিটোৰ সন্ধান পোৱা নগ'ল । অৱশেষত সিহঁতে বামা ৰাজ্যত (সম্ভৱত শোণিতপুৰ) প্ৰবেশ কৰিলে । সিহঁতে তাতেই বামা ৰজাৰ গাহৰি গৰালত গাহৰিটো সোমাই মৰি থকা দেখি জাপটাঙ আৰু লগৰীয়া সকলে গাহৰিটো সিহঁতৰ বুলি দাবী কৰিলে । গাহৰিৰখীয়া বিলাকে সিহঁতৰ ৰজাৰ কাষলৈ লৈ গ'ল । জাপটাঙৰ পৰা আদ্যোপান্ত সকলো ঘটনাৰ বিৱৰণ শুনি আৰু জাপটাঙৰ পৰিচয় পাই বামা ৰজাই জাপটাঙৰ সম্বৰ্দ্ধনাৰ্থে জাপটাঙেই বধ কৰা গাহৰিটো ৰান্ধি ডাঙৰ ভোজ এটা দিলে । গাহৰিটো পালে মাংসৰ লগত খাবলৈ বুলি জাপটাঙে জলকীয়া, নিমখ, জাব্ৰাং ইত্যাদি বস্তু লগত লৈ গৈছিল । জাপটাঙৰ সেই বস্তুবোৰ খাই বামা ৰজাই বৰ সোৱাদ পালে । আনপিনে জাপটাঙেও পূৰ্বতে চিংগি গাৱত মাক-জীয়েকহালৰ ঘৰত খোৱা চাউলৰ ভাত পুনৰ খাবলৈ পাই বৰ আনন্দ পালে । দুয়ো ৰজাই যাতে দুয়োৰে বস্তু সদায় খাবলৈ পাই তাৰ বাবে দুয়ো বন্ধুত্বৰ বান্ধোনত বান্ধ খালে । কথা ৰখা হ'ল জাপটাঙে প্ৰত্যেক বছৰৰ সেইখিনি সময়ত পাহাৰৰ জলকীয়া, নিমখ, জাব্ৰাং ইত্যাদি বস্তু লৈ বামা ৰজাৰ ওচৰত আহিব আৰু তাৰপৰা ধান-চাউল, তামোল-পাণ ইত্যাদি লগত লৈ আকৌ উভতি যাব । যেনে কথা তেনে কাম । সেইদৰে কেইবা বছৰো গ'ল । এবাৰ বামা ৰজাৰ লগত চাংগেপু ৰজাৰ যুদ্ধ লাগিল ।[৪] জাপটাঙেও তাৰ সৈন্য সামন্ত লগত লৈ বামা ৰজাৰ লগত যোগ দিলে । সেই যুদ্ধত চেৰদুকপেন সৈন্যই অতি বীৰত্বেৰে যুজি প্ৰাণ হেৰুৱালে । তাতে বামা ৰজাই কৃতজ্ঞ হৈ নিজ ৰাজ্যৰ একাংশ গাঁৱৰ কৰ-কাটলবোৰ জাপটাঙক প্ৰদান কৰে । যিহেতু বামা ৰজালৈ জাপটাঙে সদায় জলকীয়া, জাব্ৰাং ইত্যাদি নি দিব লাগিছিল । গতিকে কৰ তুলিবলৈ যাওঁতেও জাপটাঙে যি ঘৰৰ পৰা কৰ লৈছিল সেই ঘৰত উক্ত বস্তুবোৰ দিছিল কৰ হিচাবে জাপটাঙে সিহঁতৰ পৰা ধান-চাউল, সূতা, কাপোৰ ইত্যাদিহে লৈছিল । কৰ তুলিবলৈ জাপটাঙক তিনি চাৰিমাহ সময় লাগিছিল । সেইবাবে সদলবলে গৈ দৈমাৰাত বাহৰ পাতি থাকিবলৈ গাত পৰিছিল । সেই একে ৰীতিকে চেৰদুকপেন সকলে এতিয়াও মানি আহিছে ।

ওপৰত উল্লেখ কৰি অহা কথাবোৰ আকৌ কোনো কোনোৱে মিছা বুলি প্ৰতিপন্ন কৰিব বিচাৰে । সেইসকলৰ মতে মানৰ আক্ৰমণৰ সময়ত চেৰদুকপেন সকলে আহোম স্বৰ্গদেউক সহায় কৰিছিল । তদুপৰি ভৈয়ামৰ বহুত মানুহ চেৰদুকপেন পাহাৰত পলাই আহি আশ্ৰয় লৈছিল । চেৰদুকপেন সকলেহে তেতিয়া এওঁলোকৰ থকা মেলা, খোৱা-লোৱা, ইত্যাদি সমস্ত বোজা মূৰপাতি লৈছিল । যিসকল লোকে চেৰদুকপেন পাহাৰত পলাই আহি ভালে ভালে নিজ ঘৰলৈ ঘূৰি যাবলৈ সমৰ্থ হৈছিল সিহঁত চেৰদুকপেন সকলৰ প্ৰতি ইমানেই কৃতজ্ঞ হৈ পৰিছিল যে যাৰ ফলত সিহঁতে প্ৰত্যেক বছৰে ধান-চাউল, তামোল-পাণ ইত্যাদি চেৰদুকপেন পাহাৰত নোহোৱা বস্তু দিম বুলি প্ৰতিশ্ৰুতি দি গৈছিল ।আহোম স্বৰ্গদেৱেও তাতে সন্মতি প্ৰদান কৰিছিল । সেইবাবে আজিও চেৰদুকপেনসকলে প্ৰত্যেক বছৰে ভৈয়ামলৈ নামি আহিব লগাত পৰিল ।

চেৰদুকপেন সকলৰ সৈতে অসমৰ এই সম্বন্ধৰ বিষয়ে ওপৰত উল্লেখিত কোনটো কাৰণৰ বৰ্ণনা বুৰঞ্জী সমূহত নাই ।[৫]

এইবোৰ কেৱল নানা জনৰ মুখত শুনা অভিমতহে অসমৰ বুৰঞ্জী সমূহত অৱশ্যে এই বিষয়ে এটা "অস্পষ্ট" উল্লেখ পোৱা যায় । সেইটো হ'ল ডফলা অঁকা, মিৰি, চাৰদুৱৰীয়া, ভূটীয়া (অৰ্থা চেৰদুকপেন), থেম্বাভিয়া ভূটীয়া (অৰ্থাৎ মনপা জনজাতি) আদি জনজাতিয়ে সদায় পাহাৰৰ নামনিত বসবাস কৰা নিৰীহ আৰু শান্তিপ্ৰিয় ভৈয়ামবাসীৰ ওপৰত নানা অত্যাচাৰ উৎপীড়ন ইত্যাদি কৰিছিল । গতিকে

আহোম স্বৰ্গদেউ প্ৰতাপসিংহই পাহাৰৰ নামনি অঞ্চলত থকা গাওবোৰৰ কৰ-কাটল ইত্যাদি তুলিবলৈ এই পৰ্বতীয়া জনজাতিসকলক এৰি দিছিল আৰু সেইদৰে আহোম ৰাজ্যৰ প্ৰজাসকলক নিৰাপত্তা দিয়া হৈছিল। স্বৰ্গদেউ প্ৰতাপসিংহৰ এই নিয়মক "পচা" বোলে। এই নিয়মমতে পাহাৰৰ নামনি অঞ্চলত বাস কৰা আহোম প্ৰজা সকলে বছৰে প্ৰতি পৰ্বতীয়া জাতিবোৰক "পচা" অৰ্থাৎ কিবাকিবি ধন-সম্পত্তি দিব লাগিছিল যাৰ সলনি স্বৰ্গদেৱ সেইবিলাক প্ৰজাৰ কৰৰ একাংশ এৰি দিছিল। গতিকে বুৰঞ্জীৰ মতে এনেদৰেই এই দুই জাতিৰ সম্বন্ধৰ সূত্ৰপাত। কিন্তু কোনো মনপা, চেৰদুকপেনেই এই কথাত একমত হ'ব নোৱাৰে। কিয়নো অতীতকালৰ পৰা মনপা, চেৰদুকপেন সকল বৌদ্ধ-ধৰ্মৰ দ্বাৰা দীক্ষিত। গতিকে মনপা, চেৰদুকপেনৰ দৰে দুটা শান্তিকামী জনজাতিয়ে কেতিয়াও এনেকৈ আক্ৰমণকাৰীৰ ভূমিকা লৈ নিৰীহ প্ৰজাৰ ওপৰত লুণ্ঠন, অত্যাচাৰ আদি ৰিগৰ্হিত কাম কৰি নিজ ধৰ্মৰ নামত কলঙ্কৰ চেকা আনিব নোৱাৰে। চেৰদুকপেন বৃদ্ধলোকৰপৰা ডফলা, অ'কা আদি জনজাতিয়ে ভৈয়ামবাসীৰ ওপৰত কৰা দুই এই অত্যাচাৰৰ কাহিনী শুনা যায়। বুৰঞ্জীৰ পোৱা ওপৰৰ কাৰণবোৰ কিমানদূৰ সত্য আৰু এইটোৰ ওপৰত চেৰদুকপেন বৃদ্ধলোকৰ মত কি জানিবৰ অৰ্থে মই এজন বৃদ্ধলোকৰ কাষ চাপিছিলো। মোৰ কথা শুনি এওঁলোকে প্ৰায়ে চিৎকাৰ কৰি উঠে আৰু কয়; "আমি নিজৰ দেশ (অঞ্চল)তে থকা অ'কা মিৰি তথা ডফলাৰ দৰে ক্ষুদ্ৰ শক্তিৰ লগতো যুঁজিবলৈ টান পাওঁ তেনেস্থলত অচোম (আহোম)ৰ দৰে বৃহৎ শক্তিৰ মানুহক জোৰ জুলুম কৰি জোকাই লওঁ কেনেকৈ?"

এইষাৰ কথা অন্তৰৰ পৰাই কোৱা বুলি মোৰ বিশ্বাস।

চেৰদুকপেন সকলে বৰ্তমানেও "পচা" পাই আহিছে আৰু এই পচা প্ৰত্যেক বছৰে ভাৰত চৰকাৰে দি আহিছে। কিন্তু এই পচাৰ লগত স্বৰ্গদেউ প্ৰতাপসিংহৰ পচাৰ কোনো সাদৃশ্য নাই। আহোম স্বৰ্গদেউসকলে চেৰদুকপেন তথা অসমীয়া সকলৰ মাজত চলা বাণিজ্যিক সম্বন্ধত কোনো সন্দেহৰ চকুৰে চোৱা নাছিল। কিন্তু ইংৰাজ সকলৰ অসমলৈ আগমণৰ পিচৰ পৰাই ইংৰাজসকলে চেৰদুকপেন সকলে তেনেকৈ ভৈয়ামলৈ নামি গৈ গাঁৱে গাঁৱে নিজ বহতীয়া সকলৰ ঘৰত সোমাই ফুৰা ভাল পোৱা নাছিল আৰু আগৰেপৰা চলি অহা এই প্ৰথাক বন্ধ কৰিবলৈ চেষ্টা কৰিছিল। ফলত ইংৰাজৰ কৰ্মচাৰী সকলৰ সৈতে মাজে মাজে চেৰদুকপেনসকলে দুই-এটা সৰু সুৰা সংঘৰ্ষত লিপ্ত হৈছিল। ১৮৩৯ চনৰ ওৱাং মৌজাৰ পাটগিৰী মধু শইকীয়াক কোনোবা দুৰ্বৃত্তই হত্যা কৰে। ঠিক তেনে সময়তে চেৰদুকপেন সকলে ওৱাং মৌজাৰ গাওসমূহত থকা নিজ বহতীয়া সকলৰ ওচৰলৈ গৈছিল। ইংৰাজ কৰ্মচাৰীসকলে সেই চেৰদুকপেন লোক সকলকে সন্দেহ কৰিলে। বিশেষকৈ শ্ৰীণৰবু নামেৰে চেৰদুকপেন সম্ভ্ৰান্ত লোক এজন আৰু তাৰ লগৰীয়াবোৰেই মধু শইকীয়াক হত্যা কৰিছে বুলি ইংৰাজ সকলৰ দৃঢ়-বিশ্বাস জন্মিছিল। গতিকে শ্ৰীণৰবু আৰু তাৰ লগৰীয়া সকলক ধৰি আনিবলৈ দৰং জিলাৰ পলিটিকেল এচিষ্টেন্টে এডল চিপাহী চেৰদুকপেন সকলৰ দৈমাৰা বাহৰলৈ পঠাই দিলে। ইতিমধ্যে বসন্তকাল অহাত চেৰদুকপেন সকলে জাৰকালিৰ বাহৰ দৈমাৰা এৰি নিজ গাৱলৈ উভতি গৈছিল। চিপাহী সকলৰ নিৰাশ হৈ দৈমাৰাৰপৰা উভতি আহিব লগাত পৰিল। তাৰ কিছু বছৰৰ পিচত সেই একোটা কথাৰ সন্দৰ্ভত ৰূপাৰ ঠিক আখাও শ্ৰীদৰজেক দৰং জিলাৰ পলিটিকেল এচিষ্টেন্ট মিঃ গৰ্ডনে লগ ধৰে। মিঃ গৰ্ডনৰ আগত শ্ৰীদৰজেই ভদ্ৰতাৱে সৈতে এওঁৰ জনজাতিয়ে মধু শইকীয়াক হত্যা কৰা কথা অস্বীকাৰ কৰে; শ্ৰীদৰজেৰ যুক্তি কথা ভদ্ৰতাত আনন্দ পাই চেৰদুকপেন সপ্ত ৰজাকো।[৩] বছৰি বছৰি ১৭৪০ টকা "পচা" বা ৰাজন্যমাননী হিচাবে দি থাকিবলৈ ইংৰাজ সকলে গাত লয়। ইংৰাজসকলে হয়তো ভাবিছিল, এই সামান্য টকা পচা হিচাবে দি চিৰদিনৰ বাবে চেৰদুকপেন সকলক ভৈয়ামলৈ নামি অহা বন্ধ কৰি দিব। কিন্তু চেৰকপেনসকলে আগৰদৰেই ভৈয়ামলৈ নামি আহি থাকিল। ইংৰাজ সকল যোৱাৰ পাচতো এতিয়ালৈ চেৰদুকপেনসকলে ভাৰত চৰকাৰৰপৰা সেই পইচা পাই আছে।

যি কি নহওক, অসমৰ ভৈয়ামবাসীৰ (বিশেষকৈ অসমীয়া কছাৰী) সৈতে চেৰদুকপেন জনজাতিৰ এক এৰাব নোৱাৰা সম্বন্ধ অতীত কালৰেপৰা আজি পৰ্য্যন্ত চলি আহিছে। সেই কাৰণে এই দুই সম্প্ৰদায়ৰ মাজত আমি ধৰ্ম, সংস্কৃতি, ভাষা ইত্যাদি ইত্যাদি ক্ষেত্ৰত বহতো সাদৃশ্য সোমাই থকা দেখিবলৈ পাওঁ। অসমীয়া মানুহৰ দৰে চেৰদুকপেন সকলেও প্ৰচুৰ পৰিমাণে তামোল খায় চেৰদুকপেন "চালি" শব্দটোও অসমীয়া চালি শব্দৰপৰা অহা। চেৰদুকপেন আৰু অসমীয়া ভাষাৰ শব্দগত সাদৃশ্যৰ নমুনা তলত দুই এটা দাঙি ধৰা হ'ল যেনে—

| অসমীয়া | চেৰদুকপেন |
| --- | --- |
| পান | পান |
| বাটি | বাটি |
| ঘটি | ঘটি |
| বুদ্ধি | বুদ্ধি |
| চেৰেকী | চেৰেকী |
| চূণ | ছিন |
| মূলা | মুলু |
| ভাটৌ | বান্টো |
| ৰাক্ষস | ৰাইকুক্ ইত্যাদি । |

ব্যাকৰণৰ ফালৰ পৰাও এই দুই ভাষাৰ মাজত সামঞ্জস্যতা পৰিলক্ষিত হয় ।

আহোমসকলৰ দেৱতা চোমদেউ তথা চেৰদুক-পেন জনজাতিৰ দেৱতা চুংখিতৰ মাজতো ভালেখিনি মিল আছে । আহোমসকলে কুকুৰা কাটি মঙ্গল চোৱাৰ পৰাই চেৰদুকপেন সকলেও এই প্ৰথাটো শিকে বুলিও বহুতে কোৱা শুনা যায় । চেৰদুকপেন সকল বৌদ্ধ-ধৰ্মাৰ প্ৰভাৱৰ দ্বাৰা প্ৰভাৱান্বিত আৰু এই প্ৰভাৱ পৰিছে অসমীয়া সকলৰ দ্বাৰাই । চেৰ-দুকপেন সকলৰ গীত মাত, ফকৰা যোজনা আদিতো অসমীয়া শব্দৰ প্ৰয়োগ দেখা যায় ।

বৰ্তমান সময়ত বহিৰাগত অসমীয়া বিদ্বেষী লোকৰ প্ৰৰোচনাত পৰি আধুনিক চেৰদুপেন শিক্ষিত শিক্ষিত যুৱক-যুৱতীয়ে অন্ধ হৈ প্ৰকাশ্যে অসমীয়া ভাষা-ভাষী সকলৰ ওপৰত বিদ্বেষ ভাব পোষণ কৰা দেখিলেও এওঁলোকৰ মনৰ নিভৃততম কোণত তাহানি কোনোবা যুগতে পূৰ্বপুৰুষসকলে সিচি থৈ যোৱা অসমীয়া চেৰদুকপেনৰ প্ৰীতিৰ ভাৱ এতিয়াও চিৰ জাগ্ৰত হৈ জীয়াই আছে । এই মৰম প্ৰীতি অতীজৰে পৰা চলি আহিছে । এতিয়াও চলি আছে আৰু আগলৈও চলি থাকিব । দৈমাৰা বাহৰে আগৰ দৰেই ভৱিষ্যতলৈও অসমীয়া চেৰদুকপেন, পৰ্বত-ভৈয়ামৰ প্ৰীতিৰ সাঁকো হৈ চিৰদিন জিলিকি থাকিব ।

---

টোকা---

১ কিম্বদন্তিত ৰাজধানী আৰু স্বৰ্গদেউৰ নাম উল্লেখ নাই । মাত্ৰ দুই এজন বুঢ়ালোকে শিৱসাগৰ (অৰ্থাৎ গড়গাঁও বা ৰংপুৰৰ ৰজা আছিল বুলি ক'ব খোজে । মোৰ ধাৰণা মতে কিন্তু সেইটো ভুল । কিম্বদন্তিতে এইটো স্পষ্টকৈ দেখুৱাই দিয়ে যে গেপুচাংচুং গামুৰ পুত্ৰ চেৰদুকপেনসকলৰ আদি পুৰুষ বামা ৰজা সোণিতপুৰৰ বাণ ৰজাৰ সমসাময়িক আছিল । বাণৰজা যিহেতু আহোম স্বৰ্গদেউসকলৰ পূৰ্ববৰ্ত্তী ৰজা আছিল ঃ গতিকে চাংচাংগামুৰ ৰাজত্ব কালত কামৰূপলৈ আহোমসকলৰ আগমনেই হোৱা নাছিল । অন্যহাতে আহোম স্বৰ্গদেউসকলে সয়ম্বৰ সভা পাতি ৰাজ-কুঁৱৰীক বিয়া দিছিল । গতিকে কাহিনীৰ ঘটনা-বিন্যাসলৈ লক্ষ্য কৰি চুতীয়া নাইবা কোনো ওচৰ-পাজৰৰ ৰজা বুলি অনুমান কৰিব পাৰি । যি কি নহ'ওক কিম্বদন্তি অনুসাৰি আমিও ইয়াত আহোম স্বৰ্গদেউ বুলিহে উল্লেখ কৰিম ।

২ সেই পথৰ ভগ্নাৱশেষ এতিয়াও লক্ষীমপুৰ, দৰং আৰু অৰুণাচলৰ কামেং জিলাত ঠায়ে ঠায়ে দেখিবলৈ পোৱা যায় বুলি বহুতে কয় ।

৩ এইখিনিতে "আহোমৰ উৎপত্তি"ৰ লগত থকা সাদৃশ্য মন কৰিবলগীয়া ।

৪ সম্ভৱত চাংগেপু মানে শ্ৰীকৃষ্ণকে বুজাইছে ।

৫ মানৰ আক্ৰমণৰ সময়ত ৰৈ যোৱা অসমীয়া মানুহৰ সন্তান-সন্ততি দুই এজন এতিয়াও চেৰদুপেনসকলৰ মাজত আছে । কোনো কোনোৱে গোটেই চেৰদুকপেন জনজাতিকে সেই সময়ত এই অঞ্চলত পলাই আহি নতুনকৈ সৃষ্টি হোৱা এটা "ন-জনজাতি" বুলি অনুমান কৰা দেখা যায় ।

৬ চেৰদুপেনসকল সাতটা সম্ভ্ৰান্ত বংশৰ দ্বাৰা গঠিত । যেনে ঠংদোক, খ্ৰীমে, ঠঙো, ঠংচি, লামাগুৰু, খেলেং-ঠোং, মোছোবি । সেই বাবে জাতিটো সপ্তৰজা (Sath Raja) বুলিও জনজাত । এই সাতটা সম্ভ্ৰান্ত বংশৰ নিজা নিজা চাও বা দাস আছে । মেগেজি, চিমজাজি, দিংলা ইত্যাদিবোৰ চাও বা দাস জাতি ।

# ১৯৭২ চনৰ নবাগত আদৰণি সভাত অধ্যক্ষৰ ভাষণ

আজিৰ এই শুভদিনত মই কটন কলেজৰ অধ্যক্ষ হিচাপে ন-পুৰণি সকলো ছাত্ৰ-ছাত্ৰীকে আদৰণি জনাইছোঁ আৰু আমাৰ কটনিয়ান পৰিয়ালৰ ভিতৰলৈ বিশেষকৈ নতুন ছাত্ৰ-ছাত্ৰী সকলক স্বাগত জনাইছোঁ।



কটন কলেজৰ বিষয়ে তোমালোক সকলোৱে ভালদৰে জানা যে অসমৰ ভিতৰতে এইখনেই স্নাতক মহলাৰ একমাত্ৰ চৰকাৰী অনুষ্ঠান। ১৯০১ চনতে জন্ম পোৱা এইখন কলেজে এক ঐতিহ্যলৈ অসমৰ ইমূৰৰ পৰা সিমূৰলৈ শিক্ষাৰ ক্ষেত্ৰত বিশেষ অৰিহণা যোগাই আহিছে। কটন কলেজত ভৰ্তি হ'বলৈ পোৱাটো এটা সৌভাগ্যৰ কথা। গুণৰ ওপৰত ভিত্তি কৰিহে এইখন কলেজত আৰু ইয়াৰ ছাত্ৰাবাস আৰু ছাত্ৰীবাস বিলাকত ছাত্ৰ-ছাত্ৰী ভৰ্তি কৰা হয়। গতিকে যিসকলে ইয়াত স্থান পাইছে নিজক কটনিয়ান বুলি গৌৰৱ কৰিবলৈ সুবিধা পাইছে তেওঁলোকে ইয়াৰ সন্মান আৰু ঐতিহ্য ৰক্ষা কৰিব বুলি মই আশা কৰিলোঁ।

পাঠ্যক্ৰমৰ ওপৰিও নিজৰ শৰীৰ আৰু মনৰ পৰিধি বঢ়াবৰ কাৰণে নানা সুবিধা এই কলেজখনে দিছে। ইয়াৰ যিটো সুন্দৰ পুথিভঁৰাল আছে এইটো অসমৰ ভিতৰতে আটাইতকৈ ডাঙৰ পুথিভঁৰাল। সকলো বিষয়ৰে কিতাপপত্ৰ ইয়াত পোৱা যায় আৰু তাৰ বাহিৰেও নানা ধৰণৰ আলোচনী আৰু খবৰৰ কাগজ ইয়াৰ পঢ়াকোঠাত মজুত থাকে। আমাৰ ছাত্ৰ-ছাত্ৰী সকলে এই পুথিভঁড়ালটো আৰু ইয়াৰ পঢ়া কোঠা ভালদৰে ব্যৱহাৰ কৰিব বুলি মই আশা ৰাখিলোঁ। শৰীৰ চৰ্চা কৰিবৰ কাৰণে ব্যায়ামগাৰৰ পৰা আৰম্ভ কৰি নানা ধৰণৰ সা-সুবিধা আছে। খেলা-ধূলাৰ ক্ষেত্ৰতো কটন কলেজৰ এটা সুনাম আছে। এই সুনাম নতুন চাম কটনিয়ানে নিশ্চয় ৰক্ষা কৰিব।

অতীতৰ পৰা আমাৰ কলেজখনে বিশ্ববিদ্যালয়ৰ পৰীক্ষাবোৰতো সুনাম অৰ্জন কৰি আহিছে। এইবাৰ প্ৰাক্‌বিশ্ববিদ্যালয়ৰ পৰীক্ষাত বিজ্ঞান শাখাত আমাৰ কলেজৰ ছাত্ৰ-ছাত্ৰীয়ে তিনিটা স্থান অধিকাৰ কৰিছে আৰু শতকৰা উত্তীৰ্ণৰ হাৰ ৮১। আনহাতে বিশ্ববিদ্যালয়ৰ উত্তীৰ্ণৰ হাৰ শতকৰা ৪২.৬। কলা শাখাতো তিনিটা স্থান আমাৰ কটানিয়ানে পাইছে আৰু এই বিভাগত শতকৰা উত্তীৰ্ণৰ হাৰ ৭০.৭। বি এছ ছি ২য় খণ্ড পৰীক্ষাতো আমাৰ কলেজৰ ২৭ জন ছাত্ৰ-ছাত্ৰীয়ে প্ৰথম শ্ৰেণীৰ অনাৰ্চ লাভ কৰিছে। উত্তীৰ্ণৰ হাৰ শতকৰা ৮৫.৪। ঠিক যেনেদৰে কলা বিভাগৰ উত্তীৰ্ণৰ হাৰ শতকৰা ৬৩.৮।

এইবাৰ প্ৰাক্-বিশ্ববিদ্যালয় শ্ৰেণীত অসমীয়া মাধ্যমৰ যোগেদি শিক্ষা দিয়াৰ বন্দোৱস্ত কৰা হৈছে। অসমীয়া মাধ্যমৰ যোগেদি শিক্ষা প্ৰদান কৰা হলেও যাতে অনা-অসমীয়া ছাত্ৰ-ছাত্ৰীৰ অসুবিধা নহয় তালৈও চকু ৰখা হৈছে। শ্ৰেণীত গোটেই বক্তৃতাৰ সাৰাংশ ইংৰাজীত কোৱাৰ আৰু টান শব্দবোৰ ইংৰাজীত ব্যাখ্যা কৰি দিয়াৰ বন্দোৱস্ত ৰখা হৈছে। পৰীক্ষাত প্ৰশ্ন কাকত ইংৰাজী আৰু অসমীয়া দুয়োটা ভাষাতে ছপা কৰা হ'ব আৰু ছাত্ৰ-ছাত্ৰীয়ে অসমীয়া বা ইংৰাজী যি কোনো এটাতে প্ৰশ্নৰ উত্তৰ লিখিব পাৰিব।

যদিও কলেজখনৰ বহুতখিনি কাম হৈছে তথাপিও এতিয়াও বহুখিনি হ'বলৈ বাকী আছে। প্ৰশাসনীয় কাৰ্য্যালয়টো এতিয়াও সম্পূৰ্ণ হৈ উঠা নাই। আমি আশা ৰাখিছোঁ যে এই বছৰৰ শেষৰ পিনে সেইটো সম্পূৰ্ণ হৈ উঠিব আৰু আমি বৰ্তমান কাৰ্য্যালয়টো নতুন ঘৰলৈ নিব পাৰিম। কলেজৰ টেনিচ পথাৰখন এতিয়াও সম্পূৰ্ণ হোৱা নাই আৰু কেন্টিনখনো স্থায়ী ঘৰ এটালৈ আনিব পৰা নাই। চৰকাৰৰ পৰা টকাৰ অনুদান পালেই এই দুয়োটা কাম হাতত লব পৰা হ'ব। দীঘলী পুখুৰীৰ পাৰত অধ্যাপক অধ্যাপিকা সকলৰ কাৰণে যি ঘৰ সজা হৈছিল সেই ঘৰবোৰ এতিয়াও অসম্পূৰ্ণ অৱস্থাত। দুটা ভৱন অৱশ্যে পূজাৰ বন্ধৰ আগতে পোৱাৰ আশা আছে। গড়কাপ্তানী বিভাগলৈ আমাৰ অনুৰোধ থাকিল যাতে শীঘ্ৰে এই ঘৰ কেইটা সম্পূৰ্ণ কৰি আমাৰ হাতত গতাই দিয়ে।

শেষত পুনৰ মই তোমালোক সকলোকে আশীৰ্বাদ দিছো যাতে যিটো উদ্দেশ্যলৈ ইয়ালৈ আহিছা সেই উদ্দেশ্য সফল কৰি ইয়াৰ পৰা ওলাই, সমাজ আৰু দেশখনক আগুৱাই নিব পাৰা।

আব্দুল জেলিল
অধ্যক্ষ, কটন কলেজ গুৱাহাটী।

তিনিটা সৰু গল্প

# নেতা, সমাজ আৰু আমি



পবিত্ৰকুমাৰ পূজাৰী
২য় বাৰ্ষিক (কলা)

॥ নেতা ॥

"কুকুৰৰ ভুকভুকনি, বস্তিৰ মানুহ বিলাকৰ অদ্ভুত কিছুমান চিঞৰ, উস্ কি অদ্ভুত অশান্তি। এনে অৱস্থাত লেক্‌চাৰ প্ৰিপায়াৰ কৰাটো অসম্ভৱ। অথচ শ্ৰমিক নেতা হিচাবে মিটিংখনত কিবা এটা কবই লাগিব। কি সমস্যা। উপায় নাই। আকৌ সেই চিঞৰ।" উঠি গলো খিৰিকীখন বন্ধ কৰিবলৈ। 'ধেৎতেৰি' হাহি উঠি গ'ল। এটা মৰা গৰু পোৱালিক লৈ ইমান যুদ্ধ। অথচ বস্তিৰ লেৰেলা কুকুৰ বিলাকৰ সহস্ৰ আক্ৰমণ, ভুক-ভুকনিৰ সত্বেও নোদোকা কুকুৰটো কিন্তু পোৱালিটোৰ ওপৰত বহিয়েই থাকিল। খিৰিকীখনত আউজি ৰ'লো কুকুৰটোৰ বিজয়ৰ আনন্দ চাবলৈ। কিন্তু হঠাতে কুকুৰবিলাকে দেখোন চিঞৰি-বাখৰি কুকুৰটোক একেলগে আক্ৰমণ কৰিবলৈ ধৰিলে। সিহঁতৰ চিঞৰ বাঢ়ি আহিল। আক্ৰমণ বাঢ়ি গ'ল আৰু এটা সময়ত গৰু পোৱালিটোৰ ওপৰত কুকুৰবিলাক উঠি নোদোকা কুকুৰটোক মাটিত ৰগৰাই দিলে। অজানিতে বুকুখন কঁপি উঠিল। খিৰিকীখন চাট্‌কৰে বন্ধ কৰি অসহ্য যন্ত্ৰণা লৈ ওপৰ মহলাৰপৰা নামি আহি ভাবিলোঁ নোদোকা কুকুৰটোক বাৰু আনবোৰ কুকুৰে শেষ কৰি দিব নেকি ?

॥ সমাজ ॥

অৱশেষত দুৱাৰখন লাহেকৈ হেচি দিলো। মেল খাই গ'ল। 'দুৱাৰ মেলা' অথচ চাৰ নাই। ভয় লাগি গ'ল। আটাইকেইটা সোমাই গলো। ভিতৰত লেম্পটোৰ আৰু পুৱাৰ সূৰুযৰ এক মিশ্ৰিত পোহৰত দেখা পালো মেজত সিচৰিত হৈ পৰি আছে ডায়েৰীৰ কেইখিলামান পাত। আটাইকেইটা মেজখনত উবুৰি খাই পৰিলো। একে উশাহে পঢ়ি পেলালো—

২১ জুলাই '৭০

আজি মই আনন্দত আত্মহাৰা। এয়া মই আনন্দৰ চকুলো টুকিছো। অশেষ শ্ৰম আশা আৰু যত্নৰ ফল মোৰ স্কুলখন আজি মুকলি কৰিছো। আনহাতে ডাক্তৰখানাৰ বাবেও গ্ৰান্ট অহাৰ খবৰ পাইছো। আজিৰ স্কুলৰ সভাতে মই গাঁৱৰ হকে অশেষ কাম কৰাৰ বাবে গাঁৱৰ ৰাইজে মোক হিয়া ভৰা মৰম জনাইছে। বুজাব নোৱাৰা এক আনন্দই মোক পুলকিত কৰিছে। মই আত্মহাৰা হৈছোঁ স্ৰষ্টাৰ সৃষ্টি দেখাৰ আনন্দত, মৰমৰ বান্ধোনত।

২৪ নবেম্বৰ '৭১

গাওবুঢ়া আকৌ আহিছিল । পুনৰ আগৰ সকিয়নিকে দিছিল । মই একো কোৱা নাছিলো । মাথো ভাবিছিলো মানুহ ইমান নিষ্ঠুৰ কেনেকৈ হয় ? সমাজ কি ?

১২ ডিচেম্বৰ '৭১

কালি চম্পাৰ অসুখ বেচি হৈছিল । ৰাতিটো তাইৰ কাষতেই থাকিলো, চম্পাৰ বাধা সত্বেও । চম্পাজনীলৈ বেয়া লাগিছিল । তাই তাইৰ সকলো সম্পত্তি গাৱঁৰ ৰাইজৰ সেৱাৰ বাবে মোৰ হাতত গটাই দিছিল । অভিভূত হৈ পৰিছিলোঁ। মই ক'ব নোৱাৰাকৈ তাইৰ হাত দুখনত ধৰি কান্দি দিছিলো।

১ জানুৱাৰী '৭২

নিজেই জ্বলাই দিয়া চম্পাৰ চিতাৰ জুইকুৰা বোধকৰো নুমাইছিল । মোৰ মনৰ জুইকুৰা কিন্তু জ্বলি উঠিছিল । নামঘৰত মেল চপাইছিল মোৰ বিৰুদ্ধে । চম্পাৰ লগত সংস্পৰ্শ ৰখা বাবে সমাজে মোক বহিস্কৃত কৰিছে । মই প্ৰতিবাদ কৰিছিলো । চম্পা বেয়া ছোৱালী নহয় । চম্পাৰ ওচৰলৈ মই কামনা চৰিতাৰ্থ কৰিবলৈ যোৱা নাছিলো । চম্পাক মই মৰম কৰিছিলোঁ । সমাজে সন্দেহেৰে চোৱাটো মই সহ্য কৰিব নোৱাৰোঁ । তাই পৰিচয়হীনা, কিন্তু তাই মহৎ । মোৰ কথা শুনি গাওবুঢ়াহঁতে অট্টহাস্য কৰিছিল। মোৰ ঘিণ লাগিছিল । বুজি পাইছিলোঁ এয়া মোৰ 'পদুমণী'—মোৰ মৰমৰ গাওখনি এৰি যোৱাৰ সময়।"

"তেন্তে চাৰ ???" কোনেও নোকোৱাকৈয়ে আমাৰ ভাব বিলাক এক হৈ পৰিল । হৰমুৰকৈ কোঠাটোৰ পৰা ওলাই আহিলোঁ । দৌৰ দিলোঁ । এক প্ৰচণ্ড বেগেৰে । একেলগে । এক শক্তিৰে । কাৰণ আমি যে চাৰক ঘূৰাই আনিবই লাগিব ।

॥ আৰু আমি ॥

চম্পকৰ অনুপস্থিতিত আকৌ বুকুখন কঁপি উঠিল যোৱা ৰাতি তাৰ লগত হোৱা আন্দোলনৰ আলোচনা বিলাকৰ কথা মনত পৰিল । কিন্তু তাৰ পাচৰ পৰাই যে সি অন্তৰ্ধান । কোম্পানীৰ চক্ৰান্তৰ ওপৰত সন্দেহ হ'ল। এক প্ৰবল আক্ৰোশত অথচ ঘৃণাত জেনেৰেল মেনেজাৰৰ ওচৰলৈ বেগেৰে আগবাঢ়িলোঁ । হাতৰ স্মাৰক পত্ৰখন জোৰেৰে মুঠি মাৰি কিবা এটা ক'ব খুজি ৰৈ গলোঁ—দেখিলোঁ জেনেৰেল মেনেজাৰ আমাৰ ফালে আগবাঢ়ি আহিছে । কিবা কোৱাৰ আগতেই তেওঁ আমালৈ আগবঢ়াই দিলে এখন চিঠি । ক্ষন্তেকো নৰৈ মেলি দিলোঁ ——

ৰঞ্জন

চিঠিৰ অৱতাৰণা আৰু মোৰ অন্তৰ্দ্ধান—অচৰিত হৈছে নহয় ? মই জানো তহঁতে মোক ক্ষমা নকৰ। কিন্তু মই ৰৈ যে নিৰুপায় । এসাজ খাই এসাজ লঘোণে থকা ঘৰখনক মই যে জীয়াই ৰাখিবই লাগিব । মোৰ মা, ভনী, ভাইহঁতক মই যে হাঁহি বিলাবই লাগিব ৰঞ্জন ! আজি বিপ্লৱী চম্পক মৰি গৈছে । বহুত টকাৰ দৰমহাৰ চাকৰি পাইছে । প্ৰমোচন পাইছে । এতিয়া যে মোৰ মাই হাঁহিব পাৰিব ৰঞ্জন...........। পত্ৰৰ ধৈৰ্য্য হেৰাই গৈছিল । অভাব, বিপ্লৱ, প্ৰলোভন, আন্দোলন । "তেন্তে আমি.......।" মোৰ চকুৰ আগত ভাঁহি উঠিছিল জেনেৰেল মেনেজাৰহঁতৰ প্ৰসাৰিত হাতবোৰৰ মাজত চম্পকহঁত বিলীন হৈ যোৱা । হ'ব নোৱাৰে 'হব নোৱাৰে'—মই চিৎকাৰ কৰি উঠিছিলোঁ।

# এটা সূৰ্য্য, দুখন নদী আৰু এখন মৰুভূমি

লেখক ঃ মালিক, প্ৰকাশক ঃ
মিত্ৰ এজেঞ্চি এণ্ড কোম্পানী;
প্ৰথম প্ৰকাশ—নৱেম্বৰ ১৯৭২, পৃষ্ঠা ১২৪
দাম—৪·০০

'অঘৰী আত্মাৰ কাহিনী'ৰ পৰা 'এটা সূৰ্য্য, দুখন নদী আৰু এখন মৰুভূমি'ৰ ৰচনালৈ বেচি বছৰৰ ব্যৱধান নহয়। অথচ দুইখন উপন্যাসৰ মাজত পাৰ্থক্য কিন্তু বহুত। বিষয়-বস্তু নিৰ্বাচনৰ, কাহিনী কোৱাৰ ভঙ্গীৰ, চৰিত্ৰ চিত্ৰনৰ প্ৰতি সচেতনতাৰ। একাডেমী পুৰস্কাৰপ্ৰাপ্ত 'অঘৰী আত্মাৰ কাহিনীত' মেল'ড্ৰামা আছিল, সামাজিক অবক্ষয়ৰ বাহ্যিক ৰূপৰ চিত্ৰ আছিল; 'এটা সূৰ্য্য, দুখন নদী আৰু এখন মৰুভূমি'ত আছে মানুহৰ অন্তৰৰ গভীৰ -থলীলৈ সোমাই তাৰ মাজৰপৰা মানৱতাৰ নিকা, উজ্জ্বলখিনি আহৰণ কৰি প্ৰকাশ কৰাৰ সাৰ্থক প্ৰচেষ্টা। শেৱালি সৰা নিবিড়, অকলশৰীয়া মুহূৰ্তত নাৰীৰ প্ৰতি পুৰুষৰ জাগি উঠা যি সুতীব্ৰ কামনা, সেই কামনাকো সংযম, ত্যাগ আৰু আদৰ্শৰে কেনে-দৰে মহীয়ান কৰি তুলিব পাৰি,, তাৰেই জ্বলন্ত স্বাক্ষৰ গীতি-কবি আনচাৰী, বাঈজী তনয়া গুলনাৰ, ওস্তাদ জয়পুৰী, ওস্তাদ জাহাঙ্গীৰখাঁ আৰু শেষত চাজ্জাদ। কাহিনী ভাগ চমুকৈ এনে—

